

OKDISCD

দ্বিতীয় সংকলন

জুলাই ॥ ১৯৭৬

# সাম্প্রতিক সাময়িকী

Gram : SWISSCO Phone : 6158

# SWISS WATCH CORPORATION

S. S. ROAD, GAUHATI-781001

HES

TIMESTAR
WATCHES

*Distributors of :* 'HES' Alarm Time-pieces & Clocks, 'Timestar' wrist watches and 'Scientific' wall-clocks for Assam, Meghalaya, Manipur, Tripura, Nagaland, Arunachal Pradesh & Mizoram

AND

*Dealers in :* All kinds of Watch Spare parts, straps, Bracelets, Tools and Steel watch bands.

**Trial Solicited**



মাত্র দহ বছৰীয়া জীৱন কালত প্ৰায় ১০০ খন ৰাছক-বনীয়া
গ্ৰন্থ প্ৰকাশ কৰাৰ গৌৰৱেৰে

# গুৱাহাটী বুক ষ্টলে

সমূহ পাঠকলৈ ওলগ জনাই আগবঢ়াইছে—

কুমাৰ কিশোৰৰ সম্পূৰ্ণ নতুন আংগিকৰ নতুন বিষয়-বস্তুৰ নৱতম উপন্যাস—

॥ হিমানী-হিল্লোল ॥

( মূল্য— ৮'০০ টকা )

ডেৰকুৰি বছৰৰ বিৰতিৰ পিচত **কাঞ্চন বৰুৱাৰ** যুগ-জয়ী উপন্যাস –

॥ অসীমত যাৰ হেৰাল সীমা ॥

(২য় সংস্কৰণ : মূল্য— ১৫ ০০)

সৃজন আৰু মনন : (কবি আৰু কাব্য আলোচনা) ইমদাদ্ উল্লাহ ॥
মূল্য : ৬ ০০ টকা

মন আৰু মন : (সাহিত্য আলোচনা) ৰাম গোস্বামী ॥ মূল্য : ৬ ০০ টকা

অস্তিত্বৰ শিকলি : (চুটি গল্প) নগেন শইকীয়া ॥ মূল্য : ৪ ৫০ টকা

ৰাজপথৰ নায়ক : (উপন্যাস) কামাখ্যা সভাপণ্ডিত ॥ মূল্য ॥ ৬ ০০ টকা

শিশুৰ প্ৰতিপালন : (শিশু-স্বাস্থ্য বিজ্ঞান) চন্দ্ৰপ্ৰভা দেৱী ॥ মূল্য : ৬'০০ টকা

সাহিত্য আৰু চেতনা (প্ৰবন্ধ সংকলন) ডঃ হীৰেন গোহাঁই (যন্ত্ৰস্থ)

# গুৱাহাটী বুক ষ্টল

শিলপুখুৰী ॥ গুৱাহাটী-৭৮১০০৩


OKDISCD

পূজাৰ বিশেষ সংখ্যা মানেই

# আমাৰ প্ৰতিনিধি

শাৰদীয় সাহিত্যৰ স্থনিৰ্বাচিত সম্ভাৰৰ সমাবেশেৰে এই
সংখ্যাটোৰ বিশেষ আকৰ্ষণ হ'ল—

## ৫ খন উপন্যাস

**ইয়াৰ উপৰিও আছে -**

- অসংখ্য নতুন দৃষ্টি-ভংগীৰ দীঘল-চুটি গল্প
- বিশেষ বিশেষ চিন্তাগধুৰ প্ৰবন্ধ
- অসমৰ শ্ৰেষ্ঠ কবিসকলৰ কবিতা **আৰু আছে—**
- ভূপেন হাজৰিকাৰ **'শিল্পীৰ পৃথিবীত'** লগতে—

'সহস্ৰজনে মোক প্ৰশ্ন কৰে' আৰু অন্যান্য বহুতো শিতান

আপোনাৰ সংখ্যাটোৰ বাবে আজিয়েই এজেণ্টক কৈ থওক।
পূজাৰ অন্ততঃ ১৫ দিনৰ আগতে প্ৰকাশিত হ'ব।

**আমাৰ প্ৰতিনিধি**

৭৯, মহাত্মা গান্ধী ৰোড, কলিকতা-৭০০ ০০৯

# লয়াৰ্ছ বুক ষ্টল

**পাণবজাৰ ॥ গুৱাহাটী-৭৮১০০১**

- আমাৰ মূল উদ্দেশ্য যাতে অসমীয়া কিতাপ ব্যৱসায়টো টনকিয়াল হৈ উঠে আৰু ইয়াৰ দ্বাৰা ক্ৰমে **অসমীয়া সাহিত্য, নাটক, উপন্যাস, গল্প, সৃষ্টিমূলক সাহিত্য** আদি আৰু লুপ্ত হ'ব ধৰা আৰু অপ্ৰকাশিত নানা প্ৰকাৰৰ ধৰ্মগ্ৰন্থ প্ৰকাশ পায় আৰু **দেশৰ ধন দেশতে থাকে,**
- আমাৰ উদ্দেশ্য কেৱল ধন ঘটা (Money making) নহয়, এই ব্যৱসায়ৰ ধনেৰে জাতীয় সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰ কৰাহে,
- সংখ্যাৰ ফালৰপৰা আমাৰ প্ৰকাশিত পাঠ্য-পুথিৰ সংখ্যা কম, কিন্তু গুণগত বিচাৰত এই পাঠ্য-পুথিসমূহ যাতে সদায় উচ্চমানবিশিষ্ট হয় তালৈ আমি সততে চকু ৰাখোঁ,
- আমাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থাৱলী বিচিত্ৰ, শিশু সাহিত্যৰ পৰা প্ৰাচীন ধৰ্মপুথিলৈকে অসংখ্য গ্ৰন্থ আমি প্ৰকাশ কৰিছোঁ।

লয়াৰ্ছ বুক ষ্টলৰ প্ৰচাৰ বিভাগৰ হৈ শ্ৰীখগেন্দ্ৰ নাৰায়ণ
দত্ত বৰুৱাৰ দ্বাৰা প্ৰচাৰিত।

# সাম্প্ৰতিক সাময়িকী

সাহিত্য-সংস্কৃতি বিষয়ক তিনিমহীয়া আলোচনী
প্ৰথম বছৰ ॥ দ্বিতীয় সংকলন ॥ জুলাই, ১৯৭৬

সূচী-পত্ৰ

সাংস্কৃতিকী :

**প্ৰবন্ধ ॥**

অজিত বৰুৱাৰ 'জেংবাই' আৰু কবি মন ॥ নলিনীধৰ ভট্টাচাৰ্য ॥ ১৭
মাৰ্ক্সবাদ আৰু জাতিসমস্যা ॥ হীৰেন গোহাঁই ॥ ২১
সাহিত্যত প্ৰচাৰধৰ্মিতা ॥ শিৱনাথ বৰ্মণ ॥ ৩১
মোৰ অৱস্থান ॥ পল ৰবচন ॥ অনুবাদ, উদয় নাথ ॥ ৪০
বৰ্তমান অসমীয়া গল্প-উপন্যাসৰ ধাৰা ॥ দ্বিজেন দাস ॥ ৪৪
শিল্প-সাহিত্য চিন্তা ॥ পোলেন বৰকটকী ॥ ৫৫
চীন-ভাৰত সম্পৰ্কৰ অগ্ৰগতি ॥ নিখিল চক্ৰৱৰ্তী ॥ ৮৮

**গল্প ॥**

মৃতকৰ ঠিকা ॥ সত্য সুন্দৰ বৰুৱা ॥ ৪৯
পোৱালী ছাৰ ॥ ৰুবী দেউৰী ॥ ৬২
অসহযোগী ॥ মানিক বন্দ্যোপাধ্যায় ॥ অনুবাদ, আভা ভট্টাচাৰ্য ॥ ৬৯

**গীত ॥**

মই যে দেখিছোঁ সেই দেশ ॥ হেমাংগ বিশ্বাস ॥ ৬

**কবিতা ॥**

জ্ঞান পূজাৰী/মদন শৰ্মা/হেমন্ত বৰ্মণ

**গল্পালোচনা ॥**

'বৈজ্ঞানিক' ৰূপকথা ॥ প্ৰসেনজিৎ চৌধুৰী ॥ ৭৪

**চলচ্চিত্ৰ**

হাংগেৰিয়ান বোলছবি সপ্তাহ ॥ হেমন্তকুমাৰ দাস ॥ ৮২
চিঠি-পত্ৰ ॥ ৯
পুথি সমালোচনা ॥ ৯০
অজিতকুমাৰ গোস্বামী ॥ প্ৰদীপ আচাৰ্য ॥

প্ৰচ্ছদপট ॥ বেণু মিশ্ৰ
সম্পাদক ॥ নিত্য বৰা ॥ উপদেষ্টা ॥ নলিনীধৰ ভট্টাচাৰ্য
কাৰ্যালয় : হেদায়েৎপুৰ ॥ গুৱাহাটী—৭৮১০০৩ ॥ ফোন— ৭০২৩

OKDISCD

## সাংস্কৃতিকী

# শান্তিৰ পোহৰৰ ঢল

আৰু এখন আমেৰিকা আছে ইয়াত ঃ সাধাৰণ মানুহৰ আমেৰিকা। তেওঁলোকে আৰু এখন মহাযুদ্ধলৈ ভয় কৰে আৰু শান্তিৰ পৃথিৱীত বাস কৰিবলৈ বিচাৰে। তেওঁলোকৰ কণ্ঠস্বৰ 'ভয়চ অব আমেৰিকা'ত শুনা নাযায়। যুদ্ধবাজ সংবাদপত্ৰবিলাকে আৰু বেতাৰযন্ত্ৰই মিঃ ডালেছৰ ভাষা আৰু সুৰত কথা কয় আৰু সিহঁতে ওকালতি কৰে সেইবোৰ কোটিপতিৰ হৈ যিবোৰে আমেৰিকাৰ জনগণক শাসন আৰু শোষণ কৰে আৰু গোটেই পৃথিৱীখনকে কিনি ল'বলৈ বিচাৰে। যদিও ছীনেটৰ মেকাৰ্থিৰ দৰে ফেছিষ্টবোৰে দেশৰ সৰ্বত্ৰ, বিশেষকৈ যিবোৰ অঞ্চলত গণতন্ত্ৰৰ প্ৰতি আকাংক্ষা প্ৰবল, সেইবোৰ ঠাইত, সন্ত্ৰাস আৰু দমন-পীড়ন চলাই গৈছে। যদিও শান্তি আৰু গণতন্ত্ৰৰ দাবীক 'কমিউনিষ্ট চক্ৰান্ত' বুলি আখ্যা দিয়া হৈছে, তথাপি আমেৰিকাৰ জনগণে শান্তি আৰু গণতন্ত্ৰৰ পক্ষে বিপুল সঁহাৰি দিছে। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা দুটামান উদাহৰণ দাঙি ধৰিব খোজোঁ।

মাত্ৰ কেইদিনমান আগতে ছিকাগো বিদ্যালয়লৈ গান গাবলৈ গৈ মই শুনিলোঁ যে মোৰ কাৰ্যসূচী বাতিল কৰিবলৈ ছাত্ৰসংগঠনৰ ওপৰত নানাধৰণৰ চাপ আহিছিল। এনেকি প্ৰতিক্ৰিয়াশীল চৰকাৰে এনে ভয়ো দেখুৱাইছিল যে যিবিলাকে মোৰ গান শুনিবলৈ আহিব সিহঁতৰ মৰাশ'হে হলত পৰি থাকিব। আৰু তাৰ লগতে তথাকথিত 'নিৰপেক্ষ' সংবাদপত্ৰবিলাকে মোৰ সংগীত অ-আমেৰিকান, জাতীয়তা-বিৰোধী বুলি চিঞৰিছিল। কিন্তু গণতন্ত্ৰপ্ৰিয় ছাত্ৰ-ছাত্ৰীসকল সংকল্প-কঠিন সাংগঠনিক শক্তিত অবিচল হৈ আছিল। ফলত হলঘৰ প্ৰায় ১৫০০ শ্ৰোতাৰে ভৰি গৈছিল আৰু শই শই দৰ্শক বহিবলৈ ঠাই নাপাই উভতি গৈছিল।

সকলো ঠাইতে মই যি কৰোঁ, তাকে কৰিলোঁ। মই অন্যান্য দেশৰ লগতে ৰুছদেশৰ জনগণৰ গান, (মুছৰগস্কিৰ 'আফটাৰ দি বেট্‌ল'), দেশৰ সাধাৰণ মানুহৰ গান, আৰু শান্তি আৰু গণতন্ত্ৰৰ গান গালোঁ। সকলোৱেই মোক অৰ্থাৎ মোৰ স্বাধীনতা, শান্তি আৰু প্ৰগতিৰ বাণীক— মনেপ্ৰাণে গ্ৰহণ কৰিলে।



কিছুদিন পিছতেই মই আৰু এটা অনুষ্ঠানৰ বাবে ছিকাগোলৈ ঘূৰি আহিলোঁ। সেইটো আছিল দক্ষিণাঞ্চলৰ এটা ডাঙৰ নিগ্ৰো বস্তিত। আহি দেখিলোঁ চৰকাৰৰ দ্বাৰা সংগঠিত সন্ত্ৰাসৰ বাবে কোনো হলঘৰ ভাড়ালৈ পোৱা নাযায়। অৱশেষত ওৱাছিংটন পাৰ্কতেই সংগীতানুষ্ঠানৰ আয়োজন কৰা হ'ল। অৱশ্যে তাৰপৰা লাভেই হ'ল, কাৰণ দহহাজাৰ শ্ৰোতাৰ বাবে কোনো হলঘৰত ঠাই নহ'লহেঁতেন। শ্ৰোতাসকলৰ অধিকাংশই আছিল ইস্পাত কাৰখানাৰ আৰু মাংস পেকিং কাৰখানাৰ শ্ৰমিক আৰু মিছিছিপিৰ কপাহ খেতিয়ক। তাৰ উপৰিও ডাক্টৰ, আইনজীবী আৰু স্কুলশিক্ষক প্ৰভৃতিকে ধৰি মধ্যবিত্তৰ বিৰাট অংশই এই অনুষ্ঠানত ভাগ লৈছিল।

কিয় মই মোৰ গানত স্বাধীনতা, শান্তি আৰু গণতন্ত্ৰৰ কথা কৈছোঁ? কাৰণ ইয়াত – এই আমেৰিকাত— এতিয়া চৰকাৰী নীতি মানেই 'বিৰাট ধাপ্পা'। ইয়াত এতিয়া সাধাৰণ মানুহৰ ওপৰত দমন পীড়নৰ ষ্টীমৰোলাৰ চলিছে পুৰাদমে। বিশেষকৈ যিসকলে গণতান্ত্ৰিক অধিকাৰ আৰু শান্তিৰ সপক্ষে মাত মাতিছে আৰু সাহসেৰে কিবা কৰিবলৈ গৈছে, তেওঁলোকৰ ওপৰত আৰু সূক্ষ্ম আৰু তীব্ৰভাবে চৰকাৰী পীড়নযন্ত্ৰ প্ৰযুক্ত হৈছে। এই দেশত এতিয়া প্ৰতিদিনেই নতুন নতুন কায়দাত বিভিন্ন উৎপীড়ন ঘটোৱা হৈছে আৰু নতুন নতুন ফেছিষ্টধৰ্মী আইনকানুন কংগ্ৰেছত পাছ কৰা হৈছে। প্ৰায় প্ৰতিদিনেই দুই চাৰিজনকৈ গণতান্ত্ৰিক নেতা আৰু কৰ্মীক হত্যা কৰা হৈছে আৰু শই শই মানুহক জেলত ভৰোৱা হৈছে। অথচ এই আমেৰিকাতে এতিয়া চৰকাৰী উৎসাহ আৰু উদ্যোগত আব্ৰাহাম লিংকনৰ মূৰ্তিত আন্তৰিক শ্ৰদ্ধা জনাই মাল্যদান কৰা হৈছে।

যদিও ছীনে'টৰ মেকাৰ্থিয়ে এতিয়া নিজকে স্বৈৰতন্ত্ৰী ফ্ৰেংকোৰ লগৰীয়া বুলি কৈছে, আৰু নাৎছি গোৱেবে'লছৰ প্ৰেতাত্মাক জগাই তুলিছে, তথাপি মই জানোঁ, মই বিশ্বাস কৰোঁ, যে আমেৰিকাৰ জনগণৰ শিৰাই শিৰাই জেফাৰ্ছন, লিংকন, ডগ্‌লাছ আৰু হুইটমেনৰ গণতান্ত্ৰিক ঐতিহ্যৰ তেজ প্ৰবাহিত হৈ আছে। তেনে নোহোৱা হলে ভাইচ প্ৰেছিডেণ্ট্ নিক্সনে যেতিয়া ঘোষণা কৰিলে— ভিয়েতনামী জনগণৰ বিৰুদ্ধে মাকিন সৈন্য পঠোৱা হ'ব, তেতিয়া আমেৰিকাৰ গণতন্ত্ৰ আৰু স্বাধীনতাপ্ৰিয় সাধাৰণ মানুহে প্ৰচণ্ড প্ৰতিবাদৰ ধুমুহা বোৱাই নিদিলেহেঁতেন। +

* (শীতল যুদ্ধৰ কালছোৱাত আমেৰিকাত গণতন্ত্ৰপ্ৰেমী মানুহৰ ওপৰত যেতিয়া নিৰ্যাতন আৰু দমন নামি আহে, তেতিয়া পল ৰবচনে এই ৰচনা লিখিছিল।)



OKDISCD

## মই যে দেখিছোঁ সেই দেশ/হেমাংগ বিশ্বাস

মই যে দেখিছোঁ সেই দেশ— উজ্জ্বল সূৰ্য-ৰঙীণ।
মই যে দেখিছোঁ শত ফুল ফুলনিত
পূবোৱালী বতাহৰ হেন্দোলনিত
ভোমোৰাই গুঞ্জৰি কৰিছে প্ৰচাৰ
বিষাক্ত ঋঘুমলা হ'ল যে বিলীন।

মই যে দেখিছোঁ আহা ৰূপোৱালী নদী
আন্ চান্ উহানত বয় নিৰবধি
ফাৰনেছে ফাৰনেছে তীখকুৰা মন
নতুন প্ৰাচীৰ গঢ়ে অজেয় কঠিন।

দেখিছোঁ অশ্ৰুমতী হোৱাংহোৰ পানী
নাচি বাগি হাঁহি মাতি হ'ল শুৱনি
সেতুবন্ধ ইয়াংচীৰ শুনিছো প্ৰচাৰ
বাঢ়নী পানীৰ দিন হ'ল যে বিলীন।

দেখিছোঁ ড্ৰেগনবাহী কোটি শ্ৰমবীৰ
পাহাৰ ভাঙে সোঁত ঘূৰায় নদীৰ
তবধ মানিছো দেখি প্ৰতি কমিউনে
নতুন মানুহে গঢ়ে তাচাই তাচিন।

মই যে দেখিছোঁ তেওঁক থিয়েন্ আন্ মানত
পোহৰেৰে জিলিকোৱা চাকি কুংতানত
সেই দেশৰ ৰূপকাৰ মহা কাৰিকৰ
দৃষ্টি আলোকিত— শংকাবিহীন। +

## মাদল কোৱাচ্ছ/জ্ঞান পূজাৰী

(নিকোলাই অস্ত্ৰ'ভস্কিৰ প্ৰতি নিবেদিত)

পাহাৰভঙা জলতৰংগৰ
উদ্ধত জোঙাল পাথৰৰ
নৈঃশব্দ
গাঢ় অৰণ্যত খৰিকটীয়াৰ
বুকুৰ সমুখত আততায়ীৰ চুৰিৰ
নৈঃশব্দৰ আৰ্তি।

সেই যে বুঢ়ামানুহজনে কাহি কাহি বুকুখনত খামুচি ধৰে
কেৰেছীয়াঁকৈ মৰা ধুমুহাজাকে হৃৎপিণ্ড যাৰ
আঁজুৰি আনি আছাৰ মাৰে লঠঙা ডালৰ মাজত
ফটুৰৈ ফটা গোৰোহাত যাৰ
চুচুৰ্মৈ কলিজা বিৰিঙে

হে পাভকা মোৰ,
যিদৰে তাচ্ছিল্যৰে জ্বলাই দিছিলা
নৈঃশব্দৰ শীতল ডেউকাৰ হা-হুতাশ
যিদৰে তোমাৰ বুকুফাটি উৰিছিল নক্ষত্ৰ খচিত
পতাকা, জাঙুলখাই উঠা কলিজাৰ তেজগছা

অসংখ্য উন্মাদ তেজগছা
অসংখ্য সংহত তেজগছাৰ দৰে
মোক টানি লৈ যায়
পাগলাদিয়া ৰণভূমিলৈ, মাদল কোৱাচ্ছ আৰু
অক্টোবৰৰ মহান কণ্ঠস্বৰলৈ.................. ।

## চিলাবোৰ স্বচ্ছন্দে উৰে/মদন শৰ্মা

চিলাবোৰ স্বচ্ছন্দে উৰে,
অট্টালিকাবোৰৰ পৰা
ৰঙিয়াল শিশুৰ জাকে
মুক্ত নীল আকাশকে
হাত বাউলি— মাতে।

চিলাবোৰ স্বচ্ছন্দে উৰে,
শৃংখলৰ ঝনঝননিত
বুকু ভাঙে প্ৰহৰে প্ৰহৰে ;

OKDISCD

আকাশলৈ চালেই বাট ভেটি ধৰে
উদ্ধত কাৰাৰ প্ৰাচীৰে ;

তথাপিতো প্ৰতি প্ৰভাততে
বন্দীশালৰ প্ৰাচীৰ বগাই
জাকে জাকে উৰি যায় মুখৰ চৰাই ।

চিলাবোৰ স্বচ্ছন্দে উৰে
যদিওবা বতাহে ইলুটি-সিলুটি কৰি
গতি‌ক সলাব খোজে
বন্দীশালৰ পৰাই
ওখ ওখ ঘৰবোৰ ডেই যাব পাৰে,
ঘৰৰ ছাদৰ পৰা জাকে জাকে উৰি যোৱা
উদ্ধত চিলাবোৰো কাটি যাব পাৰে
মুক্ত নীল আকাশৰ আহ্বান সিহঁতে বুজে
সেয়েহে চিলাবোৰ স্বচ্ছন্দে উৰে ।

## বহাগ/হেমন্ত বৰ্মণ

দুৰ্যোগৰ এই বহাগ
বুকুৰ কামিহাড়ত অহৰহ আহে যায়
দুখৰ আজন্ম প্ৰবাহ
(আঃ দোঁ খাই পৰা ভেৰোণীয়া
নাচনীৰ ককালত ক'ৰপৰা বাৰু ইমান উচাহ ।)

আমাৰ
কামিহাড়ৰ বিষত জানো
সদায় ৰাতি দোভাগ ?

কামিহাড়ৰ বিষেৰেই বিচাৰি চালেই
আগত দিনত
উজ্জ্বল ৰদৰ সাঁকোৰেদি নামি
আহিব
আমাৰ নিশ্চিত বহাগ ।

## চিঠি-পত্ৰ

এই শিতান লেখক আৰু পাঠকৰ মতামত প্ৰকাশৰ কাৰণে মুকলি থাকিব । সাহিত্য-সংস্কৃতি বিষয়ৰ যি কোনো চিন্তাই পত্ৰ-লেখকে ব্যক্ত কৰিব পাৰে। ব্যক্তিগত কথাৰ টনা-আঁজোৰাক কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় দিয়া নহ'ব। যি কোনো চিঠি প্ৰকাশ কৰা-নকৰাৰ অধিকাৰ সম্পাদকৰ। মতামতৰ বাবে সম্পাদক দায়ী নহ'ব।

সঃ সাঃ সাঃ

### অসমীয়া প্ৰগতিশীল কবিতা সম্পৰ্কে

সম্পাদক,

অসমীয়া প্ৰগতিশীল কবিতা সম্পৰ্কে বিভিন্ন জনৰ মনত নানা তৰহৰ আশংকাই আৰু নেতিবাচক মন্তব্যই গা কৰি উঠা দেখা গৈছে । কোনো জনৰ মতে এই কবিসকলৰ সৃষ্টি গাজনি ঢেৰেকণিৰ পৰ্যায়ৰ – যিমান গাজে সিমান নবৰষে । এনে ধাৰণা কিমান দূৰলৈকে যুক্তি-নিৰ্ভৰ আৰু বাস্তৱ-সন্মত বিচাৰ কৰি চোৱা যাওক ।

প্ৰকৃতাৰ্থত আধুনিক চেতনাৰ বাহক প্ৰগতিশীল কবিতাৰ ধাৰাটোৱেই হ'ল আজিৰ অসমীয়া কবিতাৰ সবাতো‌ক জনপ্ৰিয় ধাৰা । জনতাৰ এক বৃহৎ অংশৰ ওচৰলৈ যদি অসমীয়া প্ৰগতিশীল কবিতা আজিও যাব পৰা নাই তেন্তে সি ঐতিহাসিক কাৰণতেই । কিন্তু তাৰ বাবে কবিসকলৰ মাজত প্ৰয়াস দেখা নাযায় বুলিলে ভুল আৰু অন্যায় কৰা হ'ব । এই কবিসকলৰ বহুতেই জনতাৰ ওচৰ চাপিবৰ বাবে অহৰহ চেষ্টা চলাইছে । তাৰ প্ৰমাণ আমি বেছিভাগ কবিতাৰ ভাষা আৰু চিত্ৰকল্প সমূহৰ পিনে লক্ষ্য কৰিলেই পাওঁ । কথা কওঁতে ব্যৱহাৰ কৰা ভাষাৰ খুবেই ওচৰ চাপি আহিছে আজিৰ প্ৰগতিশীল কবিতাৰ ভাষা । চিত্ৰকল্প সমূহো জনতাৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ মাজৰ পৰাই লোৱা । উদাহৰণ স্বৰূপে এই কবিতাটোৰ চিত্ৰকল্প সমূহলৈ মন কৰক ঃ



OKDISCD

'কাকতি ফৰিঙৰ জাক উৰিছে
সাৱধান হবি
শইচৰ ঠোক চুহিব চাবি ।
... ... ...
বতৰে খৰ মাৰিছে
পথাৰ ফাটিব পাৰে
ফাটত মন সোমাব নিদিবি ।
তোৰ পথাৰৰ ডাঙৰি
আনৰ ভড়ালে শোহে
সিহঁতকহে ভালকৈ চাবি ।'
... ... (প্ৰস্তুতি ॥ মৃদুলকুমাৰ দাস ॥ নতুন পৃথিবী ॥)

জীৱন আৰু জগত সম্পৰ্কে অসমীয়া আধুনিক কবিতাত যি অসুস্থ আৰু অনৈতিহাসিক ধাৰণা নৱ বৰুৱা, ভবেন বৰুৱা, নীলমণি ফুকন প্ৰমুখ্যে কবি সকলে আগবঢ়াইছে, তাৰ বিপৰীতে প্ৰগতিশীল কবিসকলৰ সাৰ্থক সৃষ্টি সমূহত পাওঁ এক গভীৰ জীৱনবোধ, মেহনতি মানুহৰ ঐতিহাসিক সত্তাৱনাৰ অসীম প্ৰত্যয় আৰু এক সুস্থ সুন্দৰ জীৱনৰ বাবে দুৰ্বাৰ আকাংক্ষাৰ স্বাক্ষৰ । অসমীয়া প্ৰগতিশীল কবিতাৰ এই দিশটোৰ প্ৰতি সম্পূৰ্ণ উদাসীন হৈ নেতিবাচক মন্তব্য কৰাটো সমাজ আৰু ইতিহাস-চেতনা সমৃদ্ধ কোনো লোক-ৰেই উচিত নহয় । এই কবিসকলৰ নানা ত্ৰুটি বিচ্যুতি নিশ্চয় আছে ঃ এতিয়াও জনতাৰ হৃদয় পৰশি যাব পৰা প্ৰকৃত বিপ্লৱী সৃষ্টি হয়তো সম্ভৱ হোৱা নাই, কিন্তু ঐতিহাসিক বিকাশৰ ধাৰণাক অস্বীকাৰ কৰিলেহে, এই কবি গোষ্ঠীয়ে নিষ্ফল চিঞৰ-বাখৰ কৰি মাত ভাঙিছে — এনে মন্তব্য কৰিব পাৰি আৰু তেওঁলোকৰ অৱদানৰ ঐতিহাসিক গুৰুত্বকো নুই কৰিব পাৰি ।

অসমীয়া কবিতাৰ পাঠকগোষ্ঠী এটা গঢ়ি তোলাত এই কবিসকলৰ এক বিশেষ ভূমিকা আছে । ডঃ হীৰেণ গোহাঁয়ে 'মোৰ দেশ' (প্ৰথম সংখ্যা, মাৰ্চ-এপ্ৰিল) নামৰ আলোচনীত 'কবিতাৰ উৎস সন্ধানত লৰ্কা সম্পৰ্কে দুআষাৰ' নামৰ প্ৰৱন্ধটোৰ এঠাইত কৈছে যে কি প্ৰগতিশীল কি প্ৰতিক্ৰিয়াশীল দুয়োদলৰ কবিতাৰ পাঠকতকৈ কবিৰ সংখ্যা সৰহ । ডঃ গোহাঁইৰ মন্তব্য এটা গোষ্ঠীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'লেও প্ৰগতিশীল কবিগোষ্ঠী সম্পৰ্কে এই মন্তব্য প্ৰযোজ্য নহয় । অসমৰ বিভিন্ন ঠাইৰপৰা যিবোৰ প্ৰগতিশীল লিট্‌ল মেগাজিন প্ৰকাশ হয় তাৰ বেচিকৈইখনেই কবিতাৰ আলোচনী । এই আলোচনীবোৰৰ পাঠকগোষ্ঠী অকল কবিসকলৰ মাজতে সীমাবদ্ধ বুলি ডঃ গোহাঁয়ে যি ধাৰণা কৰিছে সি মনোগত ; বস্তুতঃ এই আলোচনীবোৰ গাঁৱে-ভূঞে, আনকি কোনো ক্ষেত্ৰত চাহ বাগিছাৰ বনুৱাসকলৰ একোটা অংশৰ মাজলৈও সোমাই গৈছে । সহজ ভাষা, সৰল আংগিক আৰু পোনপটীয়া



বক্তব্যই এই এই আলোচনী সমূহৰ বহুবোৰ কাবিতাকে জনপ্ৰিয় কৰি তুলিছে ।

শ্লোগানৰ ভংগীত ৰচিত কেতবোৰ অপৰিণত কাবিতাৰ কথাকে মনত ৰাখিলে সকলোৱে অসমীয়া প্ৰগতিশীল কবিতাত মাথোঁ গাজনি ঢেৰেকনিকে শুনা পাব, সূক্ষ্ম আৰু সাৱলীল জীৱনবোধ আৰু বাস্তৱ অভিজ্ঞতাই সংবেদনশীল মনক দান কৰা আকস্মিক আৰু অভিনৱ উপলব্ধিৰ অনুৰণন কাহানিও কাণত নপৰিব । 'ৰণক্ষেত্ৰত কবিতা'ত (নবৱৰ্ষ সংখ্যা ১৯৭৬) প্ৰকাশিত মদন শৰ্মাৰ 'ৰেলৰ ডবাত গান গাই ফুৰা ছোৱালীজনীৰ মৃত্যুত' নামৰ কবিতাটো এই প্ৰসংগত উল্লেখযোগ্য । কেইটামান শাৰী উদ্ধৃত কৰি দিছোঁ ঃ "বাহিৰত এতিয়া/আঘোণৰ বতাহৰ হো-হোৱনি তথাপি তাইৰ কান্দোনত/ডিঙিলৈকে ডুবি যাওঁ ।/এতিয়া তাইৰ গানত আউজি আছে/আমাৰ তেজে ধোৱা ফুল কলি ।"

যুঁজৰ বাবে অস্ত্ৰৰ নিতান্তই প্ৰয়োজন । মিহি আৰু তীক্ষ্ণ অস্ত্ৰ বাঞ্ছনীয় হলেও তাৰ অভাবত খহটা আৰু ভোটা অস্ত্ৰকেই ব্যৱহাৰ কৰা দৰকাৰ । তাকে নকৰি 'এঃ এনে অস্ত্ৰৰেওনো কোনোবাই যুঁজেনে' বুলি যুঁজ নকৰি বহি থকাটো কেনে কাম হ'ব ? কবিতা যদি সমাজ পৰিবৰ্তনৰ অস্ত্ৰ হয়, তেন্তে কাব্যিক বিচাৰত সাৰ্থক নহলেও সি যদি শত্ৰুৰ কঁকাল ভঙাত অকণ-মানো সহায় কৰে তেন্তে তাতেই তাৰ উপযোগিতা । সময়ত খহটা আৰু ভোটা অস্ত্ৰও তীক্ষ্ণ আৰু মিহি হৈ উঠিব পাৰে । মাও-চে-টুঙে সাহিত্য কলা প্ৰসংগত কৈছে যে অকল ভুল ৰাজনীতিৰ বিৰোধিতা কৰিলেই নহ'ব, শ্লোগান আৰু প'ষ্টাৰৰ আহিত লিখা শিল্পগুণ ৰহিত শিল্প কৰ্মৰো বিৰোধিতা কৰিব লাগিব । কিন্তু মাও-এ একে সময়তে কৈছে যে এটা সময়লৈকে ৰাজনীতিয়েই প্ৰাধান্য লাভ কৰিব পাৰে । শ্লোগান থাকিলেই শিল্পগুণ-ৰহিত হ'ব, বক্তৃতাধৰ্মী হলেই কবিতা ন'হব, এইবোৰ নন্দনতাত্ত্বিক ধাৰণা ৰাজ-নৈতিক আৰু বাস্তৱ বিচাৰত বাতিল । এই প্ৰসংগত মনলৈ আহিছে বিখ্যাত কবি বাৰ্টোল্ট ব্ৰেখ্‌টৰ 'জোৱা তাপলিৰ গান' নামৰ কবিতাটোৰ কথা । স্থানাভাৱত কবিতাটোৰ উদ্ধৃতি দিয়াৰ পৰা বিৰত থাকিলো । কাব্য বিচাৰত বিশুদ্ধ কাব্যৰ প্ৰবক্তা সকলে যি মানদণ্ড ব্যৱহাৰ কৰিব সি এক বিশেষ শ্ৰেণীৰ মানদণ্ড । তাৰ সতে সামাজিক মূল্যায়নৰ মানদণ্ডৰ সম্পৰ্ক বিৰোধমূলক । আমি শিল্পৰ কাৰিকৰী দিশটোৰ পিনে নিশ্চয় চকু ৰাখিব লাগিব । কিন্তু নিঃসন্দেহে কাৰিকৰী দিশটো কবিতাৰ বাহ্যিক ৰূপটোহে । কবিতাৰ আত্মা হ'ল ইয়াৰ বক্তব্য । সেই বক্তব্যৰ প্ৰকাশ প্ৰাণহীন আৰু গতিহীন হ'ব যদিহে কবিৰ উপলব্ধিত ফাকি থাকি যায় । গভীৰ আৰু বেগৱান উপলব্ধিয়ে কবিৰ কাৰিকৰী অক্ষমতাজনিত ক্ষতি বহুখিনি পূৰণ কৰে । প্ৰকৃততে বহুতে ভবাৰ দৰে কবিতাৰ আবেদন ইয়াৰ আংগিকৰ ওপৰত সদায়ে নিৰ্ভৰ নকৰে, কবিতাটোৰ বিষয়বস্তুৰ মাজতো নিহিত হৈ



OKDISCD

থাকিব পাৰে ইয়াৰ কাব্যিক আবেদন। ছন্দৰ দোলা আৰু আকৰ্ষণীয় শব্দ চয়নে নিশ্চয় এক ধৰণৰ আবেদন সঞ্চাৰ কৰে, কিন্তু এনে কবিতাওতো আছে য'ত মাথোঁ বক্তব্যই পাঠকক লৈ যায় উপলব্ধিৰ গভীৰলৈ, আৰু পাঠকৰ অনুভূতিক জোকাৰি যায় পাহৰিব নোৱাৰাকৈ ঃ

'To live without freedom is truly a wretched state,
Even the call of nature is governed by restrictions,
When the door is open, the belley is not ready to case itself,
When the call of nature is pressing, the door remains shut.'

(হো, চি, মিন ঃ প্ৰিজন ডায়েৰী)

এনে কবিতাৰ সন্মুখত থিয় হৈ আমি কম নেকি, 'বাঃ কি সুন্দৰ technique !' Technique ৰ চমৎকাৰিত্বই বা অভিনৱত্বই নহয়, ইয়াৰ পোনপটীয়া বক্তব্যই আমাক কঁপাই যায়।

সন্দেহ নাই, আংগিকৰ সবলতাই কবিৰ বক্তব্যক সঠিক আৰু তীব্ৰ ভাবে প্ৰকাশ কৰাত সহায় কৰে। যতীন্দ্ৰকুমাৰ বৰগোহাঞিৰ 'নাচিছ নাচ' কবিতাটোৰ কেইশাৰীমান উদ্ধৃত কৰিছোঁ ঃ

'নাচিছ নাচ আৰুতো উপায় নাই শেষ কাল কাইলৈ নিশ্চিত হ'বই হ'ব চাওঁতাৰ ভীষণ আকাল। নাচিছ নাচ ভাঙিছে আজিয়ে তোৰ ঘুণীয়া কঁকাল। নাচ নাচি থাকি নাচ নাচি থাক নাচনী নচাই ভাল নাচি থাক, নাচ ........ ......'

কবিতাটোৰ ছন্দই কবিতাটোৰ বক্তব্যৰ প্ৰকাশত কিমান সহায় কৰিছে গোটেই কবিতাটো পঢ়িলে ভালদৰে স্পষ্ট হ'ব। ছন্দ ইয়াত বক্তব্যৰ সঠিক আৰু তীব্ৰ প্ৰকাশৰ বাবে বৰ প্ৰয়োজনীয় সহায় হৈ পৰিছে। আনহাতে সঠিক ছন্দৰ প্ৰয়োগ নহলে ছন্দই অৰ্থক আওবাটে চালিত কৰাৰ আশংকা থাকে। যি সকলে ভাবে যে কবিতাৰ সাফল্য বহু দূৰলৈকে নিৰ্ভৰ কৰে ইয়াৰ ছন্দ ধ্বনি লয়ৰ ওপৰত, ইয়াৰ সাংগীতিক আবেদনৰ ওপৰত, তেওঁলোকৰ কবিতা বহু সময়তে এক ধৰণৰ rhetoric এ চালিত কৰে - ফলত বক্তব্য হৈ পৰে গৌণ, শব্দ হৈ পৰে মুখ্য।

জনতাৰ ভাষা আয়ত্ব নকৰাকৈ জনগণৰ বাবে কবিতা লিখা সচাঁকৈয়ে অসম্ভৱ। কিন্তু সকলো কবিতাই জনসাধাৰণৰ সকলোৰে ওচৰলৈ সমানে যাব পাৰিব এনে ধাৰণা কৰাটোও ভুল। আনাটলি লুনাচাৰস্কিৰ 'On Literature and Art' নামৰ কিতাপৰ এঠাইত আছে, "... ..... we cannot bring all our literature down to the level of the as yet uncultured peasant masses or even of the workers. This would be a very serious mistake.



Glorious is the writer who can express a complex and valuable social idea with such powerful artistic simplicity that he reaches the hearts of the millions." এই কথাখিনিৰ তাৎপৰ্য মনকৰিবলগীয়া।

সময়ৰ লগে লগে নিশ্চয় অসমীয়া প্ৰগতিশীল কাব্য আন্দোলনে৷ সাৰ্থকতাৰ ফালে আগবাঢ়ি যাব, প্ৰগতিশীল কবি সকলৰ কবিতাই দেশৰ অগণন মুক জনতাৰ মুখৰ ভাষা হৈ প্ৰকাশ পাব, কিন্তু তাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে ৰাজনৈতিক সচেতনতা আৰু সাংগঠনিক সবলতা। ভাৰতৰ বিপ্লৱী ৰাজনীতিৰ দুৰ্বলতাসমূহৰ কথা মনত ৰাখিলে প্ৰগতিশীল কাব্য আন্দোলনৰ দুৰ্বলতাৰ কাৰণো স্পষ্ট হৈ পৰিব। জনতাৰ ওচৰ চাপিব পৰা নাই বুলি প্ৰগতিশীল কবি গোষ্ঠীক উলাই কৰা সকলেও নিজৰ ভুল বুজিব পাৰিব। +

**ৰাজেন কলিতা**
গুৱাহাটী বিশ্ববিদ্যালয়
২০-৬-৭৬

(পত্ৰ-লেখক শ্ৰীকলিতা আধুনিক অসমীয়া কাব্য আন্দোলনৰ লগত বিশেষভাবে জড়িত। তেওঁৰ চিঠিৰ বক্তব্যত ডঃ গোহাঁইৰ স্থানান্তৰত প্ৰকাশ হোৱা প্ৰবন্ধৰ ওপৰত মন্তব্য থকাত আমি এই সম্পৰ্কে গোহাঁইৰ মতামত বিচাৰেঁা। গোহাঁইৰ উত্তৰ আমি তলত প্ৰকাশ কৰিছো। এই দুখন চিঠিৰ লগে লগে অসমীয়া প্ৰগতিশীল কবিতাৰ ওপৰত আমি এটি গুৰুত্বপূৰ্ণ আলোচনাৰ পাতনি মেলিছো। কেবাজনো কবি আৰু কাব্যামোদীৰ মন্তব্য অহা সংখ্যাত প্ৰকাশ কৰা হ'ব। সঃ সাঃ সাঃ)

### গোহাঁইৰ উত্তৰ

সম্পাদক,

(১) পত্ৰলেখকৰ প্ৰথম অভিযোগ এয়ে যে তৰুণ কবিসকলৰ যি কেইজনে সহজ লৌকিক ভাষাত বলিষ্ঠ কবিতা লিখিছে তেওঁলোকৰ সাফল্য আওকাণ কৰি মই অন্যায় কৰিছোঁ।

এজোলোকা বৰষুণতে বাৰিষা নানামে। তৰুণ কবি দুজনমানৰ দুটামান কবিতাত ঘৰুৱা ভাষা আৰু লোকসাহিত্যৰ প্ৰশংসনীয় প্ৰয়োগ ঘটিলেও সি আজিও এটা উল্লেখযোগ্য বা প্ৰভাৱশীল ধাৰা হিচাবে আত্মপ্ৰকাশ কৰা নাই। কিন্তু এনে প্ৰচেষ্টাৰ প্ৰতি মোৰ মনোভাব নেতিবাচক বুলি ভাবিলে ভুল হ'ব। এওঁলোকৰ কেইজনমানৰ কবিতা প্ৰকাশত ময়েই আগভাগ লৈছিলোঁ আৰু ব্যক্তিগত চিঠিপত্ৰৰে এওঁলোকক উৎসাহ দিছিলোঁ। 'মোৰ দেশ'ৰ প্ৰবন্ধৰ ভিতৰতে এনে বাক্য আছে য'ত দ্বিধাহীনভাবে



OKDISCD

এও লোকৰ পৰাই বহুত আশা কৰা হৈছে। এই আশাৰ কাৰণ তেওঁলোকৰ বৰ্তমান সাফল্যতকৈ তেওঁলোকৰ লক্ষ্যৰ নিৰ্মলতা। সাহিত্যক জনগণৰ মুক্তিৰ সঁজুলি হিচাবে ব্যৱহাৰ কৰিবলৈ আন্তৰিকভাবে বিচাৰিলে ভুল-ত্ৰুটিৰ মাজেদি এওঁলোকে নিশ্চয় প্ৰকৃত লক্ষ্যাত উপনীত হ'বই।

(২) এওঁলোকৰ বৰ্তমান সৃষ্টি কিমানদূৰ জনগণৰ সাহিত্য, কিমানদূৰ পেটি-বুৰ্জোৱা চেতনাৰ বাহন তাৰো বিচাৰ হ'ব লাগিব। ৰবীন্দ্ৰনাথেও গ্ৰাম্য জনগণৰ ভাষা আৰু কথাৰ ঠাঁচ মাজে মাজে ব্যৱহাৰ কৰিছে, কিন্তু সি তেওঁক জনতাৰ কবি কৰা নাই। বিপ্লৱৰ বৰ্তমান পৰ্যায়ত পেটিবুৰ্জোৱা সাহিত্যৰ নিশ্চয় এক মূল্যবান ভূমিকা আছে। কিন্তু ভবিষ্যৎ দূৰৰে কথা, বৰ্তমান কালতো পেটিবুৰ্জোৱা চেতনাৰ গণ্ডী অতিক্ৰম কৰি জনগণৰ সাহিত্য সৃষ্টি কৰাৰ দায়িত্ব এৰাব নোৱাৰি। ব্যক্তিগতভাবে মুকুট ৰাজবংশী, মদন শৰ্মা প্ৰভৃতি তৰুণ কবি কেইজনমানৰ দুই চাৰিটা কবিতা কিছুমান দোষ-ত্ৰুটি সত্বেও মই প্ৰতিশ্ৰুতিপূৰ্ণ বুলি ভাবোঁ এই পিনৰপৰা।

(৩) পত্ৰলেখকে নিজেও মানি লৈছে যে এইসকল তৰুণ কবিৰ ৰচনাৰ সীমাবদ্ধতা আছে আৰু তেওঁ তাৰ ঐতিহাসিক কাৰণ নিৰ্দ্দেশ কৰিছে। এইবোৰ কথাত মোৰ আপত্তি থকাৰ প্ৰশ্নই নুঠে। মে' মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰে এখন আলোচনা চক্ৰত শ্ৰীৰাজেন কলিতা আৰু শ্ৰীৰাগা হাজৰিকাৰ প্ৰশ্নৰ উত্তৰত মই নিজেই কৈছিলোঁ যে এটা শক্তিশালী পাৰ্টিৰ অভাৱত আমাৰ প্ৰগতিশীল লেখকসকল জনগণৰ ওচৰ চপাত অসুবিধা হৈছে। আচলতে পাৰ্টিৰ সংগঠন আৰু ভূমিকা যথেষ্ট নোহোৱাৰ ঘাই কাৰণ পেটি-বুৰ্জোৱা দলাদলি, বিচ্ছিন্নতা, অহমিকা, ব্যক্তিগত চক্ৰান্তপ্ৰিয়তাৰ প্ৰাধান্য। কবিতাৰ ফচল ভাল নোহোৱাৰ কাৰণো সংক্ৰামক পেটিবুৰ্জোৱা মনোভাৱ।

(৪) পত্ৰলেখকে আনাটলি লুনাচাৰ্‌স্কিৰ দোহাই দি কৈছে যে জন-সাধাৰণৰ সাংস্কৃতিক মান উন্নত নহলে তেওঁলোকে কিছুমান শিল্পকৰ্মৰ মোল নুবুজিব। এই মতৰ পিছত এটা বিপজ্জনক বুৰ্জোৱা ধাৰণা আছে যাৰ বিৰুদ্ধে সাম্প্ৰতিক চীনত সংগ্ৰাম আৰম্ভ হৈছে। অতীতৰ সাংস্কৃতিক সম্পদ বাজিৰ কথা উঠা নাই। কিন্তু আমি এতিয়া যি সাহিত্য সৃষ্টি কৰোঁ সি জনসাধাৰণৰ সেৱাত লাগিবই লাগিব। জনসাধাৰণৰ সাংস্কৃতিক মান নিম্নস্তৰৰ বুলি অৱজ্ঞাৰে বহি থাকিলে নাইবা তেওঁলোকে ঢুকি নোপোৱা সংস্কৃতি সৃষ্টি কৰিলে সি বিশ্বাসঘাতকতাৰ চামিল হ'ব।

জনসাধাৰণে উচ্চ সংস্কৃতিৰ মোল একেবাৰে নুবুজেই নেকি? সাম্প্ৰতিক চীনত দেখা গৈছে কৃষিবিজ্ঞান, জলসিঞ্চন, আৰু প্ৰযুক্তিবিদ্যাত "হোজা গাৱঁলীয়া" খেতিয়ক আৰু শ্ৰমিকে মূল্যবান বৰঙণি যোগাইছে; যাক সেই-বোৰ বিষয়ৰ বিশেষজ্ঞয়ো মানি লৈছে। কবিতা-গল্প-নাটকতো জনগণৰ ৰুচি আৰু জ্ঞানক অৱজ্ঞা কৰিব পাৰি জানো?





আমাৰ পদপুথি শুনা জনসাধাৰণে ছপাৰ আখৰৰ মায়া নুবুজিব পাৰেঁ। কিন্তু কবিতা আবৃত্তি কৰি তেওঁলোকক শুনালে তেওঁলোকে সহজে গ্ৰহণ কৰিব যদিহে তাত তেওঁলোকৰ জীৱনৰ সমস্যা আৰু আশা আকাংক্ষা ফুটি উঠে। তেওঁলোকৰ পৰিচিত ভাষা আৰু কৃষ্টিৰ ওপৰত ভেঁজা দি প্ৰগতিশীল চিন্তাধাৰা তেওঁলোকৰ মাজলৈ বোৱাই দিয়াটো ইমানেই টান নে? লিট্‌ল মেগজিনৰ মোহ এৰি বাইজৰ মুখে মুখে এইধৰণৰ কবিতা চলাই দিয়াটো অসম্ভৱ হ'ব নেকি?

(৫) মোৰ ওপৰৰ ব্যাখ্যাই নিশ্চয় প্ৰমাণ কৰে যে মোৰ দৃষ্টিকোণ নন্দনতাত্ত্বিক নহয়। ৰাজনীতিৰ ওপৰতে মই গুৰুত্ব দিছোঁ। কিন্তু পাহৰিলে নচলিব যে কবিতা যদি তাৰ নিজগুণত হৃদয়গ্ৰাহী নহয় তেন্তে তাৰ ৰাজ-নৈতিক বক্তব্য যিমানেই শুদ্ধ নহওক, পাঠকৰ মনত সি গভীৰ সাঁচ বহুৱাব নোৱাৰে। ইতি—

হীৰেন গোহাঁই

**ঋত্বিক ঘটক সম্পৰ্কে**

সম্পাদক,

'সাম্প্ৰতিক সাময়িকী'ৰ প্ৰথম সংখ্যাত অমিতাভ বৰুৱাই ঋত্বিক ঘটকৰ যি চমু পৰিচয় আগবঢ়ালে তাত মাৰাত্মক ভুল থাকি গৈছে। প্ৰথম ভুল জন্ম আৰু মৃত্যুৰ চন তাৰিখ।

সাম্প্ৰতিক সাময়িকীত জন্মৰ-চন দিছে ১৯২৬। কিন্তু চিত্ৰবীক্ষণকে ধৰি কলিকতাৰ আলোচনীসমূহত ওলাইছে ১৯২৫ চনৰ ৪ নবেম্বৰ বুলি। আন-হাতে মৃত্যুৰ তাৰিখ সৰ্বজনবিদিত, ১৯৭৬ চনৰ ৬ ফেব্ৰুৱাৰী— কিন্তু অমিতাভ বৰুৱাই দিছে ২ ফেব্ৰুৱাৰী বুলি।

তদুপৰি পুণা ফিল্ম ইন্‌ষ্টিটিউটৰ অধ্যক্ষ বুলি ঘটকৰ পৰিচয় দিয়া হৈছে। আচলতে তেওঁ উপাধ্যক্ষহে আছিল আৰু পুণা ফিল্ম ইনি্‌ষ্টিটিউটত থকা কেইমাহতে অধ্যক্ষৰ ওচৰত সুদীৰ্ঘ স্মাৰকপত্ৰ দাখিল কৰিছিল।

আৰু অন্যান্য ভুলো আছে। কিন্তু এইকেইটাই সাধাৰণতে চকুত পৰা ভুল। এনে ভুল নথকাই উচিত।

যতীন্দ্ৰকুমাৰ বৰগোহাঞি,
গুৱাহাটী বিশ্ববিদ্যালয়

(ঋত্বিক ঘটক সম্পৰ্কে শ্ৰীবৰগোহাঞিয়ে দেখুৱাই দিয়া ভুলখিনিৰ বাবে তেখে-তলৈ ধন্যবাদ। আমাৰ অনিচ্ছাকৃত ত্ৰুটিৰ বাবে দুখীত।

সঃ সাঃ সাঃ)

OKDISCD

## অপসংস্কৃতিৰ বিৰুদ্ধে আমি কেনেকৈ যুঁজিম ?

সম্পাদক,

প্ৰস্তাৱনা সংখ্যা 'সাম্প্ৰতিক সাময়িকী'ত প্ৰকাশিত মোৰ 'ধীৰেন দত্তৰ কবিতা ঃ এটি আলোচনা' শীৰ্ষক আলোচনাটিৰপৰা অনিবাৰ্য কাৰণ বশতঃ কিছু কথা বাদ পৰি গ'ল। সেইখিনি কথা মোৰ আলোচনাটিৰ অংশ বিশেষ আছিল বুলি মই ভাবোঁ, আৰু সেইবাবেই পাঠক সমাজৰ ওচৰত আলোচনাটিৰ বক্তব্য পৰিষ্কাৰ কৰিবৰ উদ্দেশ্যেৰে তলৰ কথাখিনি পুনৰায় নিবেদন কৰিলোঁ।

(১) ধীৰেন দত্তৰ কবিতাত যিজন কবিৰ প্ৰভাৱ আটাইতকৈ বেছি পৰিলক্ষিত হয়, তেওঁ হৈছে বঙ্গৰ বিদ্ৰোহী কবি নজৰুল।

(২) আৰু এটা কথা, আজিকালি আমি সকলোৱেই অপসংস্কৃতিৰ বিষাক্ত বায়ুৱে আমাৰ উঠি অহা যুৱক যুৱতীক কেনেকৈ পঙ্গু কৰি পেলাব ধৰিছে তাক একেমুখে চিঞৰি কৈছো আৰু এনে অপসংস্কৃতিৰ নিদৰ্শন স্বৰূপে আমি নানান যৌনগন্ধী হিন্দী চিনেমা আৰু পত্ৰ-পত্ৰিকাৰ কথা উল্লেখ কৰোঁ। কিন্তু আমাৰ মাজতে আৰু এক শ্ৰেণীৰ অপসংস্কৃতিয়ে গা-কৰি উঠিছে আৰু সি হ'ল সুবিধাবাদৰ নামত সত্য আৰু তথ্যৰ অপলাপ আৰু বিকৃতি। এটা উদাহৰণ দিছোঁ — আজিকালি কোনো কোনো অনুষ্ঠানে আৰু ব্যক্তি বিশেষে প্ৰচাৰ কৰি ফুৰিছে যে জ্যোতিপ্ৰসাদে 'মাৰ্ক্সবাদ আৰু গান্ধীবাদৰ এক সমন্বয় বিচাৰিছিল'। কিন্তু কোনো অজ্ঞাত কাৰণত এনে প্ৰচাৰৰ সপক্ষে তেওঁলোকে কোনো উদাহৰণ দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। আনকি যিসকলে জ্যোতিপ্ৰসাদক সংস্কৃতিৰ কেৱলীয়া ভকত হিচাবে প্ৰতিষ্ঠা কৰিব বিচাৰে, সেইসকলে পাহৰি যায় যে তেওঁৰ সংস্কৃতি চৰ্চাৰ প্ৰেৰণাৰ উৎস আছিল এটা বিশেষ ৰাজনৈতিক দৰ্শন (যিটো তেওঁৰ শেষ বয়সৰ ৰচনাত স্পষ্ট)। সংস্কৃতিৰ নামত চলা এনে ভণ্ডামিৰ বিৰুদ্ধে ধীৰেন দত্তই আজীৱন সংগ্ৰাম কৰিছিল। তেওঁ কবিতাৰ বাবেই কবিতা লিখা নাছিল — অৰ্থাৎ তেওঁৰ ৰাজনৈতিক জীৱন আৰু কবি জীৱন পৃথক নাছিল।

ৰবীন্দ্ৰনাথে এবাৰ কৈছিল যে সত্যবাদী সাহিত্য হলেই সি মহৎ সাহিত্য নহয়। কিন্তু সাহিত্য হ'বলৈ হ'লে সি সত্যবাদী হ'বই লাগিব। কিন্তু তেনে এক সত্যবাদী সাহিত্য সৃষ্টিৰ বাবে পৰিবেশ ক'ত? এনে অস্বাস্থ্যকৰ পৰিবেশৰ বিৰুদ্ধে আমি কেনেকৈ যুঁজিম? ইতি—

দেবেন তামুলী
গুৱাহাটী।

## অজিত বৰুৱাৰ 'জেংৰাই' আৰু কবি–মন

নলিনীধৰ ভট্টাচাৰ্য

অজিত বৰুৱাৰ 'জেংৰাই' ১৯৬৩' নামৰ কবিতাটিৰ আংগিক আৰু ভাব-বস্তু সম্পৰ্কে 'সংলাপ'ৰ তৃতীয় সংখ্যাত ভবেন বৰুৱাই এটি বিশ্লেষাত্মক আৰু অনুপুংখ আলোচনা আগবঢ়াইছিল। সম্ভৱতঃ প্ৰেক্টিকেল সমালোচনাৰ আহিত বৰুৱাই এই আলোচনা কৰি দেখুৱাইছিল। আলোচনাটোৰপৰা কবিতাটোৰ মৰ্মাৰ্থ গ্ৰহণত সুবিধা হৈছে নিশ্চয়; কবিতাটোৰ আধাৰ জটিল বাবে ভালেমান পাঠকে তাৰ আধেয়ৰ উমান ল'ব নোৱাৰে। মই নিজেও যথেষ্ট টান পাইছিলোঁ। সম্প্ৰতি বৰুৱাৰ আলোচনাৰ সূত্ৰ ধৰি কবিৰ মানসিকতা সম্পৰ্কে এটি চমু আলোচনা কৰিব খুজিছোঁ।

কবিতাটোৰ নান্দনিক দিশ আকৰ্ষণীয় আৰু ভাবো হয়তো গভীৰ, কিন্তু তাত প্ৰতিফলিত হোৱা কবি মানসে যি পথ বাচি লৈছে সি নেতিবাচক। 'সংস্কৃতি কেৱল নান্দনিক ধ্যানৰে বস্তু নহয়, তাক আমি জীয়াই থাকিবৰ বাবেও কামত লগাওঁ' ৰাল্ফ ফক্সৰ এই কথাষাৰ মনত ৰাখিয়েই কবিৰ দৃষ্টিভংগীক নেতিবাচক বুলিছোঁ।

কবিতাটোত আমি কি পাওঁ?

কবি-মন বিশ্বাস-অবিশ্বাসৰ দ্বন্দ্বত জৰ্জৰিত; কবিয়ে প্ৰাচীন ধৰ্মীয় ক্ৰিয়ানুষ্ঠান মানিছে অথবা বিপদত পৰোঁতে চাপৰিৰ বুঢ়াডাঙৰীয়াকো স্মৰণ কৰিছে; কিন্তু পিছ মুহূৰ্ততে আকৌ বিজ্ঞানৰ সোৱাদ পোৱা কবিয়ে সেইবোৰত বিশ্বাস থাপিব নোৱাৰি বিমোৰত পৰিছে। ইয়াৰ ফলস্বৰূপে অনিশ্চয়তা আৰু অশান্তিৰ মাজত কবি-মন অস্থিৰ হৈছে। তেওঁৰ বাবে বাস্তৱ হৈ পৰিছে ভয়াবহ— সমস্ত জগত যেন আতংকময়, কেৱল কোলাহল আৰু আত্ৰানি, তাৰ বাহিৰে একো নাই। সহজ বিশ্বাসৰ পথ ৰুদ্ধ হোৱা হেতু কবিৰ এনে অনুভৱ হৈছে। তেওঁ অনুভৱ কৰিছে, জীৱনটো যেন এটা খেলিমেলি, কেৱল আতংকই তাৰ ৰূপ! জাগ্ৰত আৰু সুপ্ত (কবিয়ে সপোনৰ ইংগিতো দিছে) উভয় অৱস্থাত কবিৰ মন আতংকগ্ৰস্ত! ক্ৰমে মনৰ



OKDISCD

গহনত আহি দেখা দিছেহি মৃত্যু কামনাই— ফ্ৰয়েডীয় death-instinct।

পট আকৌ সলনি হৈছে ; কবিয়ে দ্বন্দ্বহীন সৰল জীৱনৰ কথা ভাবি আতংকৰ আবেশৰপৰা নিজৰ মনক মুক্ত কৰিব খুজিছে। তাৰপিছত ভাব হৈছে— জীৱনটো যেন এটি সপোন— এই জীৱনত একো নাই, ই অৰ্থহীন। জীৱনটো যেন মনৰে এটা বিশেষ অৱস্থা মাথোন।

এইবোৰ ৰাতিৰ অভিজ্ঞতা, ৰাতিপুৱাৰ লগে লগে আকৌ সেই ভয়াবহতা,— জীৱনৰ সেই দ্বৈতৰূপৰ ৰহস্যময় করুণ ছবি।

মূলতঃ এটা বিশেষ পৰিস্থিতি আৰু অভিজ্ঞতাই কবিক শিকাইছে ভাল-মন্দ, সুন্দৰ অসুন্দৰ, বিশ্বাস অবিশ্বাসৰ দ্বন্দ্বৰপৰা মানুহৰ মুক্তি নাই ; দ্বন্দ্বপূৰ্ণ জীৱন অনিশ্চিত, ৰহস্যময় আৰু ভয়াবহ। 'দুটা গঙাচিলনীয়ে কঁৰলীৰ মাজত ঘূৰিবলৈ ল'লে'— এই পংক্তিটোৱে যেন সেই দ্বৈতৰূপৰ ভয়াবহতাৰ পৰা যে মানুহৰ মুক্তি নাই তাকেই বুজাইছে!

ইয়াত মন অথবা জীৱনৰ অৰ্থ কি? মন মানে ব্যক্তিনিৰ্জ্ঞান আৰু জীৱন হ'ল ইয়াত খণ্ডিত, বিচ্ছিন্ন।

কবিৰ ব্যক্তি নিৰ্জ্ঞানত হোৱা প্ৰতিক্ৰিয়া সমূহ কি কি?

১। জীৱন অৰ্থহীন, উদ্দেশ্যহীন— 'ভাৱি চালে জীৱনত একো নাই।'

২। ব্যক্তি-মনৰ ওপৰতে জীৱন সত্য নিৰ্ভৰশীল।

৩। ঈশ্বৰ বিশ্বাস থকা হ'লে পৰম সত্যত আস্থা থাকিলেহেঁতেন, আজি ঈশ্বৰ মৃত, সেয়ে জীৱন অনিশ্চিত আৰু ভয়াবহ। এই ভয়াবহতাৰ পৰা মুক্তি দিব পাৰে মৃত্যুৱে।

৪। কিয়েকগাৰ্ডৰ দৰে ধৰ্মৰ বাহ্যিক ৰূপত অনাস্থা এই বিশ্বাস-হীনতাৰ ফলত কবিয়ে সুন্দৰক হেৰুৱাইছে— দেখিছে অসুন্দৰক। অসুন্দৰ হয়তো হ'ব পাৰে ধনতন্ত্ৰই অনা অৱক্ষয়। এই দোমোজাত কবি আতংকগ্ৰস্ত।

কবিৰ এনে অন্তমুৰ্খিতাৰ মনস্তাত্বিক দিশ এটা আছে নিশ্চয়, কিন্তু তাক আমি ফ্ৰয়েডীয় ব্যক্তি-নিৰ্জ্ঞান-তত্বেৰে চালে এটি বিজ্ঞান-সম্মত ব্যাখ্যা দিব নোৱাৰিম। ফ্ৰয়েডীয় তত্বৰ অভিনৱত্ব স্বীকাৰ কৰিও ক'ব লাগিব মন আৰু মানসিকতাৰ লগত মস্তিষ্কৰ স্নায়ুকোষৰ সম্পৰ্ক থকা বুলি ফ্ৰয়েড অথবা নব্য ফ্ৰয়েডীয়ান সকলে নাভাবে আৰু প্ৰকৃতি-বিজ্ঞানে অনুমোদিত কৰা পৰীক্ষা নিৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰি মনোবিদ্যাক সমৃদ্ধ কৰাৰ কথা চিন্তা নকৰে। ফ্ৰয়েডীয় তত্ব মস্তিষ্কৰ লগত সম্পৰ্কহীন প্ৰকোষ্ঠ-কেন্দ্ৰিক তত্ব আৰু মানসিক অৱস্থাৰ দূৰকল্পনাভিত্তিক অতি কথামূলক ধাৰণা বিশিষ্ট। মনৰ অস্বাভাৱিক দিশটো মস্তিষ্কৰ স্বাভাৱিক ক্ৰিয়া-কলাপৰ বিশৃংখলাৰ ফল— এই ধাৰণা ফ্ৰয়েডীয়সকলে মানিব খুজিলেও আধুনিক মনোচিকিৎসাবিদসকলে স্বীকাৰ কৰিছে। অৱশ্যে পাভ্লেভীয় মস্তিষ্কাশ্ৰিত মনোবিদ্যাৰ বিকাশ এতিয়াও মন্থৰ গতিৰ হোৱা বাবে, অধিকাংশ ক্ষেত্ৰত



ফ্ৰয়েডীয় ৰহস্যময় আৰু অলৌকিক দূৰকল্পনাৰ পৰা শিক্ষিত সমাজ মুক্ত হ'ব পৰা নাই। সেইবাবেই শিল্প-সাহিত্যত তাৰ প্ৰভাৱ প্ৰচুৰ (আমাৰ কবিয়েও যি সপোনৰ ইংগিত দিছে ফ্ৰয়েডীয় তত্বৰেহে তাৰ ব্যাখ্যা কৰা হৈছে)। বস্তুবাদী মনস্তাত্বিক ধাৰাৰ সহায়ত আমাৰ কবিৰ মনোজগত বিশ্লেষণ কৰিবলৈ হ'লে, আমি ক'ব লাগিব, কবিৰ মস্তিষ্ক তেওঁৰ মনৰ ভৌতিক ভিত্তি আৰু মনৰ ক্ৰিয়াও ইয়াৰ মাধ্যমতে প্ৰকাশ হৈছে।

বহিৰ্বাস্তৱ অথবা চৌপাশৰ পৰিবেশৰ পটভূমিত আমাৰ বেছিভাগ প্ৰক্ষোভমূলক (emotional) প্ৰতিক্ৰিয়াই বাস্তৱৰ লগত একধৰণৰ অস্পষ্ট সংযোগৰ ফলশ্ৰুতি। আমাৰ নান্দনিক প্ৰতিক্ৰিয়া সমূহো উচ্চতম স্নায়ু-প্ৰক্ৰিয়াৰ বিশ্লেষণ। কবিৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত হোৱা 'পীড়ন'ৰ পৰাই সৃষ্টিৰ সম্ভাৱনাই দেখা দিয়ে। কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ অত্যাধিকভাৱে পীড়িত হ'লে মানসিক ভাৰসাম্যৰ বিনাশ ঘটে আৰু ফলস্বৰূপে দৈহিক আৰু মানসিক বিশৃংখলা ঘটিব পাৰে।

'জেংৰাই'ত কবিৰ দ্বৈত মনোভাৱৰ নিদৰ্শন আছে। এহাতে ঐতিহ্য আৰু আনহাতে আধুনিকতা (বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সহায়ত পৰিবেশ আয়ত্ব আৰু বিজ্ঞানসম্মত দৃষ্টিৰে মনক নিয়ন্ত্ৰণ কৰা শক্তি) — এই দুয়োটাৰে প্ৰতি কৰি মনৰ আসক্তি আছে যদিও দেখাত প্ৰাচীন ধৰ্মবোধক কবিয়ে মনে চিতে সমৰ্থন কৰিব পৰা নাই। তথাপি, আভ্যাসিক জীৱনত কবিয়ে ঐতিহ্যকে অনুসৰণ কৰি চলিছে। আমাৰ শিক্ষিতসকলৰ দ্বৈত-মনোভাৱৰ ফলতে আমাৰ মাজলৈ নৈৰাশ্যবাদ আৰু দৈব নিৰ্ভৰতা আহিছে। বাস্তৱৰ লগত (সামাজিক পৰিবেশ) সংঘাত হোৱাৰ ফলস্বৰূপে আমাৰ যি প্ৰক্ষোভমূলক প্ৰতিক্ৰিয়া হয় সি দুই প্ৰকাৰৰ : সুস্থ আৰু অসুস্থ— এই দুই প্ৰকাৰ প্ৰতিক্ৰিয়াক ইতিবাচক আৰু নেতিবাচক বুলিও ক'ব পাৰি। আনন্দ, আশা, উদ্দীপনা — সুস্থ প্ৰক্ষোভৰ দৃষ্টান্ত ; সুস্থ প্ৰক্ষোভে পৰিপাক ক্ৰিয়াক সাহায্য কৰে (বিষয়গত) আৰু উচ্চ মস্তিষ্কক (Cortex) উদ্দীপ্ত কৰে (বিষয়ীগত)। অসুস্থ প্ৰক্ষোভ হ'ল— ভয়, বেদনা, বিষাদ আদি। এইবোৰে পৰিপাক ক্ৰিয়াক বাধা দিয়ে, আৰু উচ্চ মস্তিষ্কক নিস্তেজিত কৰে। নিম্ন মস্তিষ্কত (sub-cortex) উত্তেজনা বৃদ্ধি পালে, উচ্চ মস্তিষ্ক নিস্তেজিত হয় আৰু নিজৰ ধৰ্ম ত্যাগ কৰে। উচ্চ মস্তিষ্কৰ ধৰ্ম হ'ল যুক্তি বুদ্ধি আৰু বিচাৰ বিশ্লেষণৰ ক্ষমতা। এই মস্তিষ্ক আছে বুলিয়েই মানুহ বিবেকী আদৰ্শবান আৰু স্বাৰ্থত্যাগী হ'ব পাৰে। ইয়াৰ বাবেই মানুহে দলবান্ধি অশেষ কষ্ট স্বীকাৰ কৰি পৰৰ হিতাৰ্থে কাম কৰে। কিন্তু আজিৰ পৰিবেশ এনেকুৱা যে মানুহে ইয়াত নিৰাপদ অনুভৱ নকৰে, সেইবাবেই ভৱিষ্যতৰ অনিশ্চয়তাত শংকিত হোৱাৰ সম্ভাৱনা বেছি। তদুপৰি কোনো



OKDISCD

দাৰ্শনিক বা বক্তাই উদ্দেশ্যমূলকভাৱে এনে আতংকগ্ৰস্ত মানুহক অভিভাৱনৰ (suggestion) সহায়ত প্ৰৰোচিত কৰিব পাৰে। কোনে জানে, অস্তিত্ববাদী দাৰ্শনিক কিয়েকগাৰ্ডৰ পৰা আৰম্ভ কৰি ফ্ৰয়েড, হ্যুম নীৎছে, মাৰ্ক্সলৈকে এই আটাইবোৰেই অধ্যয়নশীল অথচ প্ৰক্ষোভ-পীড়িত কবিমনক অভিভূত নকৰাকৈ আছে?

দেখা যায়, কবিয়ে যুক্তি-বুদ্ধিৰে এই দ্বৈত মনোভাৱৰ মূল কাৰণটো নিবিচৰাকৈয়ে ধৰি লৈছে যে জীৱনটো খেলিমেলিৰে ভৰা। জীৱন অৰ্থহীন। মৃত্যু-ৰাতি তত্ত্বতো তেওঁ সোমাই পৰিছে। এই তত্ত্ব ফ্ৰয়েডীয়; ইয়াক ফ্ৰয়েডীয় ভাষাত death instinct বোলা হৈছে। ইয়াৰ অৰ্থ হ'ল পঞ্চভূতৰ পৰাই মানুহৰ উৎপত্তি, সেইদেখি মানুহৰ মনৰ কোণত পঞ্চভূতলৈ উভতি যোৱাৰ এটা হেঁপাহ থাকে। যুক্তি-বুদ্ধিৰে চালে এই সিদ্ধান্ত বিজ্ঞানসম্মত নহয় বুলিয়ে ক'ব লাগিব। লগতে এই কথাও ক'ব পাৰি, ফ্ৰয়েডৰ যুগত যন্ত্ৰ-বিজ্ঞানৰ অগ্ৰগতিও সিমান হোৱা নাছিল। ফ্ৰয়েডীয় মেটাচাইক'লজিৰ ইও এটা কাৰণ হ'ব পাৰে। যি কি নহওক, মৃত্যু বেদনাদায়ক হ'লেও সি এটা বাস্তৱ ঘটনা। তাক সেইদৰেই গ্ৰহণ কৰাটোহে কৰ্তব্য। পৰিস্থিতিক বশলৈ অনাৰ প্ৰবৃত্তি কবিৰ নাই, বৰং পৰিস্থিতিয়ে কবিৰ উচ্চ মস্তিষ্কক মাত্ৰাধিকভাৱে পীড়ন কৰাত সি নিস্তেজিত হৈ পৰিছে — ফলস্বৰূপে কবিৰ মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়াও নেতিবাচক হৈছে।

কবি-মনৰ নেতিবাচক ভূমিকা আমাৰ কি কামত আহিব? কবিতাটোৰ কলাগত সৌন্দৰ্যই সকলো নহয়, তাৰ বক্তব্যই আমাক কি প্ৰেৰণা দিব?

কবিয়ে যদি সচেতন ভাবে পৰিস্থিতিক কৰায়ত্ত কৰিবলৈ চেষ্টা কৰিলেহেঁতেন, তেনেহলে তেওঁৰ চিন্তা আৰু অনুভূতি সাৰ্থক হ'লহেঁতেন নিশ্চয়। পৰিস্থিতিলৈ তেওঁৰ ভয়, সেইবাবেই তেওঁ মনৰ দ্বিধাগ্ৰস্ততাৰ পৰা হাত সাৰিব পৰা নাই। ঐতিহ্য আৰু আধুনিকতাৰ জোৰা টাপলিৰে কাম চলাব নোৱাৰি। তাৰপৰা পৰিস্থিতি অথবা পৰিবেশৰ সলনি নহয়। ঐতিহ্যৰ অনুস্মৃতিৰ মাজতে বিজ্ঞানৰ এৰাব নোৱাৰা প্ৰভাৱ আহি পৰাত যি নতুন পৰিস্থিতি হ'ল কবিয়ে তাক চম্ভালিব পৰা নাই, এই নতুন পৰিস্থিতিত ব্যৱহাৰিক পৰিবৰ্তন কেনে হ'ব লাগে তাকো কবিয়ে আয়ত্ত কৰিব পৰা নাই। কবিয়ে যদি বুজিলেহেঁতেন, অতীতলৈ উভতি যোৱাৰ পথ আৰু নাই, আধুনিক বিজ্ঞানকো বৰ্জন কৰা সম্ভৱ নহয়, তেনেহলে তেওঁৰ মনত যি আতংকৰ সৃষ্টি হৈছে সি নহ'লহেঁতেন। কবি সমাজৰ পৰা বিছিন্ন, তেওঁ যিখন সমাজত আছে, ডাঙৰ দীঘল হৈছে, শিক্ষা পাইছে, সেইখন সমাজতেই তেওঁৰ ভয়ৰ আঁচল কাৰণ লুকাই আছে। মনৰ

শেষ অংশ ২৪ পিঠিত



# মাৰ্ক্সবাদ আৰু জাতিসমস্যা

হীৰেন গোহাঁই

"The bourgeoisie, which naturally assumes the leadership at the start of every national movement, says that support for all national aspirations is practical........ What every bourgeoisie is out for in the national question is either privilege for its own nation, or exceptional advantages for it; this is called being "practical." The proletariat is opposed to all privileges, to all exclusiveness ...... ......

The bourgeoisie always places its national demands in the forefront, and does so in categorical fashion. With the proletariat, however, these demands are subordinated to the interest of the class struggle". Lenin, *The Right of Nations to Self-determination.*

"One of your mistakes is that you regard the national question not as a part of the general question of the social and political development of society, subordinated to this general question, but as something self-contained and constant, whose direction and character remain basically unchanged throughout the course of history. Hence you fail to see what every Marxist sees, namely, that the national question does not always have one and the same character, that the character and tasks of the national movement vary with the different periods in the development of the revolution."

: *Stalin, The National Question and Leninism.*

কোনো এক চিন্তাধাৰা সাময়িকভাবে জনপ্ৰিয় হলেও সি ঐতিহাসিকভাৱে সত্য আৰু সৃষ্টিশীল নহবও পাৰে। অসমৰ মধ্যবিত্ত জাতীয়তাবাদৰ প্ৰবক্তাসকলে কথাটো প্ৰায়েই পাহৰি যায়। উনবিংশ শতিকাৰ ভাৰতত যি জাতীয়তাবাদ কাৰ্যকৰী হ'লহেতেন আজিৰ পৰিস্থিতিত নতুন ঐতিহাসিক শক্তিসমূহৰ বিকাশৰ ফলত সেই ভাবধাৰা অকামিলা হৈ পৰিছে। এই নতুন পৰিস্থিতি আয়ত্ত কৰিবলৈ অসমৰ মধ্যবিত্ত অনিচ্ছুক। সেয়ে জাতীয়তাবাদৰ মোহৰ প্ৰতি ৰোমান্তিক আবেগৰে সঁহাৰি দি আত্মঘাতী পথ লবলৈকো কেনো কোনো বুদ্ধিজীৱীক কৃতসংকল্প যেন দেখা যায়। আনকি সেই পথৰ ভ্ৰান্তি আঙুলিয়াই দিয়া জনেও স্বাৰ্থজড়িত মহলৰ তুমুল প্ৰচাৰৰ ফলত "অসামাজিক" আদি মনোৰম আখ্যাৰ মালা পিন্ধিবলগা হয়।

সমগ্ৰ ভাৰততে জাতিসমস্যাৰ স্থায়ী আৰু যথাযথ সমাধান আজিও হৈ নুঠিল। ১৯৪৭ চনত যি দেশবিভাজন হ'ল তাৰ ভিত্তি আছিল হিন্দু আৰু মুছলমান সাম্প্ৰদায়িকতা — ঐতিহাসিক বাস্তৱৰ যথাযথ অধ্যয়ন নহয়। তাৰ পিছত ভাষাভিত্তিক ৰাজ্য গঠনৰ যি ন্যায্য দাবী উঠিছিল তাকো কিছুমান সংকীৰ্ণ গোঁড়া নীতিৰ মাজত বন্দী কৰি ৰখা হ'ল। ফলত, জাতি সমস্যাৰ বৈজ্ঞানিক আৰু কল্যাণকৰ বিশ্লেষণ আৰু সমাধানৰ পৰা আমি আজিও দূৰত আছো। ঠোৰতে ক'বলৈ গলে সমূহ জনগণৰ আৰ্থিক আৰু সাংস্কৃতিক উন্নতিৰ প্ৰশ্নটোৰপৰা জাতিসমস্যাৰ প্ৰশ্নটো পৃথক কৰিব নোৱাৰি। যি সমাধানৰপৰা ভাৰতৰ ব্যাপক জনগণৰ দুখদাৰিদ্ৰ্য লাঘৱ হ'ব নোৱাৰে, সেই সমাধান জাতিসমস্যাৰো বাস্তৱ সমাধান নহয়।

ভাৰতত আজি বহু কিটা জাতিয়েই অপেক্ষাকৃত উন্নত জাতিবোৰৰ ওচৰত অৰ্থনৈতিক আৰু সাংস্কৃতিকভাবে অৱহেলিত আৰু অৱদমিত হৈ আছে। এনে এটা পৰিস্থিতিৰ ক্ষুদ্ৰ সংস্কৰণ এটি অসমতো দেখা যায়। ১৯৭২ চনৰ ১৫ জুলাইত কলিকতাৰ Frontier কাকতত Roots Of xenophobia in A sam নামৰ এটি প্ৰৱন্ধত আঙুলিয়াই দিছিলো যে ভাৰতীয় পুঁজিবাদৰ বিশেষ ধৰণৰ "বিকাশৰ" ফলত অসমৰ অৰ্থনৈতিক উন্নতি ব্যাহত হৈছে আৰু ফলত অসমীয়া জাতিটোৱেই অৰ্থনৈতিক আৰু সাংস্কৃতিক-দিশৰপৰা দুৰ্বল হৈ পৰিছে। সেয়ে অসমীয়া মধ্যবিত্তৰ মনত বহিৰাগত লোকসকলৰ সম্পৰ্কে তীব্ৰ আশংকা আৰু উৎকণ্ঠাই ঠাই লৈছে। প্ৰৱন্ধটোত কোৱা হৈছিল যে ভাৰতৰ আন কেইবাখনো ৰাজ্যৰ দৰে অসমো পঞ্চালগা জাতীয়তাবাদৰ (stunted nationalism) লীলাভূমি যি জাতীয়তাবাদৰ অৰ্থনৈতিক দাবী সমূহ কৰ্তৃপক্ষৰ দ্বাৰা অৱহেলিত অথচ যাৰ সাংস্কৃতিক লক্ষ্যসমূহৰ প্ৰতি কৰ্তৃপক্ষ সহানুভূতিশীল। অসমীয়া গোষ্ঠিৰ এই ফ্ৰাস্ট্ৰেশ্যন ক্ষোভ আৰু অসন্তোষ আৰু জটিল কৰি তুলিছে এই অঞ্চলৰে থলুৱা জনজাতি বিলাকৰ অসমীয়াসকলৰ প্ৰতি অবিশ্বাস আৰু ক্ষোভৰ মনোভাৱে। তেওঁলোকে আৰু আন কিছুমান সংখ্যালঘু সম্প্ৰদায়ে ভাবে যে অৰ্থনৈতিক আৰু সাংস্কৃতিকভাবে তেওঁলোক অসমীয়াৰ দ্বাৰা উৎপীড়িত আৰু অৱদমিত। এইবোৰ মনোভাৱ সংগত নে অসংগত সেই বিচাৰ কৰিবলৈ হ'লে অসম তথা ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বৰ্তমান পৰ্যায়টো সমূলি আওকাণ কৰিব নোৱাৰি। লগতে এই কথাও যি কোনো নিৰপেক্ষ পৰ্যবেক্ষকে মানিবলৈ বাধ্য হ'ব যে উক্ত বিভিন্ন জনগোষ্ঠি নিজৰ নিজৰ জাতীয়তাবাদী দৃষ্টিকোণৰ উৰ্ধত উঠিব নোৱাৰিলে এই অঞ্চলত সাম্প্ৰদায়িক আৰু জাতিগত সন্দেহ আৰু বিৰোধৰ বীজ সদায় থাকি যাব। মধ্যবিত্ত উদাৰনৈতিক আৰু মানবতাবাদী চিন্তাধাৰা এই বিৰোধৰ কণকঠিয়া মাৰিবলৈ যথেষ্ট নহয়। মঞ্চত মিলাপ্ৰীতিৰ হৈ একেলগে গান গোৱা বা বক্তৃতা দিয়া বিভিন্ন জাতিৰ লোকে উত্তেজনাৰ সময়ত সেইবোৰ পাহৰি যোৱাটো আমাৰ এটা পৰিচিত, অভিজ্ঞতা হৈ পৰিছে। আমি ক'ব খোজোঁ মাৰ্ক্সবাদেই এই জঁয়াৰ পৰিস্থিতিৰ পৰা মুক্তিৰ পথ আমাক দেখুৱাব পাৰে।

বহু সৎ অসমীয়া নাগৰিকেই অসমৰ পূৰ্বৰ ভৌগোলিক পৰিসীমা সংকুচিত হৈ অহাত মৰ্মাহত হোৱা দেখা গৈছে। আনহাতে এই কথাও তেওঁলোকে লক্ষ্য কৰিবলৈ বাধ্য হৈছে যে মেঘালয়, অৰুণাচল, মিজোৰামৰ বিশেষ বিশেষ জনগোষ্ঠি অসমৰ জনসাধাৰণৰপৰা এই বিচ্ছেদত সিমান কাতৰ হোৱা নাই। আনকি ১৯০৫ চনত বংগভংগ আন্দোলনত বংগ-বিভাজনৰ বিৰুদ্ধে যি ব্যাপক প্ৰতিক্ৰিয়া হৈছিল এই অঞ্চলত তাৰ একশতাংশও দেখা নগ'ল। অৰ্থাৎ অসমীয়া জাতীয়তাবাদৰ আকাংক্ষা যিমানেই বিস্তৃত নহওক, তাৰ কাৰ্যকৰী প্ৰভাৱ সীমিত। তেনেস্থলত ক্ষণস্থায়ী হিংস্ৰ আন্দোলনৰ দ্বাৰা যে এটা অবাস্তৱ আৰু অনৈতিহাসিক ধাৰণাক প্ৰতিষ্ঠিত কৰিব নোৱাৰি, সেই উপলব্ধি আজিৰ পৰিস্থিতিত জৰুৰী হৈ পৰিছে। খবৰকাগজৰ মালিক আৰু কিছুমান সাংবাদিকে দুখ পালেও ক'ব লাগিব যে অসমীয়া জাতীয়তাবাদৰ অন্তৰ্নিহিত দুৰ্বলতা আৰু অনিবাৰ্য সীমাবদ্ধতা স্বীকাৰ কৰিবলৈ হ'লে আমি অন্য এক দৃষ্টিকোণ আৰু চিন্তাধাৰাৰ সহায় লব লাগিব।

১৯৪৭ চনৰপৰা ঘনাই হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা কি অৰ্থনৈতিক কি সাংস্কৃতিক, এটা দিশতো অসমীয়া জাতিৰ কোনো লাভ হোৱা নাই। যি জাতীয়তাবাদৰ পৰা কোনো এক জাতিৰ সাধাৰণ মানুহৰ জীৱনত কোনো মংগল নাহে সেই জাতীয়তাবাদ অতিক্ৰম কৰাৰ বা সংস্কাৰ কৰাৰ প্ৰয়োজন আজি আৰু বহলাই নুবুজালেও চলে। তাৰ অৰ্থ এনে নহয় যে এটা জাতিৰ নিজস্ব পৰম্পৰা আৰু বৈশিষ্ট্যৰ প্ৰতি ; ভাষা আৰু সংস্কৃতিৰ প্ৰতি ভালপোৱাটো এটা জগৰৰ কথা। কিন্তু পৰিস্থিতিয়েই আমাক শিকাইছে এই জাতীয় দৃষ্টিকোণৰ লগতে এক আন্তৰ্জাতিক

OKDISCD

দৃষ্টিকোণৰ সমন্বয় সাধন নকৰিলে আমাৰ নিৰাপত্তা আৰু প্ৰগতি ক্ষতিগ্ৰস্ত হ'ব।

আমি ভাবো যে জাতীয়তাবাদৰ উৎপত্তি, বিকাশ আৰু ভৱিষ্যৎ, জাতীয়তাবাদৰ উপকাৰিতা আৰু দুৰ্বলতা, জাতীয়তাবাদৰ অৱশ্যম্ভাৱিতা আৰু জাতীয়তাবাদ অতিক্ৰম কৰাৰ ঐতিহাসিক প্ৰয়োজন সম্পৰ্কে মাৰ্ক্স বাদী দৃষ্টিকোণে এক তথ্যনিৰ্ভৰ, যুক্তিনিষ্ঠ আৰু সুসংহত বিচাৰ ডাঙি ধৰিছে। আমাৰ জাতীয়তাবাদী চিন্তাধাৰাৰ বহুখিনি খেলিমেলি আৰু বহুখিনি ভেঁজালৰে উপযুক্ত প্ৰতিকাৰ মাৰ্ক্সবাদত পোৱা যাব। আমাৰ বিশেষ আৰু স্বকীয়া সমস্যাবোৰৰ সমাধানৰ মূলসূত্ৰও মাৰ্ক্সবাদী তত্ত্ব আৰু প্ৰয়োগত পৰিষ্কাৰ হৈ আছে। অসমৰ পৰিস্থিতিৰ স্বকীয়া বৈশিষ্ট্য আছে নিশ্চয়, কিন্তু মাৰ্ক্স-লেনিন-ষ্টালিন আৰু মাও ছে'-তুঙে নভৱা নজনা এনে কোনো অদ্ভুত অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক নিয়ম (laws) আৰু ধাৰা (trends) অসমত চলা নাই যে সেইবোৰে মাৰ্ক্সবাদ অকামিলা কৰি পেলাব।

অথচ জাতিসমস্যা সম্পৰ্কে অসমত যি আলোচনা হৈছে তাত যে মাৰ্ক্সবাদৰ ব্যৱহাৰ হোৱা নাই তেনে নহয়। মাৰ্ক্স-এংগেল্ছ-লেনিন-ষ্টালিনৰ প্ৰচুৰ উদ্ধৃতিয়ে মহাভাৰতৰ যুদ্ধৰ শৰবৃষ্টিৰ দৰে আকাশ প্ৰায় অন্ধকাৰ কৰি পেলাইছে! কিন্তু মাৰ্ক্স বাদৰ পৰা অসমৰ এই আলোচনাত পোহৰতকৈ এন্ধাৰ বাঢ়িছে কিয়? তাৰ কাৰণ দুটা। কিছুমান বুদ্ধিজীৱীয়ে মাৰ্ক্সবাদৰ প্ৰয়োগত চৰম সুবিধাবাদৰ (opportunism) আশ্ৰয় লৈছে। উদ্দেশ্যসিদ্ধিৰ

---

( ২০ পৃষ্ঠাৰ পিছৰ অংশ )

প্ৰকোষ্ঠৰ বিষয়ীমুখী অভিব্যক্তিৰ মাজত এই ভয়ৰ উৎপত্তি হোৱা নাই, ভয় আছে সমাজত, ভয় আন্তঃমানবিক সম্পৰ্কত, ভয় ব্যক্তি আৰু সমষ্টিৰ সম্পৰ্ক নিৰ্ধাৰণত। এই ভয় তেতিয়ালৈকে থাকিব, যেতিয়ালৈকে কবি বিছিন্ন হৈ থাকিব। খণ্ডিত মানুহে আজিৰ সমাজত উদ্বেগ, অশান্তি আৰু ভয়ৰপৰা মুক্ত হ'ব নোৱাৰে। 'গ্ৰুপ-একটিভিটি'ৰ মাজতহে জীৱনৰ অৰ্থ পোৱা যায়। মানুহে মানুহৰপৰা কলাৰ জগতলৈ আঁতৰি যায় পুনৰ মানৱতাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিবলৈহে – কবিৰ সম্পৰ্কে কডৱেলে কৰা এই উক্তি প্ৰণিধানযোগ্য। কবিতাৰ নান্দনিক দিশ, ৰচনাৰ সৌন্দৰ্যক জীৱন সত্যৰ লগত সম্পৰ্কিত কৰিছে বুলি কবিয়ে ভাবিলেও ভাবিব পাৰে, কিন্তু কবিয়ে জীৱন সত্য বুলি যিটো অৱস্থাক ধৰি লৈছে, প্ৰকৃতপক্ষে সেইটো কবি-মানসৰ বিকাৰহে। ব্যক্তিগত সম্পতি আৰু ব্যক্তিগত স্বাৰ্থ যিখন সমাজৰ ভেটি হৈ আছে, সেইখন সমাজত কবিৰ দৰে সৎ অথচ বিচ্ছিন্ন মানুহ পীড়িত হোৱাৰ সম্ভৱনা অত্যন্ত বেছি। সত্য সদায় আপেক্ষিক, কবি-মন যুক্তিনিষ্ঠ হ'লেই আজিৰ জীৱনৰ সত্য সহজে উপলব্ধি কৰিব পাৰিব। + + +



ধাৰে এওঁলোকে প্ৰয়োজন হ'লে মাৰ্ক্সবাদৰ পৰম শত্ৰুৰ পৰাও ঘোৰতৰ উদ্ধৃতি আৰু যুক্তি ডাঙি ধৰিব পাৰে। অৰ্থাৎ এওঁলোকৰ লক্ষ্য বা উদ্দেশ্যই মাৰ্ক্সবাদৰ দ্বাৰা পৰিশ্ৰুত নহয়। আৰু একশ্ৰেণীৰ বুদ্ধিজীৱিয়ে মাৰ্ক্সবাদৰ বৌদ্ধিক পৰিসীমা লংঘণ কৰা নাই, তেওঁলোকৰ বিচাৰ পদ্ধতি আৰু ভাষা মাৰ্ক্সবাদৰ অনুমোদিত। কিন্তু এওঁলোকৰ ক্ষেত্ৰতো দেখা যায় যে এওঁলোকৰ শেষ সিদ্ধান্ত পৰিচিত মধ্যবিত্ত জাতীয়তাবাদী সিদ্ধান্ততকৈ চুলিএডালমানো পৃথক নহয়। অৰ্থাৎ সজ্ঞানে নহলেও অজ্ঞাতসাৰে এওঁলোক মাৰ্ক্সবাদৰ পৰা বিচ্যুত হৈছে।

মাৰ্ক্সবাদ কিছুমান বন্ধাধৰা ফৰ্মুলাৰ জড় ব্যৱহাৰ নহয়। মাৰ্ক্সবাদ যদি শোষকশ্ৰেণীৰ শ্ৰেণীস্বাৰ্থৰ হাতিয়াৰ হৈ পৰে, সি আৰু মাৰ্ক্সবাদ হৈ নাথাকে। মাৰ্ক্সবাদৰ এক নিজস্ব বিশ্ববীক্ষা আছে— যি বিশ্ববীক্ষা সৰ্বহাৰা শ্ৰেণীৰ আৰু যি বিশ্ববীক্ষা বিপ্লৱী বিশ্ববীক্ষা। মাৰ্ক্স – এংগেলছৰ দিনৰে পৰা মাৰ্ক্সবাদৰ অন্যতম মূল ধাৰণা আন্তৰ্জাতিকতা বুলি স্বীকৃত হৈ আহিছে। তদুপৰি সকলো ক্ষেত্ৰতে সমাজ বিপ্লৱৰ দৃষ্টিকোণৰ পৰা সমস্যাৰ অধ্যয়ন আৰু বিশ্লেষণৰ ওপৰত মাৰ্ক্সবাদে গুৰুত্ব দি আহিছে। এনে মাৰ্ক্সবাদী দৃষ্টিকোণ আৰু মাৰ্ক্সবাদী মূল্যবোধ অবিহনে মাৰ্ক্সবাদৰ প্ৰয়োগ ভণ্ডামি আৰু বদমাছি হ'বলৈ বাধ্য। লেনিনে বাৰে বাৰে কৈছে যে বিভিন্ন জাতিৰ মাজত সম্পূৰ্ণ সমতা আৰু চূড়ান্ত গণতন্ত্ৰ অবিহনে জাতি-সমস্যাৰ সমাধান সম্ভৱ নহয়। যি কোনো ধৰণৰ বলপ্ৰয়োগ আৰু অত্যাচাৰ মাৰ্ক্সবাদী মাত্ৰেই ঘৃণাৰে বৰ্জন কৰে। (Critical Remarks on the National Question in Selections from V·I Leuin and J.V Stalin. Calcutta Book House, 1970, : pp 1-2, p 4) তদুপৰি জাতিসমস্যাৰ ওপৰত সাধাৰণ আৰু সূত্ৰধৰ্মী আলোচনাতকৈ কোনো এক বিশেষ জাতিসমস্যাৰ ঐতিহাসিক, অৰ্থনৈতিক আৰু সামাজিক পটভূমিৰ অধ্যয়ন মাৰ্ক্সবাদৰ ফালৰপৰা বহুগুণে বেছি উপযোগী। 'The categorical requirment of Marxist theory in investigating any social question is that it be examined within definite historical limits, and, if it refers to a particnlar conutry ... ; that account be taken of the specifics features distinguishing that country from others in the same historical epoch' (Right of Nations to self determination in op cit p 16)

জাতিসমস্যাৰ অধ্যয়নৰ ক্ষেত্ৰতো মাৰ্ক্সবাদৰ যথাযথ প্ৰয়োগৰ প্ৰশ্ন উঠে। আৰু এই যথাযথ প্ৰয়োগৰ পূৰ্বচৰ্ত হ'ল বিশেষ বাস্তৱ পৰিস্থিতিৰ পুংখানুপুংখ অধ্যয়ন আৰু বিশ্লেষণ। উদাহৰণ স্বৰূপে আমাৰ কোনো



OKDISCD

কোনো বুদ্ধিজীৱীয়ে ভাৰতৰ জাতিসমস্যা সমাধানৰ আলোচনাত চোবিয়েট ৰুছিয়াৰ উদাহৰণ ডাঙি ধৰে। ছোভিয়েট ৰুছিয়াৰ উদাহৰণৰ পৰা যি শিক্ষা পোৱা যায় তাক নিশ্চয় কামত লগাব লাগিব। কিন্তু জাৰশাসিত ৰুছিয়াত বিভিন্ন জাতিৰ মাজত সাংস্কৃতিক বা বৌদ্ধিক ঐক্যসূত্ৰ কিবা আছিলনে? ৰুছ জাতিয়ে চূড়ান্ত দম্ভ আৰু অৱজ্ঞাৰে জাতিসমূহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰা নাছিলনে? আনহাতে ভাৰতৰ অধিকাংশ জাতিৰ মাজত বহু শতাব্দীধৰি ৰাজনৈতিক নহলেও সামাজিক আৰু সাংস্কৃতিক যোগাযোগ আছিল প্ৰচুৰ আৰু ঘনিষ্ঠ। তদুপৰি দুশবছৰীয়া ব্ৰিটিছ আমোলৰ বিৰুদ্ধে সংগ্ৰামত এক ধৰণৰ জাতীয় ঐক্যই ভাৰতৰ বৃহৎ অংশ জুৰি প্ৰতিষ্ঠা লাভ নকৰাকৈ থকা নাছিল। এই ঐতিহাসিক পট-ভূমি নিশ্চয় ভাৰতৰ জাতিসমস্যাৰ বিচাৰত আওকাণ কৰিব নোৱাৰি। এই পৰম্পৰাৰ প্ৰতিক্ৰিয়াশীল উপাদানো নথকা নহয়। কিন্তু ইয়াৰ প্ৰগতি-শীল উপাদানবোৰ ভাৰতৰ বিভিন্ন জাতিৰ মাজত সুস্থ আদান-প্ৰদান আৰু ঐক্যৰ বাবে নিশ্চয় ব্যৱহাৰ কৰিব লাগিব। কাৰণ জাতিগত বিচ্ছিন্নতা (exclusiveness) কোনো মাৰ্ক্সবাদীৰ কাম্য হ'ব নোৱাৰে।

অৱশ্যে এইখিনিতে আৰু এটা বিভ্ৰান্তিৰ কাৰণ উল্লেখ কৰা প্ৰয়ো-জন। ন্যস্ত স্বাৰ্থৰ অনুগামী বুদ্ধিজীৱিয়ে কেৱল যে সুবিধাবাদী কায়দাৰে মাৰ্ক্সবাদ ব্যৱহাৰ কৰিব খোজে তেনে নহয়। প্ৰয়োজন শেষ হৈ গ'লে মাৰ্ক্সবাদক ভৰিৰে গছকিবলৈ পিছভৰি নহয়। তেনে এক মহলৰপৰা সম্প্ৰতি আপত্তি উঠিছে যে জাতি-সমস্যা সমাধানৰ বাবে মাৰ্ক্সবাদ প্ৰশস্ত পথ হেনো নহয়। কাৰণ হিচাবে কোৱা হৈছে যে মাৰ্ক্স-এংগেলছ-লে'নিন-স্তালিনৰ বিভিন্ন উক্তি আৰু মত পৰস্পৰ বিৰোধী আৰু সংগতি-হীন। জাতিসমস্যা সমাধানৰ ক্ষেত্ৰত লে'নিন আৰু মাৰ্ক্সৰ, লে'নিন আৰু স্তালিনৰ মত আৰু চিন্তাৰ পাৰ্থক্য দেখুৱাবলৈ বহুত উদ্ধৃতিও দিব খোজা হৈছে।

কিন্তু মাৰ্ক্সবাদ মানে আমি কি বুজোঁ? মাৰ্ক্সৰ মূল ৰচনা কেইখনৰ সকলো কথাকে শাস্ত্ৰবাক্যৰ দৰে আওৰাই ফুৰাটোৱেই জানো মাৰ্ক্সবাদ? লেনিন স্তালিনে তেওঁলোকৰ দৃষ্টিকোণ আৰু বিচাৰ পদ্ধতি আৰু মূল ধ্যান ধাৰণাবোৰ মাৰ্ক্সৰ পৰাই লৈছে। কিন্তু সকলো ক্ষেত্ৰতে যে মাৰ্ক্সৰ মত প্ৰতিধ্বনিত কৰিছে তেনে নহয়। তেনে কৰা হলে মাৰ্ক্সবাদ বৈজ্ঞানিক মত-বাদ নহৈ এটা ধৰ্মীয় কুসংস্কাৰত পৰিণত হ'লহেতেন। প্ৰকৃততে মাৰ্ক্স আৰু এংগেলছৰ কিছুমান অৰ্থনৈতিক আৰু ৰাজনৈতিক মত বা সিদ্ধান্ত তেওঁলোকৰ সমসাময়িক বিশ্বৰ অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। কিন্তু সেই অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতি সাল সলনি হোৱাৰ লগে লগে সেইবোৰ বিশেষ বিশেষ তত্ত্বৰো পৰিবৰ্তন



প্ৰয়োজন হৈছিল। সেইবোৰ ক্ষেত্ৰত লেনিন স্তালিন আৰু মাও ছে তুঙে মাৰ্ক্সবাদলৈ তেওঁলোকৰ সৃষ্টিশীল অৱদান আগবঢ়াইছে। মাৰ্ক্সৰ দৃষ্টিকোণ নিয়ন্ত্ৰণ কৰিছিল উনবিংশ শতিকাৰ য়ুৰোপৰ ইংলেণ্ড, ফ্ৰান্স জৰ্মানি প্ৰভৃতি শিল্পপ্ৰধান পুঁজিবাদী দেশবোৰত গঢ়ি উঠা শ্ৰমিক শ্ৰেণীৰ শক্তিয়ে। তেওঁ ভাবিছিল যে পুঁজিবাদৰ শেষ সংকট আসন্ন আৰু উক্ত দেশবোৰতে তাৰ চৰম বিপৰ্যয় আৰম্ভ হ'ব। ফলত তেওঁৰ বাবে জাতি সমস্যাটো এটা কেন্দ্ৰীয় সমস্যা নাছিল। তেওঁ ভাবিছিল যে সংগ্ৰামী শ্ৰমিক শ্ৰেণীৰ পক্ষে জাতীয়তা-বাদী মোহ বৰ্জন কৰাটো কঠিন নহ'ব। কিন্তু লেনিনৰ দিনত পৰি-স্থিতিৰ সলনি হ'ল। মৰণোন্মুখ পুঁজিবাদ একচেটিয়া পুঁজি আৰু বিত্তপুঁজিৰ ৰূপ লৈ সাম্ৰাজ্যবাদী কৌশলেৰে আত্মৰক্ষা কৰিবলৈ চেষ্টা কৰিলে। বিশেষকৈ অনগ্ৰসৰ দেশবোৰ দখল কৰি সংকটৰ বোজা সিহঁতৰ কান্ধত পেলাই দিলে আৰু নিজৰ নিজৰ দেশবোৰক সেই সেই দেশৰ শ্ৰমিক শ্ৰেণীৰ সৈতে সংকটৰ পৰা সাময়িকভাবে মুক্ত কৰিবলৈ বিচাৰিলে। উন্নত পুঁজিবাদী দেশবোৰৰ শ্ৰমিক শ্ৰেণীৰ মাজত শোধনবাদী মতাদৰ্শ সংক্ৰমিত হ'ল আৰু সেইবোৰ দেশৰ শ্ৰমিক শ্ৰেণীয়ে বিপ্লৱী ভূমিকা বৰ্জন কৰিলে। এই নতুন পৰ্যায়ৰ সঠিক, সংহত, সামগ্ৰিক সংজ্ঞা আগবঢ়ালে লেনিনে তেওঁৰ Imperialism the highest stage of capitalism পুস্তিকাত। বিপ্লৱী প্ৰেৰণা আৰু সম্ভাৱনা ৰুছিয়াৰ দৰে অনুন্নত আৰু অৰ্ধসামন্তবাদী (যদিও তাৰ এটা উন্নত ঔদ্যোগিক দিশ আৰু শক্তিশালী শ্ৰমিকশ্ৰেণী আছিল) দেশত বিয়পি যোৱাৰ পিচত স্বাভাৱিকতে জাতিসমস্যাই এইা নতুন ধৰণৰ গুৰুত্ব অৰ্জন কৰিলে। কাৰণ জাৰতন্ত্ৰী ৰুছিয়াত পঞ্চাশৰো ওপৰ জাতিয়ে অৱদমিত আৰু শোষিত জীৱন যাপন কৰিছিল। তেওঁলোকৰ মুক্তিৰ আকাংক্ষাক বিপ্লৱৰ সহায়ক হিচাবে গঢ়ি তুলিবলৈ লেনিন আৰু স্তালিনে জাতি সমস্যাৰ অধ্যয়নত নতুন আলোকপাত কৰিলে। সাম্ৰাজ্যবাদে যেনেকৈ শ্ৰমিকশ্ৰেণীক শোষণ কৰে তেনেদৰে বহু জাতিৰ মুক্তি আৰু বিকাশৰ বাট বন্ধ কৰে। সেয়ে জাতীয় মুক্তিৰ আন্দোলন সমাজবাদী বিপ্লৱৰ শত্ৰু হ'ব নোৱাৰে। অক্টোবৰ বিপ্লৱৰ পিছৰ পৰা এছিয়া আৰু অন্যান্য প্ৰান্তৰ ঔপনিবেশিক জনগণৰ মুক্তি সংগ্ৰাম বিপ্লৱী সমাজবাদৰ এক প্ৰধান মিত্ৰ শক্তি হিচাপে গঢ়ি তুলিবলৈ প্ৰথমে ছোভিয়েট চৰকাৰ আৰু পিচলৈ তৃতীয় আন্তৰ্জাতিক সক্ৰিয় হৈ উঠিল। এনেকৈ জাতিসমস্যাৰ প্ৰশ্নটোত মাৰ্ক্সবাদী চিন্তাৰ উল্লেখযোগ্য বিকাশ ঘটিছে — কিন্তু এই বিকাশক যি স্ববিৰোধ বা বিসংগতি বুলিব খোজে সি মাৰ্ক্সবাদ তথা ঐতিহাসিক বস্তুবাদৰ অ আ ক খ কে বুজা নাই। মন কৰিব লগীয়া কথা এয়ে যে এই বিকাশৰ ফলত মাৰ্ক্সবাদৰ লক্ষ্য সমাজবাদৰ পৰা সি বিচ্যুত হোৱা নাই, আনকি জাতীয় মুক্তি আন্দোলনকো সমাজবাদী আন্দোলনৰ এটা অস্থায়ী পৰ্যায় হিচাবেহে ধৰি লৈছে। এই



OKDISCD

সংগ্রামৰ প্ৰধান আৰ উচ্চতম স্তৰ হিচাবে সি বিপ্লৱকে আজিও নিৰ্দেশ কৰি আছে। তদুপৰি আন্তৰ্জাতিক দৃষ্টিকোণ বৰ্জন কৰাৰ কোনো প্ৰশ্নই উঠা নাই । অৰ্থাৎ এই বিকাশৰ ফলত মাৰ্ক্সবাদে তাৰ মূল চৰিত্ৰ হেৰুৱা নাই।

জাতিসমস্যা সম্পৰ্কে মাৰ্ক্স এংগেলছৰ প্ৰাথমিক চিন্তাচৰ্চাৰ নিদৰ্শন পোৱা যায় কমিউনিষ্ট মেনিফেষ্টোত । পুস্তিকাখনিত কোৱা হৈছে যে সামন্ত-বাদী সমাজৰ জনসংখ্যা, উৎপাদনৰ সজুঁলি আৰু সম্পত্তিৰ বিচ্ছিন্নতা দূৰ কৰে বুৰ্জোৱা গনতান্ত্ৰিক বিকাশ আৰু বিপ্লৱে। সমগ্ৰ দেশ জুৰি এখন জাতীয় বজাৰ (বা বিনিময়-ব্যৱস্থা), একে মুদ্ৰা, একে আইন কানুন আৰু একেখন চৰকাৰ প্ৰতিষ্ঠা হোৱাটো বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰে লক্ষণ। এইফালৰ পৰা জাতীয়তাৰ বিকাশ পুঁজিবাদৰ ফলশ্ৰুতি। আনহাতে বুৰ্জোৱা শ্ৰেণীয়েই উৎপাদনশক্তি আৰু বিনিময়ৰ ব্যাপক প্ৰসাৰ আৰু উন্নতি ঘটাই জাতীয়তাৰ ঠাইত আন্তৰ্জাতিক সমাজৰ ভিত্তি ৰচনা কৰিছে। সৰ্বহাৰা শ্ৰেণীৰ অভ্যুত্থানে এই ভিত্তি নাকচ নকৰে ।

In place of the old local and national seclusion and self sufficiency we have intercourse in every direction, universal inter-dependence of nations. And as in material, so also in intellectual production. The intellectual creation of individual nations become common property. National one-sidedness, narrow mindedness become more and more impossible: Communist Manifesto, Moscow 1949 pp 49-50

এই উদ্ধৃতিৰপৰা প্ৰমাণ হয় যে আন্তৰ্জাতিক মানৱীয় সমাজেই মাৰ্ক্স-এংগেলছৰ মতে মানৱজাতিৰ প্ৰগতিৰ অন্যতম লক্ষ্য । জাতিগত সংকীৰ্ণতাৰ প্ৰতি তেওঁলোকৰ কোনো সহানুভূতি নাই। 'National differences and antagonism between People s are daily more and more vanishing.' (op. cit p 4)

মাৰ্ক্স এংগেলছৰ ভাষাত 'খাটিখোৱা মানুহৰ কোনো দেশ নাই।' আনহাতে আন্তৰ্জাতিকতাৰ নামত এটা জাতিয়ে আন এটা জাতিক শোষণ বা নিপীড়ন কৰাৰ প্ৰশ্নই নুঠে। কাৰণ সৰ্বহাৰা শ্ৰেণীয়ে সংগ্ৰামৰ যোগেদি প্ৰতি জাতিৰে নেতৃত্বৰ আসন ল'ব লাগিব (ibid) আৰু বুৰ্জোৱা অৰ্থৰ বিপৰীতে 'জাতীয়' চৰিত্ৰ অৰ্জন কৰিব লাগিব। কিন্তু সৰ্বহাৰা শ্ৰেণী তাৰ জাতীয় পৰ্যায়তে ঠেৰেঙা লাগি নাথাকে, বৰং সকলো দেশৰে সৰ্বহাৰা শ্ৰেণীৰ লগত সহযোগিতা কৰি মুক্তিৰ পথ প্ৰস্তুত কৰিব লাগিব। এটা জাতিৰ আভ্যন্তৰীণ শ্ৰেণীবিৰোধ শাম কাটি অহাৰ লগে লগে সেই জাতিৰ লগত আন আন জাতিৰ বিৰোধো শাম কাটি আহিব ।



পাহৰিব নোৱাৰি যে সৰ্বহাৰা শ্ৰেণীৰ সমাজবাদী বিপ্লৱৰ স্বাৰ্থতে মাৰ্ক্স-এংগেলছে গঢ়ি তুলিছিল First International workingmen's Association চুটিকৈ First International বা প্ৰথম আন্তৰ্জাতিক। কিন্তু তাৰ অৰ্থ এনে নহয় আন্তৰ্জাতিক সমাজ আৰু পৰিবেশ গঢ়িবলৈ যাওঁতে বিভিন্ন পৰাধীন আৰু অৱদমিত জাতিৰ দুৰ্দশা আৰু অপমান মাৰ্ক্স-এংগেলছে আওকাণ কৰিছিল । বৰং পৰাধীন আৰু অৱদমিত জাতিসমূহৰ মুক্তি অবিহনে সৰ্বহাৰা বিপ্লৱৰ সম্ভাৱনা সংকুচিত বুলি তেওঁলোকে স্পষ্টভাষাত কৈ গৈছে।

চকুৰ আগতে দেখা আয়লেণ্ডৰ দুখদৈন্যই এই নিষ্ঠুৰ সত্য তেওঁলোকৰ আগত সততে ডাঙি ধৰিছিল । ১৮৬৯ চনৰ ২৪ অক্টোবৰ তাৰিখে এংগেলছে আয়লেণ্ডৰপৰা দীঘলীয়া চিঠি এখনেৰে মাৰ্ক্সৰ আগত সেই দেশৰ দুৰ্দশা ডাঙি ধৰে । ব্ৰিটিছে কেৱল আয়লেণ্ডৰ সকলো উদ্যোগৰ উদ্যম, সকলো ৰাজনৈতিক প্ৰচেষ্টা নিৰ্মমভাবে দমন কৰিয়েই এৰা নাই; আয়লেণ্ডৰ জন-গণৰ মাজত মেলি দিছে কৰাল দুৰ্ভিক্ষ আৰু মাৰীমড়কৰ ভূতপ্ৰেত। ব্ৰিটিশ উপনিবেশ হোৱা বাবেই চৰম দাৰিদ্ৰ্যদশাত নিমগ্ন এই দেশ। এংগেলছে শেষত কৈছে যে আয়লেণ্ডৰ এই বিকাৰে আয়লেণ্ডৰ মালিক ইংৰাজ জাতকো সুচুৰাকৈ থকা নাই ।

'Irish history shows one what a misfortune it is for a nation to have subjugated another nation. All the abominations of the English have their origin in the Irish pale'.

১৮৬৭ চনৰ ৩০ নৱেম্বৰৰ দিনা মাৰ্ক্সে এংগেলছলৈ লিখে যে ইংলেণ্ডৰ শ্ৰমিকশ্ৰেণীয়ে আয়লেণ্ডৰ স্বাধীনতাৰ দাবী সম্পূৰ্ণৰূপে সমৰ্থন কৰিবই লাগিব । তেওঁৰ মতে সেই মুহূৰ্তত আয়লেণ্ডৰ প্ৰয়োজন হ'ল [১] স্বৰাজ [ self-government ] আৰু ইংলেণ্ডৰ শাসনৰ পৰা মুক্তি [২] ব্যাপক কৃষক বিপ্লৱ [৩] ইংলেণ্ডৰ শিল্পৰ পৰা দেশী শিল্প ৰক্ষা কৰিবলৈ tariff ব্যৱস্থা ! এই কথাৰ পুনৰাবৃত্তি কৰি ১৮৬৯ চনৰ ২৯ নৱেম্বৰ দিনা মাৰ্ক্সে কুগেলমানলৈ লিখে যে প্ৰকৃততে আয়লেণ্ডৰ মুক্তিৰ দাবী ইংৰাজ শ্ৰমিক শ্ৰেণীয়ে নিজৰ স্বাৰ্থতে কৰিব লাগিব । কাৰণ ইংলেণ্ডৰ প্ৰতিক্ৰিয়াশীল জমিদাৰচক্ৰৰ [landed oligarchy ] বিনাশ তেতিয়াহে সম্ভৱ যেতিয়া আয়-লেণ্ডৰ ওপৰত সিহঁতৰ একচেটিয়া শোষণ বন্ধ কৰিব পৰা যাব। তদুপৰি ইংৰাজ শ্ৰমিক শ্ৰেণীৰ মাজত আয়ৰিছ শ্ৰমিকৰ লগতে সততে লাগি থকা সাম্প্ৰদায়িক কন্দল দূৰ নহ'লে শ্ৰেণীসংহতিও সুদূৰপৰাহত । আচৰিত নহয় যে প্ৰথম আন্তৰ্জাতিকত আয়ৰিছ জনগণৰ গণতান্ত্ৰিক আন্দোলন সমূহৰ প্ৰতি সমৰ্থনৰ প্ৰস্তাব আগবঢ়াইছিল স্বয়ং মাৰ্ক্সে ।

আনহাতে মাৰ্ক্স আৰু এংগেলছ দুয়ো উপলব্ধি কৰিছিল যে নিপীড়িত জাতিসমূহৰ মুক্তিৰ দাবী বুৰ্জোৱাকৈ বেছি বলিষ্ঠভাবে তুলি ধৰিব পাৰে সৰ্বহাৰাই। Class struggles in France পুস্তিকাত মাৰ্ক্সে দেখুৱালে কেনেকৈ ১৮৪৮



OKDISCD

চনৰ বিপ্লবে সন্দেহাতীতভাবে প্ৰমাণ কৰিলে যে জাতীয় মুক্তিৰ আন্দোলনত বুর্জোৱাৰ ভূমিকাতকৈ সর্বহাৰাৰ ভূমিকা বহুবেছি গুৰুত্বপূর্ণ হৈ আহিছে। The Hungarian shall not be free nor the Pole nor the Italian, as long as the worker remains a slave (Marx, Class Struggles in Faance, Moscow 1968, p 53) অর্থাৎ জাতীয় মুক্তিৰ প্ৰচেষ্টা আৰু শ্ৰমিকশ্ৰেণীৰ মুক্তিসংগ্ৰাম ইতিমধ্যে অবিচ্ছেদ্য হৈ পৰিছে । এংগেল্ছেও কমিউনিষ্ট মেনিফেষ্ট'ৰ পোলিচ সংস্কৰণৰ পাতনিত ঘোষণা কৰিলে যে শ্ৰমিকশ্ৰেণীৰ সক্ৰিয় ভূমিকাৰ বাবেই ১৮৪৮ চনৰ বুর্জোৱা বিপ্লৱৰ জাতীয় মুক্তিৰ কার্যসূচী সফল হৈছিল আৰু ইটালি জর্মানি আৰু হাংগেৰিৰ স্বাধীনতা ৰক্ষা পৰিছিল । আৰু সেয়ে তেওঁৰ মতে পোলেণ্ডৰ স্বাধীনতা য়ুৰোপীয় শ্ৰমিক শ্ৰেণীৰ লক্ষ্যৰ ভিতৰত পৰিব লাগিব । সর্বহাৰা আন্তর্জাতিকতাৰ প্ৰবৰ্ত্ত হ'ল সকলো জাতিৰ ৰাজনৈতিক স্বাধীনতাঃ 'A sincere international collaboration of the European nations is possible if only each of these nations is fully autonomous in its own house.'

বুর্জোৱা শ্ৰেণীৰ স্বাভাবিক মানসিক গণ্ডী হ'ল জাতীয়তা আৰু তাৰ ফলতে জন্ম পায় জাতিদম্ভ আৰু নানা বৈষম্যমুলক আচৰণ আৰু নিপীড়ন। এছিয়াৰ ভাৰত আৰু চীন প্ৰভৃতি প্ৰাচীন সুসভ্য দেশৰ জাতিসমূহৰ ওপৰত য়ুৰোপীয় বুর্জোৱাৰ বর্বৰোচিত অত্যাচাৰ উৎপীড়ন মাৰ্ক্সে তীব্ৰ ভাষাত গৰিহণা দিছিল । ভবিষ্যত সমাজবাদী ব্যৱস্থাত যে এই উপনিবেশসমূহ মুক্ত হ'ব সেই সম্পৰ্কে দুয়ো আছিল নিশ্চিত । [ উদাহৰণ স্বৰূপে ১৮৮২ চনৰ ১২ চেপ্তেম্বৰত এংগেল্ছৰ কাউৎস্কিলৈ দিয়া চিঠি নাইবা ভাৰত আৰু চীন সম্পৰ্কে মাৰ্ক্সৰ প্ৰবন্ধৰাজি । ]

এই দুয়োজন মনীষীৰ বাবে জাতীয়তা কোনো বিচাৰৰ অতীত দেৱতা নাছিল । জনগণৰ মংগল আৰ প্ৰগতিৰ উপায় হিচাবেই জাতীয় সত্তাৰ বিকাশত তেওঁলোকে সমৰ্থন জনাইছিল । সেয়ে বুর্জোৱা জাতীয়তাবাদৰ বহু পৱিত্ৰ উপাদানৰ আগত নিৰ্বিচাৰে পূজা দিবলৈ দুয়ো ৰাজী নাছিল। উদাহৰণ স্বৰূপে আঙুলীয়াই দিব পাৰি যে The role of Force in History নামৰ পুস্তিকাত এংগেলছে দেখুৱাইছে কেনেকৈ ফৰাচী বিপ্লৱৰ জমিদাৰ উচ্ছেদ আৰু গনতান্ত্ৰিক স্বাধীনতাৰ দাবীত আকৃষ্ট হৈ জৰ্মন ভাষাভাষী আলছাচ্ আৰু লৰাইন প্ৰদেশৰ লোকসকলে জৰ্মন ভাষা বর্জন কৰি মনেপ্ৰাণে ফৰাচী ভাষা আৰু ফৰাচী সংস্কৃতি গ্ৰহণ কৰিছিল। অৱশ্যে আলছাচ্ লৰাইনৰ জনগণে স্বেচ্ছাই এই সংকল্প লৈছিল, কোনেও তাক তেওঁলোকৰ ওপৰত জাপি দিয়া নাছিল। ( পৰৱৰ্তী সংখ্যাতঃ লেনিন আৰু তেওঁৰ অনুগামী সকলৰ দৃষ্টিত জাতিসমস্যা। ) + + +



# সাহিত্যত প্ৰচাৰধৰ্মিতা

শিৱ নাথ বৰ্মণ

সাহিত্যত প্ৰচাৰধৰ্মিতা ? কল্পলোকৰ বিতোপন প্ৰাসাদবাসিনীক ৰাজ-পথৰ বাৰ্তাবাহিনী লিগিৰীলৈ ৰূপান্তৰ ? সাহিত্য-কুঁৱৰীৰ বিমল দেহত প্ৰচাৰৰ ধূলিৰ চেকা ?

কলা-কৈবল্যবাদৰ যিসকল একান্ত ভক্ত, জীৱন-বিচ্ছিন্ন অপাৰ্থিৱ সৌন্দৰ্য যিসকলৰ আমৰণ ধ্যান, সাহিত্যত প্ৰচাৰৰ নামোল্লেখে তেওঁলোকক বিস্মিত তথা বিৰক্ত কৰা স্বাভাৱিক। কাৰণ সাহিত্য, তেওঁলোকৰ মতে, জীৱনৰ প্ৰতিচ্ছবি নহয়, ই হ'ল 'অমল' সৌন্দৰ্যৰ অনুধ্যান ; তাৰ স্বকীয় গুণৰ বাবে সাহিত্যত বিষয় বস্তুৰ প্ৰয়োজন নাই, ই প্ৰয়োজনীয় সৌন্দৰ্য-ৰূপায়ণৰ এক — সম্ভৱ পেলনীয়া-আহিলা হিচাপেহে। সমাজ জীৱনৰ লগত সাহিত্যৰ সাযুজ্য মানি ল'বলৈ এই দলটোৱে কুণ্ঠাবোধ কৰে, আৰু সৌন্দৰ্য এষণাক জীৱনৰ কঠিন বাস্তৱতাৰ পৰা নিজকে ৰক্ষা কৰাৰ এক বৰ্ম হিচাপে ব্যৱহাৰ কৰিব খোজে। এওঁলোকৰ মানত সাহিত্য হ'ল কেৱল বাক চাতুৰ্য, কবিতা হ'ল কেতবোৰ বছা বছা শব্দৰ খেলা।

জন-জীৱনৰ পৰা আঁতৰৰ 'বিশুদ্ধ', 'উচ্চ' কলাৰ প্ৰয়োজনীয়তাক লৈ ৰূপ-মাতালৰ এই দলটোৱে কৰা আটাহ-আস্ফালনবোৰৰ প্ৰতিক্ৰিয়া হিচাপে মাজে মাজে আবিৰ্ভাব হয় নান্দনিক চেতনা-বিৰল অতি-বাস্তৱবাদী একোটা দলৰ। ৰূপ মাতাল সকলৰ সম্পূৰ্ণ বিপৰীতে, কলাৰ উপযোগিতাবাদত এওঁলোকে এনে অন্ধভাৱে বিশ্বাসী হৈ পৰে, যে বৈজ্ঞানিক সমাজবাদৰ স্পষ্ট পথ-নিৰ্দেশ নথকা সাহিত্যক এওঁলোকে তুলনা কৰে পুঁজিবাদী সমাজ ব্যৱস্থাই সৃষ্টি কৰা কিছুমান আৱৰ্জনাৰ স'তে ; সাহিত্যত সৌন্দৰ্যৰ প্ৰশ্নক, ৰুচিৰ প্ৰশ্নক এওঁলোকে বৰ্জন কৰে 'বুৰ্জোৱা কান্তিবিদ্যাৰ কেতবোৰ অবান্তৰ সমস্যা' বুলি। সমাজ বিন্যাসৰ এক সৰল ঐকিক সূত্ৰেৰে সাহিত্য কৃতিৰ বিচাৰত এওঁলোক আগ্ৰহী। সমাজত অৰ্থনৈতিক সাম্যৰ পূৰ্ণ প্ৰতিষ্ঠাৰ পিচতহে ৰূপ সম্পৰ্কে চিন্তা কৰিব পৰা যাব, এনে এক টেলিয়-লজিকেল চিন্তাত সদা-সংকীৰ্ণ হৈ সাহিত্যত ৰূপৰ প্ৰশ্নক এওঁলোকে সাম্প্ৰতিক কালৰ বাবে মুলতবি ৰাখিব খোজে।



OKDISCD

বস্তু জগতৰ লগত সাহিত্য কলাৰ জগতখনৰ যে সম্পৰ্ক আছে মালাৰ্মেৰ উন্মাদ পদাংকচাৰীসকলৰ বাহিৰে আন সকলোৱে এই কথা স্বীকাৰ কৰিবলৈ বাধ্য। বস্তু জগত আৰু সাহিত্য কলাৰ জগত— দুয়ো বিচ্ছিন্ন নহয়। সেই বুলি দুয়োখন জগতৰ মাজত এক স্থূল, সৰল সম্পৰ্ক স্থাপন কৰিব খোজাটোও দ্বন্দ্ববাদী চিন্তাৰ পৰিচয় নহয়। এক গভীৰ আৰু বহল অৰ্থতহে পৰিমাণগত বহিৰ্জগতখনে সাহিত্য কলাৰ গুণগত জগতখনৰ ওপৰত তাৰ প্ৰভাৱ পেলায়। দুয়োখন জগতৰ মাজৰ সম্পৰ্ক অতি আওপকীয়া, ইমান আওপকীয়া যে বাহ্য দৃষ্টিত দুয়োখন জগত সম্পৰ্কৰহিত যেনেই আমাৰ অনুমান হয়। সাহিত্যত বাস্তৱ বিম্বিত হলেও ই বাস্তৱৰ এক সৰল প্ৰতিফলন নহয়; ইয়াৰ এক নিজা গভীৰতা, নিজস্ব শক্তি আৰু নিজস্ব চৰিত্ৰও আছে। অৰ্থ নৈতিক গঠনৰ ভিত্তিত প্ৰতিষ্ঠিত এক যান্ত্ৰিক, স্থূল উপৰিসৌধ হিচাপে সাহিত্য কলাক গণ্য কৰিব নোৱাৰি।

('As regards arts, it is well known that some of its peaks by no means correspond to the general development of society, nor do they, therefore, to the material sub:structure. মাৰ্ক্স' )

সাহিত্য বাস্তৱৰ এক নন্দনতাত্ত্বিক ৰূপায়ণ; কিন্তু ই বাস্তৱক কেতিয়াও সৰলভাৱে প্ৰতিফলন নকৰে; সাহিত্যত বাস্তৱ প্ৰতিফলিত হয় কলাগতভাৱে, এক দ্বান্দ্বিক নিয়মত। বহিঃবাস্তৱে লেখকৰ মনত যিবোৰ বিবিধ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, সিবোৰ প্ৰাণময়, দ্বান্দ্বিক আৰু সেয়ে দৃষ্টিশীল। লেখকে তেওঁৰ মনোজগতত বাহিৰৰ জগতখনৰ এখন নিষ্প্ৰাণ ফটো নোতোলে; বাহিৰৰ জগতখন তেওঁ নকৈ সৃষ্টি কৰে। বাহিৰৰ জগতখনৰপৰা আঁতৰি লেখকে যেতিয়া তেওঁৰ অধ্যয়ন কক্ষত নিৰিবিলিভাৱে লিখিবলৈ বহে তেতিয়া বাহিৰৰ সেই কোলাহলময় জগতখনে এক নতুন আলোকেৰে লেখকৰ মনত ধৰা দিয়ে, আৰু তাৰ পূৰ্ণ প্ৰকাশেই হ'ল আৰ্ট। প্ৰকাশৰ এই ক্ষমতা সকলোৱে নাথাকে। সৰ্ব-সাধাৰণে যি অনুভৱ কৰে, কিন্তু প্ৰকাশ কৰিব নোৱাৰে, সাহিত্যিক কলাকাৰে তাক সত্বৰ কৰি তোলে। গ্যেটেই কৈছে,

When man falls silent in his torments
I was given by God to say what I suffer.

চেতনা আৰু অবচেতনাৰ প্ৰান্তত প্ৰকাশৰ বাট বিচাৰি গুঞ্জন তুলি থকা মানুহৰ বহু বিচিত্ৰ ভাব অনুভূতিবোৰক লেখকে তেওঁৰ সৃষ্টিৰ যাদুকাঠিৰে সুৰ দিয়ে। যাৰ লেখনিত এই সুৰ যিমানেই হৃদয়গ্ৰাহীভাৱে ঝংকৃত হয়, তেওঁ সিমানেই মহৎ সাহিত্যিক।



এতিয়া, সাহিত্যৰ এই হৃদয়গ্ৰাহী গুণটো নিৰ্ভৰ কৰে প্ৰকাশৰ ভংগীৰ ওপৰত, আন কথাত ৰূপৰ ( form ) ওপৰত। ৰূপ-মাতালসকলে ভবাৰ সেখিয়াকৈ ৰূপ বিষয়-বস্তুৰপৰা বিচ্ছিন্ন নহয়; ৰূপ হল আচলতে বিষয়-বস্তুৰে এক 'আৱশ্যিক অভিব্যঞ্জনা। ভাল ৰূপ হ'ল— বিষয়-বস্তুৰ ওপৰত লেখকৰ যে ভাল জ্ঞান আছে, বিষয়-বস্তুক গঢ় দিয়াৰ কলাসুলভ দক্ষতা আছে, তাৰেই অভিব্যক্তি। বিষয়-বস্তুৰপৰা ৰূপক বা যিটো প্ৰায় একেই কথা, বিষয় বস্তুক ৰূপৰ পৰা বেলেগাই চাব নোৱাৰি, কাৰণ দুয়ো এক নিবিড় দ্বান্দ্বিক সম্পৰ্কেৰে বন্ধা। হেগেলৰ ভাষাত 'বিষয় বস্তু আন একো নহয়, ই হ'ল বিষয়-বস্তুলৈ ৰূপৰ ৰূপান্তৰ; ৰূপো আন একো নহয় ই হ'ল বিষয়-বস্তুৰ ৰূপলৈ ৰূপান্তৰ।' ৰূপ বিষয়-বস্তুৰ দ্বাৰা যিদৰে নিৰ্ধাৰিত হয় তেনেদৰে বিষয়-বস্তুকো বহু পৰিমাণে নিৰ্ধাৰণ কৰে ৰূপে। ই বিষয় বস্তুক কলাৰ মৰ্যদা দিয়ে। আৰ্ণষ্ট ফিশ্বাৰে লিখিছে— Art is the giving of form and the form alone makes a product into a work of art. Form is not something accidental arbitrary or inessential. The laws and conventions of form are the embodiment of man's mastery over matter, in them transmitted experience is preserved and all achievement is kept safe, they are the order necessary to art and life. [The necessity of Art: A Marxist Approach.)

কলা সাহিত্য বহু পৰিমাণে ৰূপ-নিৰ্ভৰ হোৱা বাবেই ৰূপ-ৰুচি-বৰ্জিত ৰাজনৈতিক ইস্তাহাৰ বা আদৰ্শৰ বক্তৃতা কোনো যুগতে উৎকৃষ্ট সাহিত্যৰ শাৰীত পৰা নাই আৰু আজিও নপৰে। ইয়াৰ অৰ্থ নিশ্চয় এইটো নহয় যে উৎকৃষ্ট সাহিত্যত প্ৰচাৰধৰ্মী গুণ থাকিব নোৱাৰে; বৰং ইয়াৰ বিপৰীতে ক'ব পাৰি যে প্ৰচাৰধৰ্মিতা উৎকৃষ্ট সাহিত্যৰ লক্ষণসমূহৰে এটা। এংগেল্‌ছে এখন চিঠিত ইস্কাইলাছ, এৰিষ্ট'ফেনিছ, ডাণ্টে, ছাৰ্ভেণ্টিছ, খিলাৰ, তদুপৰি নৰৱে আৰু ৰুছিয়াৰ লেখকসকলৰ ৰচনাত প্ৰচাৰধৰ্মিতাৰ কথা উল্লেখ কৰিছে। দূৰলৈ নগৈ আমাৰ ওচৰতে বংকিম সাহিত্য, শৰৎ সাহিত্য,আনকি ৰবীন্দ্ৰ সাহিত্যতো প্ৰচাৰ-ধৰ্মিতা নাইনে? আন নালাগে, আমাৰ গৌৰৱময় বৈষ্ণৱ সাহিত্য দেখ দেখকৈ প্ৰচাৰধৰ্মী নহয় জানো? স্বৰূপাৰ্থত, পৃথিবীৰ সমস্ত মহৎ সাহিত্যই প্ৰচাৰধৰ্মিতাৰ স্বকীয় নিয়মেৰে প্ৰোজ্জ্বল। সেই বুলি প্ৰচাৰৰ সময়ত সাহিত্যিক এজনে প্ৰফেট বা এজন 'মাষ্টাৰ মশাইৰ' ভাও ললে নহব; সাহিত্য সৃষ্টি কৰিব লাগিলে সাহিত্যৰ বিধান সমূহ সাহিত্যিকে প্ৰথমে মানিব লাগিব। সংবেদনশীল আৰু সৎ সাহিত্যিকৰ লেখনিত প্ৰচাৰ বিনা-আয়াসে, আপোনা আপুনি হয়; অ-কলাগতভাৱে, পোনপটীয়াকৈ, সাহিত্যৰ



OKDISCD

বিধান নমনাকৈ আদৰ্শৰ প্ৰচাৰ কৰিব বিচাৰিলে সাহিত্য মাষ্টাৰ মশাইৰ বক্তৃতালৈ অধঃপতিত হয়।

মাৰ্ক্স-এংগেল্ছ ৰুচি বিবৰ্জিত সাহিত্যৰ বিৰোধী আছিল। ৰুচিৰ অভাব আৰু স্পষ্ট প্ৰচাৰধৰ্মিতাৰ বাবে মাৰ্ক্সে 'ফ্ৰাঞ্জ ফন চিকিন্দেন' গ্ৰন্থৰ ৰচয়িতা ফাৰ্ডিনাণ্ড লাছালেক্ এবাৰ কৰ্কৰ্থনা কৰিছিল। 'আংগিকৰ জাক-জমকতাৰ বাহিৰে আমাৰ ক্ষয়িষ্ণু কবিসকলৰ আৰু একো নাই' — বুলি এখন চিঠিত ৰূপৰ প্ৰতি লাছালেৰ উদাসীন্যক এক প্ৰকাৰৰ সমৰ্থন জনায়ো তেওঁ কৈছিল, 'নাটখন যিহেতু আপুনি কাব্যৰ ৰূপত লিখিছে, সেয়ে ইয়াৰ চৰিত্ৰসমূহ আৰু কিছু মাৰ্জিত কৰা আপোনাৰ উচিত আছিল।' একেখন চিঠিতে মাৰ্ক্সে লিখা আৰু এষাৰ কথা এই সন্দৰ্ভত বিশেষভাবে স্মৰণীয়, **'You might have permitted even the most modern ideas to come forth on a much higher level and in their purest form ··· you would have to shakespearize more. I reckon your schillarizing, your transformation of your characters into simple speaking tubes of their times to be your greatest shortcoming.'**

'কলাৰ কৰ্মত কলাকাৰৰ বক্তব্য যিমানেই উহ্য থাকে, কলাৰ পক্ষে সিমানেই মংগল' — এংগেল্ছেও মাৰ্গাৰেট হাৰ্ক্নেচলৈ লিখা এখন চিঠিত এইদৰে মন্তব্য কৰিছে।

কলা সাহিত্য এক বাস্তৱ শক্তিত পৰিণত হয় যেতিয়া ই জনতাৰ হৃদয় স্পৰ্শ কৰে। যথোচিত পৰিমাৰ্জনা নথকা শ্লোগানধৰ্মী সাহিত্যই জনতাৰ সাগৰত খুব বেছি ক্ষণিক উত্তেজনাৰ বুৰবুৰণি মাথোঁ তুলিব পাৰে; মানব-হৃদয়ত স্থায়ী দাগ ৰাখি যাবলৈ ই অক্ষম। সাহিত্য নীতি-শাস্ত্ৰ নহয়, ই সমাজবিজ্ঞানো নহয়; সেয়ে নৈতিক আদৰ্শ নিহিত থাকিলেও নীতিৰ শুকান বক্তৃতা, বা সমাজৰ বিশ্লেষণ থাকিলেও সামাজিক সমস্যা বিলাকৰ গণিতীয় ভাবে নিখুঁত আলোচনা সাহিত্যৰ শ্ৰেণীত নপৰে। সাহিত্যৰ জগতখন পৰিমাণগত নহয়, ই গুণগতহে। কল্পনা আৰু অনুভূতিৰ সংমিশ্ৰণ ঘটাই মহৎ সাহিত্যিকে নৈতিক আদৰ্শ, সামাজিক অসাম্য, ৰাজনৈতিক উপপ্লব আদি এশ এবুৰি সমস্যাৰে পৰিপূৰ্ণ বাস্তৱৰ (প্ৰকৃতাৰ্থত ৰাস্তৱৰ এটা দিশৰ) এনে এক মনোগ্ৰাহী ৰূপ দিয়ে যে কল্পনাৰ লগত ইয়াৰ দ্বন্দ্ব সাধাৰণ পাঠকে পাহৰি যাবলৈ বাধ্য হয়; তেওঁ সৃষ্টি কৰা পৰিস্থিতি আৰু চৰিত্ৰসমূহৰ লগত সাধাৰণ পাঠকৰ ভাব অনুভূতি আশ্চৰ্যজনকভাবে বিলীন হৈ যায়, আৰু সাহিত্যৰ সেই কল্পিত অথচ বাস্তৱ ভিত্তিক সমাজখনৰ লগত এক গভীৰ সম্পৰ্ক তেওঁলোকে অনুভব কৰে। আদৰ্শৰ নীৰস প্ৰচাৰ বা সামাজিক সমস্যাৰ উকা বিশ্লেষণৰপৰা এনে অনুভূতিয়ে জন্ম নলয়।



বাস্তৱৰ পৰাই সাহিত্যৰ উপাদানসমূহ গৃহীত হলেও সাহিত্য বাস্তৱৰ এক সমতল দাপোণ নহয়, ইয়াৰ এক আপেক্ষিত স্বকীয় অস্তিত্বও বিদ্যমান। অবিকৃতভাবে— যেনে আছে ঠিক তেনে ভাবেই বাস্তৱে সাহিত্যিকৰ লেখনিত ধৰা নিদিয়ে আৰু ধৰা সম্ভৱো নহয়, কাৰণ বাস্তৱ অব্যয় আৰু অনন্ত; ইয়াৰ ৰূপবৈচিত্ৰ ইমান বেছি যে ইয়াৰ অবিকল প্ৰতিকৃতি কোনো পধ্যেই তুলিব নোৱাৰি।

সাহিত্যিকে বাস্তৱক ঋজুভাৱে প্ৰতিফলন নকৰে, প্ৰতিফলনেৰে বাস্তৱক তেওঁ নকৈ সৃষ্টি কৰে।

সাহিত্যকলা ৰাস্তৱৰ এক সৰল আলোকচিত্ৰ মাথোঁ হোৱা হ'লে সাহিত্য ৰচনা নিচেই সহজ কাম হ'লহেঁতেন, কাৰণ সৃষ্টিশীল মনীষাৰ তাত কোনো ভূমিকাই নাথাকিলেহেঁতেন; লৰেঞ্চৰ 'লেডী চেটাৰ্লিজ লাভাৰ'ক পৰ্ণগ্ৰাফিৰ লগত তেতিয়া এটা সমীকৰণ কৰিব পৰা গ'লহেঁতেন; কেলেণ্ডাৰত অংকিত চিত্ৰ-তাৰকাৰ ছবি এখনো তেতিয়া 'মনালিচা' ছবিৰ সমানেই মহাৰ্ঘ হ'লহেঁতেন। এখন গ্ৰন্থ ভাল বা বেয়া— এই বুলি কোৱাৰ বাহিৰে সাহিত্য সমালোচকৰো তেতিয়া আৰু আন কোনো কাম নাথাকিলেহেঁতেন।

বাস্তৱৰ নন্দনতাত্ত্বিক ৰূপায়ন এটা সহজ সৰল প্ৰক্ৰিয়া নহয়; এই প্ৰক্ৰিয়া অত্যন্ত জটিল আৰু সৃষ্টিশীল। প্ৰতিজন সাহিত্যিকে বাস্তৱৰ পৰা উপাদান সংগ্ৰহ কৰি তাত নিজা সাহিত্যিক প্ৰতিভাৰ মিলন ঘটাই একোখন নিজা জগত সৃষ্টি কৰি লয় যাৰ ৰূপ-ৰস-গন্ধৰ অপূৰ্বতাত সাধাৰণ পাঠকে আত্ম সমৰ্পণ কৰিবলৈ বাধ্য হয়। কোনো কথা জোৰকৈ জাপি দিব খুজিলে এই জগতখনৰ জৈৱিক সংহতি হেৰাই যায়।

মহৎ সাহিত্যত কোনো আদৰ্শ বা মতবাদ ওপৰৰ পৰা জোৰকৈ ন্যস্ত কৰা নহয়; লেখকৰ বৰ্ণিত কাহিনীৰপৰা, বৰ্ণিত পৰিস্থিতিসমূহৰ পৰা— মাটিৰপৰা গছ গজাৰ দৰে— স্বাভাবিক নিয়মত তাৰ স্ফুটন ঘটে। আনহাতে সাহিত্য-জগতৰ উপাদানসমূহ যিহেতু বহিঃবাস্তৱৰ পৰা আহৃত, নিজা বৈশিষ্ট্য থাকিলেও সাহিত্য যিহেতু বাস্তৱৰে এক নন্দনতাত্ত্বিক ৰূপায়ণ, সেয়ে সাহিত্য কৰ্মত প্ৰস্ফুটিত বক্তব্য সাহিত্যিকৰ নিজা বক্তব্য নহ'বও পাৰে। সাহিত্যত প্ৰচাৰধৰ্মিতাৰ অৰ্থ ব্যাপক। ব্যক্তি বিশেষ বা গোষ্ঠী বিশেষৰ বিষয়ীগত বাদ-মতবাদবিলাকৰ প্ৰচাৰৰ মাধ্যম সাহিত্য নহয়। মহৎ সাহিত্যিকৰ ৰচনাত যি ব্যক্ত হয়, সি তেওঁৰ নিজৰ বা সমাজৰ দুই এজন ব্যক্তিৰ কেৱল ব্যক্তিগত কাহিনী নহয়; সি সমগ্ৰৰ (**totality**) একোটাইত অংশ, সমাজত সজ্ঞানে বা অজ্ঞানে ক্ৰিয়া কৰি থকা পৰস্পৰ বিৰোধী অজস্ৰ ঐতিহাসিক শক্তিসমূহৰ প্ৰতিনিধি। মহৎ সাহিত্যিকে তেওঁৰ ৰচনাৰ জৰিয়তে তেওঁৰ নিজৰ নহয়, ব্যক্তি-মানবৰ নহয়— সমগ্ৰ মানবৰ



OKDISCD

ভাব অনুভূতি প্ৰকাশ কৰে। ৰবীন্দ্ৰনাথৰ ভাষাত, 'সাহিত্য ৰচনাত লেখক য'ত উপলক্ষ্য মাত্ৰ হোৱা নাই, তাত তেওঁৰ লেখা নষ্ট হৈ গৈছে। লেখকে য'ত নিজৰ ভাবনাৰে সমগ্ৰ-মানুহৰ ভাব অনুভৱ কৰাইছে, নিজৰ লেখাৰে সমগ্ৰ মানুহৰ বেদনা য'ত প্ৰকাশ কৰিছে, তাতেই তেওঁৰ লেখাই সাহিত্যৰ স্থান পাইছে।'

সাহিত্য যিহেতু সাংবাদিকতা নহয়, গতিকে বাস্তৱ জীৱনৰ খুটি-নাটি বিৱৰণৰ শুদ্ধতাত সাহিত্য কৰ্মৰ মহত্ব নিৰ্ভৰ নকৰে; খণ্ড কাহিনী এটাক আহিলা হিচাবে এটা যুগৰ সামগ্ৰিকতাৰ আৰু তাৰ সমস্যাৱলীৰ শুদ্ধ উপস্থাপনহে হ'ল সকলোৰোৰ মহৎ সাহিত্যৰ অস্তিত্বহেতু। (ব্যাপক অৰ্থত এই সামগ্ৰিকতা হয়তো কলা সুলভ সৃষ্টিৰ আয়ত্বৰ বাহিৰত, কিন্তু গাঢ় অৰ্থত ই সম্ভৱ)।

মানুহে কেৱল এক নিৰালম্ব ব্যক্তি জীৱনেই যাপন নকৰে; নিজৰ জ্ঞাত বা অজ্ঞাতভাৱে এটা যুগৰ সমাজ জীৱনো সি যাপন কৰে। কিছুমান মানুহৰ ব্যক্তিগত কাহিনীক উপলক্ষ্য হিচাপে লৈ মহৎ সাহিত্যিকে এটা যুগৰ সামগ্ৰিক জীৱনৰ ছবি মৰ্মস্পৰ্শীভাৱে ফুটাই তোলে। কেতবোৰ ব্যক্তিৰ একোটাহঁত বিশেষ কাহিনীৰ মাজেদি তেওঁ প্ৰকাশ কৰে এটা যুগৰ সমগ্ৰ-মানুহৰ ভাৱ অনুভূতি; প্ৰকাশৰ এই ক্ষমতাতে সাহিত্যৰ প্ৰচাৰধৰ্মী গুণটোও নিহিত হৈ থাকে।

মন্ময় চিন্তাৰ আহিলা হিচাপে কোনো মহৎ সাহিত্যিকে সাহিত্য কৰ্ম ৰচনা নকৰে। তেওঁৰ ৰচনাত যি প্ৰকাশ পায়, সি তেওঁৰ মনোগত দৰ্শন নহয়, সি তেওঁৰ যুগৰ বস্তুগত সামগ্ৰিক দৰ্শন। একোটা বিশেষ কাহিনীৰ মাজেদি, কিছুমান বিশেষ পৰিস্থিতিৰ যোগেদি সাহিত্যত ৰূপায়িত হয় যুগৰ বিশ্ব মানৱ; বিম্বিত হয় সদা পৰিৱৰ্তনশীল সামাজিক শক্তি আৰু সিহঁতৰ মাজৰ সম্পৰ্কসমূহ। এয়াই হ'ল সাহিত্যৰ বস্তুধৰ্মিতা। বিশ্বমানৱে - যাক আমি জনতা নাম দিব পাৰোঁ— নিজৰ মনৰ গোপন কথা নিজে ভালদৰে প্ৰকাশ কৰিব নোৱাৰে; আনকি নিজৰ মনৰ গোপন কথা কি, তাকো অনেক সময়ত বুজিব নোৱাৰে। জনতাৰ মুখপত্ৰ হিচাপে জনতাৰ মনৰ গোপন বাতৰি সাহিত্যিকে জনতাক দিয়ে। সাহিত্যিকৰ বিষয়ীগত বাদ মতবাদবিলাকৰ ওপৰত সাহিত্যৰ সত্য নিৰ্ভৰশীল নহয়। নিজৰ মনোধৰ্মী মতবাদৰ বিপৰীতে হলেও, সাহিত্যৰ বস্তুধৰ্মী সত্যৰ খাটিৰত জনতাৰ মনৰ কথা তেওঁৰ চৰিত্ৰসমূহৰ যোগেদি কোৱাবলৈ সৎ সাহিত্যিক বাধ্য। 'reality must crop out even in spite of author's opinions' (এংগেলছ)

আচৰিত যেন লাগিলেও ই সত্য যে সাহিত্যিক কাহিনীৰ জন্মদাতা হলেও কাহিনীয়ে এটা নিৰ্দিষ্ট স্তৰ পোৱাৰ পিচত নিজৰে কল্পিত নায়ক



নায়িকাৰ ওপৰত সাহিত্যিকৰ প্ৰভাৱ আৰু নোহোৱাৰ দৰে হয়; নিজৰ অনিচ্ছা স্বত্তেও কাহিনীৰ সংহতি ৰক্ষাৰ্থে সাহিত্যিকে তেওঁলোকৰ ভাগ্য তেওঁলোকৰ হাতত এৰি দিব লগাত পৰে। 'আন্না কাৰেনিনা' সম্পৰ্কে টলষ্টয়ৰ এটা উক্তি এই সন্দৰ্ভত উল্লেখনীয়। 'আন্নাক ট্ৰেইনৰ আগত আত্মহত্যা কৰোৱাই আন্নাৰ প্ৰতি আপুনি প্ৰয়োজনাতিৰিক্ত নিষ্ঠুৰতা দৰ্শন কৰিলে'— বুলি এদল সাহিত্যানুৰাগীয়ে টলষ্টয়ৰ ওপৰত অভিযোগ তোলাত টলষ্টয়ে হেনো এনেদৰে উত্তৰ দিছিল, 'পুস্কিনে এবাৰ তেওঁৰ বন্ধুবৰ্গক কৈছিল, 'মোৰ কাব্যৰ নায়িকা টাটিয়ানাই কি কৰিলে দেখিলানে? তেওঁ বিয়া কৰাই পেলালে তেওঁৰ সম্পৰ্কে যিটো মই কেতিয়াও ভবাই নাছিলো'। মোৰ আন্না সম্পৰ্কেও একেটা কথাই ক'ব পাৰি। প্ৰকৃততে তেওঁলোকে যেনেদৰে কাম কৰা উচিত বুলি মই ভাবো, মোৰ নায়ক-নায়িকাক তেনেদৰে কাম কৰাবলৈ মই অকণো বাধ্য কৰাব নোৱাৰো।'

মহৎ সাহিত্যৰ ক্ষেত্ৰত, সাহিত্যিকৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ ওপৰত সাহিত্যৰ কাহিনী নিৰ্ভৰ নকৰে। এয়াই হ'ল সাহিত্যৰ বস্তুধৰ্মী সত্য।

সাহিত্যৰ এই বস্তুধৰ্মী সত্যৰ কাৰণেই লেখকৰ সাহিত্য কৃতি তেওঁৰ ব্যক্তিগত ধ্যান-ধাৰণা বা তেওঁৰ শ্ৰেণী অৱস্থান আদিৰ ওপৰত নিৰ্ভৰশীল নহয়। জন-জীৱনৰ লগত নাড়ীৰ সংযোগ থকা সৎ আৰু নিষ্ঠাৱান সাহিত্যিকে তেওঁৰ ভ্ৰান্ত চেতনাৰেও (false concionsness) জন জীৱনৰ প্ৰকৃত ছবি ফুটাই তুলিবলৈ সক্ষম।

আৰু এই কাৰণতেই লেখকৰ ব্যক্তিগত মতাদৰ্শক সমুখত ৰাখি বা সমালোচকৰ দলীয় ৰাজনৈতিক দৃষ্টিকোণ আদিৰ পৰা সাহিত্য প্ৰকৃত বিচাৰ সম্ভৱ নহয়। মাৰ্ক্স, এংগেলছ বা লেনিনেও এনেবোৰ দৃষ্টিকোণৰ পৰা সাহিত্যকৃতিৰ পৰিমাপ কৰা নাছিল। দৰ্শনৰ অমিল স্বত্তেও ইস্কাইলাছ, ছেক্সপীয়াৰ, গ্যেটে, বালজাক আদি লেখকসকল মাৰ্ক্স-এংগেলছৰ প্ৰিয় আছিল; টলষ্টয়ৰ খৃষ্টান ভ্ৰাতৃত্বৰ দৰ্শন সমৰ্থন নকৰিও লেনিন টলষ্টয়ৰ এজন গুণমুগ্ধ পাঠক হ'ব পাৰিছিল। ব্যক্তিগতভাৱে বালজাক ফৰাচী দেশৰ সামন্ত শ্ৰেণীটোৰ প্ৰতিহে সহানুভূতিশীল আছিল; তথাপি সাহিত্যৰ বস্তুধৰ্মী সত্যৰ খাটিৰত তেওঁ তেওঁৰ প্ৰিয় শ্ৰেণীটোৰ ক্ষয়ৰ ছবি আঁকিবলৈ বাধ্য হৈছিল যাৰ ফলত মাৰ্ক্স এংগেলছৰ পৰা তেওঁ প্ৰশংসা আদায় কৰিব পাৰিছিল। একেজাতীয় কাৰণত বালজাকৰ তুলনাত জোলা ৰাজনৈতিক ভাবে প্ৰগতিবাদী হোৱা স্বত্তেও লুকাচ্চে বালজাককহে পশংসা কৰিছিল। (ক্ৰুপ্স্কায়াই বৰ্ণোৱা লেনিনৰ এটা কাহিনী এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি। এবাৰ এটা 'কমিউন' ভ্ৰমণ কৰিবলৈ যাওঁতে লেনিনে তাৰ ডেকাহঁতক সুধিলে 'তোমালোকে কি পঢ়া? পুস্কিন পঢ়ানে?' 'ওহোঁ তেওঁ



OKDISCD

বুৰ্জোৱা', এজনে চিঞৰি উঠিল, 'আমাৰ কাৰণে মায়াকভস্কিহে।' লেনিনে হাঁহিলে আৰু ক'লে, মই ভাবোঁ পুস্কিনহে শ্ৰেষ্ঠ।')

সাহিত্যৰ সত্য যিহেতু বস্তুধৰ্মী সেয়ে সমালোচনাও হোৱা দৰকাৰ নিৰ্মোহ আৰু বিজ্ঞানসম্মত। প্ৰকৃত সমালোচনাত লেখকৰ বা সমালোচকৰ ব্যক্তিগত প্ৰীতি বা অসূয়াৰ হেতা-ওপৰা অবাঞ্ছনীয়। গ্যেটেৰ সমালোচনা সন্দৰ্ভত এংগেলছেও কৈছে যে সাহিত্যৰ বিচাৰ আমি কৰা উচিত নৈতিক বা দলীয় দৃষ্টিকোণৰ পৰা নহয়, খুব বেছি নন্দনতাত্ত্বিক আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰাহে ('Not from a moral point of view or from a party point of view, but at best from an aesthetic and historical point of view')।

সাহিত্যৰ প্ৰচাৰধৰ্মী সত্যও সাহিত্যৰ এই বস্তুধৰ্মী সত্যৰ লগত বিজড়িত। মহৎ সাহিত্যত প্ৰচাৰৰ প্ৰবৃত্তিয়ে গঢ় লয় সাহিত্যিকে তেওঁৰ সাহিত্য কৰ্মত বৰ্ণনা কৰা বস্তুধৰ্মী পৰিস্থিতিসমূহৰ পৰা আপোনা আপুনি,— এক স্বাভাৱিক নিয়মত। সংহতিবিহীন ভাবে, জোৰ জুলুমকৈ কোনো আদৰ্শ সাহিত্যত সুমুৱাই দিব খুজিলে সি ৰাজনৈতিক ইস্তাহাৰ বা মাষ্টাৰ মশাইৰ নীতিকথালৈ পতিত হয়। মিনা কাউট্স্কিলৈ লিখা এখন চিঠিত এংগেল্ছে এই কথা সুন্দৰকৈ বৰ্ণাইছে,

'...the tendency must arise out of the situation aud action without being expressly pointed out, and the author is not obliged to produce a pat solution to the historical conficts he describes for the reader... The Socialist problem-novel, in my opinion, fully carries out its mission if, by a faithful portrayal of the real situation, it dispels the dominant conventional illusions concerning those situations ..., inevitably instils doubts as to the eternal validity of that which exists, without itself offering a direct solution to the problem involved.'

সমাজত যি চলি আছে, সি শাশ্বত আৰু নিৰ্ভুল— প্ৰকৃত পৰিস্থিতিৰ শুদ্ধ চিত্ৰায়নেৰে এনে ধাৰণাৰ ভ্ৰান্তিলৈ আঙুলিয়াই দেখুউৱা বিশ্ব সাহিত্যৰ এখন মহৎ গ্ৰন্থ হ'ল, মই ভাবোঁ, টলষ্টয়ৰ 'নৱজীৱন' (Ressurrection)। সাহিত্যৰ যোগেদি অথচ সাহিত্য গুণ অকণো হ্ৰাস নোপোৱাকৈ সমাজ ব্যৱস্থাৰ ওপৰত চলোৱা নিৰ্মম আক্ৰমণৰ এই গ্ৰন্থ এক বিৰল নিদৰ্শন।

আনহাতে, সাহিত্য গুণেৰে সমৃদ্ধ নহলে কেৱল প্ৰচাৰধৰ্মিতাৰ দ্বাৰাই যে সাহিত্য সাৰৱান হ'ব নোৱাৰে, সাম্প্ৰতিক অসমীয়া সাহিতাত তাৰ উদাহৰণ হ'ল হোমেন বৰগোহাঞিৰ 'হালধীয়া চৰায়ে বাওধান খায়' নামৰ উপন্যাসখন। উপন্যাসখনৰ নামটোতেই প্ৰচাৰৰ বেচ গোন্ধ আছে। 'ৰসেশ্বৰ' নামৰ এটা চৰিত্ৰৰ যোগেদি বৰ্তমানৰ সমাজ বাৱস্থাত অসমীয়া তথা ভাৰতীয় কৃষকৰ ওপৰত হোৱা নিৰ্যাতনৰ এটা বৰ্ণনা লেখকে ইয়াত দিছে। কিন্তু সাহিত্যতো আৰু তথাৰ ৰিন্যাস নহয়! এখন ভাল উপন্যাসত যিবোৰ গুণৰ দৰকাৰ,— এক বহল আৰু বৰ্ণাঢ্য পটভূমি, চৰিত্ৰসমূহৰ বহুমাত্ৰা, মানবীয় সম্পৰ্কসমূহৰ সামগ্ৰিকতা তথা বিশ্বজনীনতা,— সবাতোকৈ ডাঙৰ কথা, জীৱন স্পন্দনকাৰী মানবায়তন,— ইবোৰৰ ইয়াত সম্পূৰ্ণ অভাৱ। সেয়ে দুখ-দুৰ্দশাৰ বৰ্ণনাৰে ভৰপূৰ হলেও উপন্যাসখনে আমাৰ মনত অকণো দোলা নিদিয়ে। বাস্তৱৰ ই এখন বেয়াকৈ তোলা ফটো।

এই উপন্যাসখনৰ বিপৰীতে বীণা বৰুৱাৰ 'জীৱনৰ বাটত' নামৰ উপন্যাসখন দেখদেখকৈ প্ৰচাৰধৰ্মী নোহোৱা স্বত্তেও লেখকৰ নিষ্ঠা আৰু উপন্যাসিক তিভাৰ জোৰত তেওঁৰ বৰ্ণিত পৰিস্থিতিসমূহৰ পৰাই কেতবোৰ আদৰ্শ ইয়াত আপোনা আপুনি ব্যক্ত হৈছে। ইয়াত আমি পাওঁ প্ৰেমৰ বিনিময়ত হলেও সমাজৰ ওপৰ মহললৈ উধাব খোজা চহৰীয়া মধ্যবিত্তৰ মনোবৃত্তি (কমলাকান্ত), চহা শিক্ষিতৰ নিষ্ঠা আৰু দেশপ্ৰেমৰ আদৰ্শ (ধৰণী), সাধাৰণ অসমীয়া ছোৱালীৰ সৰলতাৰ বিপৰীতে চহৰীয়া বৰলোকৰ জীয়াৰীৰ তৰল আভিজাত্য (তগৰ আৰু সুপ্ৰভা), ইত্যাদি। প্ৰচাৰৰ স্পষ্ট ব্যঞ্জনা নাথাকিলেও লেখকৰ দৃষ্টিশীল আলেখনৰ পৰা স্বতঃস্ফুৰ্তভাৱে যিবোৰ ভাবাদৰ্শ ইয়াত প্ৰচাৰিত হৈছে, যিবোৰে আমাৰ হৃদয়-তন্ত্ৰীত পোনে পোনে আঘাত কৰেগৈ, আৰু সেয়ে হোমেন বৰগোহাঞিৰ উপন্যাসখনৰ তুলনাত 'জীৱনৰ বাটত' নিঃসন্দেহে এক উচ্চতৰ সাহিত্যকৃতি।

শেষত পুনৰ দোহৰা যাওক যে কাহিনীৰ লগত জৈৱিক সংহতি নথকা আদৰ্শৰ পোনপটীয়া প্ৰচাৰ সাহিত্যিকৰ কাম নহয়; হ'ব পাৰে, ই দাৰ্শনিকৰ কাম, সমাজবিজ্ঞানীৰ কাম, নীতিবাগীশৰ কাম; কিন্তু ই সাহিত্যিকৰ কাম নহয়। সাহিত্য যিহেতু বাস্তৱৰ এক দ্বান্দ্বিক প্ৰতিফলন সেয়ে ইয়াত প্ৰচাৰৰ প্ৰবৃত্তি আহিব লাগিব সাহিত্যিকে ৰূপায়িত কৰা বাস্তৱৰ বস্তুধৰ্মী পৰিস্থিতিসমূহৰ পৰা এক স্বাভাৱিক নিয়মত এনেভাৱে যাতে তাৰ দ্বাৰা কাহিনীৰ জৈৱিক ঐক্যৰ অকণো ক্ষতি খুন নহয়; তেহে সাহিত্য প্ৰচাৰৰ প্ৰকৃত মাধ্যম হ'ব পাৰিব, সাহিত্য কৰ্মত নিহিত আদৰ্শসমূহে পাঠকৰ মৰ্মস্পৰ্শ কৰিব পাৰিব কেৱল তেতিয়াহে।

সাহিত্যৰ প্ৰচাৰধৰ্মী গুণ আছে; কিন্তু ইয়াত প্ৰচাৰৰ প্ৰয়োজনীয়তাৰ কথা আলোচনা কৰোতে লুকাচ্'ৰ এষাৰ উক্তি আমি সদায় মনত ৰখা দৰকাৰ— 'The conception of art as direct propaganda rejects the deeper, objective propaganda potential of art' + + +

# মোৰ অৱস্থান

পল ৰবচন

[ বিশ্বৰ নিপীড়িত জন-গণৰ বন্ধু গণশিল্পী পল ৰবচনৰ সাধাৰণ এটি চিনাকী প্ৰথম সংকলন 'সাম্প্ৰতিক সাময়িকী'ৰ সাংস্কৃতিকী শিতানত আমি আগবঢ়াইছিলোঁ। ১৯৫৮ চনত প্ৰকাশিত পল ৰবচনৰ আত্মজীৱনী HERE I STAND নামৰ গ্ৰন্থৰ 'গ্ৰন্থকাৰৰ উপক্ৰমণিকা'ৰ কিয়দংশৰ তলত অনুবাদ দিয়া হ'ল। সং সাঃ সাঃ ]

মই এজন নিগ্ৰো। মোৰ ঘৰ আমেৰিকাৰ নিগ্ৰো মহানগৰ হাৰ্লেমত; এখন মহানগৰৰ ভিতৰতে আন এখন মহানগৰ। আৰু এতিয়া মই মোৰ হৃদয় আৰু মনৰ জৰুৰী কথাখিনি লিখিবলৈ ওলোৱাত মই মোৰ চৌদিশে থকা সকলোৰে অৰ্থাৎ যিসকলৰ লগত মই একাত্মবোধ কৰো, আটাইৰে হেঁচা অনুভৱ কৰিছোঁ।

অনতিদূৰৰত মোৰ ডাঙৰ ককাই বেনৰ ঘৰ। এই ঘৰটো মাতৃ এ-এম-ই জীয়ন গীৰ্জাৰ যাজকগৃহ আৰু ইয়াতেই মোৰ ভাই বেন অৰ্থাৎ বেঞ্জামিন চি, ৰ'বচনে ভালে কেইবছৰ যাজকৰ কাম কৰিছিল। কুৰি বছৰ আগেয়ে ঢুকোৱা এইজনা ককাইৰ প্ৰেমে মোক আজিলৈকে সাৱটি ধৰি ৰাখিছে। সেয়া মোৰ মানুহজনাৰ সৈতে থকা অমূল্য আৰু জীৱন্ত এনাজৰী। তেখেতেই মোৰ জীৱন মোৰ দেউতা ৰেভাৰেণ্ড উইলিয়াম ড্ৰু ৰ'বচনতকৈ বেচি প্ৰভাৱিত কৰিছিল। সেয়া যে বেন মোৰ ডাঙৰ ককাই বুলিয়েই হৈছিল তেনে নহয়; তেওঁৰ কথা ভাবিলেই আগৰ স্মৃতিয়ে জুমুৰি দি ধৰেহি বাবেই সেইটো হৈছে। এই ঘৰটো আন এজনা ৰেভাৰেণ্ড ৰ'বচন অৰ্থাৎ মোৰ আকৰ্ষণীয় আৰু মৰমিয়াল দেউতাৰ স্মৃতিৰ ব্যস্ত আলোকেৰে আলোকিত হৈ আছে।

পুৰোহিত থকা ঘৰটোৰ লগালগিকৈ থকা গীৰ্জাটোত প্ৰতি দেওবাৰে পুৱা মোৰ হিয়াৰ আমঠু হাজাৰ হাজাৰ মানুহৰ লগত সৌহাৰ্দৰ ডোলেৰে বান্ধ খাওঁ, তেওঁলোকৰ লগত মিলিজুলি তেওঁলোকৰ গীত গাওঁ; তেওঁলোকৰ কৰমৰ্দনৰ উষ্ণতা আৰু মিচিকনিৰ উম অনুভৱ কৰোঁ। এই বিলাকেও প্ৰিন্সটন, ৱেষ্টফিল্ড চ'য়াৰডিলৰ ধৰ্মসভাত কটোৱা মোৰ লৰালিৰ দিনবোৰৰ লগত সেতু ৰচনা কৰিছে।



আৰু বহুতো: এয়া সেই এনাজৰী যিয়ে মোক মোৰ জাতিক আমেৰিকাত সংঘটিত সুদীৰ্ঘ আৰু কঠোৰ অভিযাত্ৰাৰ লগত সাঙুৰি ৰাখিছে। এই 'মাতৃ জীয়ন' গীৰ্জাটো ১৭৯৬ চনত প্ৰতিষ্ঠিত হৈছিল। গীৰ্জাটোৱে মহান আফ্ৰিকানিবাসী মেথ'ডিষ্ট এপিস্কোপাল জিওভিন'মিনেচনৰ কথা মনত পেলাই দিয়ে। স্বাধীন নিগ্ৰোসকলে খ্ৰীষ্টীয়ান দাস প্ৰভুসকলৰ গীৰ্জাক গ্ৰহণ কৰিবলৈ অমান্তি হোৱাৰ পৰিণতি স্বৰূপে ইয়াৰ প্ৰতিষ্ঠা।

এৰা, সৌ টিলাটোৰ ওপৰত মোৰ এখন ঘৰ আছে। ......

মোৰ বুকুৰ আপোন মানুহসকলৰ উপস্থিতিৰে বাহিৰৰ জনপথ মুখৰ হৈ উঠিছে সিহঁতৰ পদধ্বনিৰ ছন্দ, সিহঁতৰ হাঁহি তামাচা, সিহঁতৰ পাৰস্পৰিক অভিনন্দন জ্ঞাপন মই শুনিবলৈ পাইছোঁ। ইয়াৰপৰা কেইমাইলমান দূৰত থকা পীকচভিলত ঘটা 'লীঞ্চ'পীড়িত জনতাৰ আৰ্তনাদ মোৰ চিৰ জীৱনৰ ঘৃণাকুঞ্চিত মুখ নিৰ্গত আৰ্তনাদৰূপে আজিও জাগৰূক হৈ আছে; এই ঠাইতেই মই কৃষ্ণকায়সকলৰ প্ৰেমালিংগন অনুভৱ কৰিছোঁ। প্ৰতিটো আলিবাট আৰু আলিবাটৰ আশে-পাশে থকা স্মৃতিস্তম্ভসমূহ মোৰ জীৱনৰ শুভদিনবিলাকৰ আৰু সমুজ্জ্বল যৌৱনৰ স্মৃতিৰে বৰ্ণাঢ্য। প্ৰথম মহাসমৰৰ অৱসানৰ পিছৰ হাৰ্লেমঃ ইয়াতে মই এচি'ক লগ পাওঁ আৰু পৰিণয়সূত্ৰে আবদ্ধ হওঁ; ইয়াতেই জীৱনজোৰা হৃদ্যতাৰ সূচনা, মোৰ শিল্পী জীৱনৰ শুভাৰম্ভও ইয়াতেই। ইয়াৰ পৰা কেইটামান ঘৰ পাৰ হলেই Y.W.C.A। ইয়াতেই মই পোন প্ৰথমে মঞ্চত প্ৰবেশ কৰিছিলোঁ। কৌতুকাচ্ছলে ক্লাব আৰু কেবাৰে সমূহত গীত গাইছিলোঁ ইয়াতেই; ...... এৰা, এয়ে মোৰ গৃহস্থী, এই ঠাইৰ কৃষ্ণকায় সম্প্ৰদায়ৰ মাজত, দেশৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা আন আন নিগ্ৰো সকলৰ মাজত। মোৰ অৱস্থানো এয়েই। মই এজন আমেৰিকাবাসী। খিৰিকিয়েদি ভুমুকিয়ালেই এটা দৃশ্য দেখি আজিও তধা লাগি চাই ৰওঁ। এই দেশত মোৰ স্বজাতিৰ জীৱন কিমান দ'কৈ শিপোৱা এই দৃশ্যই মনত পেলায়। আলিবাটৰ আন দাতিত ঐতিহাসিক মন্দিৰ ৰূপে সযত্নে সংৰক্ষিত আৰু ১৭৭৬ চনত জৰ্জ ৱাচিংটনৰ সদৰদপ্তৰ হিচাপে ব্যৱহৃত ঔপনিবেশিক অট্টালিকা নিউয়ৰ্ক নগৰীৰ পিনে চাপলি মেলি অহা বৃটিছসকলৰপৰা ৰক্ষা কৰিবৰ বাবে তয়াময়া ৰণ আৰু সেই ৰণত হোৱা পৰাজয়ৰ সাক্ষী। সেই বছৰৰে শীতকালত জৰ্জ ৱাচিংটনে তেওঁৰ বিধ্বস্ত সেনাদলৰ কিয়দংশেৰে সৈতে 'ভেলী ফৰ্জ'ত চাউনি পাতি আছিল আৰু তেওঁক সেই আহুকলীয়া অৱস্থাৰ পৰা মুক্ত কৰিবলৈ অহা মানুহবিলাকৰ ভিতৰত মোৰ আজোককাও আছিল। তেখেত হৈছে দাস হিচাপে নিউ জাৰ্চিত জন্মলাভ কৰা ছিৰাজবাষ্টিল। এইজনা পুৰুষে নিজে স্বাধীন হ'বলৈ সক্ষম হৈছিল। তেখেত আছিল এজন ৰুটিবিক্ৰেতা আৰু অনাহাৰী জৰ্জৰ বিপ্লৱী সেনাদলক ৰুটি যোগোৱাৰ বাবে জৰ্জ ৱাচিংটনৰ পৰা সাধুবাদ লাভ কৰিছিল।



OKDISCD

এৰা, তিনিশ বছৰতকৈয়ো অধিক কাল মোৰ এই আপোন মানুহবিলাক মাৰ্কিন জীৱন আৰু ইতিহাসৰ এটা অংগ। ডব্লিউ ই, বি, ডু বইচে তেওঁৰ ধ্ৰুপদীগ্ৰন্থ 'কৃষ্ণকায়সকলৰ আত্মা' ৰচনা কৰা আঢ়ৈ কুৰি বছৰ পাৰ হৈ গ'ল। উক্ত পুথিখনিত কাব্য আৰু সত্যৰ মিলন ঘটাই তেখেতে গৌৰতনু মাৰ্কিনবাসীক ঃ ত্যাহ্বান জনাই কৈছে 'তোমালোকৰ দেশ? তোমালোকৰ হ'ল কেনেকৈ? তীৰ্থযাত্ৰীসকল ইয়াত অৱতৰণ কৰাৰ আগৰেপৰা আমি ইয়াত আছোঁ। তোমালোকৰ সৈতে আমি আমাৰ তিনিটা অৱদানৰ সমন্বয় ঘটাইছোঁ— সেই অৱদান হৈছে ঃ সমলয়বিহীন আৰু সাংগীতিক মাধুৰ্যবঞ্চিত দেশত গাথা আৰু গানৰ মৃদু আৰু স্পন্দিত সমলয় যোগ কৰিছোঁ; অটব্য অৰণ্যানি প্ৰতিহত কৰিবলৈ স্বেদ আৰু পেশীৰ শক্তি প্ৰয়োগ কৰিছোঁ; তোমালোকৰ দুৰ্বল হস্তাবলেপৰ দুশ বছৰ আগেয়ে আমি এই দেশৰ মাটি দখল কৰি বিশাল অৰ্থনৈতিক সাম্ৰাজ্যৰ ভিত্তি স্থাপন কৰিছোঁ; তৃতীয়টো অৱদান হৈছে আত্মিক— আমাৰ সংগীত, আমাৰ শ্ৰম আৰু হৰ্ষধ্বনিৰ অৱদান। নিগ্ৰোসকলক বাদ দিলে আমেৰিকা জানো আমেৰিকা হ'লহেঁতেন?'

মই আজি প্ৰশ্ন কৰিব খোজোঁ ঃ আমাৰ এই ষোল নিযুত কৃষ্ণকায় মানুহৰ মুক্ত আৰু অপ্ৰতিহত অৱদান অবিহনে আমেৰিকাৰ ভবিষ্যতৰ কথা ভাবিব পাৰি জানো? আমাৰ ঐতিহ্যক অস্বীকাৰ কৰি নবোত্থিত বিশ্বৰ দৰবাৰত আমেৰিকাই সন্মানৰ আসন দাবী কৰিব পাৰিব জানো?

মই এজন মাৰ্কিনবাসী নিগ্ৰো। পোনতে আৰু সবাতোকৈ আগেয়ে মোৰ জীৱন নিবেদিত মাৰ্কিনমুলুকত বসবাস কৰি থকা মোৰ আপোন মানুহবিলাকৰ সম্পূৰ্ণ স্বাধীনতা, আন একো নহয় মাথোঁ সম্পূৰ্ণ স্বাধীনতাৰ বাবে। নিগ্ৰোসকলৰ মুক্তি যুজৰ তাৎপৰ্য, এই যুজে আমাৰ দেশত গণতন্ত্ৰৰ বাবে কৰা ৰণৰ কি ভাবে প্ৰতিনিধিত্ব কৰিছে, বিশ্বজুৰি হোৱা শান্তি আৰু মুক্তিৰ ৰণত ইয়াৰ ভূমিকা কি— তাকেই এই কেইখিলা পাতত আজি এই সংকটৰ মুহূৰ্তত বিবৃত কৰিব খুজিছোঁ। এই বিষয়ে মোৰ মতামত জনাবলৈ যাওঁতে— পাকে প্ৰকাৰে সমগ্ৰ আমেৰিকাৰ আৰু বিশ্বৰ অধিকাংশ মানুহেই যিটোৰ ওপৰত তেওঁলোকৰ মতামত জনাইছে— মই মোৰ এই মতামতত কেনেকৈ উপনীত হলোঁ আৰু এই ক্ষেত্ৰত মোৰ ভূমিকা সম্বন্ধে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছোঁ। আন বহুতৰ মতানুসৰি মোৰ দৃষ্টিভংগী মোৰ কাৰ্যাৱলী আৰু মোৰ জীৱন অংগাংগী ভাবে গ্ৰথিত। ফ্ৰেডেৰিক ডগলাচে তেওঁৰ গভীৰ জ্ঞানপ্ৰসূত অভিমত ব্যক্ত কৰি কৈছে— 'মানুহে যি যি কৰে সিবিলাকৰ দ্বাৰাই নিজেও গঠিত হয়। সি নিজৰ পৰিৱেশ গঢ়ি তুলিব পাৰে সঁচা কিন্তু লগে লগে পৰিৱেশেও তাক সজাই লয়।'



পোন প্ৰথমে মই এটা বিষয় স্পষ্ট কৰিব খুজিছোঃ এই দেশৰ গৌৰতনু ডা-ডাঙৰীয়া গোষ্ঠীয়ে মোৰ বিষয়ে তথা মোৰ ধ্যান-ধাৰণা সম্বন্ধে যিহকেই নক ক মই কেৰেপ নকৰো— সেই সম্বন্ধে অকণো ভ্ৰুক্ষেপ নকৰো। কেতিয়াবা কুৎসা ৰটনা কৰি, কেতিয়াবা জনতাক উচতাই দি, কেতিয়াবা শিল্পক জীৱিকা হিচাপে লব পৰাৰ অধিকাৰৰ পৰা বঞ্চিত কৰি, কেতিয়াবা আকৌ বিদেশত ভ্ৰমণ কৰিব পৰা অধিকাৰ দিবলৈ অস্বীকাৰ কৰি যোৱা দহ বছৰে মোৰ ওপৰত অত্যাচাৰ কৰি আহিছে। এওঁলোকেই হৈছে যথাৰ্থ অমাৰ্কিন। তেওঁলোকক মই কৈছো— ঠিক আছে বাৰু, তোমালোককো মই কেৰেপ নকৰোঁ।।

কিন্তু মই ভাবোঁ, গভীৰ ভাবেই চিন্তা কৰো সাধাৰণ মানুহ অধ্যুষিত আমেৰিকাৰ কথা। দেশৰ দিহিঙে দিপাঙে যিসকলক মই লগ পাওঁ, যিসকল শ্ৰমজীৱি নৰনাৰীৰ লগত মই অৱস্থান ধৰ্মঘটত যোগ দিছিলোঁ তেওঁলোকৰ কথা মই চিন্তা কৰোঁ। অটোকৰ্মী, নাবিক, পশম শিল্পী, খনি বনুৱা, তীখা বনুৱা, বিদেশত ওপোজা বিভিন্ন সম্প্ৰদায়ভুক্ত মানৱগোষ্ঠী, মই নিয়ত ঘনিষ্ঠ যিসকল ইহুদীৰ লগত, সেই ইহুদীসকলৰ কথা মই সদায়ে ভাবোঁ। আৰু ভাবোঁ মধ্যবিত্ত প্ৰগতিশীল গোষ্ঠী, কলা আৰু বিজ্ঞানৰ লগত জড়িত ব্যক্তি-সকল আৰু ছাত্ৰসকলৰ কথা।

মই সবাতোকৈ মনোযোগী আমেৰিকাৰ হাৰ্লেমবাসীয়ে মোক দেখিলেই সোধা প্ৰশ্নাৱলীৰ প্ৰতি। মই যোৱা কেইবছৰ জুৰি বহু বাদ বিসম্বাদৰ কেন্দ্ৰবিন্দুত। গতিকে এই প্ৰশ্নাৱলীৰ সৰহ ভাগেই যে অমোঘ ভাবে মোৰ মতামত আৰু কাৰ্যাৱলীসংক্ৰান্ত হ'ব তাত সন্দেহ নাই। এই প্ৰশ্নাৱলীৰ উত্তৰ সন্দৰ্ভত 'পিট্‌ছবুৰ্গ ক'ৰিয়ৰ'ৰ সংবাদদাতাই তেখেতৰ 'প'ল ৰ'বচন কোন? কি? আৰু কিয়' নামাকৰণেৰে লিখা নিৱন্ধত দিবলৈ সৎ চেষ্টা এটি কৰিছে। তেখেতে লিখিছে—, যে উক্ত প্ৰশ্নটো জটিল হৈ উঠিছে এইবাবে যে সৰহ ভাগ মাৰ্কিনবাসীৰ ওপৰত পল ৰবচনে সম্পূৰ্ণ ভাৱে দুই ধৰণৰ ব্যক্তিত্বৰ পোষকতা কৰে। তাৰে এটা হৈছে বৰ্ণ সমতাৰ আৰু মানৱীয় অধিকাৰ লাভৰ বাবে কৰা যুদ্ধৰ সংগ্ৰামী প্ৰবক্তা ৰূপে আৰু আনটো হৈছে ৰুছ সাম্যবাদৰ দৰদী পৃষ্ঠপোষক ৰূপে। আনহাতে এই প্ৰসংগত আফ্ৰোআমেৰিকান লিখকজনৰ কথাও উনুকিয়াব পাৰি। তেখেঁ একে ধৰণৰ মন্তব্যই কৰিছে। 'পল ৰবচনৰ সম্বন্ধে যদি কোনো ৰহস্য থাকে তেন্তে সেইটো হৈছে এই যে স্পিৰিচুয়াল গাই তেওঁ জনপ্ৰিয় আৰু বিত্তশালী হোৱাৰ সুযোগ থকা সত্বেও নিজৰ সম্প্ৰদায়ৰ হৈ যুজি তেওঁ অৱহেলিত হৈছে তেওঁৰ বাবে সকলো দ্বাৰ ৰুদ্ধ হৈ গৈছে। এনেকুৱা ধৰণৰ নিৰ্বাচন তেওঁ কিয়নো কৰিছে সেই প্ৰশ্নৰ সদুত্তৰ পাবলৈ হ'লে তুমি তেওঁৰ হৃদয়ৰ নিভৃত কক্ষত অন্বেষণ কৰিব লাগিব।' + + +

অনুঃ উদয় নাথ



OKDISCD

# বৰ্তমান অসমীয়া গল্প-উপন্যাসৰ ধাৰা ঃ এটা বিশ্লেষণ—

দ্বিজেন দাস

বিষয়বস্তুটো ব্যাপক আৰু সেয়েহে এক বিস্তৃত পৰিসৰত ইয়াক আলোচনা কৰাৰ অৱকাশ আছে। কিন্তু আমি ইয়াত বিষয়বস্তুটোৰ এটি চমু বিশ্লেষণ কৰি চোৱাৰ চেষ্টা কৰিম।

আমাৰ সমাজখনৰ নিচিনা বৰ্তমান অসমীয়া সাহিত্যও পৰিবৰ্তনৰ দেমোজাত। জীৱন দৰ্শন বা জীৱন জিজ্ঞাসাৰ এটা বাস্তৱ ভিত্তি থাকে। এই বাস্তৱ ভিত্তি সমকালীন বৈষয়িক উৎপাদন ব্যৱস্থা আৰু উৎপাদনৰ লগত জড়িত। সচেতন অস্তিত্বৰ বাহিৰে চৈতন্যৰ একো স্থিতি থাকিব নোৱাৰে। আমি যাত্ৰা কৰো বাস্তৱ মানুহৰ পৰা আৰু বাস্তৱ জীৱনৰ প্ৰক্ৰিয়াৰ ভিত্তিতেই মানুহৰ ভাবাদৰ্শ আদিও বাখ্যা কৰা হয়। মানুহ মানে নিশ্চয়কৈ ইয়াত শ্ৰেণী মানুহকেই বুজোৱা হৈছে। এই শ্ৰেণী মানুহৰ বিভিন্ন সমস্যা, ঘাত, প্ৰতিঘাত, বিভিন্ন দ্বন্দ্ব আদি যুগে যুগে ৰিশ্বসাহিত্যৰ সমল। ইতিহাসৰ এটা সময়ত মানুহে প্ৰকৃতিৰ বিৰুদ্ধে কৰা সংগ্ৰামী চেতনাৰ পৰাই সৃষ্টি হৈছে সাহিত্যৰ বহু অপৰাজেয় আৰু মহান চৰিত্ৰৰ। আজিও ধনতন্ত্ৰবাদে মাতি অনা অমানৱীয় সংকটৰ পৰাই সৃষ্টি হৈছে বহু আদৰ্শনীয় চৰিত্ৰ। মানুহৰ চৈতন্যই কেতিয়াও সামাজিক সীমাবদ্ধতা অতিক্ৰম কৰিব নোৱাৰে। প্ৰত্যেক সমাজ হ'ল এটা সামাজিক সংঘাটৰ কেন্দ্ৰবিন্দু। সমাজৰ প্ৰত্যেকজন ব্যক্তি হ'ল সেই সামাজিক সংঘাটৰ প্ৰতিফলন। প্ৰত্যেকজন মহান ব্যক্তিৰ সামৰ্থ্য আৰু দক্ষতা মাত্ৰ বিশেষ এক সামাজিক চেতনাক যথাৰ্থ ৰূপদানৰ মাজেদি পৰিস্ফুট হয়। 'মহৎ ব্যক্তি সেইজনেই যিজনে যুগৰ আকাংক্ষাক ভাষাৰ জড়িয়তে মূৰ্ত ৰূপ দান কৰে, যিজনে তেওঁৰ যুগটোক বুজাই ক'ব পাৰে যুগৰ আকাংক্ষা কি আৰু তাক কেনেদৰে পূৰণ কৰিব পাৰি। তেওঁ যি কৰে সেয়ে তেওঁৰ যুগৰ প্ৰাণৰস ( essence ) ৰূপে পৰিগণিত হয়' ( হেগেল )। কোনো ব্যক্তিয়ে সামাজিক চেতনা বা ইতিহাসক অতিক্ৰম কৰি স্বকীয়া জ্ঞান আহৰণ কৰিব নোৱাৰে আৰু সামাজিক পৰিবৰ্তনৰ স্ৰোতৰ পৰা ছিন্ন হৈও থাকিব নোৱাৰে। উচ্চস্তৰৰ চিন্তাধাৰাৰ অধিকাৰী হয় সেই শ্ৰেণীৰ মানুহ, যিয়ে সমাজত উঠি অহা



প্ৰগতিশীল শক্তিক সৱল ভাবে গঢ় দিয়ে আৰু মানুহক দেখুৱাই মুক্তিৰ প্ৰকৃত পথ। মধ্যযুগত জগত খনক চৈতন্যময় বুলি ধাৰণা কৰা হৈছিল। আজি বিংশশতাব্দীতো এক শ্ৰেণীৰ দালাল বুদ্ধিজীৱীয়ে শিল্প-সাহিত্যক ৰাজ-নীতিৰ উৰ্ধত বুলি চিঞৰ বাখৰ লগাই আছে। অৱশ্যে শ্লোগান ধৰ্মী কিম্বা ফোঁপোলা প্ৰচাৰধৰ্মী সাহিত্যকো আমি প্ৰশ্ৰয় নিদিওঁ। কাৰণ শিল্প-গুণ বিবৰ্জিত সাহিত্যই সমাজত ইপ্সিত প্ৰতিক্ৰিয়া সৃষ্টি কৰিব নোৱাৰে।

আজি আমাৰ গল্প উপন্যাসৰ পৰিবৰ্তনৰ ধাৰাতো কেনেকুৱা? সাহিত্যত জানো পদদলিত, শোষিত, নিষ্পেষিত শতকৰা ৭০ জন নিৰক্ষৰ জনগণৰ ছবি ফুটি উঠিছে? যদি উঠা নাই তাৰ সামাজিক তাৎপৰ্য কি? এই কথা অনস্বীকাৰ্য যে আমাৰ সাহিত্যত সেই বাস্তৱ ছবিৰ বাৰুকৈয়ে অভাৱ। এই বিফলতাৰ মৌলিক কাৰণ হ'ল শিল্পী-সাহিত্যিকৰ সামাজিক দায়বদ্ধতাৰ অভাৱ। তেওঁলোকে তেওঁলোকৰ দায়িত্ব যেন আজিও বুজি উঠিব পৰা নাই। অথচ তেওঁলোকৰ দায়িত্ব হ'ল জীৱন যন্ত্ৰণাত চাটি ফুটি কৰি মৰা ইতিহাস স্ৰষ্টা মানুহখিনিক মুক্তিৰ পথ দেখুৱাই দিয়া। বিপুল সংখ্যাগৰিষ্ঠ জনগণ আৰু মুষ্টিমেয় শোষকৰ মাজত থকা পাৰ্থক্য দাঙি ধৰি জনগণক সচেতন কৰা। এই দুৰ্বলতাৰ বাবেই আজি তেওঁলোক জন-মানসৰ অধি-কাৰী হ'ব পৰা নাই। ফলত সাৰ্থক সাহিত্য সৃষ্টি কৰিবলৈ সমৰ্থ হোৱা নাই। কাৰণ সমাজৰ প্ৰকৃত সমস্যাৰ পৰা পলায়ন কৰি কোনো শিল্পী সাহিত্যিকে সাৰ্থক সৃষ্টি কৰিব নোৱাৰে। এই কথাও ঠিক যে বুৰ্জোৱা মানসিকতাৰ অধিকাৰী হৈ থকা সময়লৈকে কোনো বুদ্ধিজীৱীয়ে সাৰ্থক চিন্তাৰ অধিকাৰী হ'ব নোৱাৰে। বুৰ্জোৱা ভাবাদৰ্শ; বুৰ্জোৱা দৰ্শনে তাৰ সৃষ্টি ক্ষমতা ক্ৰমে ক্ৰমে হেৰুৱাই আহিছে। একমাত্ৰ জনগণৰ লগত হৃদয়েৰে আত্মীয়তা স্থাপন কৰা জনেহে সাৰ্থক চিন্তা আৰু সাৰ্থক শিল্প ক্ষমতাৰ অধিকাৰী। সমাজেই শিল্প-সাহিত্যৰ সমল, সম্ভাৰ যোগায়। শিল্পীয়ে নিজ ব্যক্তিত্ব আৰু প্ৰতিভাৰ দ্বাৰাই বিষয়বস্তুৰ উপযুক্ত প্ৰকাশ বা তাক সাৰ্থক ৰূপত পৰিবেশন কৰে। জন-জীৱনৰ সৈতে অত্মীয়তাৰ অভাৱ হ'লে শিল্পী-সাহিত্যিকৰ মানসিকতাত ব্যক্তি-কেন্দ্ৰিকতাই প্ৰভাৱ বিস্তাৰ কৰে। এনে অৱস্থাত তেওঁলোকে শিল্প-কলাৰ নামত বুৰ্জোৱা সংস্কৃতিৰহে স্বাৰ্থপূৰণ কৰাতো স্বভাৱসিদ্ধ কথা। কিন্তু বাস্তৱৰ নিৰ্মম আঘাতত তেওঁলোকৰ তাচৰ ঘৰ প্ৰায় থানবান হোৱাৰ সময়তো বহুক্ষেত্ৰত বাস্তৱ পথত খোজ দিয়াৰ প্ৰেৰণতাৰ অভাৱ পৰিলক্ষিত হয়। ব্যক্তিগত হতাশা আৰু নোপোৱাৰ বেদনাৰ পৰা হাত সৰাৰ কাৰণে বহুতে আশ্ৰয় লয় পাতলিয়া চিন্তা, যৌন আবেদন মূলক সৃষ্টিত, বুদ্ধিৰ খেল প্ৰদৰ্শনত কিম্বা চৰিত্ৰ হনন জাতীয় নীচ কাৰ্যত। ফলস্বৰূপে তেওঁলোকে সৃষ্টি কৰিছে এখনি ফোঁপোলা ভাব-জগত, য'ত নিজে নিমজ্জিত হৈ আনকো বিভ্ৰান্ত



OKDISCD

কৰাৰ প্ৰয়াস কৰিছে। ইয়াৰ মৌলিক কাৰণ হ'ল বুদ্ধিজীৱীৰ বাস্তৱ-বোধ আৰু অভিজ্ঞতাৰ অভাৱ, সামাজিক বাস্তৱ সমস্যাৰ প্ৰতি উদাসীনতা। এই দুৰ্বলতাৰ বাবে তেওঁলোকে আশ্ৰয় লয় আংগিকৰ কলা কৌশলত, বাক্ চাতুৰ্যত; কবৰৰ ওপৰত চমৎকাৰ, কাৰু কাৰ্য নিৰ্মাণ কৰা কাৰ্যতেই সৃষ্টিৰ সাৰ্থকতা বুলি তেওঁলোকৰ বহুতে চৰম আত্ম তৃপ্তি লভিছে।

সন্দেহ নাই, আংগিকৰ কলা-কৌশলত অসমীয়া চুটি গল্পই যথেষ্ট অগ্ৰ-গতি লাভ কৰিছে। কিন্তু অসমীয়া সাহিত্যৰ দুৰ্ভাগ্য যে সেই গল্পসমূহ বহুক্ষেত্ৰত মাটিৰ বাস্তৱ পৃথিৱীখনৰপৰা সম্পৰ্ক-বিবৰ্জিত। বহুক্ষেত্ৰতে বৰ্তমান গল্পৰ ধাৰাই মধ্যবিত্তৰ ভাবাবেগকহে আলোকিত কৰি ৰাখিছে। আৰু সেই চমকনিতে আমাৰ একশ্ৰেণী মানুহে আমোদৰ খোৰাক পালেও তাত কিন্তু প্ৰকৃত মানুহৰ ছবি অনুপস্থিত। ফলশ্ৰুতি স্বৰূপে আমাৰ পৰিবৰ্তিত সমাজৰ উত্তেজনা, আবেগ, উত্তাপ, আলোড়ন আজিৰ চুটি গল্পত প্ৰায় নিষ্প্ৰভ। কাৰণ জীৱনৰ কোনো বাস্তৱ প্ৰয়োজন বা গভীৰ উপলব্ধিৰ তাড়নাত ইয়াৰ সৃষ্টি হোৱা নাই। সুস্থ জীৱন দৰ্শন, বাস্তৱ জীৱনৰ ঘাত প্ৰতিঘাটৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ অভাৱে আমাৰ প্ৰায়বিলাক গল্প কৃত্ৰিম আৰু গতানুগতিক কৰি ৰাখিছে। সন্দেহ নাই, অনুভূতি আৰু উপলব্ধিৰ ক্ষেত্ৰত শ্ৰীভবেন শইকীয়া নিসন্দেহে এজন উচ্চ পৰ্যায়ৰ গল্পকাৰ। কবিত্বময় বৰ্ণনা আৰু অন্তৰ্দৃষ্টি হ'ল শ্ৰীশইকীয়াৰ গল্পৰ মূল বৈশিষ্ট্য। তেখেতৰ দৰ্শনত জীৱনতকৈ আৰ্টৰ মূল্য বহু বেছি। বাস্তৱ মানুহৰপৰা আঁতৰি আহি শ্ৰীশইকীয়াই ৰোমাণ্টিক দৃষ্টিভংগীত গল্পৰ বিষয়-বস্তু নিৰ্বাচন কৰে। শ্ৰীশইকীয়াৰ কৃতিত্ব স্বীকাৰ কৰিও আমি কবলৈ বাধ্য যে তেখেতৰ গল্পত 'Public নামৰ জানোৱাৰটো বেচ ভদ্ৰ ভাবে মুখা পিন্ধি থাকে' আৰু শ্ৰীশইকীয়াও সেই 'অভদ্ৰ জানোৱাৰৰ প্ৰতি সহৃদয়।' সেই একেস্তৰৰ সফল গল্পকাৰ হ'ল শ্ৰী-সৌৰভ কুমাৰ চলিহা। শ্ৰীচলিহাৰ গল্পত সূক্ষ্ম বৰ্ণনাৰ ব্যঞ্জনা সংগীতৰ নিচিনা বাজি থাকে। কিন্তু সেই সংগীতে মধ্যবিত্তৰ ইন্দ্ৰিয়ক প্ৰলুব্ধ কৰিলেও সংগ্ৰামী মানুহৰ চেতনাক সজীৱ আৰু জাগ্ৰত কৰিব নোৱাৰে। অৰ্থনৈতিক সংকটে বুৰ্জোৱা মানৱতাবাদক অকাৰ্যকৰী কৰাত শ্ৰীআব্দুল মালিক, শ্ৰীযোগেশ দাস, শ্ৰীমহিম বড়া আদিৰ গল্প নিষ্প্ৰাণ গতানুগতিক সীমাৰ মাজত আবদ্ধ থাকিল।

নতুন চামৰ ভিতৰত প্ৰায় কেইজনে কোনো সৰল প্ৰতিশ্ৰুতি আমাৰ সাহিত্যলৈ বহন কৰি আনিব নোৱাৰাটোও বৰ পৰিতাপৰ কথা। আনহাতে, এই কথা ক'বই লাগিব যে আংগিক আৰু বৰ্ণনাৰ কলাকৌশলত পুৰণি চামতকৈও তেওঁলোক বহু পিচ পৰি আছে। সংখ্যাৰ ফালৰপৰা নহলেও চিত্ৰ সমৃদ্ধ আৰু মননশীল বিশ্লেষণত শ্ৰীঅপূৰ্ব শৰ্মা এজন সফল গল্প লেখক। সাধাৰণতে শ্ৰীশৰ্মাৰ গল্পৰ পটভূমি হ'ল চহৰীয়া মধ্যবিত্তৰ ভাবাবেগ। 'হলধৰ' তেখেতৰ এক ব্যতিক্ৰম সৃষ্টি, য'ত গাঁৱৰ এক শ্ৰেণী মানুহৰ স্বৰূপ উদঙাই দেখুৱাত সফল হৈছে।



নতুন চামৰ ভিতৰত পৰিশ্ৰমী লেখক হ'ল শ্ৰীঅৰুণ গোস্বামী। তেওঁক বহুদূৰ সামাজিকভাবে দায়বদ্ধ যেন অনুমান হয়। ৰাজনৈতিক অথবা সামাজিক ভণ্ডামীৰ স্বৰূপ উদঙাই গল্প লেখিবলৈ শ্ৰীগোস্বামী যত্নবান। এই বৈশিষ্ট্যৰ লগত উপস্থাপন ৰীতি, আংগিক আৰু বৰ্ণনাৰ কলা-কৌশল সফল ভাবে প্ৰয়োগ কৰিব পাৰিলে শ্ৰীগোস্বামীৰ গল্পত সামাজিক চেতনা সুন্দৰ ভাবে ফুটি উঠিব, তাত অকনো সন্দেহ নাই। নতুন চামৰ ভিতৰত শ্ৰীপোলেন বৰকটকীৰ ভাবধাৰাৰ বিবৰ্তন বেচ লক্ষনীয়। মধ্যবিত্তৰ যান্ত্ৰিক আবেগ, পোৱা নোপোৱাৰ বেদনা আৰু দ্বিধা-গ্ৰস্ততাই এসময়ত শ্ৰীবৰকটকীৰ গল্পক আড়ষ্ট কৰি ৰাখিছিল। সেই দুৰ্বলতাৰ পৰা ওলাই আহিবলৈ তেখেত আজি স্পষ্টভাবে যত্নবান যেন দেখা গৈছে। তথাপিও শ্ৰীবৰকটকীৰ গল্পৰ অন্যতম দুৰ্বলতা হ'ল ৰচনাধৰ্মীতা। গ্ৰাম্য সমাজৰ আৰ্থিক সংকটৰ পটভূমিত সম্প্ৰতি শ্ৰীবৰকটকীক মনোনিবেশ কৰা দেখা গৈছে। বৰ্তমান শোষণ ভিত্তিক সমাজ ব্যৱস্থা পৰিবৰ্তনৰ অবিহনে মানুহৰ মুক্তিৰ পথ যে নাই, এই সত্যত বৰকটকীৰ বিশ্বাস আহিছে যেন লাগে। সেয়ে বিমূৰ্ত ভাবে হলেও 'পোহৰলৈ' নামৰ গল্পটিত তাৰ ইংগিত দিছে। সত্তৰ দশকৰ পিছত আত্মপ্ৰকাশ কৰা দুগৰাকী সম্ভাৱনাপূৰ্ণ গল্প লেখিকা হ'ল শ্ৰীপ্ৰণতি গোস্বামী আৰু শ্ৰীঅৰূপা পটংগীয়া। এই দুয়ো গৰাকী লেখিকাই সংখ্যাৰ ফালৰপৰা কম লেখিলেও, দুই চাৰিটাৰ মাজতেই প্ৰতিশ্ৰুতি বহন কৰিব পাৰিছে। এই সকলৰ উপৰিও, শ্ৰীকেশৱ শইকীয়া, শ্ৰীভদ্ৰেশ্বৰ ৰাজখোৱা, শ্ৰীনবীন বৰুৱা, শ্ৰীবিনোদ শৰ্মা, শ্ৰীত্ৰৈলোক্য ভট্টাচাৰ্য আদি লেখকৰ ক্ষেত্ৰত বিবৰ্তন বা সামাজিক চেতনাৰ স্পষ্ট ইংগিত এতিয়াও পৰিলক্ষিত হোৱা নাই।

উপন্যাসৰ ক্ষেত্ৰতো একে কথা প্ৰযোজ্য। অৱশ্যে দুই এখনি সুপাঠ্য উপন্যাস ৰচনা নোহোৱাকৈও থকা নাই। উদাহৰণ স্বৰূপে আব্দুল মালিকৰ 'অঘৰী আত্মাৰ কাহিনী'ৰ নাম উল্লেখ কৰিব পাৰো। সংখ্যাৰ ফালৰ পৰা মালিকে বহু উপন্যাস সৃষ্টি কৰিলেও 'অঘৰী আত্মাৰ কাহিনী' মালিকৰ আপেক্ষিক সফল সৃষ্টি। এই উপন্যাসখনত লেখকে গতানুগতিকতা আৰু একঘেয়েমীৰ পৰা আতঁৰি আহি মধ্যবিত্তৰ দ্বন্দ্ব আৰু অৱক্ষয়ৰ ৰূপটো নিৰ্মম ভাবে দাঙি ধৰিছে। বুৰ্জোৱা সাহিত্যৰ গণ্ডীৰ পৰা কিঞ্চিৎ আঁতৰি আহি হোমেন বৰগোহাঁঞিয়ে 'তিমিৰ তীৰ্থ', 'হালধীয়া চৰায়ে বাওধান খায়', আৰু 'পিতাপুত্ৰ' নামৰ তিনিখন উপন্যাস ৰচনা কৰিছে। 'সুবালা'ৰ পিছত 'পিতাপুত্ৰ' বৰগোহাঁঞিৰ সুপাঠ্য আৰু জনপ্ৰিয় উপন্যাস। এই উপন্যাসখনত এনে কিছুমান বক্তব্য আছে যিয়ে মানুহক বিভ্ৰান্ত কৰাৰ অৱকাশ আছে। 'ইয়াৰুইঙ্গম' বৰ্তমানলৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাৰ্থক সৃষ্টি, য'ত লেখকৰ অভিজ্ঞতাৰ স্বাক্ষৰ আছে। নিপীড়িতৰ প্ৰতি সচেতন সহানুভূতি আৰু সমাজ পৰিবৰ্তন সাধনৰ প্ৰচেষ্টা হ'ল শ্ৰীভট্টাচাৰ্যৰ উপন্যাসৰ কেন্দ্ৰীয় বিষয়-বস্তু।



OKDISCD

জনসাধাৰণৰ শক্তিৰ ওপৰত আস্থা, তেওঁলোকৰ প্ৰতি প্ৰেম প্ৰীতি সহৃদয়তাৰ বাবে তেখেত আমাৰ অভিনন্দনৰ অধিকাৰী। কিন্তু তথাপিও সেই মানৱতা হ'ল একধৰণৰ বিমূৰ্ত মানৱতা। এইখিনিতে আমি জানি থোৱা ভাল যে নেতিবাচক দৰ্শন যিমানে কঠোৰ নহওক কিয়, আজিৰ সংকটৰ সময়ত সেই ধাৰণা নিৰৰ্থক হ'বলৈ বাধ্য। মাত্ৰ ইতিবাচক চিন্তাইহে মানুহক অনুপ্ৰাণিত আৰু সচেতন কৰিব পাৰিব। যৌনগন্ধীতা তথা ইন্দ্ৰিয় পৰিগ্ৰাহী, আবেগ-অনুভূতিৰ প্ৰাধান্য বুৰ্জোৱা সাহিত্যৰ এটা লক্ষণ। যৌন-সাহিত্য (?) শ্ৰেণী বিভক্ত সমাজত মানুহৰ চেতনাক দমাই ৰখাৰ এটা আহিলা। এইবিধ সাহিত্যৰ দ্বাৰাই মানুহৰ বিবেক বুদ্ধিক নিৰ্জীৱ কৰি ৰাখিবলৈ ষড়যন্ত্ৰ কৰা হয়। যৌন লাম্পট্য হ'ল বুৰ্জোৱাৰ বৈশিষ্ট্য আৰু স্পষ্টতঃ ই অৱক্ষয় লক্ষণ। পদ্ম বৰকটকীয়ে চালু কৰি দিয়া এই পলায়নবাদী ধাৰাতো আমাৰ সাহিত্যত সজীৱ কৰি ৰাখিবলৈ অইন কিছুমান লেখকেও চেষ্টাৰ ত্ৰুটি কৰা নাই। শীলভদ্ৰ হ'ল এটা ব্যতিক্ৰম। শীলভদ্ৰৰ উপন্যাসত বুৰ্জোৱা মানৱতাৰ অনুপস্থিতি লক্ষণীয়। বৈজ্ঞানিক অথচ মানৱীয় দৃষ্টিকোণৰ-পৰা সাহিত্য সৃষ্টিত শীলভদ্ৰক ব্ৰতী যেন লাগে। কিন্তু বাস্তৱ জীৱনৰ মৰ্মস্থলত প্ৰবেশ কৰিবলৈ শীলভদ্ৰই এতিয়াও বহুপথ অতিক্ৰম কৰিবলৈ বাকী। শ্ৰেণী বিভক্ত সমাজৰ কদৰ্য সত্য মন আৰু হৃদয়েৰে উপলব্ধি কৰি অভিজ্ঞতাক সৰল কৰিব পাৰিলে শীলভদ্ৰৰ সৃষ্টি সফল হোৱাৰ যথেষ্ট থল আছে।

নতুন চামৰ ভিতৰত দুই চাৰিজনৰ বাহিৰে বেছিভাগেই এতিয়ালৈ বিশেষ স্বাক্ষৰ বহন কৰিব পৰা নাই। ইতিমধ্যে আলোচনীৰ পাতত শ্ৰীঅৰুণ গোস্বামীৰ ভালেকেইখন উপন্যাস প্ৰকাশ পাইছে। তেখেতৰ প্ৰায়কেইখন উপন্যাসৰে আদৰ্শ পুৰুষ হ'ল আমাৰ স্বাধীনতা আন্দোলনৰ এজন যুজাৰু। সন্দেহ নাই, বহু অখ্যাত ব্যক্তিৰ সৰ্বস্ব উৎসৰ্গৰ মাজেদি আমাৰ স্বাধীনতা অৰ্জন কৰা হৈছিল আৰু যিসকল আজিও অখ্যাত, অজ্ঞাত ৰূপেই থাকি গ'ল। অথচ তেওঁলোকৰ চকুৰ আগতে কিছুমান স্বাৰ্থপৰ মানুহে স্বীকৃতি আৰু খ্যাতি অৰ্জন কৰিলে। সামাজিকভাৱে দায়বদ্ধ লেখকৰ এই ক্ষেত্ৰত প্ৰয়োজন শ্ৰেণীস্বাৰ্থ আৰু প্ৰতিক্ৰিয়া আদি উদ্ঘাটন কৰাত জোৰ দিয়াটোহে অন্যথা বহুক্ষেত্ৰত স্ব-বিৰোধিতাৰ বলি হোৱাৰ ভয় থাকে। সেয়ে গোস্বামী এই ক্ষেত্ৰত সতৰ্ক হোৱা উচিত। তাৰোপৰি তেখেতৰ উপন্যাসত মাজে মাজে দুই এটা কৃত্ৰিম, অবাস্তৱ আৰু ৰোমাণ্টিক ঘটনাৰ সমাবেশ দেখা যায়। 'খোজতে খোজ মিলাই' নামৰ উপন্যাসৰ এনে এটা ৰোমাণ্টিক প্ৰেমৰ ঘটনাৰ কথা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। আচলতে লেখকে এটা চৰিত্ৰৰ সলনি এটা type চৰিত্ৰৰ ওপৰতহে জোৰ দিব লাগে আৰু এই চৰিত্ৰসমূহক জন-গণৰ অভিজ্ঞতাৰ মাজেদি ক্ৰমে উন্নততৰ চেতনাৰ স্তৰলৈ তুলি নি আদৰ্শ হিচাপে দাঙি ধৰিব পাৰিব লাগে।

শেষ অংশ ৮৪ পৃষ্ঠাত চাওক



# মৃতকৰ ঠিকা

**সত্য সুন্দৰ বৰুৱা**

তেওঁ মোক মাতি পঠোৱাৰ খবৰটো পোৱাৰ লগে লগে যাবলৈ মই ব্যস্ত হৈ পৰিলো। তিনিমাহৰ মূৰত তেওঁ আকৌ এই চহৰলৈ আহিছে আৰু স্থানীয় চাৰিকিট হাউছত এদিনৰ বাবে জিৰণি লৈছেহি। তেওঁ এজন ডাঙৰ মানুহ। ডাঙৰ মানুহৰ প্ৰকৃত সংজ্ঞা কি এই বিষয়ে মই বিশেষ চিন্তা নকৰোঁ। শব্দটোৰ প্ৰকৃত অৰ্থ বোধহয় মই জানো যদিও আজিকালি এইবোৰ একো নজনাৰ নিচিনাকৈয়ে থাকোঁ। এই দৰ্কাৰী কথাটো মই নতুনকৈ শিকিছোঁ আৰু শিকাইছে মোৰ এজন অতি ঘনিষ্ঠ বন্ধুৱে। বন্ধুৰ কথা মতে এনে ডাঙৰ মানুহৰ লগত সা-সম্পৰ্ক ৰাখি মই অৱশ্যে যথেষ্ট ফল পাইছোঁ। মোৰ অৱস্থা আগতকৈ স্বচ্ছল হৈছে। হাতলৈ প্ৰায়েই দুই এপইচা আহিছে। ইচ্ছা কৰিলে বজাৰৰপৰা মাছ চকল বা মাংস আধা কেজি লৈ যাব পৰাৰ ক্ষমতা হৈছে। এয়া আৰম্ভণিহে। গতিকে ভৱিষ্যতলৈ মই যথেষ্ট আশা দেখিছোঁ। সেই বাবেই মানুহজনে মোক মাতি পঠোৱাৰ খবৰটো পোৱাৰ লগে লগেই মই যাবলৈ সাজু হৈ ওলালো। মেডিকেল কলেজতে নতুন কিবা এটা বস্তু সাজিবলৈ লোৱাৰ কথা আছে হেনো। যোৱাবাৰ তেৱেঁ মোক কৈছিল আৰু আশাও দিছিল। কিজানি সেইটো কাৰণেই মাতিছে!

মেডিকেল কলেজত কামটো পৰিলে ময়ো অৱশ্যে ভাল পাওঁ। বেমাৰ-আজাৰৰ কথা। লাগ বুলিলেই কিবা এটা দেখুৱাব পাৰোঁ। কাম কৰিও ভাল লাগে। তাৰ উপৰি হস্পিটেলখনৰ প্ৰতি মোৰ কিবা এটা মোহেই সোমাইছে যেন পাইছোঁ। মোহ মানে— ঠিক মোহ নহয়, আচলতে এটা অহেতুক সম্বন্ধ মনে মনে গঢ়ি উঠা যেন লাগিছে। কবলৈ গলে এই মেডিকেল হস্পিটেলখনেই মোৰ জীৱিকা আৰু পথ পৰিবৰ্তনৰ গুৰি আৰু মোৰ সেই বন্ধুজনেই এই পথৰ প্ৰথম দিক্‌দৰ্শক। বন্ধুৰ সহায় নোপোৱা হ'লে বোধহয় ডাঙৰ মানুহজনৰ লগত সম্পৰ্কও কৰিব নোৱাৰিলোহেঁতেন।

পুৰণা বৃত্তি মই এতিয়া একেবাৰে বাদ দিছো। পুৰণা বৃত্তি মানে সৰু অফিচ এটাৰ লৱাৰ ডিভিজন ক্লাৰ্কৰ চাকৰি। আজিকালি মই ঠিকা লওঁ। সৰুসুৰা ঠিকা। যেনে সৰুসুৰা ঘৰ সজা, ৰাস্তাৰ পুল তৈয়াৰ কৰা, ভঙা দলং মেৰামতি কৰা, দুই-তিনিদিনীয়াকৈ ৰাজহুৱা উৎসৱ বা সভা পাতিবলৈ মুকলি



OKDISCD

ফিল্ডত পেণ্ডেল তৈয়াৰ কৰা ইত্যাদি ইত্যাদি। ডাঙৰ মানুহজনে মৰম নকৰা হলে লৰাৰ ডিভিজন এচিষ্টেণ্টৰ পৰা মোৰ এই উত্তৰণ সম্ভৱপৰ বোধহয় নহ'লহেঁতেন। অদূৰ ভৱিষ্যতে মই ডাঙৰ ডাঙৰ ঠিকা পোৱাৰ আশা ৰাখিছো। চিটীবাছ বাদ দি ৰিক্সাত ফুৰিব পৰা হৈছো। কিছুদিন গলে যন্ত্ৰচালিত দুচকীয়া চাইকেল এখনো যোগাৰ কৰিব পাৰিম বুলি ভাবিছো।

গতিকে নতুন ঠিকা এটা পোৱাৰ আশাত মই খৰখেদাকৈ তেওঁৰ ওচৰলৈ ওলালো। মোৰ ঘৰৰ পৰা চাৰ্কিট হাউছলৈ প্ৰায় দুমাইল মান দূৰ পৰে। পিছে চহৰৰ মাজেৰে মানুহদুনুহ, গাড়ী-মটৰ, ৰিক্সা আদিৰ হুলস্থূলৰ মাজেদি যাওঁতে দূৰত্ব দুমাইল যেন মুঠেই নালাগে। ঘৰৰ পৰা ওলোৱাৰ পিছ মুহূৰ্ত্ততে মোৰ ভৱিষ্যৎ প্লেন-প্ৰোগ্ৰাম সম্পৰ্কীয় বিভিন্ন ছবি কিছুমানে অতৰ্কিতে মোৰ মনৰ মাজত অহাযোৱা কৰিবলৈ ধৰিলে। আকাশত ভাঁহিফুৰা মন এটা লৈ মই আগবাঢ়ি যাবলৈ ধৰিলো। পিছে জালান নগৰৰ পোন দীঘলীয়া ৰাস্তাটোত ভৰি দিয়াৰ পিচতে মোৰ খোজবোৰৰ গতি হঠাতে কিছু হ্ৰাস পাই আহিল। ৰাস্তাটোৰ সোঁফালে শাৰী শাৰী চাহ গছৰ মাজে মাজে শিৰিষ গাছবোৰো সৰল ৰৈখিক ভাবে থিয় হৈ আছে। ৰাস্তাটোৰ বাওঁ ফালেই পাৰ্কখন—জালান পাৰ্ক। পাৰ্কখনৰ এটা মূৰ সিফালৰ চাহনি দৰাৰ লগত প্ৰায় লাগি আছে। আনটো মূৰ আৰু জালানৰ ক্লাব ঘৰটোৰ মাজতেই পকাৰ দেৱালেৰে ঘেৰদি থোৱা বহল ফিল্ডখন যাৰ সোঁমাজতে মন্দিৰটো সজা হৈছে। দেৱালখন প্ৰথমতে মাটিৰ পৰা প্ৰায় চাৰিফুট মান ওখ আছিল। এতিয়া সেই চাৰিফুটৰ ওপৰত চিমেণ্টৰে পকী ফুল-পাত-লতা সাজি আৰু চাৰি ফুট মান ওখকৈ চাৰিও কাষ ঘেৰি দিয়া হৈছে। ৰাস্তাৰপৰা ফিল্ডৰ ভিতৰ সোমাবলৈ লোহাৰ প্ৰকাণ্ড গেট। এটা মন্দিৰ সজা হৈছে। যোৱা সাত বছৰৰ পৰা এইটো মই সাজি থকাই দেখিছো। এতিয়াও শেষ হোৱা নাই। মন্দিৰটো দুখলপীয়া। তলৰ খলপাৰ প্ৰায় বিশফুট ওখত দ্বিতীয় খলপা। দীঘলীয়া পকী খটখটীটোৰ কাম প্ৰায় শেষ হৈছে। মূল মন্দিৰটোৰ ক্ৰমাৎ ওপৰলৈ জোঙা হৈ উঠি যোৱা গম্বুজটো এতিয়াও শেষ হোৱা নাই। তাৰ পিচত আকৌ ৰং-তেল সনা, ফুল-লতা আঁকা এইবোৰতো আছেই। আৰু কিমান দিন লাগে ঠিকনা নাই। শুনামতে এতিয়ালৈকে হেনো প্ৰায় চাৰি লাখ টকা খৰছ হৈছে ইতিমধ্যে। বাকী থকা কামখিনিত বা কেই লাখ পৰে। এই মন্দিৰটোৰ ঠিকা লোৱা মানুহজনক মই এদিনো দেখা নাই। হঠাৎ মোৰ ভাব হ'ল যে সেই ঠিকা লোৱা মানুহজন যদি আজি মই হলোহেঁতেন! এনেকুৱা এটা ঘৰৰ ঠিকা যদি ময়ো পালোহেঁতেন! কি ঠিক, মেডিকেল কলেজত কিজানি এনে সৰহ টকাৰ কিবা ঘৰ সজাৰ কথাকেই ঠিক কৰা হৈছে। আৰু কোনে জানে কিজানি সেই লাখটকীয়া ঘৰটোৰ ঠিকাৰ ভাৰটোকে দিবৰ বাবেই তেওঁ মোক আজি মাতি পঠিয়াইছে।



মোৰ যে বন্ধুজন—তেওঁ এজন আচৰিত মানুহ। তেওঁক বুজিবলৈও টান। এদিন কথাই কথাই তেওঁ সুধিলে,ঃ এই মন্দিৰটো যিজনে সজাইছে তেওঁ চাগে ভগবানক ক'ৰবাত দেখিছে বা লগ পাইছে, কি কোৱা?

মই আচৰিত হৈ সুধিলো,ঃ তাৰ মানে?

তেওঁ কলে ঃ মানে, তেওঁক নেদেখিলে এনে এটা প্ৰকাণ্ড ঘৰ কি আন্দাজত সজাব? হয় ভগবান অতি বিয়াগোম কিবা ব্যক্তি হ'ব লাগিব, নহয় তেওঁৰ এটা বিৰাট পৰিয়াল থাকিব লাগিব।

মই কলো,ঃ হেৰা, ভগবানক্নো কোনোবাই দেখেনে? তেওঁতো নিৰাকাৰ। বন্ধু হঠাৎ গহীন হৈ গল। কলে,ঃ যদি নিৰাকাৰেই তেন্তে এই প্ৰকাণ্ড ঘৰটো ইমান লাখ টকা খৰছ কৰি কিয় বনোৱা হৈছে? ইয়াত কাম কৰি থকা মানুহবোৰৰ কাৰণে? হেৰা, চাবাচোন, ভগবান যদি কাহানিবা আহেও তেন্তে ইয়াত ক'ম কৰি থকা মানুহখিনিক প্ৰথমতে ইয়াৰ পৰা খেদিহে তেওঁ পাটত বহিব। ভাগ্যে বোধহয় তেওঁ এতিয়া ৰেষ্ট হাউছত ৰৈছে বুলিহে ৰক্ষা। ভগবানটো সঁচাকে বৰ চৌখীন যেন পাইছোঁ, কি কোৱা?

বন্ধুজনৰ কথাত মই একো নেমাতিলো। কিন্তু এই বিৰাট সুদৃশ্য নিৰ্মীয়মান মন্দিৰটোৰ ঠিকালোৱা মানুহজনলৈ মোৰ মনে মনে হিংসা হ'ল। আজিয়েই তেনে এটা ঘৰৰ ঠিকা লবলৈ মোৰ মন গ'ল। মোৰ তেওঁলৈ মনত পৰিল। মেডিকেল কলেজত ডাঙৰ কিবা এটা ঘৰ সজাবলৈ যদি সঁচাকেই ঠিক কৰা হৈছে আৰু তাৰ কাৰণেই যদি মোক তেওঁ মাতি পঠাইছে......! আপোনা আপুনি মোৰ ভৰিহাল পূণৰ আগলৈ চলিবলৈ ধৰিলে।

মেডিকেল কলেজখনত প্ৰকৃততেই হেনো বহুত নতুন কিবাকিবি লগা হৈছে। ডাক্তৰ আৰু ছাত্ৰবোৰে প্ৰায়েই কোৱাকুই কৰে। কিছুমান দিনৰ আগতে এইবোৰ সন্দৰ্ভতে কিবা ধৰ্মঘট-হৰতালো তেওঁলোকে বোলে কৰিছিল। সঁচাই বহুত বস্তু লাগে। অন্ততঃ থোৱাছিক ছাৰ্জাৰীৰ ইউনিট এটা লাগে, মগজুৰ অপাৰেচনৰ কাৰণে নিউৰ' ছাৰ্জাৰীৰ ইউনিট লাগে, কেন্সাৰ ৱাৰ্ড লাগে, মানসিক ৰোগীৰ বাবে চাইকিয়েট্ৰি ৱাৰ্ড লাগে, বাৰিষা ৰাস্ত'ৰ ওপৰত গোটখোৱা এআঠুঁৱা পানী উলিয়াই দিব পৰা ব্যৱস্থা লাগে আৰু এটা ব্লাড বেংক লাগে। কমেও এইখিনি বস্তু হেনো লাগেই। এই বিলাক হলে নিশ্চয় ডাঙৰ ডাঙৰ ঘৰ সজাব লাগিব। বাৰিষা গোটখাই থকা ৰাস্তাৰ ওপৰৰ পানী উলিয়াই পঠিয়াবলৈ নিশ্চয় নলা খান্দিব লাগিব, পাইপ বহুৱাব লাগিব অথবা স্লুইচ গেটৰ ব্যৱস্থা কৰিব লাগিব। এইবোৰৰ কাৰণেও কাৰোবাক নিশ্চয় ঠিকা দিব লাগিব। গতিকে অন্যক নিদি এই ঘৰ, পুল-নৰ্দমাৰ ঠিকাটো যদি.............। ধেৎ মই বোধহয় পকা স্বাৰ্থপৰ হৈ পৰিছোগৈ। নহলে এই ঠিকা পোৱাৰ চিটোহে পেন্তানেই মোৰ মনলৈ অহৰহ কিয় আহিব?



OKDISCD

আচলতে মোৰ সেই বন্ধুজনেই এই স্বাৰ্থ চিন্তাৰ বীজটো মোৰ মুৰত সুমুৱাই দিছিল। তেওঁ কৈছিল ঃ স্বাৰ্থৰ কথা নাভাবে কোনে ? স্বাৰ্থৰ কথা নভবাৰ কথা যি কয় সিয়েই হয় অতি মূৰ্খ নতুবা আটাইতকৈ ধুৰন্ধৰ বদমাচ। 'নিস্বাৰ্থ দেশসেৱা'ৰ কথাও যি কয় তাৰ কথাৰ মাজতো আচলতে স্বাৰ্থৰ চিন্তাহে লুকাই থাকে।

এইবোৰ মই বুজি নাপাওঁ। কিন্তু ব্লাডবেংকৰ কথাটো উঠাৰ লগে লগে মোৰ নিজা ঘটনা এটা হঠাৎ মনত পৰি গ'ল। প্ৰায় আঠ মাহ মানৰ আগৰ ঘটনা। চহৰখনলৈ সেইদিনাও এজন ডাঙৰ মানুহ আহিছিল। নতুনকৈ সাজি উলিওৱা ডাঙৰ এটা ক্লাবঘৰৰ দুৱাৰ মুকলি কৰিবলৈ তেওঁ সিদিনা চহৰত ভৰি দিছিল। জৰ্জ খেলপথাৰৰ কাষতে নতুন ক্লাব ঘৰটো। পুৰণি ৰংঘৰৰ আহিত নতুন উপাদান, ৰঙ-বিৰঙ আৰু কাৰুকাৰ্যৰে দুই লাখ টকা খৰছ কৰি ঘৰটো সাজি উলিওৱা হৈছে। ইয়াকে আনুষ্ঠানিক ভাৱে মুকলি কৰিবলৈ ডাঙৰ মানুহজন আহোঁতে তেওঁৰ অহা-যোৱা, থকা-মেলা, আদৰণি-সাদৰণি এই সকলবোৰ ধৰি আৰু পঞ্চাশ হাজাৰ টকা খৰছ হ'ল। মানুহ দুনুহ, গাড়ীমটৰৰ খুব ভিৰ হৈছিল। মোৰ ঘৰৰপৰা জৰ্জফিল্ডলৈ চহৰৰ মাজেদি কিছু পকাই মেলি যাব লাগে। ঠিক সেই দিনাই বদ্ৰীদাসৰ বিবাহ ভৱনত মাৰোৱাৰী সম্প্ৰদায়ৰ কাৰোবাৰ বিয়া এখন আছিল। ইয়াতো এটা উৎসৱ—এটা মহা উৎসৱ। গোটেই ভৱনটো জাক-জমকৈ সজোৱা হৈছিল। নিশালৈ ঘৰটোৰ বাহিৰেও সন্মুখৰ ৰাস্তাৰ বহুদুৰলৈকে বিজুলী চাকিৰে পোহৰৰ ব্যৱস্থা কৰা হৈছিল। গাড়ী-মটৰৰ লাইন লাগিছিল। উচ্চস্বৰে মাইকত হিন্দীগান আৰু ভিতৰত বেণ্ডপাৰ্টি বাজিছিল। মুঠতে বিৰাট এক ইলাহী কাৰবাৰ হৈছিল। এহাল মানুহ একেলগ হবলৈ ব্যৱস্থা কৰা এই বিবাহ অনুষ্ঠানটোত প্ৰকৃততে কেইলাখ টকা খৰছ পৰিছিল মই কব পৰাটো দুঃসাধ্য। অনুমান কৰিবলৈ দিলেও বোধহয় মই তেনেই হাস্যকৰ পৰিমাণ এটাহে অনুমান কৰিলোহেঁতেন কিজানি। ঘটনাটো সেই দিনাই ঘটিছিল। চহৰখনৰ দুফালে দুটা উৎসৱৰ হুলস্থূলৰ মাজত কোনো এটা মুহূৰ্তত মোৰ সৰু লৰাটো চলিথকা মটৰ এখনৰ তলত পৰি গৈছিল। প্ৰায় আঠ মাহৰ আগৰ কথা। এতিয়া দুখ-বেজাৰ পাতলিছেগৈ যদিও লৰাটো মৰাৰ দৃশ্যটো অলপো পাহৰিব পৰা নাই। তাৰ নাকে-মুখেদি হো-হোৱাই তেজ বৈছিল। দুবাৰমান ভৰিহাত মাৰি সি জ্ঞানশূন্য হৈ পৰি গৈছিল। বিয়াঘৰৰ গাড়ী এখনেৰেই তাক সিদিনা মেডিকেল কলেজত নমাই থৈ গৈছিল। পিছে জ্ঞান তাৰ ফিৰি নাহিল। সেইদিনাই প্ৰথম মই ব্লাডবেংকত তেজ বিচাৰি গৈছিলো। তেজ দিব পৰা হলেই লৰাটো বাচিলেহেঁতেন নে নাই মই ক'ব নোৱাৰো। কিন্তু ডাক্তৰে তেজৰ খুব জৰুৰী প্ৰয়োজন বুলি কৈছিল। পিছে মেডিকেল কলেজৰ ব্লাডবেংকত তেজ



সংৰক্ষণৰ ব্যৱস্থা নাই। তেজ দিব পৰা মানুহ পইচা দি গোটাই আনিলে বিভাগীয় মানুহে কেৱল মানুহটোৰ পৰা তেজখিনি লৈ বটল এটাত ভৰাই দিয়ে। তেজৰ ভাগ অনুসৰি তেজদান কৰা মানুহবোৰে ডেৰশ দুশ টকালৈকে লয়। সিদিনা মই তেজ জোগাৰ কৰিব নোৱাৰিলো। কাৰণ তেতিয়ালৈকে মই অফিচৰ লৱাৰ গ্ৰেড এচিষ্টেণ্ট এটাহে আছিলো। মোৰ লৰাটো সেই দিনাই কিছু পৰৰ মূৰত মৰি থাকিল। সিদিনা মোৰ সঁচাকে খং উঠিছিল। ডাক্তৰবোৰৰ ওপৰত খং উঠিছিল, মটৰ দ্ৰাইভাৰটোৰ ওপৰত খং উঠিছিল, তেজ বিক্ৰী কৰা মানুহবোৰলৈ খং উঠিছিল। কিন্তু পিচত মই ভালদৈ ভাবিচাই দেখিলো যে তেজ বিক্ৰী কৰা মানুহ কেইটা প্ৰকৃততে তো মোৰেই নিচিনা। মই যেনিবা ঘৰ সজা, পুলবন্ধা এইবোৰ ঠিকা লওঁ। আৰু সিহঁতে—ঠিক ঠিকা নহলেওঁ প্ৰায় তেনে এটা ব্যৱসায়কেটো কৰিছে। হাজিৰা হিচাপত তেজৰ ব্যৱসায়।

আজি এবছৰ মানৰ আগতে পঢ়া এখন কিতাপৰ কথা মনত পৰিছে। কিতাপৰ নাম-ধাম পাহৰিলো। কোনে লিখিছিল সেয়াও মনত নাই। বোধহয় তাতে পাইছিলো যে চৌধশ বিৰান্নবৈ চনত কলম্বাচে যেতিয়া আমেৰিকা আবিষ্কাৰ কৰিছিল ঠিক সেই একে সময়তে ৰোমৰ এজন ডাক্তৰে তিনিটা ডেকালৰাৰ দেহৰপৰা তেজলৈ মুমূৰ্ষ বৃদ্ধ অষ্টম পোপৰ শিৰাত প্ৰৱেশ কৰোৱাইছিল। যদিও ইয়াৰ ফলত সেই তিনিওজন ডেকাৰ লগতে বৃদ্ধ পোপ নিজেও মৃত্যুমুখত পৰিছিল তথাপি এজনৰ গাৰ তেজ অন্য এজনৰ দেহাত দিয়াৰ এইটোয়ে বোধহয় পৃথিবীৰ প্ৰথম প্ৰচেষ্টা। তাৰ পিচত এই সমস্যাটোৰ ওপৰত বিভিন্ন ঠাইত বিভিন্নজনে কেনেদৰে পৰীক্ষা-নিৰীক্ষা কৰিছিল তাৰ বৰ্ণনা কিতাপ খনত আছে। তাতেই বোধহয় পাইছিলো যে তেজ সংৰক্ষণৰ অতি উন্নত প্ৰণালীৰ উদ্ভাৱন হৈছিল ঊনৈশ শ' ছয়ত্ৰিশ চনতে ৰাছিয়াত।

বহুত দিনৰ আগতে পঢ়া কিতাপৰ কথা এইবোৰ। আজিকালি এইবোৰ কিতাপ মই নপঢ়ো। প্ৰসঙ্গক্ৰমেহে আজি মাত্ৰ কথাটো মনত পৰি গ'ল। আজিকালি হাঁহ-কুকুৰা পালন, শাক-পাচলিৰ খেতি, মীন সংৰক্ষণ—এই ধৰণৰ কথা থকা কিতাপ-পত্ৰহে মোৰ ভাল লগা হৈছে। মই মানুহটো আচলতে প্ৰেকটিকেল হৈ পৰিছো।

হলেও মেডিকেল কলেজত ব্লাডবেংক এটা অন্ততঃ লাগে। অন্যান্য বস্তুবোৰো লাগে। ভৱিষ্যতে এদিন সকলোবোৰ নিশ্চয় হবগৈও চাগে। মাত্ৰ ১৯৩৬ চনত ৰাছিয়াৰ তেওঁলোকে ব্লাডবেংক উলিয়ালে। এতিয়া চন উনৈশ শ' ছয়সত্তৰ হে। লাহে লাহে ইয়াতো সকলো হ'ব। এতিয়ালৈকে যে কিয় হোৱা নাই তাৰ কাৰণটো অলপতেহে মোৰ বন্ধুজনে বুজাই দিছে। তেওঁ কলে ঃ আমাৰ দেশ এখন উন্নয়নশীল দেশ। এ ডেভেলপিং কান্ট্ৰি।



OKDISCD

টকা পইচাৰ বহুত সমস্যা আছে। অৰ্থনৈতিক স্বয়ং সম্পূৰ্ণতা আহি পোৱা নাই। গতিকেই কামবোৰ লাহে লাহে হৈছে ইত্যাদি।

ডেভেলপিং মানেনো কি, ডেভেলপিঙৰ কিমান দিনৰ পিচত এখন দেশ পুৰাপুৰি ডেভেলপদ হ'ব পাৰে অথবা সকলোবোৰ ডেভেলপিং দেশতে এনেকুৱা সমস্যাবোৰ থাকে নেকি—এইবোৰ মোৰ জনা নাই। পিছে বুৰ্বকৰ দৰে সিদিনা মই সেই সাজি থকা প্ৰকাণ্ড মন্দিৰটো, ষিৰাট ক্লাবঘৰটো, জুৱাৰী বাদচাহ খানৰ প্ৰকাণ্ড তলাতল ঘৰটো—এনেকৈ ইটো সিটো দুই এটা ইঁটা চিমেণ্টৰ লগত লাখটকা ঢালি সজা বস্তুৰ কথা কবলৈ লওঁতেই মোৰ বন্ধুজনে মুখত আঙুলি এটা দি এটা চকু টিপমাৰি বন্ধ কৰিবলৈ ক'লে।

তেতিয়াৰ পৰাই মই লোকৰ কথাত মাত মতা বা লোকৰ কামলৈ চকু দিয়া পৰাপক্ষত বন্ধ কৰিছো। বন্ধুজনে মোক কিছুমান নতুন কথা শিকালে। মোক গুপুত মন্ত্ৰ দিলে। ডাঙৰ মানুহজনৰ লগত মোৰ ভিতৰুৱা সম্পৰ্কৰ সুবিধা কৰি দিলে। এই সম্পৰ্ক কেনেকৈ ঘটিছে, মোৰ দৰে লৰাৰগ্ৰেদ এচিষ্টেণ্ট এটাৰ তেওঁৰ লগত কেনেকৈ চিনা-পৰিচয় হৈছে বা মোৰ কেনেকৈ নতুন ব্যৱসায়লৈ উত্তৰণ হৈছে সেই কথা মই নকওঁ। প্ৰকৃততে এইবিলাক কথা ৰাজহুৱা ভাৱে কবলগীয়া নহয়। মুঠতে তেওঁ মোক মৰম কৰিছে। সৰু সুৰা ঠিকা-ঠুকলী দিছে। মোৰ ভাত মুঠিৰ চিন্তা মৰিছে। মেডিকেল কলেজত সাজিব খোজা নতুন আঁচনি এটাৰ ঠিকাও মোক দিম বুলি তেওঁ কথা দিছে। সেইটো ব্লাডবেংকৰ আঁচনিও হ'ব পাৰে, থোৰাচিক ছাৰ্জাৰীৰ ইউনিটো হব পাৰে অথবা অন্য নতুন কিবা এটাও হ'ব পাৰে। গতিকে আজি মোক তেওঁ মাতি পঠোৱাৰ গুৰিতে মই যথেষ্ট আশাৰ আলোক দেখিব পাইছোঁ।

খুবচান্দৰ দোকানৰ ডাঙৰ চাই বটল এটা কাগজেৰে বিস্কুটৰ পেকেট মেৰিওৱাদি মেৰিয়াই মই কাষলতিৰ তলতে সুমুৱাই ললো। পথ ক্ৰমাৎ চমু চাপি আহিছে। এটা সময়ত লোহাৰ গেটখনেদি সোমাই মই চাৰ্কিট হাউছৰ খটখটীত ভৰি দিলোগৈ। বাহিৰৰ বহুত মানুহ বৈ আছে। ডাঙৰ মানুহজনৰ কোঠাৰ ভিতৰতো বোধহয় দুই এজন আছে! দুপইচা নতুনকৈ ঘটাৰ বাট এটা পোৱাৰ আগ্ৰহত মোৰ মনটো উচপিচাই আছে। এবাৰ কোঠাটোৰ দুৱাৰৰ পৰ্দাৰ ফাঁকেৰে ভুমুকিয়াওঁতে মানুহজনে মোক বোধকৰো দেখিলে আৰু ভিতৰলৈ মাতি নিলে। মই দুই হাত জুৰি এটা নমস্কাৰ জনালো। ভিতৰৰ বাকী দুজন মানুহ ওলাই অহাৰ পিচত মই কাষলাতিৰ তলৰ টোপোলাটো তেওঁলৈ আগবঢ়াই দিয়াত তেওঁ মিচিকিয়াই হাঁহি এটা মাৰি গ্ৰহণ কৰিলে আৰু কৃত্ৰিম গাম্ভীৰ্যৰে কলে: তোমাক মই মাতি পঠাইছিলো। এটা নতুন কাম আৰম্ভ কৰিব লাগে। [৫৭ পিঠিত চাওক]



## শিল্প সাহিত্য চিন্তা :
## উচ্চাংগ সংস্কৃতি তথা ধ্ৰুপদী সাহিত্য

পোলেন বৰকটকী

আজিৰপৰা ডেড় বছৰমান আগৰ কথা। জনৈক বন্ধুৱে হাতত এখন নতুন আলোচনী লৈ মোৰ ওচৰলৈ আহি মোক কেইটামান প্ৰশ্ন কৰিছিল। বন্ধুজনৰ চকুৱে মুখে প্ৰকাশ পোৱা খং আৰু বিৰক্তিলৈ চাই মই বুজি পাবৰ চেষ্টা কৰিছিলোঁ ঘটনাটোৰনো গুৰি ক'ত ? তেওঁ মোক আলোচনী-খন দেখুৱাই সুধিলে : এইখন পঢ়িছানে ?

মই তেনেকুৱা কিবা এখন আলোচনী যে বিৰাট ধুম ধুপালকৈ প্ৰকাশ পাইছে সেইটো জানো, কিন্তু তেতিয়ালৈকে মই পঢ়া নাছিলোঁ। আৰু প্ৰকৃততে পঢ়াৰ প্ৰতি কোনো আগ্ৰহ বা কৌতূহলো নাছিল। মই সেই কথাকেই বন্ধুজনক কলোঁ।

বন্ধুজনে কিন্তু পূৰ্বৰ খং আৰু বিৰক্তি হঠাতে একপ্ৰকাৰ অসহিষ্ণুভাবে প্ৰকাশ কৰি কৈ উঠিল : এইবোৰ বন্ধ কৰা উচিত। শুনাচোন কি লিখিছে। বন্ধুৱে আলোচনীখনৰ 'মহৎ উদ্দেশ্যৰ' পৰা আৰম্ভ কৰি মাজে মাজে দুই এটা ৰন্ধ্ৰৰ বক্তব্য পঢ়ি শুনালে। বন্ধুজনক তেতিয়া বুজাবলৈ চেষ্টা কৰিলোঁ যে এইবোৰ কেইজনমান কাম নোহোৱা মানুহৰ কামত ইমান বেচি চিন্তিত হোৱাৰ প্ৰয়োজন নাই। চহৰ নগৰত যিদৰে মুষ্টিমেয় এশ্ৰেণী লোকৰ পত্নীয়ে ( যিসকল প্ৰকৃততে স্বামীৰ এক মূল্যবান ভোগ্য সামগ্ৰীহে ) ড্ৰয়িং ৰূমত হামিয়াই হিকটিয়াই উল গুঠি থাকি আমনি পাই মহা উল্লাসেৰে 'ডগ শ্ব', 'ফ্লাৱাৰ শ্ব' পতাত লাগি যায়, ঠিক একে দৰে এচাম তথাকথিত শিল্পী-সাহিত্যিক বুদ্ধিজীৱীয়েও ( যি সকলে অৰ্থনৈতিকভাৱে নিৰাপদ সা-সুবিধা ভোগ কৰি আছে, তেওঁলোকে ) ড্ৰয়িং ৰূমত বিভিন্ন কথাৰ মহলা মাৰি থাকি আমনি লাগিলে অত্যুৎসাহেৰে এনেকুৱা কামকেই কৰে। গতিকে তেওঁলোকৰ কথা-কামত গুৰুত্ব দিবলগীয়া একো নাই।

বন্ধুজন কিছু সৈমান হ'ল যদিও তেওঁ মোৰ ওপৰত ব্যক্তিগত ভাবে এটা স্বৰ্ত জাপি দিলে। স্বৰ্ত হ'ল : মই প্ৰকৃততে এই বিষয়টোত কি ভাবো ৰাজহুৱাভাবে জনাব লাগিব। বন্ধুজনৰ সেই স্বৰ্তত সেইদিনা মই



OKDISCD

মান্তি হৈছিলোঁ। পূর্ব প্রসংগ হিচাপে ব্যক্তিগত কথাৰে আৰম্ভ কৰিব-লগীয়া হোৱাত পাঠকৰ ওচৰত ক্ষমা খুজিছো। এতিয়া আমি মূল কথালৈ আহোঁ।

বন্ধুজনৰ কথা সম্পূর্ণ দলিয়াই পেলাব নোৱাৰি। কিছু দিনৰপৰা নিজক উচ্চ মননশীল আৰু প্রতিভাশালী লেখক-কবি-বুদ্ধিজীৱী বুলি পৰিচয় দিব খোজা এচাম আৰু তেওঁলোকৰ এই পৰিচিতিতেই চমৎকৃত হোৱা পল্লৱ-গ্ৰাহী এচাম লোকৰ মিলিত গোষ্ঠীয়ে এক সাংস্কৃতিক আন্দোলন চলোৱাত অত্যুৎসাহী হৈ পৰা দেখা গৈছে। তেওঁলোকে নিজৰ ভিতৰত কিছুমান অবাস্তৱ আৰু বিমূর্ত সমস্যাৰ সৃষ্টি কৰি তাৰ ওপৰত গুৰু গম্ভীৰ তথাকথিত তাত্বিক আলোচনা-সমালোচনাৰ পাতনি মেলি নিজৰ পাণ্ডিত্য প্রদর্শনৰ প্রয়াস কৰাৰ লগতে সর্বসাধাৰণকো চমকিত কৰি তোলাৰ এক আন্দোলন চলাবলৈ তৎপৰ হৈপৰা দেখা গৈছে। তেওঁলোকে সমাজখনত সাহিত্য-সংস্কৃতিৰ এটি উচ্চাংগ ৰূপ সক্রিয় হোৱাটো বিচাৰে, – অসমীয়া সমাজত তাৰ প্রতিষ্ঠা তথা বিকাশ সাধনৰ বাবে প্রয়োজনীয় সাংস্কৃতিক চৰিত্রৰ সামাজিক দায়বদ্ধতাৰ বোধ জাগ্রত কৰি ৰাখিবলৈ তেওঁলোকে আন্দোলন চলাইছে। তেওঁলোকৰ দুর্বোধ্য ভাষা-পৰিভাষা নুবুজা সকলক তেওঁলোকে আখ্যা দিছে 'নব্য-নিৰক্ষৰ' (Neo-illiterate)।

নব্য-নিৰক্ষৰতাৰ সমস্যা তেওঁলোকৰ মতে এক গভীৰ সমস্যা। (যিখন দেশত নিৰক্ষৰেই হ'ল শতকৰা ৮০জন, তাত আকৌ নব্য-নিৰক্ষৰ সমস্যা!)

সি যি কি নহওক, কোনে কত কি মনে-সজা সমস্যা উলিয়ায় তাৰ বিচাৰলৈ নগৈ আমি এতিয়া অলপ বিচাৰ কৰি চাওঁ, উচ্চাংগ সংস্কৃতি কিম্বা ধ্রুপদী সাহিত্য (Classic literature) বুলি যদি কিবা বস্তু আছে সেইবোৰ দৰাচলতে কি, কাৰ বাবে আৰু কেনে পৰিস্থিতিত সৃষ্টি হ'ব পাৰে।

## বৈষম্যমূলক সমাজব্যৱস্থাত ধ্রুপদী সাহিত্যৰ সৃষ্টি সম্ভৱনে?

ধ্রুপদী সাহিত্য বুলিলে আমি অতীতলৈকে চাব লাগিব। আমি যদি অতীতলৈ উভতি যাওঁ দেখিম যে আমি তথাকথিত ধ্রুপদী বুলি চিহ্নিত কৰা বা আখ্যা দিয়া শিল্প-সাহিত্য সৃষ্টি হৈছিল এক বিশেষ পৰিবেশত। অতীতত সেই শিল্প সাহিত্য ৰচনা কালত লেখক-শিল্পীয়ে সেয়া সৃষ্টি কৰিছিল এক বিশেষ শ্রেণীৰ পাঠকৰ বাবে। অতীতৰ সেই এক সময়ত লেখকৰ বাবে শ্রোতা-জনতা আছিল এক বিশেষ শ্রেণীৰ অন্তর্ভুক্ত। ৰজা কিম্বা শাসক শ্রেণীৰ দ্বাৰা পুষ্ট হৈ লেখকেও চকুৰ আগত দেখা পাইছিল তেওঁৰ বাস্তৱ পাঠক (Real public) শ্রেণীটোকহে। এই বাস্তৱ পাঠক শ্রেণীটোৰ (অভিজাত শ্রেণীটোৰপৰা ৰাজন্যবর্গলৈ যি শ্রেণী) মাজৰে লেখকজন নিজেও আছিল এজন। আনহাতে আমি স্থানান্তৰত কৈ অহা যি Virtual public





অর্থাৎ লেখকৰ পৰা আপাততঃ ঢুকি পোৱাৰ বাহিৰত থকা জনসাধাৰণৰ (লেখকৰ মনত) কোনো অস্তিত্বই নাছিল। গতিকে লেখকৰ মনত বিশেষ এক গোষ্ঠী (elite)ৰ সমস্যাৰ বাহিৰে আন কাৰো সমস্যা নাছিল। তেওঁৰ পৰিচিত পৃথিৱীখন আছিল সেই বিশেষ গোষ্ঠীৰ লোকৰ পৃথিৱী, য'ৰ তেওঁ নিজেও আছিল এজন অভ্যস্ত বাসিন্দা। তেওঁৰ পৰিচিত পৃথিৱী-খনৰপৰা ওলাই গৈ আন এখন অচিনাকী পৃথিৱীৰ কিছুমান অচিনাকী মানুহৰ (জনসাধাৰণ) মাজত সোমাই কিছুমান আচহুৱা চাৰনীৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল। কাৰণ সেই পৃথিৱীখনৰ, দৰাচলতে, লেখকৰ বাবে অস্তিত্বই নাছিল। ফলস্বৰূপে, লেখকৰ সন্মুখত কোনো ধৰণৰ দ্বন্দ্ব উপস্থাপিত হোৱা নাছিল। তেওঁৰ লেখনিত সকলোপিনৰপৰা প্রায় সমান অধিকাৰ আৰু সুবিধা ভোগ কৰি থকা বিশেষ গোষ্ঠীটোৰ (য'ৰ লেখকজনো এজন) চিন্তাৰ প্রতিফলন ঘটিছিল। লেখকৰ কোনো ধৰণৰ সমালোচনামূলক দৃষ্টি-ভংগী নাছিল। অন্য কথাত, বিশেষ গোষ্ঠী (elite)ৰ আদর্শৰে অনুপ্রাণিত

---

[৫৪ পিঠিৰ পিচৰ অংশ]

হাততে সৰগ ঢুকি পোৱাৰ দৰে পাই আগ্রহ আৰু আনন্দেৰে সুধিলোঁ: ক'ত ছাৰ?

: মেডিকেল কলেজত। তুমি পাৰিবা নহয়?

: আপোনাৰ অনুগ্রহ ছাৰ। পাৰিম, পাৰিম। কিন্তু কামটো কি ছাৰ?

তেওঁ আকৌ এটা হাঁহি মাৰিলে। তাৰ পিচত চকীখনত আউজি বহি ক'লে: আমি এটা নতুন প্লেন কৰিছোঁ। মেডিকেল কলেজত হাততে পোৱাকৈ বাহঁৰ চাঙী কিছুমান ৰখাৰ কথা ভাবিছো।

: চাঙী! মই আচৰিত হ'লোঁ।

তেওঁ পুনৰ কলে: অঁ চাঙী। আচৰিত হবলৈ কিটো আছে? মেডিকেল কলেজত দিনৌ কিমান ৰোগী মৰি আছে দেখা নাইনে? মৰাশ শ্মশানলৈ নিবলৈ বহুত সময়ত চহৰৰ মাজত বাহঁৰ চাঙী এখনেই সমস্যা হৈ নুঠেনে? গতিকে আমি ভাবিছো, বিচাৰিলেই হাততে পোৱাকৈ সাজি থোৱা চাঙী কিছুমান সুলভ মূল্যত পালে মানুহবোৰৰ বহুতখিনি কষ্ট লাঘৱ হ'ব। আইডিয়াটো ভাল বুলি ভাবিছোঁ। কামটো পিছে সোনকালেই আৰম্ভ কৰিব লাগে। পাৰিবাতো?

কথাকেইটা কৈ মানুহজনে মোৰ উত্তৰলৈ ৰোবকৰোঁ ক্ষন্তেক বাটচালে। কিন্তু মোৰ অনুমান হ'ল যেন মোৰ দেহৰ গোটেইখিনি তেজ ভৰিৰ তলুৱাদি হুৰুস্‌কৈ সৰকি মাটিত সোমাই পৰিছে আৰু নিজকে মোক চাঙীত উঠাবলৈ লোৱা জঠৰ মৰাশ এটাৰ দৰে অনুভূত হৈছে। +++





OKDISCD

লেখকজন তেওঁৰ লেখনিত নিজেই প্ৰতিফলিত হৈছিল আৰু তেওঁ বাস কৰা সমাজখনৰ প্ৰতিজনে সেই আয়নাত নিজকে প্ৰতিফলিত হোৱা যেন দেখি লেখকৰ সৈতে একাত্মবোধ স্থাপন কৰিব পাৰিছিল; লেখকজন সমাদৃত হৈছিল। "................ যিহেতু Virtual public ৰ অস্তিত্বই নাছিল, যিহেতু লেখক-শিল্পীয়ে সমালোচনা-বিমুখ হৈ নিজৰ গোষ্ঠীৰ আদৰ্শকে গ্ৰহণ কৰিছিল, সেইবাবে তেওঁ তেওঁৰ পাঠকৰ একান্ত সহযোগী হৈ পৰিছিল। তেওঁৰ কামত তেওঁক কোনো আচহুৱা চাৰনীয়ে আমনি কৰা নাছিল। লেখক-কবি কোনো সমালোচনাৰ বিষয় হোৱা নাছিল। তেওঁ (লেখকে) তেওঁৰ সৃষ্টিত সাহিত্যৰ অৰ্থ বা মূল্যায়ন সম্পৰ্কে কোনো স্থিৰ সিদ্ধান্ত নল'লেও চলিছিল; কিয়নো, ইয়াৰ অৰ্থ বা মূল্যায়ন নিৰূপিত হৈছিল পৰম্পৰাৰ দ্বাৰা। ধৰ্মীয় সংস্কাৰ-অধ্যুসিত সমাজত সুসংহতৰূপে বাস কৰি থকা এই লেখকসকলে নিজৰ 'স্বকীয়া' অস্তিত্বৰ গৌৰব কিম্বা বেদনা অনুভৱ কৰা নাছিল। তেওঁলোকে সমাজৰ মূল প্ৰবাহৰ বিপৰীতে সুকীয়াকৈ থাকিব বিচৰা নাছিল। চমুকৈ, তেওঁলোক classical আছিল। **There is classicism when a society has taken on a relatively stable form and when it has been permeated with the myth of perenniality, that is, when if confounds the present with the eternal and historicity with traditionalism......(Jean-paul Sartre : What is Literature )**

ধ্ৰুপদী সাহিত্য সম্ভৱ হয় আপেক্ষিক সমতাৰ ভিত্তিত প্ৰতিস্থিত এখন স্থিতিশীল সমাজতহে, য'ত দ্বন্দ্ব নাই, বৈষম্য নাই। কাৰণ, তেনে এখন সমাজতহে শিল্প সাহিত্যই সকলো মানুহৰ বাবে স্থান-কালৰ সীমা চেৰাই শাশ্বত বুলি পৰিগণিত হ'ব পাৰে। সোতৰ-ওঠৰ শতিকাৰো বিশ্বৰ সকলো তথাকথিত ধ্ৰুপদী সাহিত্যৰ ক্ষেত্ৰতো ওপৰৰ বিশ্লেষণ প্ৰযোজ্য হয়। এইখিনিতে কোনোৱাই প্ৰশ্ন কৰিব পাৰে: সেই সময়ত জানো বৈষম্য নাছিল? বৈষম্য নথকা নহয়, আছিল, কিন্তু লেখকে তেওঁৰ নিবিড় সংস্পৰ্শত থকা বিশেষ গোষ্ঠীৰ মানুহচামৰ মাজৰপৰা মূৰ ডাঙি তেওঁৰপৰা বহু দূৰৈত থকা জনসাধাৰণক চোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা নাছিল। আনহাতে, সেই জনসাধাৰণো ইমান নিষ্ক্ৰিয় আৰু মূক আছিল যে তেওঁলোকৰপৰা লেখকৰ সমাজত দ্বন্দ্বৰ সৃষ্টি হোৱা নাছিল। লেখকৰ সমাজত একে সময়তে লেখকজনে সেই জনসাধাৰণৰ 'অস্তিত্ববিহীন' অস্তিত্বৰ সৈতে (গৰু-ছাগলী আদি প্ৰাণী সমূহৰ দৰে) অতি স্বাভাৱিক সহ-অৱস্থান কৰি আছিল। জনসাধাৰণৰ অস্তিত্ব আন প্ৰাণী সমূহতকৈ কোনো গুণে সুকীয়া নাছিল, যদিও দুই একক সেই জনসাধাৰণৰ প্ৰতি কৰুণা প্ৰদৰ্শন কৰা (আন প্ৰাণী সমূহক কৰাৰ দৰে) দেখা গৈছিল—যাক আকৌ বহুতে 'মানৱতাবাদ' বুলি আখ্যা দিব খোজে। (কৰুণা প্ৰদৰ্শনেই মানৱতাবাদ নেকি ?) ফলস্বৰূপে লেখকৰ সমাজখন—সুবিধাভোগী শ্ৰেণীটোৰ সমাজখন—আপেক্ষিক সমতাৰ ভিত্তিত স্থাপিত আৰু এখন স্থিতিশীল সমাজ আছিল। লেখকে তেওঁৰ ধ্যান-ধাৰণা, তেওঁৰ সৃষ্টিৰ মাজত তেনে এখন সমাজেৰেই বৰ্তমান অথবা ভৱিষ্যত নিৰ্ধাৰণ কৰিবলৈ গৈ, লগতে নিজে পৰম্পৰাৰ দ্বাৰা পৰিচালিত হৈ তথাকথিত ধ্ৰুপদী সাহিত্য সৃষ্টি কৰিবলৈ অনুপ্ৰেৰণা পাইছিল। সেইখন সমাজত কোনো ধৰণৰ দ্বান্দ্বিক প্ৰক্ৰিয়াৰ দ্বাৰা লেখকৰ চিন্তা বা ধ্যান-ধাৰণা প্ৰভাৱান্বিত হোৱা নাছিল। আপেক্ষিক এখন স্থিতিশীল সমাজত লেখকে তেওঁৰ সমাজখনৰ মানুহক প্ৰতিফলিত কৰাৰ নামত তেওঁ নিজকে প্ৰতিফলিত কৰিছিল। তেওঁ কোনো ধৰণৰ বিৰোধীতাৰ সন্মুখীন হোৱা নাছিল আৰু হ'ব খোজাও নাছিল। আনহাতে, তেওঁলোকে যি শিল্প সাহিত্য সৃষ্টি কৰিছিল, তাৰ মাজত তেওঁলোকৰ প্ৰতিভা অনুসাৰে সেই আপেক্ষিক স্থিতিশীল তেওঁৰ সমাজখনৰ মানুহখিনিৰ সুখ-দুখ, আশা-আকাংক্ষা, হাঁহি কান্দোনৰ মূৰ্ত প্ৰতিফলন ঘটাবলৈ সক্ষম হৈছিল বাবেই তেওঁলোকৰ সৃষ্টিক সেই মানুহখিনিয়ে আদৰি লৈছিল, লেখকজন তেওঁলোকৰ আপোন হৈ পৰিছিল।

আকৌ, আনপিনে, যুগে যুগে মানুহৰ সমাজত পৰিবৰ্তন আহি থকা সত্বেও দেখা যায় যে প্ৰতিটো যুগতেই অতীজৰ সেই আপেক্ষিক স্থিতিশীল আৰু আপেক্ষিক সম-অধিকাৰ ভোগকৰা মানুহৰ সমাজখনৰ স্মৃতি চিহ্ন (Replica) হিচাপে এচাম সুবিধাভোগী লোকৰ এখন সমাজ ভগ্নৰূপত হ'লেও আজিলৈকে বৰ্তি আহি আছে। আনহাতে, সময়ৰ লগত এইচাম লোকৰ স্বাৰ্থপৰতা, আশা-আকাংক্ষা আদিৰ বিশেষ পৰিবৰ্তন হোৱা নাই বাবেই প্ৰতিটো যুগতেই এইচাম লোকে অতীজৰ সেই সমাজখনৰ মানুহবোৰৰ সৈতে একাত্মবোধ স্থাপন কৰিব পাৰে আৰু যিহেতু অতীজৰ সেই তথাকথিত ধ্ৰুপদী সাহিত্যৰ মাজত নিজক প্ৰতিফলিত হোৱা যেন দেখে, সেয়েহে আজিও এইচাম লোকে সেই সাহিত্য সংস্কৃতিক শাশ্বত বুলি জ্ঞান কৰে। আনকি, ছেক্সপীয়েৰৰ সাহিত্য সম্পৰ্কতো একে কথাই প্ৰযোজ্য হয়।

ওপৰৰ বিশ্লেষণৰ পৰা আমি ধ্ৰুপদী আখ্যা দিয়া সাহিত্যৰ সৃষ্টি সম্পৰ্কত এটা কথা স্পষ্টভাৱে বুজিব পাৰিছোঁ (স্ৰষ্টাসকলৰ প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধা ৰাখিও) যে উচ্চাংগ সংস্কৃতি কিম্বা ধ্ৰুপদী সাহিত্যৰ ধাৰণা এক আপেক্ষিক ধাৰণা অথবা এক ভ্ৰান্ত ধাৰণা। সেই ধাৰণাৰ দ্বাৰা পৰিচালিত হৈ আমি যদি আজিও ধ্ৰুপদী সাহিত্য কিম্বা উচ্চাংগ সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰাৰ নামত উঠি পৰি লাগোঁ, তেনেহ'লে তাৰ ফলাফল কি হ'ব পাৰে, সেই কথাও অলপ আলোচনা কৰি চাওঁচোন।

পূৰ্বতে কোৱা হৈছে যে ধ্ৰুপদী সাহিত্য সৃষ্টিৰ বাবে মূল প্ৰয়োজনীয় পৰিবেশ হৈছে এখন আপেক্ষিক স্থিতিশীল আৰু দ্বন্দ্ববিহীন সমাজ। শিল্প-সাহিত্যৰ সৃষ্টি হয় সমাজ জীৱনৰ মাজত। ক্ৰিষ্টোফাৰ কডৱেলে



OKDISCD

তেওঁৰ 'ইল্যুচন এণ্ড ৰিয়েলিটি' নামৰ গ্ৰন্থত এটা সুন্দৰ উপমা দিছে। শিল্প-সাহিত্য হ'ল মুকুতা আৰু সমাজ হ'ল শংখ। শংখ বাদ দি যিদৰে মুকুতাৰ কল্পনা কৰিব নোৱাৰি, সেইদৰে সমাজক বাদ দি শিল্প-সাহিত্যক কল্পনা কৰিব নোৱাৰি। সকলো শংখৰ মাজতে আকৌ মুকুতা সৃষ্টি হ'ব নোৱাৰে। ঐতিহাসিক বিচাৰত বিশ্লেষণ কৰি চালেও এটা কথা ওলাই পৰে যে মানুহৰ সমাজখন অতীজৰ দৰে স্থিতিশীল হৈ থকা নাই। সি ক্ৰমে ক্ৰমে গতিশীল হৈ আহি আছে আৰু এই গতিশীলতাৰ বাবেই ব্যক্তি তথা সমাজ জীৱনত বিভিন্ন দ্বন্দ্ব, বিভিন্ন বৈষম্যৰ উদ্ভৱ হৈ আহি আছে। এই গতিশীলতাৰ উৎস বিচাৰি গলে আমি দেখা পাওঁ যে মূলতঃ এই গতিশীলতাৰ বাবে অতীজৰ সেই আপেক্ষিক স্থিতিশীল সমাজখনত বাস কৰা সুবিধাভোগী আৰু আপেক্ষিক সম-অধিকাৰ ভোগী শ্ৰেণীটো দায়ী নহয়। কাৰণ, লেখকজন বাস কৰা সেই সমাজখনৰ মেই মানুহচামৰ বিশেষ পৰিৱৰ্তন আজিকোপতি হোৱা নাই; তেওঁলোকৰ স্বাৰ্থপৰতা, তেওঁলোকৰ সুখ-দুখ, তেওঁলোকৰ আশা-আকাংক্ষাৰ বিশেষ মৌলিক পৰিৱৰ্তন কোনো যুগতে হোৱা নাই। সেইকথা পূৰ্বতে কোৱা হৈছে। আনহাতে, পৰিৱৰ্তন আহিছে অতীজৰ লেখকজনৰ সমাজখনৰ বাহিৰত ৰোৱা নগণ্য অস্তিত্বৰ সেই লোকচামৰ মাজততহে। অৰ্থাৎ, পৰিৱৰ্তন আহিছে লেখকৰ দৃষ্টিৰ বাহিৰত ৰোৱা সেই জনসাধাৰণ (Virtual public) ৰ মাজততহে। ক্ৰমে ক্ৰমে জনসাধাৰণে লেখকৰ স্থিতিশীল সমাজখনৰ মাজলৈ 'অনুপ্ৰৱেশ' কৰি আহিছে, আৰু তেওঁলোকৰ এই 'অনু:বেশ'ৰ ফলস্বৰূপে আপেক্ষিক স্থিতিশীল সমাজলৈ ক্ৰমে ক্ৰমে আহি পৰিছে বিভিন্ন দ্বন্দ্ব, বিভিন্ন বৈষম্য। তেওঁলোকৰ এই 'অনুপ্ৰৱেশ' ঘটাৰ লগে লগে অতীজৰ সমাজ-জীৱনত বিৰাজ কৰা সমতা তথা ভাৰসাম্য হ্ৰাস পালে। যুগে যুগে বঞ্চিত এইচাম লোকৰ 'অনুপ্ৰৱেশ' বৃদ্ধি পোৱাৰ লগে লগে সমাজ জীৱনৰ ভাৰসাম্যও ক্ৰমে ক্ৰমে হেৰাই আহিল। সমাজ হৈ পৰিল গতিশীল। আৰু আজিৰ দিনটোত যদি আমি সমাজ-জীৱন প্ৰত্যক্ষ কৰোঁ, দেখিম যে বিভিন্ন দ্বন্দ্ব আৰু বৈষম্যৰ ক্ৰিয়াত ই অস্থিৰ, টলমল। এই অস্থিৰতা, এই গতিশীলতা, এই দ্বন্দ্ব ক্ৰমাৎ প্ৰকট হৈ পৰিছে এই বাবেই যে অতীজৰ অস্তিত্ববিহীন সেই জনসাধাৰণে নিজৰ অস্তিত্ব অকল উপলব্ধি কৰাই নহয়, তেওঁ তাক প্ৰতীয়মান কৰিবলৈ আগবাঢ়ি আহিছে। সাধাৰণভাৱে, এটা বস্তুৰে যেতিয়া বাহিৰা কোনো এক শক্তিৰ প্ৰভাৱত নিজৰ ভাৰসাম্য হেৰুৱায়, তেতিয়া তাক পুনৰ স্থিৰ অৱস্থালৈ আনিব পৰা যায় হয়তো দুটা উপায়ে। এটা হ'ল, সেই বাহিৰা শক্তিক সম্পূৰ্ণ বিনষ্ট কৰি বস্তুটোৰ পূৰ্বৰ অৱস্থা ফিৰাই অনা আৰু আনটো হ'ল বাহিৰা শক্তিৰ সম্পূৰ্ণ বিপৰীতে সমান শক্তি প্ৰয়োগ কৰি বস্তুটোৰ ভাৰসাম্য ৰক্ষা



কৰা। এতিয়া এই সূত্ৰটো যদি সমাজ-জীৱনত প্ৰয়োগ কৰি চাওঁ, দেখিম যে অতীজৰ আপেক্ষিক স্থিতিশীল সমাজখনৰ ভাৰসাম্য নষ্ট কৰা যি 'বাহিৰা শক্তি' সেয়া হ'ল জনসাধাৰণ আৰু সেই বাবেই এই ক্ষেত্ৰত সমাজৰ স্থিতাৱস্থা ঘুৰাই আনিবলৈ এই দুয়োটা পন্থাই অকাৰ্যকৰী। কিয়নো এই 'বাহিৰা শক্তি' গুণগতভাৱে কিম্বা পৰিমাণগতভাৱে পূৰ্বৰ আভ্যন্তৰীণ শক্তিতকৈ বহু বহু গুণে অধিক ক্ৰিয়াশীল। ভাৰসাম্য ঘুৰাই অনাৰ বাবে এই 'বাহিৰা' শক্তিৰ বিপৰীতে শক্তি প্ৰয়োগ কৰিব গ'লেও সেই বাহিৰা শক্তিৰ হাতত সমূলঞ্চে বিনাশ হোৱাৰ আশংকাই বেছি। গতিকে এই 'বাহিৰা শক্তিক' অৱজ্ঞা কৰি নিৰ্জন চেলত সোমাই থাকি অতীজৰ সেই সমাজখনৰ সপোন দেখি থকাতকৈ, এই শক্তিৰ সৈতে নিজক একাত্ম কৰি লৈ ভাৰসাম্য স্থাপন কৰাটোহে সমীচীন হ'ব। অতীতলৈ চাই সুখ-স্বপ্নত বিভোৰ হৈ থাকিলে বাস্তৱত কাৰো একো লাভ নহয়। সেই নষ্টাঙ্গ জিয়া বোধে ক্ষণিকৰ বাবে বিমূৰ্ত পুলকানুভূতি হয়তো জগাই তুলিব পাৰে; বাস্তৱত সিয়ে কাকো একো নিদিয়ে। শংখৰেই অস্তিত্ব নাই য'ত, তাত প্ৰকৃত মুকুতা সৃষ্টিৰ কল্পনা কৰাটো এক অলৌকিক আৰু অবাস্তৱ কল্পনাৰ বাহিৰে আন একো নহয়। অতীতৰ সেই সমাজলৈ উভতি যোৱাৰ বাট আমাৰ বাবে যেতিয়া বন্ধেই, অতীতৰ সেই সমাজ নতুনকৈ পট্টন কৰা যেতিয়া সম্ভৱেই নহয়; তেনেক্ষেত্ৰত অতীতৰ প্ৰতি এই অহেতুক নষ্টাঙ্গ জিয়া আমি পৰিহাৰ কৰাই শ্ৰেয়।

আনহাতে, আজিৰ দিনটোক বৰ্তমান হিচাবে লৈ যদি আমি ভৱিষ্যতলৈ চাওঁ আৰু মুকুতা সৃষ্টিয়েই যদি আমাৰ প্ৰকৃত উদ্দেশ্য হয়, তেনেহ'লে মুকুতা সৃষ্টি হোৱা সেই শংখৰ জন্ম দিবলৈহে আমি চেষ্টা কৰিব লাগিব। অৰ্থাৎ, উচ্চাংগ সংস্কৃতি কিম্বা ধ্ৰুপদী সাহিত্যৰ সৃষ্টি সম্ভৱ কৰি তুলিবলৈ আমি এনে এখন সমাজ গঢ়াৰ চেষ্টা কৰিব লাগিব, যিখন সমাজত বিৰাজ কৰিব সকলোৰে মাজত আপেক্ষিক সমতা, য'ত নাথাকিব কোনো দ্বন্দ্ব বৈষম্য অথবা শ্ৰেণী সংঘাট। তেনে এখন সমাজৰ জন্মৰ সম্ভাৱনা লুকাই আছে নিশ্চয়কৈ ভৱিষ্যতৰ বুকুতহে। যি সন্তানৰ ভ্ৰূণেই সৃষ্টি হোৱা নাই, সেই সন্তানক লৈ কল্পনাবিলাসত মত্ত হৈ থকাতকৈ ভৱিষ্যত সন্তানৰ জন্মদাত্ৰী মাতৃ গৰাকীৰ যত্ন লোৱাটোহে বাস্তৱভিত্তিক কৰ্তব্য। উচ্চাংগ সংস্কৃতি কিম্বা ধ্ৰুপদী সাহিত্য সৃষ্টি সম্ভৱ হ'ব অথবা কোনো সাহিত্য ধ্ৰুপদী বুলি পৰিগণিত হ'ব সেই দিনাহে, যিদিনা সমাজত সকলো লোকে আপেক্ষিক সমঅধিকাৰ ভোগ কৰিব। অন্য কথাত, সমাজৰ উত্তৰণ ঘটিব এনে এক স্তৰলৈ, য'ত প্ৰতিজন মানুহ নিজেই নিজৰ সকলো ধৰণৰ অনুশাসনৰ গৰাকী হব; প্ৰতিজন ব্যক্তি যিদিনা প্ৰকৃত অৰ্থত স্বাধীন হ'ব। [শেষ অংশ ৬৪ পিঠিত]



OKDISCD

# পোৱালি ছাৰ

ৰুবী দেউৰী

—বজাৰখন জুই—ফায়াৰ! ইট্ ইজ্ ডিফিকাল্ট্ টু মীট্ ব'থ্ এণ্ডছ অব্ স্কাইলা এণ্ড্ ছেৰিবডিজ্। —কথাখিনি কাণত পৰাৰ লগে লগেই মই চিগাৰেটটো নজলাই পকেটত সুমুৱাই থলোঁ। কাৰণ এয়া পোৱালি ছাৰৰ বাহিৰে আন কোনো নহয়। ঘূৰি চাই দেখিলোঁ, কাষৰ তামোলৰ দোকান-খনৰপৰা তামোল কিনি থকা অৱস্থাতেই আদবয়সীয়া মানুহ এজনৰ লগত ছাৰে কথা পাতিব ধৰিছে। বজাৰৰ জুই চাই দামৰ বাবে যোৱা মিলাব নোৱৰা অৱস্থাৰ কথা আলোচনা কৰিছে বুলি বুজিলোঁ। মোক তেওঁ দেখা নাই—মই আগবাঢ়ি গলোঁ।

—ছাৰ! —পোৱালি ছাৰ সমন্ধত মোৰ দূৰ সম্পৰ্কীয় পেহা হয় যদিও 'ছাৰ' বুলি সম্বোধন কৰিলেহে ভাল পায়। আনকি মোতকৈয়ো নিকট সম্পৰ্কীয় তেওঁৰ প্ৰাক্তন ছাত্ৰবোৰেও তেওঁক 'ছাৰ' বুলিয়েই কয়।

—আৰে, হৰকান্ত দেখোন...... ! তামোলখন মুখত ভৰাইছেহে তেনেতে মোৰ মাত শুনি তেওঁ ঘূৰি চালে। হেল্ল' হেল্ল', গুড্ আফ্টাৰনুন্, মাই বয়! ইট্ ইজ্ এ বল্ট ফ্ৰম্ ব্লু ডেট্ আই হেভ্ মেট্ ইউ হিয়েৰ! অৰ্থাৎ ছাৰৰ বাবে মোক আজি এই সময়ত শিৱসাগৰৰ এই চৰকাৰী ৰাছষ্টেচনটোত লগ পোৱাটো অপ্ৰত্যাশিত। ছাৰে মোৰ লগত ইংৰাজীৰ বাহিৰে আন ভাষাত কথা পাতিবই নিবিচাৰে। মোক একো কবলৈ সুবিধা নিদি মোৰ পিঠিত থপৰিয়াই থপৰিয়াই আদবয়সীয়া মানুহজনক কোৱা আৰম্ভ কৰি দিলে—ইউ ছি, মিঃ গোস্বামী—আমাৰ গাঁৱৰ এই হৰকান্ত আছিল মোৰ ছাত্ৰ। এ ম'ষ্ট ব্ৰিলিয়াণ্ট ষ্টুডেণ্ট! অল্ টিছাৰ্ছ লভড্ হিম......হি ৱাজ আৱাৰ প্ৰাইড্......আৱাৰ্ আপেল্ অব্ ডিছক'ৰ্ড্!

—আপুনি এসময়ত শিক্ষকো আছিল নেকি? —এইটো স্পষ্ট যে গোস্বামী বোলা মানুহজনে পোৱালী ছাৰ যে আজি দহ বছৰৰ আগলৈকে আমাৰ গাঁৱৰ এম-ই স্কুলৰ শিক্ষক আছিল সেইটো নাজানে।

—অহ্, ইয়েছ ইয়েছ! এজ্ আই ৱাজ্ ছেইয়িং, ডিছ হৰকান্ত ই মেট্ৰিকত চাৰিটা ছাব্জেক্টত—মাইণ্ড ইউ—ইন্ ফ'ৰ ছাব্জেক্টছ লেটাৰ লৈ ফাৰ্ষ্ট ডিভিজনত পাছ কৰিলে। এণ্ড ডেন্ বি-এ'ত ইংলিছ অনাৰ্ছ লৈ ফাৰ্ষ্ট ক্লাছ এণ্ড ইন্ডি লাষ্ট এম,এ ইংলিছত ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট! নাও হি ইজ লেক্চাৰাৰ ইন্ ইংলিছ এট্ গৌহাটি ইউনিভাৰ্ছিটি! হোৱাট এ ব্ৰিলিয়াণ্ট্ বয়।

অচিনাকী মানুহ এজনৰ সন্মুখত আৰু সমগ্ৰ বাছ ষ্টেচনৰ মানুহে শুনাকৈ মোৰ এনে প্ৰশস্তি গোৱা শুনি মই ৰৰ অস্বস্তি অনুভৱ কৰিব ধৰিলোঁ। পোৱালি ছাৰে তেওঁৰ প্ৰাক্তন ছাত্ৰজনৰ গুণাগুণ দেখদেখকৈ বঢ়াই কৈছে। কাৰণ মই এম-ই স্কুলত মজলীয়া ছাত্ৰ আছিলোঁ আৰু বৰ অঘাইতং আছিলোঁ। বাবে ছাৰহঁতৰ চকুৰ মণি (পোৱালি ছাৰৰ ভাষাত আপেল অব্ ডিছক'ৰ্ড!) নাছিলোঁ যে এইটো ঠিক। মেট্ৰিকত মই ফাৰ্ষ্ট ডিভিজনত পাছ কৰিছিলোঁ যদিও এটাও লেটাৰ পোৱা নাছিলোঁ। এম-এ ত মই ফাৰ্ষ্ট ক্লাছ থাৰ্ডহে আছিলোঁ। মোৰ গাত ইংৰাজীৰ গোন্ধ থকাৰ বাবেই ৰোধকৰোঁ পোৱালি ছাৰে মোৰ লগত মাথোন ইংৰাজীতহে কথা পাতে! অৱশ্যে আমাৰ এসময়ৰ ভূগোল, বুৰঞ্জী আৰু অসমীয়াৰ শিক্ষক পোৱালি ছাৰৰ ইংৰাজীৰ প্ৰতি দুৰ্বলতাটো আৰু বেচি পুৰণি। বৃটিছৰ দিনলৈকে তেওঁ উড্ চাহাবৰ বাগানৰ মহৰি আছিল আৰু সেই সময়তেই মুখত ইংৰাজী, গাত হাফ-পেণ্ট-ছাৰ্ট, ভৰিত আঠুলৈকে পৰা মোজাৰে সৈতে জোতা আদিৰে কেতা-দুৰস্ত ছাৰক আমাৰ অঞ্চলৰ সকলোৱে 'ক'লা চাহাব' বুলিয়েই কৈছিল (এতিয়াও তেওঁৰ সমনীয়া দুই এজনে 'ক'লা চাহাব' বুলিয়েই কয়)। তেওঁ উড্ চাহাবৰ বৰ প্ৰিয় আৰু একান্ত ভক্ত আছিল বুলি শুনা যায়। ১৯৪৯ চনত উড্ চাহাবে বাগানখন মাৰোৱাৰী মহাজন এজনক বিক্ৰী কৰি দি বিলাতলৈ যায়গৈ আৰু ফলত আমাৰ পোৱালি ছাৰেও অভিজাত ইংৰাজী চাহাবৰ তলত কাম কৰাৰ পিচত ইংৰাজী নজনা গাদীত বহা দেশীয় মাৰোৱাৰীৰ তলত কাম কৰাটো অপমানজনক বুলি লগে লগেই কামৰপৰা ইস্তফা দিয়ে। উড্ চাহাবে মৰমতে দি যোৱা কিছু সম্পত্তিৰে তেওঁ কোনোমতে দিন পাৰ কৰিছিল। অৱশেষত ১৯৫২ চনত আমাৰ গগৈ ছাৰ ঢুকোৱাৰ পিচতহে পোৱালি ছাৰে এম-ই স্কুলত ছেকেণ্ড ছাৰৰ পদত যোগ দিয়ে।

—এই এক্সপ্ৰেছ খনতেই গুৱাহাটীৰপৰা আহিছে? এতিয়া পিছে ঘৰলৈ যায় নেকি? গোস্বামী বোলা মানুহজনে ৰোধকৰোঁ মোৰ অস্বস্তি ভাঙিবৰ বাবেই সুধিলে! তেওঁ অৱশ্যে আমাৰ গাঁৱৰ একমাত্ৰ এম-এ (আৰু তাতে ইংৰাজীত!) মোক লৈ গৰ্ব কৰা পোৱালি ছাৰৰ ছেণ্টিমেণ্ট বুজি নাপাব।

—হয়। যোৱা তিনিবছৰ গাঁৱত মাঘৰ বিহু খোৱা নাই—সেই বাবেই আহিলোঁ।

আমাৰ পৰিয়ালটো দেউতা ঢুকোৱাৰ পিচৰপৰাই টাউনবাসী। দদাই-দেউইঁত অৱশ্যে গাঁৱত থাকে। ককাইদেউ গড়কাপ্তানী বিভাগৰ অভাৰছিয়াৰ—

OKDISCD

ডিব্রুগড়ত মাটি-বাৰী লৈ আছে। মাইঁতো তাৰ লগতে থাকে। অৰ্থাৎ শিক্ষিত হৈ গাঁও এৰি চহৰবাসী হোৱা দলৰ লগত আমিও ভীৰ কৰিছোঁ। তথাপিতো গাঁৱৰ পূৰণি স্পৰ্শ আৰু আপোন আপোন লগা আকৰ্ষণটো এৰাব পৰা নাই আৰু সেয়ে মই প্ৰায়েই চহৰৰ হুলস্থুলৰপৰা গাঁৱৰ মুক্ত পৰিবেশলৈ দৌৰি আহোঁ।

– হোৱাট্ উইল্ ইউ ফাইণ্ড ? হোৱাট্ বিহু ? ডউজ্ ৰেড্ লেটাৰ্ ডেইজ্ আৰ্ গান্ ! ডি ডেভিলছ্ ইন্ ডি ডীপ্ ছী হেভ্ স্পইল্ড এভ্ৰিথিং— ডি হোল্ ভিলেইজ্ ইজ্ ইন্ কেটছ্ এণ্ড ডগছ্ ! ইতিমধ্যে বাছখন যাবলৈ ললে। গোস্বামীক বিদায় দি মই মোৰ ছিটত বহিলোঁ। আৰু এই ষ্টেচনৰপৰা উঠা পোৱালি ছাৰে মোৰ দুশাৰী পিচৰ আনএটা ছিটত বহিল। গভীৰ ক্ষোভৰে সৈতে কোৱা পোৱালি ছাৰৰ এই কথাখিনিতো জটুৱাঠাঁচপূৰ্ণ ইংৰাজী! মোৰ নলে-গলে লগা গাঁৱৰ বন্ধু শোভনাথে মোক চিঠিৰে ইতিমধ্যে সকলো জনাইছে। গাঁৱত পঞ্চায়ত-নিৰ্বাচন, পুথিভঁৰাল খোলা আদি লৈ বোলে দুটা দলৰ সৃষ্টি হ'ল। মানুহৰ মাজত খোৱা-কামোৰা বাঢ়িল। জয়কান্ত মোমাই (গাঁৱৰ ভিতৰতে ধনী বাবে মানুহে এওঁক 'মহাজন' বুলি কয়) বোলে এই সকলোবোৰৰ গুৰিত। পোৱালি ছাৰৰ 'ডেভিল ইন্ ডীপ্ ছী' সকলৰ মাজত তেৰোঁ এজন! এটা দলে সিটো দলৰ লগত মাত-বোল খোৱা-মেলা একেবাৰেই বোলে নকৰে। পোৱালি ছাৰৰ ক্ষোভ হোৱাৰ কথাই। উড্ চাহাব বিহু আদি স্থানীয় উৎসৱত বেচ উৎসাহী আছিল বুলি শুনা যায় আৰু ফলত

---

[৬১ পৃষ্ঠাৰ পিচৰ অংশ]

অতীতৰ কোনো শিল্পকৰ্মক (সি যিমানেই মহৎ নহওক লাগিলে) সেই যুগ, সেই সমাজৰ পটভূমিত বিচাৰ নকৰি, তাক শাশ্বত বুলি গণ্য কৰাটো, আৰু তাকেই বৰ্তমান আৰু ভৱিষ্যতৰ সৰ্বকালৰ মানুহৰ তথা সমাজৰ বাবে মান নিৰ্ধাৰক বুলি প্ৰমাণিত কৰিবলৈ যোৱা কাৰ্য ঘোৰ প্ৰতিক্ৰিয়াশীলতাৰহে পৰিচায়ক। আগবাঢ়ি যাবলৈ হ'লে পিচলৈ চাই খোজ দিলে উজুতি খোৱাৰ সম্ভাৱনাই বেচি। অতীতৰ কবৰ খান্দি ফুৰিলে মণি-মুক্তাতকৈ পঁচা হাড় মূৰৰ অৱশিষ্টহে ওলোৱাৰ সম্ভাৱনা অধিক। এটা বৈজ্ঞানিক সত্য আমি মনত ৰখা উচিত যে সুদূৰ অতীতৰ বান্দৰৰ পৰা সুদীৰ্ঘ পথ অতিক্ৰম কৰি মানুহ আহি আছে ভৱিষ্যতলৈহে। মানুহৰ এই যাত্ৰাত অতীতৰ সুখ-স্বপ্নেৰে মোহাচ্ছন্ন হোৱাৰ দৰাচলতে অৱকাশেই নাই। ভৱিষ্যতৰ বুকুত অতিক্ৰম কৰিবলগীয়া সুদীৰ্ঘ পথ সন্মুখত পৰি থাকোঁতে অতীতৰ এৰি অহা বাটলৈ চাই থাকিলে কাৰো লাভ নহয়। অৱশ্যে এইখিনি কোৱাৰ দ্বাৰা এই কথা বুজাব খোজা হোৱা নাই যে কেৱল অতীতৰ বুলিয়ে আমি প্ৰকৃত শিল্প-কৰ্মক (যিয়ে ভৱিষ্যতৰ বৃহত্তৰ মানুহৰ শ্ৰেণীটোৰ আশা আকাংক্ষাক প্ৰতিফলিত কৰিছে) তাক অৱজ্ঞা কৰিম। + + +



আমাৰ পোৱালি ছাৰেও বিহু আদিত উড্ চাহাবীয় ঢঙত অংশ গ্ৰহণ কৰিছিল। ১৯৫২ চনত এম-ই-স্কুলৰ শিক্ষক হোৱাৰ পিচৰ পৰাই অৱশ্যে হাফ পেণ্ট আদি এৰি পোৱালি ছাৰ একেবাৰে দেশী হৈ পৰিল। বিহু আদি উৎসৱ আৰু গাঁৱৰ কল্যাণ-অকল্যাণৰ প্ৰশ্নত আন্তৰিকতাৰে সৈতে জড়িত হৈ পৰিল তেওঁ। অৱশ্যে ইংৰাজী ভাষাৰ প্ৰতি দুৰ্বলতা আৰু লগতে ভুল ইংৰাজী জটুৱা-ঠাঁচ ব্যৱহাৰ কৰা একেদৰেই ৰ'ল।

ছাৰে গাঁৱৰ কল্যাণ-অকল্যাণ আদিৰ প্ৰশ্নত জড়িত হৈ পৰাৰ প্ৰধান কাৰণ হ'ল তেওঁৰ ইংৰাজী! আমাৰ গাঁৱত সেই সময়ত ইংৰাজী জনা মানুহ নাছিলেই। যি সকল আছিল তেওঁলোকো আমাৰ পৰিয়ালটোৰ দৰে গাঁও এৰি চহৰবাসী হোৱাৰ ফলত গাঁৱৰ লগত প্ৰায় সম্পৰ্ক ছিন্ন হোৱাৰ দৰে হ'ল। ফলত, ইংৰাজীত দৰখাস্ত লিখাৰ পৰা আৰম্ভ কৰি জিলালৈ গৈ বিভিন্ন কাৰ্যৰ বাবে এছ-ডি-অ'ক লগ ধৰা খাদ্যৰ দাবীত ছাত্ৰ আন্দোলনত আমাব অঞ্চলৰ ল'ৰা জিলা লক্-আপত সোমালে জামিনত অনাৰ ব্যৱস্থা কৰা, মথাউৰি চিঙি গাঁৱৰ একাংশ উটি গলে ৰিলীফৰ বাবে চেষ্টা কৰা আদি সকলো কাম পোৱলি ছাৰে কৰিব লগীয়া হৈছিল। উড চাহাবীয় ঢঙত কোৱা আৰু ভুলে শুদ্ধই বিস্তৰ জটুৱা-ঠাঁচ পুৰ্ণ ইংৰাজীৰে তেওঁ মানুহক কিছু পৰিমাণে প্ৰভাৱিত কৰি অন্ততঃ কিছু কাম আদায় কৰিব পাৰিছিল। ফলত ক্ৰমে ক'ব নোৱাৰাকৈয়ে আমাৰ গাঁৱৰ জীৱনত পোৱালি ছাৰ অপৰিহাৰ্য হৈ উঠিছিল।

আমি অৱশ্যেই পোৱালি ছাৰক ইংৰাজীত গভীৰ পণ্ডিত বুলিয়েই ভাবিছিলোঁ। আৰু এম-ই স্কুলৰ হেড্ ছাৰৰ ওপৰত আমাৰ এটা বেচ ডাঙৰ ক্ষোভেই আছিল পোৱালি ছাৰক ইংৰাজীৰ ক্লাছ লবলৈ অনুমতি নিদিয়াৰ বাবে। শৰ্মা ছাৰ ছুটীত থাকোঁতে মাজে মাজে পোৱালি ছাৰে ইংৰাজী ক্লাছ লওঁতে আনন্দ আৰু গৰ্বত পোৱালি ছাৰৰ মুখ উজ্জ্বল হৈ পৰাটো আমি মন কৰিছিলোঁ। পিচত হাই-স্কুল, কলেজলৈ গৈহে পোৱালি ছাৰক ইংৰাজীৰ ক্লাছ লব'লৈ নিদিয়াৰ কাৰণটো অনুমান কৰিব পাৰিছিলো।। দূৰদৰ্শী শৰ্মা ছাৰে বুজিব পাৰিছিল যে পোৱালি ছাৰে আমাক ইংৰাজী শিকোৱা হলে আমাৰ ভৱিষ্যৎ তেনেই অন্ধকাৰ হ'লহেঁতেন।

পোৱালি ছাৰে মেট্ৰিক পাছ কৰিব নোৱৰাৰ কাৰণ হ'ল তেওঁৰ ইংৰাজী! বহুতে কয় যে তেওঁ চাৰিবাৰ মেট্ৰিক দিও পাছ কৰিব নোৱাৰি পঢ়া-শুনা বাদ দি উড্ চাহাবৰ মহৰি হৈছিল। আকৌ এম-ই স্কুলৰ চাকৰি যোৱাৰ মূলতো এই ইংৰাজীয়েই! কাৰণ ইংৰাজী বিষয়ত প্ৰত্যেকবাৰেই ফেইল কৰাৰ বাবে মেট্ৰিক্যুলেট নহ'ল আৰু মেট্ৰিক্যুলেট নোহোৱাৰ বাবে শিক্ষা-বিভাগে চাকৰিত নাৰাখিলে। ১৯৬২ চনত মেট্ৰিক্যুলেট নোহোৱাৰ বাবে আন বহুতো এম-ই স্কুলৰ শিক্ষকৰ লগতে তেওঁৰো চাকৰি গ'ল।



OKDISCD

মাথোন মেট্রিক্যুলেট নোহোৱাৰ বাবেই পোৱালি ছাৰৰ চাকৰি কাঢ়ি লোৱাটো আমি তেওঁৰ প্ৰতি অন্যায় কৰা হৈছে বুলিয়েই ভাবোঁ। গাঁৱৰ তথা মৌজাৰ বহুতেই তেওঁক ৰখাবলৈ শিক্ষা-বিভাগক ধৰিছিল কিন্তু একো ফল নহ'ল। ইংৰাজী জটুৱা-ঠাঁচ ব্যৱহাৰত বিস্তৰ ভুল কৰিলেও ভূগোল, বুৰঞ্জী আৰু অসমীয়াৰ শিক্ষক হিচাপে পোৱালি ছাৰ অতুলনীয় আছিল—এই কথা আজি মই বিশ্ব বিদ্যালয়ৰ শিক্ষক হোৱাৰ পিচতো বিশ্বাস কৰোঁ। শিক্ষা বিভাগে পোৱালি ছাৰৰ প্ৰতিভা বুজিব নোৱাৰিলে। এটা সাধাৰণ উদাহৰণ দিয়া যায়। ১৯৬২ চনত ছাৰৰ চাকৰি যোৱাৰ চাৰি মাহৰ আগৰ কথা। মই মেট্ৰিক পৰীক্ষা দি গাঁৱত আছিলোঁগৈ। এম-ই স্কুলখনলৈ জিলাৰ স্কুল-ইন্সপেক্টৰ আহিছিল আৰু পৰিদৰ্শন কৰা সময়ত ক্লাছ ফাইভৰ ভূগোলৰ ক্লাছত সোমাই ক্লাছৰ সকলোতকৈ চোকা ল'ৰা ফুলেনক পৃথিৱী যে গোল তাৰ পাঁচটা প্ৰমাণ দিবলৈ ক'লে। ফুলেনেও তপৰাই জাহাজৰ মাস্তুল আৰু চন্দ্ৰৰ গাত পৃথিবীৰ গোল ছাঁ পৰা এই দুটা প্ৰমাণৰ পিচতেই তিন নম্বৰ প্ৰমাণ হিচাপে ক'লে যে ১৯৬১ চনত গাগাৰিনে মহাকাশৰপৰা পৃথিৱীখন গোল দেখিছিল আৰু স্পুট্‌নিক্ আদি কৃত্ৰিম উপগ্ৰহবোৰৰপৰা তোলা ফ'টোবোৰতো পৃথিৱীক গোল আকাৰত দেখা যায়। ফুলেনে এই তৃতীয় প্ৰমাণটো ক'বলৈ পালেহে—ইন্সপেক্টৰ ডাঙৰীয়া জলি-পকি উঠিল—'কি? কোনে শিকাইছে এই প্ৰমাণটো?' 'পোৱালি ছাৰে' বুলি ভয়ে ভয়ে ল'ৰাবোৰে কোৱাৰ লগে লগেই অৱশ্যে পোৱালি ছাৰে নিজেই ক'লে যে এই নতুন প্ৰমাণটো তেওঁৰেই লৰাবোৰক শিকাইছে। ইন্সপেক্টৰ ডাঙৰীয়া দুগুণে জলি-পকি উঠিল—'কোনে আপোনাক এই প্ৰমাণটো শিকাবলৈ কৈছে? কোন কিতাপত আছে? প্ৰেছক্ৰাইবড্ কিতাপত যি আছে তাকহে মাথোন শিকাব। ভৱিষ্যতে এনে কাম নকৰিব—সাবধান কৰি দিছোঁ।' —পোৱালি ছাৰে অৱশ্যে বৃথাই ইন্সপেক্টৰক এই প্ৰমাণটোৰ অব্যৰ্থতা সম্বন্ধে বুজাবলৈ চেষ্টা চলাইছিল। আমাৰ শিক্ষাৰ দণ্ড-মুণ্ড কৰ্তা সকলে অৱশ্যে সদায়েই এনেধৰণৰ উদ্ভাৱনা আৰু উদ্যমৰ ওপৰত চেঁচাপানী ঢালি আহিছে। আৰু ফল স্বৰূপে আমি এতিয়াও জাহাজৰ মাস্তুলৰ প্ৰমাণতেই আবদ্ধ!

যথাসময়ত আমি ডিমৌত এক্সপ্ৰেছৰপৰা নামি নিতাইলৈকে কোনো মতে আন এখন গাড়ীত আহিলোঁ। নিতাইৰপৰা আমাৰ গাঁৱলৈ পাঁচ মাইলৰ বাট। খোজ কাঢ়িব লাগিব, কাৰণ এই সময়ত সেইপিনে গাড়ী নাযায়। গোটেই বাটটোত হয়তো পোৱালি ছাৰৰ সেই ম্যাল্‌প্ৰেপিজিম্‌পূৰ্ণ ইংৰাজী শুনি যাব লাগিব। জোনাক ৰাতি। বাটৰ কাযত নিজুম গাঁওবোৰ। দুইএঘৰত চাকিৰ পোহৰ, কিন্তু প্ৰায়বোৰতে কেৰাচিন তেলৰ অভাৱৰ বাবে অন্ধকাৰ। আমি এই জানুৱাৰী মাহৰ জাৰত আগবাঢ়ি গৈ আছোঁ। কিন্তু আচৰিত যে পোৱালি ছাৰে আজি এষাৰো কথা কোৱা নাই। কিবা চিন্তাত



যেন মগ্ন। লাহে লাহে আমি ডাঙৰ জৰি গছজোপা পালোঁহি। আজি কিবা কাৰণত কুঁৱলিও কম। এই গছজোপাৰপৰা আমাৰ গাঁৱৰ মথাউৰিটো ৰিণিকি ৰিণিকি দেখি বিৰাট পথাৰখনৰ সিপাৰে। আজি ফটফটীয়া জোনৰ পোহৰত দূৰৈত মাথউৰিটোক নীলা আঁচ এডালৰ দৰে লাগিছে। ইয়াৰ পৰাই আগতে আমাৰ গাঁৱত বজোৱা ঢোলৰ মাত শুনা গৈছিল। বিশেষকৈ জয়ৰাম ভিনিহিয়ে ঢোল বজালে আমি ইয়াৰপৰা শুনিয়েই কৈ দিব পাৰিছিলোঁ যে এয়া কাৰ ঢোলৰ চাপৰ। আনকালে বিহুৰ আগত এনে সময়ত ঢোলৰ শব্দত সকলো ৰৌ ৰৌৱাই আছিল—আজি যেন কিবা নিমাও-মাও। জয়ৰাম ভিনিহি বোলে ওচৰত মংগলৰবীয়া বজাৰ আৰু নিতৌ চাৰি-আলিত জুৱা মদ আদিত ব্যস্ত থাকি প্ৰায় সৰ্বস্বান্ত। উঠি অহা ডেকাবোৰৰো বোলে একেই অৱস্থা। পঢ়া-শুনাত এটাও আগুৱাব নোৱাৰিলে। গাঁৱৰ প্ৰায় আধা মানুহৰে আজি-কালি বছৰটোলৈ খাবলৈ নাটে। বেচিভাগ পৰিয়ালেই ধাৰত পোত খাই আছে। সৰু সৰু আৰু উঠি অহা ল'ৰা ছোৱালীবোৰৰ ভৱিষ্যৎ কি হ'বগৈ সেই ভাবি হতাশাত মন ভাঙি যায় বুলি শোভনাথে লেখিছে। গাড়ী-ৰাস্তা-ঘাট-স্কুল-হস্পিটাল আদি হোৱাৰ পিচত মানুহবোৰৰ উন্নতিহে হ'ব লাগিছিল— কিন্তু উন্নতি হওক চাৰি সাধাৰণ মানুহখিনিৰ অৱস্থা বেচি বেয়াহে হৈ আহিছে। জয়কান্ত মহাজন আদি দুই এজনৰ অৱশ্যে প্ৰভুত উন্নতি হৈছে—সিহঁতৰ ঘৰ-বাৰী-মাটি সম্পত্তি আদি বাঢ়িহে গৈ আছে। এল, পি স্কুলৰ শিক্ষক আৰু প্ৰতিভাশালী হোৱা স্বত্বেও পইচাৰ অভাৱত উচ্চশিক্ষাৰপৰা বঞ্চিত শোভনাথে লেখিছে, কৰবাত যেন কিবা গণ্ডগোল আছে! মই বিশ্ববিদ্যালয়ৰ চাৰিবেৰৰ মাজত ছেক্সপীয়েৰ এলিয়ট আদিত ডুব গৈ থাকি বা বিলাতত গৈ ডক্টৰেটৰ বাবে চেষ্টা কৰাৰ সম্ভাৱনাৰ স্বপ্নত বিভোৰ থাকি কোনো দিন চিন্তা কৰিবলৈ চেষ্টা কৰা নাই ক'ত কি গণ্ডগোল আছে।

—ডি হোল্ ছিষ্টেম্ ইজ্ ৰং! মোৰ চিন্তাৰ উত্তৰ হিচাপেই যেন পোৱালি ছাৰ হঠাৎ গৰজি উঠিল। তাৰ পিচত ছাৰৰ মুখত জটুৱাঠাঁচপূৰ্ণ ইংৰাজী আখৈ ফুটাদি ফুটিব ধৰিলে। যাৰ অৰ্থ অসমীয়াত এনে হ'ব—'একো নহ'ব বুজিছা! মই ৰাইজৰ কামত লাগি থকা বিশ বছৰেই হ'ল, কিন্তু এতিয়া বুজিছোঁ যে সকলো প্ৰচেষ্টা বিফলে গ'ল। সমাজখনক মই এক খোজো আগুৱাই নিব পৰা নাই। মোৰ সকলোবোৰ প্ৰচেষ্টা উৱঁলি যোৱা ছালবেৰৰে সৈতে বাগৰি পৰিব ধৰা ঘৰ এটা তালি তাপলি মাৰি কোনোমতে ৰ'দ-বৰষুণ ধুমুহাৰ বিৰুদ্ধে ৰক্ষা কৰিবলৈ কৰা বৃথা চেষ্টাতেই ব্যয় হ'ল! এই উৱঁলি যোৱা ঘৰটো আৰু তালি-তাপলি মাৰি কোনোমতেই ৰখা নগৈছে—যিমানেই দিন গৈছে অৱস্থা বেয়াহে হৈ আহিছে। আৰু কিমান ৰখা যাব এনেকৈ? গোটেই কেইটা নিৰ্বাচনতেই মই নিঃস্বাৰ্থভাবে সকলোতকৈ উপযুক্ত যেন



OKDISCD

লগা প্ৰাৰ্থীজনৰ পক্ষে প্ৰচাৰ কৰি জিকোৱাই আহিছোঁ— কিন্তু ক'তা, তেওঁলোকেতো একো কৰিব নোৱাৰিলে! তেওঁলোকৰ প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হিচাপেই ৰ'ল! দুই এটা ৰাস্তা ঘাট আদি হোৱাৰ পিচতো মানুহবোৰৰ অৱস্থা বেয়াৰ পিনেহে ঢাল খাইছে। এপিনে দুই এজনৰ ৰিৰাট বিৰাট অট্টালিকা উঠিছে, ধনৰ মোনা বাঢ়িছে। আৰু আনপিনে আমাৰ ধাৰৰ বোজা বাঢ়িছে, ভঁড়ালৰ ধান খালি হৈছে, আমি অন্ধকাৰৰ পৰা অন্ধকাৰলৈহে গৈ আছোঁ। পুৰণি উৱঁলি যোৱা ঘৰৰে আৰু নচলিব। আই ছে, ডি হোল্ ছিষ্টেম্ ইজ্ ৰং!

আমি ইতিমধ্যে গাঁৱৰ ওচৰ পাইছোঁহি। অলপ দূৰতে গাঁওখন অদ্ভুত নিস্তব্ধ নীৰৱ হৈ পৰি আছে। মই ভাবিব ধৰিছোঁ ইইঁতৰ কথা এই শোভনাথ, পোৱালি ছাৰ আদি সকলোৱে কি কমিউনিষ্ট হৈ গ'ল? পোৱালি ছাৰে নিঃস্বাৰ্থ ভাবে আৰু আন্তৰিকতাৰেই ৰাইজৰ কামত সোমাই পৰিছে, ৰাইজৰ কাম কৰি আহিছে— কোনো দিন স্বাৰ্থদুষ্ট নেতাৰ দৰে কোনো বিষয় বাবৰ বাবে বা টকা পইচাৰ বাবে লালসা কৰা নাই। ৰাইজৰ বাবেই তেওঁ কিমানবাৰ উচ্চ-পদস্থ কৰ্মচাৰীক লগ ধৰিছে, মন্ত্ৰী এম এল এ আদিৰ লগত তৰ্ক কৰিছে, নিজ হাতে মথাউৰিৰ মেৰামতিৰ কামত লাগি দিছে, কোনো দুঃস্থ পৰিয়ালৰ ওচৰলৈ দৌৰি গৈছে তাৰ ঠিকনা নাই। আজি এই নিঃস্বাৰ্থ, আপোন ভোলা, গাঁৱৰ মানুহবোৰক প্ৰাণেৰে ভাল পোৱা আৰু ইংৰাজী ভাষা আৰু জটুৱাঁ ঠাঁচৰ প্ৰতি দুৰ্বলতা থকা আকৰ্ষণীয় মানুহজনৰ আকৌ কি হ'ল? গোটেই সমাজ ব্যৱস্থাৰ বিৰুদ্ধেই যে গৰজি উঠিছে! উড্ চাহাবৰ সংস্পৰ্শত থাকি ছাৰে মাজে মাজে কিতাপ পঢ়া অভ্যাস এটাও ৰপ্ত কৰিছিল বুলি মই জানো। তেনেহলে কি তেওঁ কোনো নিষিদ্ধ কিতাপত হাত দিয়া আৰম্ভ কৰি দিছে? সকলো নিষ্ঠাবান সমাজ কৰ্মীয়েই কি এদিন নহয় এদিন এনে সিদ্ধান্তত উপনীত হবলৈ বাধ্য? বোধকৰোঁ কোনো দিন ৰাইজৰ কল্যাণৰ কথা গভীৰ ভাবে চিন্তা নকৰা আৰু ভাল চাকৰি এটাৰে নিজৰ অৱস্থা ভাল কৰাতে ব্যস্ত থকা মোৰ মগজু আৰু অনুভূতিৰে মই ইয়াৰ কাৰণ অনুমান কৰিব নোৱাৰিম। মোৰ গাঁৱক ভালপোৱাটো নিতান্তই চহৰৰ কৃত্ৰিমতা আৰু হুলস্থুলৰপৰা উদ্ধাৰ পাবৰ বাবে অকৃত্ৰিমতা আৰু নিৰ্জনতা বিচাৰি অহাতেই সীমাবদ্ধ। কিন্তু পোৱালি ছাৰৰ যে সমগ্ৰ সত্বাই গাঁৱৰ বাবে নিয়োজিত, এই অঞ্চলৰ সমগ্ৰ মানুহ-পশু ধূলি মাটি-পানী সকলো তেওঁৰ শৰীৰৰ শিৰা উপশিৰাৰ তেজৰ লগত মিহলি হৈ আছে।

—ইমানদিনে মই ভুল কৰি আহিছোঁ, বৃথা শক্তি ক্ষয় কৰি আহিছোঁ। মাথোন তাপলি মৰাতেই ব্যস্ত আছিলোঁ ইমানদিন। পিছে জোৱা

[শেষ অংশ ৭১ পিঠিত]



# অসহযোগী

মানিক বন্দ্যোপাধ্যায়

ৰমেনৰ দেউতাক হৰ্ষনাথ ৰূপহী গাঁৱৰ ডাঙৰ ব্যবসায়ী। এবছৰৰ আগতে ৰমেনক তেওঁৰ ভনী জোঁৱাই অৰ্থাৎ তাৰ পেহাক সূৰ্যকান্তৰ ওচৰলৈ পঠিয়াইছিল— পুতেকক অকণমান শান্ত আৰু ভাল কৰাৰ আশাত। ৰমেন অতি সাংঘাটিক দুষ্ট হৈ উঠিছিল, তাৰ সৈতে একোতেই তেওঁৰ ৰাহি নহা হৈছিল। শেষত যেতিয়া এদিন সি মেজিষ্ট্ৰেট মিঃ দাসৰ ল'ৰাটোক মাৰি ঘাইল কৰি পেলালে তেতিয়া তেওঁ পৰিষ্কাৰকৈ বুজি উঠিলে যে, ল'ৰাক আৰু তেওঁ চম্ভালিব নোৱাৰে। এই ল'ৰাই তেওঁৰ সৰ্বনাশ আনিব। যুদ্ধৰ সময়ত কোনে কিমান ধৰণে টকা ঘটিছে— মেজিষ্ট্ৰেট চাহাবক জোকালে কত ৰক্ষা আছে!

তেওঁ এটা বেচ শকত ভাৰ ভেটিৰে পোনেই গৈ মেজিষ্ট্ৰেট চাহাবৰ ঘৰত হাজিৰ হ'ল, মাৰ খোৱা ল'ৰাটোৰ বাবে বকচিচ্ দিলে নগদ দুশ টকা। মিছেছ্ দাসৰ ভৰিত তেওঁ দীঘল দি পৰি ৰমেনৰ নিস্তাৰৰ বাবে প্ৰাৰ্থনা কৰিলে। ল'ৰাৰ বিষয়ে কি ক'ব আগতেই তেওঁ ঠিক কৰি থৈছিল, সেয়ে তেওঁ নিঃসংকোচে জনালে যে, ৰমেন ভয়ত কেনিবা পলাই গৈছে, ঘুৰি আহিলেই খুটাত বান্ধি তাক চাবুকেৰে কোবাই এসেকা দিব।

সেইদিনাই ৰমেনক লৈ তেওঁ নগৰলৈ ৰাওনা হ'ল— ল'ৰাক সূৰ্যকান্তৰ তত্বাবধানত থবলৈ।

ৰমেনৰ মাকে অলপ আপত্তি কৰিছিল।

—তেওঁ স্বদেশী আন্দোলনত লাগি আছে বুলি শুনিছোঁ। ল'ৰাটোক নষ্ট নকৰিলেই ৰক্ষা।

হৰ্ষনাথে ক'লে, কৰিব নোৱাৰিছে আন্দোলন! স্বদেশী কৰিলে জেললৈ নগ'লহেঁতেননেকি? সেইবিলাক টকা ঘটাৰ উপায়। ল'ৰাবিলাক লৈ দল গোটাই সমিতি-তমিটি কৰি ছান্দা তোলাৰ বুদ্ধি। মাষ্টৰীৰে জানো আজি কালি কাৰোবাৰ পেট চলে?

সূৰ্যকান্তৰ ঘৰ নগৰত। হৰ্ষনাথ এৰাতিতকৈ বেচি থাকিব নোৱাৰিলে। গাঁৱত বহুতো কাম। সূৰ্যকান্তক ৰমেনৰ বিষয়ে সকলো বিবৰি কৈ অনুৰোধ কৰিলে— ল'ৰাটোক তুমি মানুহ কৰি দিবা আৰু তাক শুধৰাই ল'বা।



OKDISCD

সূৰ্যকান্তই হাঁহি হাঁহি কৈছিল, দিম, আপোনাৰ ল'ৰাক মই মানুহ কৰি দিম, চিন্তা নকৰিব।

সূৰ্যকান্তই এটা চৰ্ত কৰি লৈছিল যে, এবছৰৰ ভিতৰত ৰমেনক গাঁৱলৈ নিব নোৱাৰিব আৰু ৰমেনলৈ পোনে পোনে টকা পইচা নপঠাব। হৰ্ষনাথ তাতে মান্তি হৈ ঘৰলৈ উভতি গৈছিল।

ৰমেনৰ খৰচৰ বাবে পঞ্চাশ টকা দিব খুজিছিল। সূৰ্যকান্তই কিন্তু মাত্ৰ পচিশ টকাতকৈ বেচি নললে।

কৈছিল,— মই দুখীয়া মাষ্টৰ। আপোনাৰ ল'ৰাৰ খৰচ যোগাবৰ শক্তি মোৰ নাই; কিন্তু তাৰ খৰচৰ বাবে পচিশ টকাতকৈ বেচি দৰকাৰ নাই।

তাৰ পিচৰ মাহত হৰ্ষনাথে পঞ্চাশ টকা পঠিয়াইছিল। কেইদিন-মানৰ পাচত তাৰে পচিশ টকা ঘূৰি অহাত আনন্দেৰে ৰমেনৰ মাকক তেওঁ কৈছিল, বুইছা, মানুহটো সঁচাকৈয়ে ভাল। ল'ৰাটো ভাল হ'ব যেন মনে ধৰিছে।

এবছৰৰ পাচত পূজাৰ বন্ধত ৰমেন ঘৰলৈ আহিল। তাৰ পৰিবৰ্তন দেখি প্ৰথম কেইদিন হৰ্ষনাথে বৰ সন্তোষ পালে। দেখাত যেনে, কথা আৰু ব্যৱহাৰতো তেনে শান্ত শিষ্ট ভদ্ৰ হৈ আহিছে। উশৃংখল জপৰা চুলি চুটি চুটিকৈ কটা, তাকো আঁচোৰা, কাপোৰ কানি সাধাৰণ সস্তীয়া অথচ পৰিষ্কাৰ, কথাবোৰ মিহি, চাল চলন নম্ৰ। এবছৰ আগতে গুণ্ডাৰ নিচিনা চেহেৰা এটা লৈ সি দিনে ৰাতিয়ে ঘুৰি ফুৰিছিল, খেলা আৰু মৰামৰি লৈয়ে ব্যস্ত আছিল, তেতিয়া সি এনে উদ্ধত স্বভাৱৰ আছিল যে, এটা বেয়া কাম নকৰিলে তাৰ শান্তি নাছিল। কাৰো কথা কেতিয়াও কোনো-দিনে সি নুশুনিছিল। সেই চঞ্চলতা, উদ্ধতালি আৰু অবাধ্যতা যে তাৰ ক'লৈ নাইকীয়া হ'ল!

গোটেই দিনটো বাহিৰতে ঘুৰি ফুৰে— সেয়ে মাত্ৰ তাৰ অকনমান দোষ। ঘৰলৈ ঘুৰি আহিলে তাৰ চাল-চলন বা পিন্ধন উৰণত তেনে কোনো উদ্ধতালিৰ চিন নাপাই হৰ্ষনাথ নিশ্চিন্ত হয়। মনতে ভাৱে, অত দিনৰ মূৰত নিজৰ গাঁৱলৈ আহিছে পুৰণা বন্ধু বান্ধৱৰ লগত হেপাঁহ পলুৱাই ফুৰ্তি তামাচা কৰিছে। সেইটো কোনো কথা নহয়।

সাত দিনমানৰ পাচতেই তেওঁৰ মনত অলপ সন্দেহ হয়।

দোকানৰপৰা ঘৰলৈ ভাত খাবলৈ আহি দেখে যে প্ৰায় তিনিশমান দুৰ্ভিক্ষত কঙাল হোৱা পুৰুষ মহিলা, ল'ৰা বুঢ়া ঘৰৰ কাষৰ আঁহত গছ জোপাৰ তলত পাত পাৰি ভাত খাইছে। পৰিবেশন কৰিছে ৰমেন আৰু তাৰ বয়সৰে প্ৰায় পচিশ ত্ৰিশটামান লৰাই।

দেখিয়েই হৰ্ষনাথ হতভম্ব হ'ল।



ভিতৰলৈ গৈ ঘূৰে কপালে হাত দি তেওঁ বহি পৰিল আৰু ৰমেনক মাতি পঠিয়ালে।

—এইবোৰ কি হৈছে?

ৰমেন তেতিয়া আনন্দত অধীৰ—সিহঁতক খাবলৈ দিছোঁ দেউতা। কিমান জুখি-মাখি সিহঁতক খুৱাব লগা হৈছে জানে? কত দিন যে খোৱা নাই - বেচি খালেই মৰিব। সিহঁতে সেইটো ক'ত বুজিব? আটাইবোৰে চিঞৰ বাখৰ লগাইছে—আৰু দিয়ক আৰু দিয়ক! চম্ভালিবই নোৱাৰি।

—চাউল দাইলবোৰ ক'ত পালি?

—মায়ে দিছে।

ৰমেনৰ মাকে ভয়ে ভয়ে ক'লে—হেঁপাহ কৰিছে, খুৱাওকচোন। সকলোৱে আশীৰ্বাদ দিছে – ভাল হ'ব।

— ভাল হোৱাইছে।

ঘৰখনৰ ভৰালটো সুকসুৰা এটা গুদাম ঘৰ। আগতে হৰ্ষনাথে ৰমেনৰ মাকৰ হাতৰপৰা ভৰালৰ চাবিকোচা ল'লে। তাৰ পাচত মানুহখিনিৰ খোৱা শেষ হ'লত গছৰ তলৰপৰা আটাইবোৰক খেদাই দিলে।

ৰমেনৰ মুখ ক'লা পৰি গ'ল। সি ক'লে, মই সিহঁতক সাতদিন সদায় খুৱাম বুলি কৈছিলোঁ। দেউতা তাৰ পাচত সিহঁত গাঁৱলৈ গুচি যাবগৈ।

— চুপ থাক বদমাছ ক'ৰবাৰ! সাত দিন ধৰি খুৱাব।

দিন গৈ থাকে। প্ৰতি দিনে চাৰিওফালে অসহায় ভোকাতুৰৰ করুণ আৰ্তনাদ বাঢ়ি যাবলৈ ধৰে। ৰমেনৰ মুখত হাঁহি নাইকিয়া হয়। ভাত খাবলৈ বহি এৰি গুচি যায়। গাখীৰ বাটিত পৰি থাকে। জা-জলপান পকুৱাই খায়।

হৰ্ষনাথ খঙত জ্বলি উঠে — কিমান অশান্তি কৰ বোপাই! হৈছে কি তোৰ?

—খাবলৈ নাপায় আটাইবোৰ মৰিবলৈ ওলাইছে আপুনি একো নকৰে কিয় দেউতা?

—বিশ মোন চাউল ৰিলিফৰ বাবে দিছোঁ নহয়।

---

[৬৮ পিঠিৰ পিচৰ অংশ]

তাপলিৰে আৰু কিমানদিন চলিব। এই ব্যৱস্থাত আমাৰ দৰে সাধাৰণ মানুহৰ সামগ্ৰিক কল্যাণ সম্ভৱ নহয়। উৰঁলি যোৱা ঘৰটো সম্পূৰ্ণ ভাঙি এটা নতুন ঘৰকে এইবাৰ সাজিবই লাগিব! গাঁৱত ভৰি দিছোঁহে, তেনেতে মোক সম্পূৰ্ণ অবাক কৰি নিৰ্ভেজাল বিশুদ্ধ অসমীয়াত পোৱালি ছাৰ পুনৰ গৰজি উঠিল।

পোৱালি ছাৰ বুলিয়েই যে সদায়ে জটুৰাঠাঁচপূৰ্ণ ইংৰাজী ব্যৱহাৰ কৰি থাকিব, সেয়াতো নহয়! + + +



OKDISCD

— বিশ মোন মাত্ৰ ? আপোনাৰ ভৰালত হাজাৰ হাজাৰ মোন চাউল আছে। আটায়ে ছিঃ ছিঃ কৰিছে দেউতা। আপোনাৰ সন্তান বুলি আটায়ে মোক ঘিণ কৰিছে।

– চুপ থাক।

ৰমেনক দুদিন বিচাৰি পোৱা নাই। ৰমেনৰ মাক কান্দি কাটি বাউল। ভিতৰি হৰ্ষনাথ যথেষ্ট আতংকিত হ'লেও বাহিৰত গম্ভীৰ হৈ আছে। খঙত, ভয়ত, দুঃচিন্তাত তেওঁৰ হিতাহিত জ্ঞান নাইকিয়া হৈছে। মনতে ভাৱিছে; ৰমেন ঘৰলৈ আহিলে তাক জীয়াই নথয়।

দুদিনৰ পিচত ৰমেন ঘৰলৈ আহিল। তাৰ চকুৰ চাৱনি দেখি এটা দাবি দিবলৈও তেওঁৰ সাহস নহ'ল। কিবা এক অস্বাভাৱিক অদ্ভুত দৃষ্টিৰে ৰমেনে তেওঁৰ ফালে চাবলৈ ধৰিলে, দেখিয়েই ভয় লাগিল।

— নোকোৱাকৈ ক'লৈ গৈছিলি ?

- অনাথ দাদাৰ লগত বঙাল গাঁৱলৈ গৈছিলোঁ।

অনাথৰ লগত ! তেওঁৰ পৰম শত্ৰু অনাথ, সৌ সিদিনা যাৰ বাবে তেওঁ প্ৰায় হাজাৰ মোন চাউল গুদামত ভৰোৱাৰ সলনি বন্ধা দামত বিক্ৰি কৰি দিব লগা হৈছে !

অলপ নম্ৰ আবদাৰৰ সুৰত ৰমেনে ক'লে— কি অৱস্থা হৈছে আপুনি ভাবিব নোৱাৰে দেউতা— আপুনি এটা কাম কৰক দেউতা – যি দামত কিনিছিলে এটকা লাভ ৰাখি চাউলবিলাক বেচি দিয়ক। আপোনাৰো লোকচান নহয় আৰু কিমান মানুহ বাচি যাব ভাবি চাওঁকচোন।

—লোকচান নহয়, নহয় ? চল্লিচ টকাৰ ঠাইত চৌদ্ধ টকাত বেচিলে লোকচান নহয়,—কি অংক তই শিকিছ ? হৰ্ষনাথে কথাটো পাতলাই দিবলৈ চেষ্টা কৰিলে।

ৰমেনে ক'লে, তেনেহলে আপোনাৰ সকলো চাউল মই বিলাই দিম দেউতা। আগতেই কৈ থলোঁ। আপোনাক মই নৰহত্যা কৰিবলৈ দিব নোৱাৰো।

— সৰুৰ মুখত বৰ কথা নকবি, চৰ খাবি।

— কৈ থলোঁ—। চাব।

সৰু ল'ৰাৰ কথা, কোনে গুৰুত্ব দিয়ে ? তেওঁৰ দোকানত অতবোৰ মানুহ— গুদামৰ তলা বন্ধ। কৰো বুলিলেই ৰমেনে কি চাউল বিলাব পাৰিব ! পঞ্চাশটা বন্ধু আৰু অনাথক লগত লৈ আহিলেও নোৱাৰে।

তাৰ বাবে হৰ্ষনাথে চিন্তিত নহ'ল। ল'ৰাৰ বলিয়ালি দেখি মাথোন মনটো বেয়া লাগিল। কি কু-ক্ষণত ল'ৰাক মানুহ কৰিবলৈ সূৰ্যকান্তৰ ওচৰলৈ পঠিয়াইছিল ! তাতকৈ ল'ৰা গুণ্ডা ডকাইত হোৱাই ভাল আছিল, বয়সত আপুনি সলনি হ'লহেঁতেন।



কিছু দিনৰ পাচত হৰ্ষনাথ ব্যৱসায়ত তিনদিনৰ বাবে বাহিৰলৈ গ'ল। দোকানত কৈ গ'ল, ৰমেন আহি উৎপাত কৰিলে যাতে ভালকৈ শাসন কৰা হয় আৰু অনাথ আহি কিবা গণ্ডগোল কৰিলে তৎক্ষনাৎ যাতে পুলিচ মাতি ধৰাই দিয়া হয়। থানালৈও এপাক মাৰি অনাথে কেনেকৈ তেওঁৰ ল'ৰাটো নষ্ট কৰিছে জনাই থৈ গ'ল।

পিচদিনা ৰাতিপুৱা দোকান আৰু দোকানৰ চাৰিওফালে হুলস্থুল আৰম্ভ হ'ল। নিতাই দোকানৰ প্ৰধান কৰ্মচাৰী। মহাজন নাই ভাবি দোকান খুলিবলৈ মানুহ পঠিয়াই নিজে অলপ দেৰিকৈ লাহে ধীৰে আহি দেখে যে প্ৰায় পাঁচশ মান মানুহ দোকানৰ সন্মুখত জমা হৈ আছে। লৰালৰিকৈ ভিতৰ সোমাই নিতাইৰ চকু স্থিৰ। গুদামৰ চোতালৰ যিটো চুকত পৰহিলৈকে এহেজাৰ টিন তেল আছিল— সেইখিনিৰ মাটিত পৰি থকা তেল আৰু লেতেৰা গেদৰ ওপৰত দোকানৰ সকলো কৰ্মচাৰী বহি আছে। পাৰ্থক্য মাথোন হৰ্ষনাথৰ দুনলীয়া বন্দুকটো হাতত লৈ ঠিয় দি আছে ৰমেন। ৰমেনৰ সম বয়সীয়া ল'ৰাৰে গুদামৰ চোতাল ভৰি আছে।

—আহক নিতাই খুৰা। গুদামৰ চাবিটো দিয়কচোন।

—চাবি ? চাবি ক'ত পাম ? চাবি তোমাৰ দেউতাৰাৰ হাতত।

—তেনেহলে তাতে বহক। গুদামৰ দুৱাৰ ভঙিব লাগিব।

ৰমেনৰ বন্ধু এটাই নিতাইৰ হাতত ধৰি টানি নি তেলৰ গেদৰ ওপৰত বহুৱাই দিলে।

ৰমেনে ক'লে, এই বন্দুকেৰেই এজনৰ ভৰি ভাঙি খোৰা কৰি দিছিলো মনত আছেনে ?

একে ঠাইতে থিয় হৈ থাকি ৰাতিপুৱাৰ পৰা গধূলিলৈকে ৰমেনে সিহঁতক পহৰা দি থাকিল। এজাক ল'ৰাই গুদামৰপৰা চাউল উলিয়াই বিতৰণ কৰিবলৈ ধৰিলে। ওচৰে-পাজৰে বহুতো গাঁৱৰ হাজাৰ বিজাৰ মানুহ আহিল চাউলৰ বাবে। ৰমেনে গাঁৱে গাঁৱে ঢোল পিটি শুনাই দিয়াইছিল।

দুই চাৰিজন পুলিচ আহিল, কিন্তু সোমাবলৈ চেষ্টা নকৰিলে। বৰং ভীৰ আৰু হুলস্থুল নিয়ন্ত্ৰণ কৰিবলৈ সহায় কৰি দিলে। ৰাতিপুৱাই ৰমেনে নিজেই গৈ থানাত খবৰ দি আহিছিল, তাৰ দেউতাকে আজি চাউল বিতৰণ কৰিব বুলি। এই উদ্দেশ্যে ডাঙৰ ডাঙৰ কিছুমান প'ষ্টাৰো দোকানৰ বাহিৰত মাৰি থৈছিল।

গধূলীলৈ চাউল শেষ হ'ল।

খবৰ পাই পিচদিনাই হৰ্ষনাথ উভতি আহিল। পুতেকক সন্মুখত লৈ তললৈ মূৰ গুজি বহি ৰ'ল, তেওঁৰ এতিয়া কন্দিবৰ সময়। অবাধে তেওঁৰ চকুপানী ওলাইছিল। + + +

অনুঃ আভা ভট্টাচাৰ্য



OKDISCD

# 'বৈজ্ঞানিক' ৰূপকথা

প্ৰসেনজিৎ চৌধুৰী

আৰু নোৱাৰি। দাংগা-হাংগামাৰ কথা শুনি শুনি অসহ্য লাগিছে। নিতৌ নতুন খবৰঃ ক'ৰবাত দুখীয়া কেৰাণী-মহৰী ভাষা-জননীৰ 'সেৱক' সকলৰ দ্বাৰা প্ৰহৃত হৈছে ; ক'ৰবাত হয়তো সাহিত্য সংস্কৃতিৰ অ-আ-ক-খৰ খবৰ নৰখা পানৱালা-বাদামৱালাৰ থেৰৰ জুপুৰিত 'দেশপ্ৰেম'ৰ জুই দপ্ দপ্ কৈ জ্বলি উঠিছে। গোটেই দিনটো বলীনদা চহৰৰ বিভিন্ন অঞ্চল ঘুৰি ফুৰে, কেতিয়াবা আমিও তেওঁৰ লগত যাওঁ। বলীনদাই ডেকাবোৰৰ লগত নানা আলোচনা কৰে, সভা সমিতি পাতে, তাৰ পাছত ৰাতি আহি এই ৰূমত বহি তেওঁ যোগাৰ কৰি অনা খবৰবোৰ আমাক দিয়ে। আজি কিন্তু মই বলীনদাৰ ঘৰলৈ অহাৰ আগতেই ঠিক কৰি আহিছোঁ— দাংগাৰ বিষয়ে দৰকাৰী কথাখিনি পাতিলৈ অন্য কিবা ইন্টাৰেষ্টিং প্ৰসংগ উলিয়াব লাগিব। কথাটো মই জয়ন্তক ক'লো। সি ক'লে, যোৱাকালি এটা সপোন দেখিলো : এজনী অসহায় ছোৱালীক দাংগাবাজ গুণ্ডা এটাই ডেগাৰ এখনলৈ খেদি গৈছে। বলীনদাক এই সপোনটোৰ ফ্ৰয়েডীয় ব্যাখ্যা সুধিলে কেনে হয় ?

: ৰঢ়িয়া আইডিয়া ! মই ক'লো।

জয়ন্তই সপোনটোৰ কথা বলীনদাক ক'লে। বলীনদাই ঈষৎ হাঁহিলে, তাৰপাছত অলপ আগতে জ্বলাই লোৱা চাৰমিনাৰটো পেলাই অন্যমনস্ক ভাবে নতুন এটা জ্বলাই ললে। আমাৰ পৰিকল্পনা সফল হ'ল। বলীনদাই এইবাৰ ফ্ৰয়েডকলৈ ব্যস্ত হ'ব। কাৰণ কিবা এটা নতুন প্ৰসংগ আলোচনা কৰাৰ আগতে বলীনদাই সদায় মুখৰ চিগাৰেটটো পেলাই নতুন এটা জ্বলাই লয়। এইটো বলীনদাৰ এটা পুৰণি অভ্যাস।

: ফ্ৰয়েডীয় ব্যাখ্যা ? হঠাৎ ফ্ৰয়েডৰ আশ্ৰয় ললি যে, কি ব্যাপাৰ ? মাৰ্কিণী মনস্তত্ত্বৰ কিতাপ পঢ়াত লাগিছে নেকি ? সাৱধান বাপু। পঢ়, পঢ়াত আপত্তি নাই, কিন্তু চম্ভালি পঢ়িবি। ফ্ৰয়েডীয় মনস্তত্ত্বৰেতো বজাৰ উপচি পৰিছে, ক'তো হাত দিবই নোৱাৰ। পিছে তই কি সুধিছিলি ? —অ' মনত পৰিছে। তোৰ সপোনটোৰ ফ্ৰয়েডীয় ব্যাখ্যা, বুইছ, এই স্বপ্ন-ব্যাখ্যাৰ ওপৰত ফ্ৰয়েড চাহাবৰ অগাধ বিশ্বাস আছিল, সপোনৰ এই সুৰংগ পথেৰেই তেওঁ মনৰ



নিৰ্জ্জানপুৰীত গোপনে বাস কৰা ইচ্ছাবোৰৰ খবৰ লৈছিল। ফ্ৰয়েডৰমতে,স্বপ্ন আচলতে ইচ্ছাৰেই প্ৰকাশ। অৱশ্যে ফ্ৰয়েডীয় স্বপ্নতত্ত্ব প্ৰধানতঃ নিৰ্জ্জান মনৰ অৱদমিত ইচ্ছাক কেন্দ্ৰ কৰিয়েই গঢ় উঠিছে আৰু এই ইচ্ছাবোৰৰ সৰহভাগেই যে কামপ্ৰবৃত্তি সংক্ৰান্ত ইচ্ছা সেই সম্পৰ্কে ফ্ৰয়েডৰ বক্তব্য স্পষ্ট : most of the dreams of adults are traced b.ck by analysis to erotic wishes· ফ্ৰয়েডে On Dreams নামৰ কিতাপখনত এই কথা কৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে—

: তাৰমানে জয়ন্তৰ সপোনটো দাংগা-হাংগামাৰ প্ৰতিক্ৰিয়া নহয়, সেয়া আচলতে তাৰ নিৰ্জ্জান মনৰ ইচ্ছাৰ প্ৰকাশ ? মই বলীনদাৰ কথাত এক -কাৰৰ বাধা দিলোঁ, কাৰণ জয়ন্তৰ সপোন সম্পৰ্কে একো নকৈ তেওঁ ফ্ৰয়েডীয় স্বপ্নতত্ত্ব সম্পৰ্কে দীৰ্ঘ আলোচনা আৰম্ভ কৰি দিয়ে বুলি মোৰ ভয় হ'ল।

: নিশ্চয়। গুণ্ডাটো আন কোনো নহয়, স্বয়ং জয়ন্ত। আচ্ছা জয়ন্ত, সৰুতে তই কি অলপ-চলপ গুণ্ডামী কৰিছিলি ? আঃ চকুথাই উঠিছ কেলৈ ? মই এতিয়া ফ্ৰয়েডীয় ব্যাখ্যাত ৰত— যিকোনো কাৰে লিবিডো তত্ত্বক মই তোৰ সপোনৰ লগত খাপ খুৱাবই লাগিব। হু — মোৰ প্ৰশ্নৰ উত্তৰ দে।

: ওহোঁ, সৰুৰে পৰা মই খুব শান্ত। গুণ্ডামীৰ কথা মই—

: বুজিছোঁ। তোৰ মনৰ ধ্বংসাত্মক প্ৰবৃত্তিক তই অৱদমিত কৰি থৈছিলি। কিন্তু এই ক্ষেত্ৰত – মানে তোৰ সপোনত - সেই প্ৰবৃত্তি অৱদমিত হৈ থকা নাই। অৰ্থাৎ, গুণ্ডাটো আচলতে তই আৰু ডেগাৰখন ? সেইখন হ'ল প্ৰতীক।

: প্ৰতীক ?

: ধেৎতেৰি, তইঁতকতো আচল কথাটোৱেই কোৱা নাই। ফ্ৰেয়েডীয় প্ৰতীকবাদৰ কথা তইঁতে শুনিছনে নাই। ফ্ৰয়েডৰ মতে, সাধাৰণতে সপোনত নিৰ্জ্জানবাসী অৱদমিত কামনাবাসনাবোৰে ছদ্মবেশৰ সহায় লয় — অৰ্থাৎ সিহঁতে প্ৰতীকৰ আশ্ৰয় লয়। সপোনবোৰৰ গুহ্যাৰ্থক latent content ক— বুজিব হ'লে এই প্ৰতীকবোৰৰ আচল অৰ্থও বুজিব লাগিব ; সপোনৰ প্ৰকাশ্যৰূপে— manifest content এই ক্ষেত্ৰত বিশেষ সহায় নকৰে। এই গুহ্যাৰ্থ বাহিৰ কৰাৰ বা সঠিক ভাৱ কৰলৈ গলে সৃষ্টি কৰাৰ দায়িত্ব অৱশ্যে ফ্ৰয়েডীয় মনস্তাত্ত্বিকৰ। হু— কি কৈছিলোঁ মই ? প্ৰতীকবাদ, নহয় জানো ? সাধাৰণতে ফ্ৰয়েডীয় স্বপ্নতত্ত্ব মতে স্বপ্ন-প্ৰতীকবোৰ যৌনাংগ বা যৌনকাৰ্যৰ প্ৰতীক। লম্বা বস্তু হ'লেই যেনে, ছাটি, লাঠি, কলম, পেন্সিল এইবোৰ চব পুৰুষাংগৰ প্ৰতীক। আনহাতেদি, বতল, গুহা, জাহাজ, নাও এইবোৰ চব স্ত্ৰী-যৌনাংগৰ প্ৰতীক। আৰে, কি অসভ্যৰে তইঁত ? মিচিক মাচাক হাঁহিছ যে ? গাজা মাৰিছো বুলি ভাবিছ নেকি ? খোদ ফ্ৰয়েড চাহাবে এইবোৰ কথা কৈ গৈছে।



OKDISCD

: এই তত্ত্ব মতে জয়ন্তৰ সপোনৰ কি ব্যাখ্যা হ'ব ? প্ৰশ্নটো কৰিয়েই মই জয়ন্তলৈ চালো। মোৰ ধাৰণা হ'ল, সি কিঞ্চিৎ অস্বস্তিবোধ কৰিছে, হয়তো মোৰ ওপৰত তাৰ খঙো উঠিছে। মোৰ দৰে সিও নিশ্চয় বলীনদাৰ পৰা অশ্লীল উত্তৰ এটা আশা কৰিছে।

: সেইটোও কি মই তহঁতক ব্যাখ্যা কৰি দিব লাগিব ? শেষহৈ যোৱা চিগাৰেটটো খিড়িকীৰে দলিয়াই দি বলীনদাই ক'লে : এটা গুণ্ডাই মানে জয়ন্তই— হাতত এখন ডেগাৰ— ফ্ৰয়েডীয় অৰ্থত লিংগলৈ এজনী ছোৱালীক খেদি গৈছে— ইয়াৰ অৰ্থও কি মই তহঁতক বুজাই ক'ব লাগিব ? তহঁতৰ নৱোঁয়েৰৰ ৰিকুৱেষ্টত মুখখন মই কিঞ্চিৎ ভদ্ৰ কৰিবলৈ যত্নপৰ হৈছোঁ, এতিয়া দেখিছোঁ ফ্ৰয়েড আৰু তহঁতৰ পাল্লাত পৰি মোৰ মুখখন আকৌ লেতেৰা হ'ব।

কথাখিনি শেষ কৰি বলীনদাই খিড়িকীৰে বাহিৰলৈ চাই পঠিয়ালে। তেওঁৰ মুখত লাগি থকা হাঁহিটো হঠাৎ নাইকিয়া হৈ গ'ল কপালৰ সোমাজৰ ৰেখা কেইডাল স্পষ্ট হৈ পৰিল। বুজিলোঁ বাহিৰত নিশ্চয় কিবা অঘটন ঘটিছে। ষ্ট্ৰীটলেম্পৰ ক্ষীণ-অস্পষ্ট পোহৰত দেখিলোঁ, হস্তীপদ— অৰ্থাৎ এলিফেণ্ট ফুট — ষ্টাইলৰ পেণ্ট পিন্ধা কেইটামান ডেকাৰ শাৰীৰিক -দেশ-প্ৰেমৰ খপ্পৰৰ পৰা এজন নিঃসহায় বাটৰুৱাই কোনো মতে নিজকে ৰক্ষা কৰি বেগাবেগিকৈ আঁতৰি গৈছে।

: বুইছ, ফ্ৰয়েডীয় তত্ত্বত দাংগা-হাংগামাৰ এই হিংস্ৰতাৰো বিশুদ্ধ মনস্তাত্বিক ৰাখ্যা পোৱা যায়। এইবোৰৰ লগত তুৰ্বল মধ্যশ্ৰেণীৰ হতাশা কিম্বা ন্যস্ত স্বাৰ্থৰ বিভেদ নীতিৰ কোনো সম্পৰ্ক নাই। Thanatos মানে death instinct ৰ নাম তইঁতে নিশ্চয় শুনিছ ? যুদ্ধ-বিগ্ৰহ, হিংস্ৰতা বা ধ্বংসকামী মনোভাবৰ কাৰণে, ফ্ৰয়েডৰ মতে এই মৃত্যুপ্ৰবৃত্তি বা Thantos দায়ী। তেওঁৰ মতে, Eros বা প্ৰেম-প্ৰবৃত্তিৰ দৰে এই মৃত্যু বা ধ্বংসৰ প্ৰবৃত্তিও চিৰসত্য। যুদ্ধ সম্পৰ্কে আলোচনা কৰোঁতে তেওঁ আইনষ্টাইনলৈ লিখিছিল, যিবোৰ অৰ্থহীন ধ্বংসপ্ৰৱণতাৰ বিৰোধিতা আমি কৰিছোঁ তাৰ এটা জীৱৰিজ্ঞানগত যৌক্তিকতা আছে। কি হ'ল ? বিশ্বাস হোৱা নাই ? তইঁতকলৈ দেখিছোঁ মহামস্কিল ! ঠিক আছে বাৰু প্ৰমাণ দিছোঁ। এই জয়ন্ত, মোৰ টেবুলৰ সোঁফালে থকা কিতাপ কেইখন আনচোন— ওহোঁ, সেইকেইখন নহয়—অ' অ—দে।

ৰলীনদাই চাৰমিনাৰ এটা জলাইলৈ অন্যমনস্কভাবে কিতাপকেইখনৰ পাত লুটিয়াবলৈ ধৰিলে। জয়ন্তই মোলৈ চাই কিঞ্চিৎ হাঁহিলে, তাৰ হাঁহিটো তৃপ্তিৰ নে ভয়ৰ সেইটো মই ঠিক ধৰিব নোৱাৰিলোঁ। মোৰ ভয় হ'ল, বলীনদাই যদি এই ৰাতিখন তেওঁৰ উদ্ধৃতি পৰ্ব আৰম্ভ কৰি দিয়ে তেন্তে ঘৰলৈ যাওঁতে আজি নিশ্চয় মাজবাটতে ফ্ৰয়েড চাহাবৰ ধ্বংসপ্ৰবৃত্তিৰ কৃপাত ইহধাম ত্যাগ কৰিব লাগিব।



—শুন, ফ্ৰয়েড চাহাবৰ বক্তব্য শুন। তেওঁ Civilization and its Discontents নামৰ গ্ৰন্থখনৰ ৮৫ পৃষ্ঠাত কৈছে : The bit of truth behind all this—One so eagerly denied —is that men are not gentle, friendly creatures wishing for love, who simply defend themselves if they are attacked, but that a powerful measure of detire for aggression has to be reckoned as part of their instinctual endowment. আমাৰ সমাজত চলি থকা হিংস্ৰতা, অপৰাধ ইত্যাদি যে প্ৰবৃত্তিগত আৰু সেয়ে অপৰিৱৰ্তনীয় - সেইকথা কি সুন্দৰভাবে প্ৰমাণ কৰি দিলে এই তত্ত্বই ! বস্তুবাদী চিন্তাবিদ সকলেতো কয়, বৈষম্যহীন মানৱিক সমাজত হিংসা নাথাকিব। ফ্ৰয়েডৰ মতে এইবোৰ মিছা কথা— এক কাৰৰ ধাপ্পাবাজী। আইষ্টাইনলৈ তেওঁ কি লিখিছে শুন : বলশেফিক সকলেও মানুহৰ মাজত সাম্য প্ৰতিষ্ঠা কৰি আৰু পাৰ্থিব প্ৰয়োজন পূৰণ কৰি মানুহৰ আক্ৰামণাত্মক মনোভাৱ দূৰ কৰাৰ আশা পোষণ কৰে। মোৰ বাবে এই আশা নিৰৰ্থক বুলি মনত হয়। Civilization and its Discontents তো এই ধৰণৰ বহু কথা আছে। মাজেসময়ে শান্তিৰ কথা ক'লেও মানুহৰ ভবিষৎ সম্পৰ্কে ফ্ৰয়েডৰ ধাৰণা আচলতে অত্যন্ত হতাশাজনক।

—তাৰমানে যুদ্ধবোৰৰ কোনো অৰ্থনৈতিক-ৰাজনৈতিক কাৰণ নাথাকে, প্ৰবৃত্তিৰ তাড়নাতহে মানুহে যুদ্ধ কৰে ? ভিয়েটনামত আমেৰিকান সাম্ৰাজ্যবাদীয়ে যি হিংস্ৰ যুদ্ধ চলালে তাৰ কোনো ৰাজনৈতিক চৰিত্ৰ নাই, তাৰ কাৰণো কি প্ৰবৃত্তিগত ?

—নিশ্চয়। সেয়া মানুহৰ প্ৰবৃত্তিগত ধ্বংসকামীতাৰ প্ৰকাশ, যুদ্ধৰ লগত আকৌ ৰাজনীতিৰ কি সম্পৰ্ক ? J. A. C. Brown নামৰ এজন মনস্তাত্ত্বিকে তেওঁৰ Freud and Post Freudians নামৰ কিতাপখনত ফ্ৰয়েডৰ যুদ্ধ সম্পৰ্কীয় মতামত আলোচনা কৰিবলৈ গৈ কি কৈছে শুন …… Freud Supposed that war might be understood as a nation's attempt at psychological self-preservation, since if it did not direct its aggression out-wards it would finally destroy itself with internal feuds. অৰ্থাৎ, ফ্ৰয়েডীয় তত্ত্ব মতে, মাৰ্কিন সাম্ৰাজ্যবাদীবোৰে নেপাম বোমা পেলাই হাজাৰ হাজাৰ মানুহৰ জীৱন ধ্বংস কৰিহে কোনোমতে ৰক্ষা পালে, যুদ্ধ নকৰাহেঁতেন সিহঁতে যে নিজৰ মাজতেই কটা-কটি মৰা মৰি কৰি খতম হলহেতেঁন !

কিতাপখন জপাই চকু দুটা মুদি বলীনদাই কিবা চিন্তা কৰিব ধৰিলে। অনৰ্গল কথা কৈ যোৱাৰ ফলত তেওঁৰ বোধহয় ভাগৰো লাগিছে; তাৰ উপৰি দিনটো ঘুৰাঘুৰি কৰাৰ ভাগৰতো আছেই। মই ঘড়ীটোলৈ চালোঁ, দহ বাজিবলৈ দহ মিনিট। ভাবিলোঁ, ৰাতি যথেষ্ট হ'ল, এতিয়া আৰু আড্ডা মৰা উচিত নহ'ব। কাৰণ বলীনদাৰ ঘৰৰ সম্মুখত ইতিমধ্যে কোনোবা উৎসাহী ডেকাই লেতেৰা হিন্দী মাত এধাৰ মাতি 'অসমী আই'ৰ জয়ধ্বনি দি উঠিল। ৰাস্তাত নিশ্চয় 'ভাচা-চংস্কৃতি'ৰ কাৰণে নৈশ-সংগ্ৰাম চুৰু হৈ গৈছে!

—আচ্ছা বলীনদা, এইধৰণৰ তত্ত্ব প্ৰচাৰ কৰি জানো কিবা লাভ আছে? জয়ন্তৰ মুখৰ নিৰ্বিকাৰ ভংগী দেখি ভাব হ'ল ঘড়ীৰ কাঁটাৰ গতিৰ লগত তাৰ কোনো সম্পৰ্ক নাই।

জয়ন্তৰ প্ৰশ্নটো শুনি বলীনদাই চিগাৰেটত দীঘল টান এটা দি লৈ ঈষৎ হাঁহি ক'লে, আপাত দৃষ্টিত তোৰ প্ৰশ্নটো সাধাৰণ যেন লাগিলেও ই আচলতে অত্যন্ত গুৰুত্বপুৰ্ণ। আচল কথা কি জান? কিবা এটা বস্তুক অপৰিবৰ্তনীয় বুলি দেখুৱাবলৈ হ'লে সেই বস্তুটোক চিৰন্তন বুলি প্ৰমাণ কৰি দিলেই হ'ল! এই হিংস্ৰ অমানবিক সমাজ-ব্যৱস্থা ধ্বংস কৰি এখন নতুন অহিংস সমাজ গঢ়াৰ আন্দোলন দিনে দিনে পৃথিবীত বেছিকৈ বিয়পি পৰিছে। এনে অৱস্থাত যি সকলে প্ৰচলিত সমাজ-ব্যৱস্থাক মানে স্থিতাৱস্থাক ৰক্ষা কৰিব বিচাৰে তেওঁলোকৰ বাবে ফ্ৰয়েডীয় তত্ত্ব জানো মৃত সঞ্জীৱনী সদৃশ নহয়? কাৰণ মানৱ-প্ৰকৃতি সম্পৰ্কে যিটো ৰূপকথাক বিজ্ঞানৰ এপ্ৰন পিন্ধাই ফ্ৰয়েডে বৈজ্ঞানিক মহলত চালু কৰিলে তাৰ মূল গুহ্যাৰ্থ হ'ল: মানৱতা, অহিংসা ইত্যাদিৰ বাবে নতুন সমাজ গঢ়াৰ সংগ্ৰামত নামি কোনো লাভ নাই, কাৰণ নতুন সমাজত নতুন মানুহ গঢ়াৰ কল্পনা আচলতে অলীক স্বপ্নহে; মানুহ প্ৰবৃত্তিগত ভাবে হিংস্ৰ, মানুহৰ হিংস্ৰতা অপৰিবৰ্তনীয়। আকৌ সকলো বস্তুবাদী বিচাৰ বিশ্লেষণৰ মূৰত কুঠাৰাঘাত কৰি তেওঁ প্ৰমাণ কৰি দিলে যে যুদ্ধ শ্ৰেণী সমাজৰ অনিবাৰ্য ফল নহয়, ই মানুহৰ ধ্বংসকামী প্ৰবৃত্তিৰহে ফল! যুদ্ধবাজ, সাম্ৰাজ্যবাদী শক্তিবোৰৰ হাতত তেওঁ কি সুন্দৰ হাতিয়াৰ তুলি দিলে!

বলীনদাই পুনৰ চকু মুদি কপালৰ ওপৰত তেওঁৰ ৰুক্ষ আঙুলিৰে তবলা বাদন আৰম্ভ কৰি দিলে। তাৰ লগে লগে চলিল কিবা এক দুৰ্বোধ্য সুৰৰ গুঞ্জন। বলীনদাৰ ভংগী দেখি মই বুজিলোঁ যে তেওঁৰ আলোচনা সোনকালে শেষ হোৱাৰ আশা কম। ঘড়ীটোলৈ চালোঁ, দহ বাজি গ'ল। কি কৰা যায়? দাংগা-হাংগামাৰ কাৰণে সোনকালে ঘৰলৈ যাব ওলাইছো বুলি জানিলেতো অন্ততঃ ছমাহৰ কাৰণে বলীনদাই গালি



বৰ্ষণৰ খোৰাক পাই যাব! নবৌ থকাহেতেঁন অৱশ্যে এই অৱস্থাত কেতিয়াও নপৰিলোহেতেঁন। কিন্তু ৰিলিফৰ কামত তেওঁ কেতিবাই ওলাই গ'ল, ৰাতি এঘাৰ বজাৰ আগতে যে আহিব তাৰো আশা নাই! বলীনদাই এইদৰে নিৰ্বিকাৰ ভাবে ৰাতি দহ বজালৈকে আমাৰ লগত আড্ডা মাৰিব পৰাৰ এটা প্ৰধান কাৰণ অৱশ্যে নবৌৰ এই অনুপস্থিতি!

—তইঁতে আচলতে ফ্ৰয়েড চাহাবৰ ওচৰত কৃতজ্ঞ থকা উচিত। বলীনদাৰ কথা শুনি জয়ন্তই বিস্ময় বিস্ফাৰিত দৃষ্টিৰে তেওঁলৈ চালে, কাৰণ যুদ্ধ-হিংস্ৰতাৰ অন্ত পেলাই এখন নতুন সমাজ গঢ়াৰ গধুৰ দায়িত্বৰ পৰাই নহয়, আৰু এটা গুৰুত্বপূৰ্ণ দায়িত্বৰপৰা ফ্ৰয়েডে তইঁতক মুক্তি দিছে।

—কি দায়িত্ব? জয়ন্তৰ প্ৰশ্নত বলীনদা বেছ উৎসাহিত হ'ল; হুমাই যোৱা চিগাৰেটটো পেলাই তেওঁ নতুন এটা জলাই ললে। মই বিছনাৰ পৰা ভৰি দুখন নমাই চেণ্ডেলযোৰ পিন্ধিবলৈ চেষ্টা কৰিছিলোঁ, কিন্তু বলীনদাৰ মুখ-ভংগী দেখি গৃহ যাত্ৰাৰ আশা ত্যাগ কৰি ভৰি দুখন পুনৰ যথা স্থানত থলোঁ।

— নাৰী-সমস্যা সমাধানৰ দায়িত্ব। বস্তুবাদী ৰাখ্যামতেতো নাৰী-দমন তথা নাৰীৰ হীনাত্মিকাবোধৰ বাবে আমাৰ এই বৈষম্য ভিত্তিক সমাজখনেই দায়ী। য'ত পুৰুষে হাজাৰ হাজাৰ বছৰ ধৰি নিৰ্বিবাদে ৰাজত্ব চলাই আহিছে। অৰ্থাৎ, এই ৰাখ্যামতে সমস্যা সমাধানৰ বাবে দৰকাৰ এখন বৈষম্যহীন মানৱিক সমাজ। ফ্ৰয়েডৰ Phallocentric - মানে লিংগ-কেন্দ্ৰিক মনস্তত্ত্বৰ বক্তব্য কিন্তু সম্পূৰ্ণ বিপৰীত।

— কোনোবা এটা প্ৰৱন্ধত মই ফ্ৰয়েডৰ এই বক্তব্য পঢ়িছিলোঁ। সৰু ল'ৰাৰ দৰে উৎসাহত মূৰটো জোকাৰি জয়ন্তই ক'ব ধৰিলে, তেওঁৰ মতে তো নাৰী সঁচাকৈ পুৰুষতকৈ হীন, তেওঁলোক কেতিয়াও পুৰুষৰ সমান হ'ব নোৱাৰে।

— কাৰেক্ট। এইটোৱেই ফ্ৰয়েডৰ আচল বক্তব্য। যি সকলে ভাবে যে এখন মানবিক সমাজত নাৰীৰ অৱস্থা পৰিবৰ্তিত হ'ব তেওঁলোকৰ সকলো যুক্তিক বুঢ়া আঙুলি দেখুৱাই ফ্ৰয়েড চাহাবে প্ৰমাণ কৰি দিছে যে নাৰীৰ বৰ্তমান অৱস্থা সনাতন, অপৰিবৰ্তনীয়; কাৰণ সমাজ নাৰীৰ এই অৱস্থাৰ বাবে দায়ী নহয়, দায়ী তেওঁলোকৰ লিংগ হীনতা।

—লিংগ হীনতা?

— ৰব; আৰু এটা ভাল শব্দ আছে— এঃ পাহৰিছো নহয় - অ' হেৰি তোৰ লৈংগিক ক্ৰটি! নাৰীৰ লিংগ নাই, সেয়ে লিংগৰ প্ৰতি তেওঁলোকৰ এক প্ৰচণ্ড ঈৰ্ষা থাকে। ফ্ৰয়েডে ইয়াকেই penis-envy মানে লিংগ ঈৰ্ষা বুলিছে। এই লৈংগিক ক্ৰটি তথা লিংগ ঈৰ্ষাৰ ওপৰতে মূলতঃ ফ্ৰয়েডৰ নাৰী-মনস্তত্ত্ব প্ৰতিষ্ঠিত। ৰ বাৰু, দুই এটা দৃষ্টান্ত দিওঁ, বস্তুটো



OKDISCD

ক্লিয়াৰ হ'ব। ফ্ৰয়েডৰ মতে এই ঈৰ্ষাৰ ফলত নাৰী মনত হীনম্মিকাবোধৰ জন্ম হয়; আনকি নাৰীজাতিৰ সন্তানৰ প্ৰতি যি আকৰ্ষণ তাকো ফ্ৰয়েডে লিংগৰ প্ৰতি আকৰ্ষণ বুলিহে বিবেচনা কৰে! কি হ'ল? গাজাখুৰি গল্প বুলি ভাবিছ নেকি? ঠিক আছে বাৰু, তইঁতক প্ৰমাণ দিছোঁ। এয়া চা, Sexual Politics ত কেট মিলেটে ফ্ৰয়েডৰ পৰা কি বঢ়িয়া উদ্ধৃতি এটা দিছে: The effect of penis-envy has a share, further, in the physical vanity of women, since they are bound to value their charms more highly as a late Compensation for their original sexual inferiority অৰ্থাৎ, ৰূপ সম্পৰ্কে নাৰীৰ যি তথাকথিত স্বাভাৱিক সচেতনতা তাৰ-বাবে পুৰুষ প্ৰধান সমাজৰ মূল্যবোধবোৰ দায়ী নহয়, দায়ী নাৰীৰ লৈংগিক ত্ৰুটিহে! বুইছ, এই কেটমিলেটৰ উগ্ৰ ফেমিনিষ্ট ঝোঁক আছে সঁচা, তেওঁৰ বহুতো কথাৰ লগত আমি একমত হ'ব নোৱাৰো, কিন্তু এইটো ঠিক যে ফ্ৰয়েডীয় নাৰী মনস্তত্ত্ব সম্পৰ্কে তেওঁ কিছু সাৰুৱা কথা কৈছে। Sexual Politics ৰ এঠাইত তেওঁ বঢ়িয়া মন্তব্য এটা দিছে: ...... the gravest distortion in Freud's theory of female psychology stems from his incapacity, unconscious or deliberate, to seperate two radically different phenomena, female biology and femenine status তাৰ পাচত আৰু এঠাইত ফ্ৰয়েডীয় নাৰী-মনস্তত্ত্বৰ সমাজ নিৰপেক্ষ চৰিত্ৰ এক্সপোজ কৰি কৈছে: ......... he seems eager to convince us that what a man's world has made of women is only what nature had made of her first. আৰু আছে, শুনিবি নেকি? নে তইঁতৰ দেৰি গৈছে? শুন বাৰু। ফ্ৰয়েডৰ এই তত্ত্ব ইমান গাঁজাখুৰি যে মূলতঃ ফ্ৰয়েডৰ অনুগামী বুলি খ্যাত বহু মনস্তাত্বিকে তেওঁৰ এই ৰূপকথাক বিশ্বাস কৰিব পৰা নাই। Psychoanalysis and Women নামৰ কিতাপখনত এই ধৰণৰ বহু উদাহৰণ পাবি। কিতাপখনত ক্লাৰা টমচন নামৰ এগৰাকী মনস্তাত্বিকে দীৰ্ঘ আলোচনাৰ পাচত কি কৈছে শুন: I have pointed out that characteristics and inferiority feelings which Freud considered to be specifically female and biologically determined can be explained as devolopments arising in and growing out of western woman's historic situation of under privilege restriction of devolopment, in sincere attitude toward the sexual nature, and Social and economic



dependency. এইবাৰো টান দি বলীনদাই ছিগাৰেটটো বাহিৰলৈ দলি মাৰি পঠিয়ালে। বহুসময় একেৰাহে বকি থকাৰ ফলত তেওঁ বোধহয় ভাগৰি পৰিছে, তেওঁৰ নোমাল বুকুখন অস্বাভাৱিক ভাবে উঠা-নমা কৰিছে। মই জয়ন্তলৈ চালোঁ। সি একাগ্ৰ মনে কিবা চিন্তা কৰি আছে, তাৰ কপালৰ সোঁমাজত স্পষ্ট হৈ উঠা ৰেখা দুডাল দেখি মই বুজিলো যে বলীনদাক সি এতিয়া নতুন কিবা প্ৰশ্ন কৰিব।

—আচ্ছা বলীনদা, উইমেনছ্ লিব্—মানে নাৰীমুক্তি আন্দোলনৰ কাৰণ ফ্ৰয়েডীয় ব্যাখ্যা মতে কি হ'ব?

—লিংগ ঈৰ্ষা!

—অৰ্থাৎ?

—নাৰীয়ে নাৰীত্ব বিসৰ্জন দি পুৰুষ হ'ব বিচাৰিছে। অৰ্থাৎ, লৈংগিক ত্ৰুটিৰ ক্ষতিপূৰণৰ চেষ্টা।

—কিন্তু লেনিনেওতো নাৰী মুক্তি বিচাৰিছিল – তাৰ ব্যাখ্যা কি হ'ব? তেওঁৰ ক্ষেত্ৰতো লৈংগিক ত্ৰুটিৰ প্ৰশ্নই নুঠে!

—তই কেনেকৈ জানিলি? লেনিনৰ ছুট-পেণ্ট পিন্ধা ছবিহে তই দেখিছ! নাই, নাই—অবাক হৈছ কেলৈ? এইটোতো মোৰ বক্তব্য নহয়। মই ক'ব বিচাৰিছো যে এই ধৰণৰ গভীৰ গৱেষণা কৰি হয়তো আমাৰ বিশ্ববিদ্যালয়ৰ কোনো অধ্যাপকে ডক্টোৰেট ফক্টোৰেট যোগাৰ কৰি ল'ব পাৰে! অৱশ্যে তোৰ প্ৰশ্নৰ ইয়াতকৈও সহজ উত্তৰ এটা আছে, লেনিনৰ ঈডিপাছ কম্‌প্লেক্স! বচ্—এক কথাতে চব সমস্যা খতম!

মই সঁচাকৈ অলপ অস্থিৰ হৈ পৰিছোঁ। মনে মনে জয়ন্তৰ ওপৰতো মোৰ খং উঠিছে। এঘাৰ বাজিবলৈ দহ মিনিট। বলীনদাক সময়ৰ ইংগিত দিবলৈ বাৰে বাৰে মই ঘড়ীটো চাব ধৰিলোঁ। ওহোঁ, কোনো লাভ নাই। বলীনদাই একান্তমনে বাহিৰলৈ চাই আছে।

—লেম্পপোষ্টৰ তলত সেই ল'ৰাকেইটা দেখিছ? বোধহয় চেকেণ্ডশ্ব, ভঙালৈ বাট চাইছে, সিহঁতৰ 'দেশ প্ৰেম' এতিয়াও নিশ্চয় তৃপ্ত হোৱা নাই। দেখিছ, বুকু ফুলাই কেনেকৈ সিহঁতে বাহাদুৰৰ দৰে পায়চাৰী কৰিছে? এই ভংগীৰো কিন্তু ফ্ৰয়েডীয় ব্যাখ্যা আছে!

—কি?

—Breast-envy — বক্ষ ঈৰ্ষা!

—বক্ষ ঈৰ্ষা?

মই অবাক হৈ বলীনদাৰ মুখলৈ চালোঁ।

—কি হ'ল? হা-কৈ মোলৈ কি চাই আছ? ফ্ৰয়েডে দেখা হেতেঁন তোৰ এই মুখ ভংগীৰ কি ব্যাখ্যা দিলেহেতেঁন জান?

—নালাগে বলীনদা, আৰু ব্যাখ্যাৰ দৰকাৰ নাই। হু-ফ্ৰয়েডবাদ বোলে বিজ্ঞান! চালা, মনোবিজ্ঞান চলাবলৈ আহিছে!

মোৰ কথা শুনি বলীনদাই হাঁহিব ধৰিলে, সশব্দে। + + +



OKDISCD

# হাংগেৰীৰ বোলছৱি সপ্তাহ

হেমন্ত কুমাৰ দাস

এক বহুল প্ৰচাৰিত অসমীয়া সাপ্তাহিকৰ চিত্ৰ সাংবাদিকে মন্তব্য কৰিছে যে 'হাংগেৰীৰ বোলছৱি শিল্পত প্ৰত্যক্ষ ৰাজনীতিৰ প্ৰভাৱ নাই; চিৰশাশ্বত মানবীয় সমস্যা সমূহক ভিন্ ভিন্ দৃষ্টিকোণৰ পৰা ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰিছে।'

'চিৰশাশ্বত মানবীয় সমস্যা' বস্তুটোনো কি ইয়াৰ বিতোপন বাখ্যাৰ দায়িত্ব তেৰালৈ এৰি আমি মাত্ৰ ইয়াকে কম যে বিশেষ ৰাজনৈতিক আৰু সামাজিক কাঠামোই বিশেষ মানবীয় সমস্যাৰ জন্ম দিয়ে। সামাজিক আৰু শ্ৰেণীগত অৱস্থানে মানুহৰ সমস্ত ক্ৰিয়া-কলাপ নিয়ন্ত্ৰণ কৰে। শ্ৰেণীগত অৱস্থানৰ ভিন্নতাৰ বাবেই মানুহৰ সমস্যাও ভিন্ ভিন্ হয়। শিল্প-কৰ্মৰ স্ৰষ্টাও মানুহেই যেতিয়া কোনো শিল্পকৰ্মই ৰাজনৈতিক সামাজিক প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। বিভিন্ন ধৰণে তেওঁৰ শিল্পকৰ্মত (চলচ্চিত্ৰ) ৰাজনৈতিক সামাজিক দ্যোতনা সমূহে খেলা কৰিবলৈ বাধ্য: বিভিন্ন চলচ্চিত্ৰ নিৰ্মাতাই পৰ্যবেক্ষণ কৰা মানবতাৰ ৰূপো হয় স্বকীয়া - সাম্ৰাজ্যবাদী আগ্ৰাসী যুদ্ধত বিধ্বস্ত মানবতা; সামন্তবাদী, সাম্ৰাজ্যবাদী, পুঁজিবাদী শোষণত ধৰ্ষিত মানবতা; শোষণত অতীষ্ঠ একক, একত্ৰ গৰ্জনমুখী মানবতা; শোষণবিহীন নতুন সমাজ ব্যৱস্থাৰ বাবে উন্মুখ মানবতা।

আৰু বাগিছাৰ বনুৱা গাভৰুৰ প্ৰেমত পৰি বিয়া কৰাই আৰু তেওঁৰ মৃত্যুত বলীয়া হোৱা বাগিছাৰ চাহাব মেনেজাৰৰ মানবতা (?) আঃ চাবাচ! চিৰশাশ্বত মানবতা !

আচলতে ৰাজনীতি। প্ৰাক্-স্বাধীনতা যুগৰ বৃটিছৰ চাহ বাগিছাৰ মেনেজাৰে যেতিয়া বাগিছাৰ বনুৱা ছোৱালী চামেলিক জীৱন-সংগিনী ৰূপে গ্ৰহণ কৰে তেতিয়া ঢাক খায় প্ৰাক্ স্বাধীনতা যুগৰ চাহ বাগিছাৰ চাহাবৰ কামনাৰ অত্যাচাৰৰ বলি হোৱা বহু চামেলিৰ সঁচা ইতিহাস। চামেলিয়ে যেতিয়া নিজৰ শ্ৰেণীৰ মঙলুৰ প্ৰেম প্ৰত্যাখ্যান কৰি চাহাবৰ বাহুপাশত আৱদ্ধ হয়, বাগিছাৰ বনুৱা মঙলু যেতিয়া কুৎসিত ৰূপত উপস্থিত হয় তেতিয়া নস্যাৎ হয় সাধাৰণ মানুহৰ শ্ৰেণীসত্তা, বিকৃত হয় চাহৰ কুঁহিপাতৰ দৰে নিভাজ সেউজীয়া মনৰ বনুৱাৰ চৰিত্ৰ আৰু তাৰ আঁৰত প্ৰকট হয় শোষকৰ চৰিত্ৰ মহান কৰি দেখুউৱাৰ আৰু সাধাৰণ মানুহক বিকৃত ৰূপত হাজিৰ কৰোৱাৰ কুৎসিৎ জঘন্য ৰাজনীতি।



বিশ্ববিশ্ৰুত চলচ্চিত্ৰ নিৰ্মাতা ডেভিদ লীনৰ Ryan's daughterত যেতিয়া নিম্ন মধ্যবিত্ত বুদ্ধিজীৱি ৰ্যানৰ জীয়েক আৰু মিলিটেৰী ছাৰ্জেণ্টৰ মাজত যৌন মিলন ঘটোৱা হয়, ছৱিৰ শেষত যেতিয়া খোৰা ভৰিৰে বনুৱা কৰ্মী আৰু মিলিটেৰী ছাৰ্জেণ্ট দুয়ো দুয়োৰে ফালে যুদ্ধ শেষৰ ক্লান্তিৰ নিঃশ্বাসেৰে আগবাঢ়ি যায়, খোৰা ছাৰ্জেণ্টে তেওঁৰ সোণালী চিগাৰেট কেচত ৰৈ থোৱা দুডাল চিগাৰেটৰ এডাল নিজে জ্বলাই লয় আৰু আনডাল খোৰা বনুৱা কৰ্মীৰ ফালে আগবঢ়াই দিয়ে তেতিয়া তাত কোনো 'চিৰশাশ্বত মানবতা'ৰ ধ্বনি শুনা নাযায়, তাত প্ৰকাৰন্তৰে শোষক আৰু শোষিত শ্ৰেণীৰ মাজৰ সশস্ত্ৰ আৰু ৰক্তাক্ত বিৰাট যুদ্ধৰ নিৰ্ঘাত সত্যক জোৰ জবৰদস্তি অস্বীকাৰ কৰাৰ ক্ষীণ প্ৰয়াস দেখা যায়। বাৰ্গমেনে তেওঁৰ ছবিবোৰত মানুহৰ প্ৰতি মানুহৰ চৰম নিৰ্মমতা আৰু বিশ্বাসঘাটকতা ফুটাই তুলি মানুহৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থানকেই অস্বীকাৰ কৰে। ক্ষয়িষ্ণু সামন্ত নায়ক আৰু বুৰ্জোৱা নায়কৰ প্ৰতি দৰদ সৃষ্টি কৰি বিশ্ববিখ্যাত চলচ্চিত্ৰ নিৰ্মাতা সত্যজিত ৰায়ে সামন্ত নায়ক আৰু বুৰ্জোৱা নায়কৰ শ্ৰেণী অৱস্থান গোপন কৰে। লীনে ডাক্তৰ ঝিভাগোত ডাঃ ঝিভাগোৰ জীৱনৰ দুঃসহ অধ্যায় চিত্ৰায়িত কৰাৰ মাজেদি অক্টোবৰ বিপ্লৱক এটা 'ঐতিহাসিক ভুল' আৰু 'দুৰাৰোগ্য দুৰ্ঘটনা' হিচাপে অভিহিত কৰে। বিশ্বৰ বৰেণ্য চিত্ৰ নিৰ্মাতা আইজেনষ্টাইনে 'বেটলশ্বিপ্ পটেমকিন'ত ৰাছিয়াৰ ১৯০৫ চনৰ বিপ্লৱক কেন্দ্ৰ কৰি ঘটা ৰক্তাক্ত নাবিক বিদ্ৰোহক ৰূপায়িত কৰাৰ আঁৰতো আছে শোষক শ্ৰেণীৰ বিৰুদ্ধে মেহনতী জনগণৰ সংগ্ৰামক তুলি ধৰাৰ পৱিত্ৰ ৰাজনীতি, 'অক্টোবৰ'ত ১৯১৭ চনত ৰাছিয়াত ঘটা অক্টোবৰ বিপ্লৱক তুলি ধৰাৰ আঁৰতো সৰ্বহাৰাৰ জয়যাত্ৰাক যুগমীয়া কৰাৰ মহান ৰাজনীতি।

যোৱা এপ্ৰিল মাহত গুৱাহাটীত ভাৰত চৰকাৰৰ চলচ্চিত্ৰ উৎসৱ সঞ্চালকালয় আৰু তথ্য আৰু অনাতাঁৰ বিভাগৰ দ্বাৰা অনুষ্ঠিত হাংগেৰীৰ বোলছৱি উৎসৱত প্ৰদৰ্শিত হোৱা ছৱিকেইখনো প্ৰত্যক্ষ ৰাজনীতিৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাৰতো প্ৰশ্নই নুঠে বৰং কেবাখনো ছবিৰ বিষয় বস্তুই হ'ল প্ৰত্যক্ষ ৰাজনীতি। প্ৰথম মহাসমৰৰ সময়ত ১৯১৯ চনত ৰুমানিয়াৰ দ্বাৰা আক্ৰান্ত আৰু লুণ্ঠিত হোৱাৰ পাছত Karoly Huszar আৰু তেওঁৰ পিছৰ কেইজনমান শাসনকৰ্তাৰ সময়ৰ হাংগেৰীৰ ভয়াৱহ শ্বাসৰোধী ৰাজনৈতিক অৱস্থাৰ পৰা আৰম্ভ কৰি আজিৰ সমসাময়িক হাংগেৰীৰ ৰাজনৈতিক জীৱন এই ছৱিবোৰত প্ৰতিফলিত। এই ছৱিবোৰৰ মাজেদি প্ৰতিফলিত হোৱা ৰাজনৈতিক ভাবনা আমাৰ সমৰ্থনযোগ্য হয়নে নহয়,



OKDISCD

সেই প্ৰশ্নলৈ নগৈও এই কথা আমি কবই লাগিব যে এই চিত্ৰপৰিচালক-সকলে ৰাজনীতি আৰু জীৱনৰ মাজত অলংঘ্য প্ৰাচীৰ গঢ়াৰ কোনো অপচেষ্টা নকৰি শক্তিশালী গণমাধ্যম চলচ্চিত্ৰৰ বিপুল সম্ভাৱনাৰ সফল প্ৰয়োগৰ মাজেদি সহজ আৰু পোণপটীয়াকৈ তেওঁলোকৰ ৰাজনৈতিক ভাবনাৰে সৈতে জীৱনবোধক মিলাই সাৰ্থক শিল্প সৃষ্টিৰ নিদৰ্শন ডাঙি ধৰিছে।

চলচ্চিত্ৰ সপ্তাহৰ প্ৰথম দিনা প্ৰদৰ্শিত 'ড্ৰিমিং ইয়ুথ' ১৯০৬ চনৰ হাংগেৰীৰ অসুস্থ, সংকটপূৰ্ণ ৰাজনৈতিক বাতাবৰণৰ পটভূমিত নিৰ্মিত এখন সংহত-সুন্দৰ ছবি। বিভিন্ন জাতিসত্তা আৰু গোষ্ঠীৰ মাজৰ দ্বন্দ্বত ৰামপন্থী চিন্তাধাৰাৰ এজন বুৰ্জোৱা অধ্যাপক, তেওঁৰ পৰিয়াল আৰু তেওঁৰ গোষ্ঠীৰ অসম্মানজনক অৱস্থান, তেওঁৰ লৰা হাৰ্বাট আৰু হাৰ্বাটৰ বন্ধুৰ বিভিন্ন ৰাজনৈতিক সামাজিক দ্বন্দ্ব-সংঘাতৰ সৈতে মুখামুখি আৰু তেওঁলোকৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু তেওঁলোকৰ নিষ্পাপ সপোন পোনপটীয়াকৈ ড্ৰিমিং ইয়ুথত তুলি ধৰিছে পৰিচালক Janos Rozsa ই।

Ferenc Kosa ৰ 'স্নো ফল'ত আমি দেখা পাও, ১৯৪৪ চনৰ যুদ্ধক্ষেত্ৰৰ ভয়াবহতা আৰু নিষ্ঠুৰতাৰ পৰা পলাই আহি সৈনিক Marton Csorba ই সেউজীয়া পাহাৰৰ মাজত, নীলা আকাশৰ তলত স্বস্তিৰ নিশ্বাস কাঢ়িছে, আইতাকৰ ওচৰত ককাদেউতাক আৰু দেউতাকৰ খৰিকটীয়া জীৱনৰ, কাঠফুলা বিচৰা জীৱনৰ কাহিনী শুনিছে। বেলাড্ জাতীয় এই কাহিনীটো চিত্ৰায়িত কৰোতে পৰিচালক kosa ই landscape, পশু-পক্ষীৰ মাত, সংলাপ আদিৰ সুন্দৰ ব্যৱহাৰেৰে এক অভিনৱ ব্যঞ্জনাৰ সৃষ্টি কৰিছে। ছবিৰ আৰম্ভণিতে নঙঠা ৰঙা পাহাৰৰ ওপৰেদি সৈনিকসকল বাগৰি অহা দৃশ্যটো

[ ৪৮ পিঠিৰ পিছৰ অংশ ]

আমি অসমীয়া সাহিত্যৰ ভৱিষ্যত সম্বন্ধে যথেষ্ট আশাবাদী। এই আশাবাদৰ বাস্তৱতা গভীৰ আৰু ব্যাপক হ'ব যদিহে আমাৰ শিল্পী-সাহিত্যিকে নিজৰ প্ৰকৃত দায়িত্ব সম্বন্ধে সচেতন হয়। কাৰণ সমাজৰ প্ৰকৃত সমস্যা উপলব্ধি কৰিবলৈ চেষ্টা নকৰিলে প্ৰকৃত বৌদ্ধিক জ্ঞানৰ বিকাশ হ'ব নোৱাৰে। উপলব্ধিৰ এই ব্যৰ্থতাত বুদ্ধিজীৱিৰ চিন্তাত নেতিবাচক দৰ্শনে প্ৰভাৱিত কৰে এনে অৱস্থাত তেওঁলোকৰ চিন্তাৰ মূল উপজীব্য হয় আত্মকেন্দ্ৰীকতা— বিমূৰ্ত চিন্তা— সাৰ পদাৰ্থহীন শব্দৰ সমষ্টি। কিন্তু সামাজিক শক্তিশালী চেতনাই বুদ্ধিজীৱিৰ মনত সৃষ্টি কৰে সৃজনীমূলক জ্ঞান আৰু নিখুত অন্তৰ্দৃষ্টি। এই ক্ষেত্ৰত তেওঁলোকে এহাতে কৰিব লাগিব গভীৰ বাস্তৱমুখী অধ্যয়ন আৰু আনহাতে জনজীৱনৰ সৈতে ৰাখিব লাগিব প্ৰত্যক্ষ সংযোগ। হৃদয়ৰ এই গভীৰতা নাথাকিলে সামাজিক সীমাবদ্ধতা আৰু জীৱন যাত্ৰাৰ ঠেক গতি অতিক্ৰম কৰিব নোৱাৰি। ফলত চিন্তা ধাৰাত তুচ্ছতা আৰু উপলব্ধিৰ স্থূলতা দেখা যায়। + + +



tilt down (কেমেৰাৰ নিম্নগামী গতি) আৰু Jump cut (দ্ৰুতগতিত দৃশ্যৰ পৰা দৃশ্যলৈ যোৱা)ৰ সমন্বয়ৰে কিছুসময়ৰ বাবে ধৰি ৰখাত যুদ্ধৰ ভয়াবহতা আৰু নিষ্ঠুৰতা ফুটি উঠিছে। তেনেদৰেই সৈনিকজনৰ মানসিক অৱস্থা সুন্দৰকৈ ডাঙি ধৰিছে সেউজীয়া পাহাৰ, নীলা আকাশ আৰু চৰাইৰ কলৰৱে। মেজৰে সৈনিক জনক খৰিকটীয়াৰ কুঠাৰ লৈ ফুৰা অভিযোগত অভিযুক্ত কৰা সংলাপটিৰ মাজেৰে যুদ্ধৰ অস্ত্ৰকে জীৱিকা হিচাপে লবলৈ বাধ্য কৰোৱা সেই নিষ্ঠুৰ সময়খিনিৰ কথা পৰিস্কাৰকৈ ওলাই পৰিছে। যুদ্ধৰ ভয়াবহতা আৰু শান্তি-প্ৰয়াসী সৈনিকজনৰ মানসিক অৱস্থা চিত্ৰিত কৰা এই ছবিখনৰ প্ৰসংগত এটা প্ৰশ্ন আমাৰ মনলৈ আহে।

নানা চুক্তিগত কাৰণত হাংগেৰীয়ে ৰাছিয়া অক্ৰমণত আক্ৰমণকাৰী নাৎছি জাৰ্মানৰ লগত যোগ হৈছিল যদিও ১৯১৭ চন মানৰ পৰাই ৰাছিয়াৰ দ্বাৰা ৰাজনৈতিকভাৱে প্ৰভাৱিত বহু ৰেডিকেল আৰু বামপন্থীসকলে ইয়াক মানি লব পৰা নাছিল। পলবীয়া সৈনিকজন এনে ভাৱধাৰাৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছিল নে যুদ্ধক্ষেত্ৰৰ ভয়াবহতাই তেওঁৰ বাবে মূল কথা? এই প্ৰশ্নৰ অৱতাৰণা এইবাবে কাৰণ অন্যায় আগ্ৰাসী যুদ্ধৰ ভূমিকাক উন্মোচন নকৰি, ইয়াৰ অনিবাৰ্যতাৰ বিৰুদ্ধে, ন্যায় যুদ্ধৰ অনিবাৰ্যতাৰ প্ৰশ্ন নুতুলি বা তেনে কোনো পথৰ ইংগিত নিদি অকল যুদ্ধৰ ভয়াবহতাক ৰূপায়িত কৰাটো সৎ বুদ্ধিৰ পৰিচায়ক নহয়, তাত ভীৰু আতংকগ্ৰস্ত নিম্নমধ্যবিত্তসুলভ ৰাজনীতিকহে আশ্ৰয় দিয়া হয়।

karoly Makk পৰিচালিত 'লাভ' ছবিত ৰাজনৈতিক কাৰণত বন্দী গিৰিয়েকৰ বাবে বুঢ়ী শাহুয়েকক পৰিচৰ্যা কৰি ফুচুলাই, সান্ত্বনা দি অসীম ধৈৰ্য আৰু ভালপোৱাৰে ৰৈ থাকে বন্দীৰ ঘৈণীয়েক। অৱশেষত আহি পায় গিৰিয়েক। গভীৰ আবেগ আৰু আস্থাৰে দুয়ো দুয়োৰে ফালে আগবাঢ়ে। ঋজু ভংগীৰ এই ছবিখনত সংলাপৰ তাৎপৰ্যপূৰ্ণ প্ৰয়োগ মনকৰিবলগীয়া। শাহুৱেকে সোধা 'মোৰ পুত্ৰক কিয় সকলো সময়তে গুপ্তচৰে ঘেৰি থাকে?' প্ৰশ্নৰ উত্তৰত বোৱাৰীয়েকে দিয়া 'আমেৰিকাত সকলো বিখ্যাত মানুহকেই গুপ্তচৰে ঘেৰি থাকে মা' উত্তৰটোৰে চৰিত্ৰটিৰ মনৰ বিষাদ জাল উথলি উঠাৰ লগে লগে সেই সমগ্ৰ ৰাজনৈতিক অৱস্থাটোৰ ওপৰত এপাত বাণ নিক্ষেপিত হৈছে।

বন্দীত্বৰ ৰাজনৈতিক কাৰণ ছবিত স্পষ্ট নহলেও ইয়াৰ পটভূমি বিচাৰ কৰিলে দেখা যায় যে স্তালিনৰ সমৰ্থক Rakasi ৰ আমোলত বন্দী হোৱা বন্দীজনে ১৯৫৩ চনত ক্ৰুচেভৰ দ্বাৰা ৰাছিয়াত স্তালিন অপসাৰিত হোৱাৰ পাছত, যেতিয়া তলতীয়া ৰাজ্য (Satellite State) হিচাপে হাংগেৰীতো শাসক সলনি হয়, Nagy আহে, তেতিয়া মুক্তি পায়। স্তালিনৰ আমোলৰ বিতৰ্কিত অধ্যায়ত প্ৰবেশ নকৰিও এটা কথা জনা যায় যে 'ব্যক্তিপূজা'

OKDISCD

( Calt of Personality ) ৰ দায়ত অভিযুক্ত কৰি ক্ৰুচেভে যেতিয়া স্তালিনক অপসাৰিত কৰি শাসন ক্ষমতালৈ আহে তেতিয়া 'সমাজতান্ত্ৰিক দুৰ্গৰ অন্যতম প্ৰহৰী' বুলি এসময়ত স্বাগতম জনোৱা ৰুছ লেখক এৰেনবুৰ্গকে আৰম্ভ কৰি চিলিৰ পাবলো নেৰুদায়ো 'That crue lman who Stopped life' বুলি কবিতা লিখি ক্ৰুচেভৰ লগত সুৰ মিলায়। লাভ গল্পৰ লেখক টিবৰ ডেৰি আৰু পৰিচালক karoly Makk ও বোধহয় ক্ৰুচেভৰ স্তালিন বিৰোধী ৰাজনীতিৰ দ্বাৰাই প্ৰভাৱন্বিত।

Peter Barco পৰিচালিত 'প্ৰেজেণ্ট ইণ্ডিকেটিভ'ত প্ৰদৰ্শিত হৈছে Imre Mozes নামৰ এজন সৎ আৰু সংগ্ৰামী শ্ৰমিকে কেনেদৰে প্ৰথমতে একক আৰু শেষত লগৰীয়া সকলৰে সৈতে ফেক্টৰী কৰ্তৃপক্ষৰ অন্যায় নীতিৰ বিৰুদ্ধে নিৰৱছিন্নভাবে যুজি যায়। হাংগেৰীৰ দৰে সমাজতান্ত্ৰিক দেশ এখনৰ ট্ৰেডইউনিয়নৰ মাজতো কেনেদৰে আমোলাতন্ত্ৰই শিপা মেলিছে তাৰ ইংগিতো পৰিচালক Basco ই ছবিখনত দিছে।

চলচ্চিত্ৰ সপ্তাহত আমাৰ মনত গভীৰভাবে আঁচ পেলাই যোৱা ছবি দুখন হ'ল Zoltan Fabni ৰ 'আনফিনিশ্বড্ ছেণ্টেঞ্চ' আৰু Miklos Taneso ৰ 'ছাইলেঞ্চ এণ্ড ক্ৰাই'। সক্ৰিয় শ্ৰেণী দৃষ্টিভংগীৰে পৰিচালক Fabri য়ে 'আনফিনিশ্বড্ চেণ্টেঞ্চ'ত পুঁজিবাদী সমাজে জন্ম দিয়া এজন নিঃসংগ শ্ৰমিকদৰদী বুৰ্জোৱাৰ শ্ৰেণী সত্তা অতি দক্ষতাৰে উন্মোচন কৰি কমিউনিষ্ট কৰ্মীৰ আদৰ্শ আৰু শ্ৰমিকৰ দৃঢ় মানসিকতাক তুলি ধৰিছে। এক অভিনৱ উপস্থাপন ৰীতিৰে পৰিচালক Janeso ই 'ছাইলেঞ্চ এণ্ড ক্ৰাই'ত ১৯১৯ চনৰ হাংগেৰীৰ ভয়াবহ শ্বাসৰোধী ৰাজনৈতিক অৱস্থা ৰূপায়িত কৰাৰ লগতে অতি কলাসন্মত ভাবে নিজৰ সবল বক্তব্য ডাঙি ধৰিছে। ৰুমানিয়াৰ দ্বাৰা আক্ৰান্ত আৰু লুণ্ঠিত হোৱাৰ পিছত karoly Huszar শাসন ক্ষমতালৈ অহাত দেশৰ ৰেডিকেল, প্ৰগতিশীল বামপন্থী আৰু কমিউনিষ্ট কৰ্মীসকলৰ ওপৰত নামি আহে অকথ্য অত্যাচাৰ। দেশৰ জনগণ ভীষণ দাৰিদ্ৰ আৰু নৈতিক সংকটৰ কবলত পৰে। এনে সময়তে অত্যাচাৰৰ হাত সাৰিবলৈ Isivan নামৰ এজন পূৰ্বৰ লালফৌজৰ সৈনিকে এজন খেতিয়কৰ ঘৰত আশ্ৰয় হয়। এইখিনি সময়তে পৰিচালকে চৰিত্ৰবোৰৰ মাজেদি যুদ্ধই মানুহৰ মনত জন্ম দিয়া ভীতিগ্ৰস্ততা সন্দেহ, কামনা-বাসনা আদিৰ সাৰ্থক প্ৰতিফলন ঘটাইছে। ছবিৰ শেষত এটা উত্তেজনাপূৰ্ণ মুহূৰ্তত Isvan কমাণ্ডাৰৰ মুখামুখি হ'ল। কমাণ্ডাৰজনে Istvan ক মাৰিবলৈ কৈ Istvan ৰ পিচে পিচে গৈ থাকিল। পিচে পিচে গৈ থকা কেমেৰাই হঠাৎ ৰৈ গৈ track backward ( পিচুৱাই অহা ) কৰিলে। কমাণ্ডাৰজন ফ্ৰেমৰ পৰা ওলাই পৰিল। Istvan এ ঘূৰি নিজৰ ফালে গুলী নকৰি সমুখৰ ফালে গুলী এৰিলে। Istvan ক freez ( স্থিৰ চিত্ৰত পৰিণত হোৱা ) কৰি দিয়া হ'ল। লগে লগে গোটেই ছবিখনত বিৰাজ কৰা নীৰৱতা ভংগ কৰি



বাজি উঠিল ঘড়ীৰ ঘণ্টাধ্বনিৰ দৰে সংগীত। এই দৃশ্য পৰিক্ৰমা (Sequence) ৰ বক্তব্য মুখৰ হৈ উঠিছে। গোটেই ছবিখনতে বিন্দুমাত্ৰও সংগীত প্ৰয়োগ নকৰি অকল সীমিত সংলাপ আৰু incidental noise ( দৃশ্যমান ঘটনাৰ পৰিপূৰক শব্দ ) ৰে আগবঢ়াই নি যেনেদৰে শ্বাসৰোধী পৰিবেশক মুখৰ কৰিছিল, ছবিৰ শেষত সংগীত ব্যৱহাৰেৰে তেনেদৰেই বক্তব্যক বাংঙ্ময়তা দান কৰিছে। 'ছাইলেঞ্চ এণ্ড ক্ৰাই' সচাঁকৈয়ে আমাৰ বাবে এক বিৰল অভিজ্ঞতা। সপ্তাহটোত প্ৰদৰ্শিত আন এখন ছবি Zoltan Huszarik ৰ 'ছিন্দবাদ'ৰ কাহিনী যেনেদৰে ৰহস্যময় উপস্থাপনা পদ্ধতিও সেইদৰে অনাহকতে জটিল।

সাতখন পূৰ্ণদৈৰ্ঘৰ ছবিৰ লগতে প্ৰদৰ্শিত সাতখন চুটি ছবিৰ কেইখনমান কলাগত বিচাৰত অনবদ্য সৃষ্টি। 'এঞ্জেলাছ'ৰ ফটোগ্ৰাফী আৰু সংগীতে 'বুডাপেষ্ট, হোৱাই আই লাভ ইট' ৰ উপস্থাপন ৰীতিয়ে আমাক অভিভূত কৰে, কিন্তু হাংগেৰীৰ মৃৎ শিল্প-কলা, ( Pottery Art ) লোক কলা আৰু লোক নৃত্যৰ ওপৰত নিৰ্মিত 'কণ্টিনুয়েশ্যন' নামৰ ছবিখনে আমাক কিছু কৰবলৈও বাধ্য কৰায়। সম্পূৰ্ণ ধাৰা বিৱৰণী ( Commentary ) বিহীন অকল দৃশ্যমান বস্তুৰে এইখন এখন সাৰ্থক তথ্য চিত্ৰ, য'ত কেমেৰাৰ বিভিন্ন ফ্ৰেমে বিভিন্ন মৃৎ-শিল্পকলা আৰু লোক কলা ধৰাৰ লগতে ইয়াৰ আঁৰত নিহিত হৈ থকা স্ৰষ্টাৰ শ্ৰম আৰু মগজুও পৰিস্ফুট কৰায়।

সচেতন বা অসচেতন ভাবে 'চিৰশাশ্বত মানৱীয় সমস্যা'ৰ দৰে বিমূৰ্ত বস্তুৰ পক্ষে ওকালতি কৰি বাস্তৱ পটভূমিয়ে জন্ম দিয়া মানুহৰ বাস্তৱ সমস্যাক অস্বীকাৰ কৰি বুৰ্জোৱা শিল্পী-সাংবাদিকে নিজৰ ফোপোলা আৰু প্ৰতিক্ৰিয়াশীল চৰিত্ৰ উদঙাই দিয়াৰ লগে লগে মাজে মাজে কিছুমান কাণ্ডজ্ঞানহীন মন্তব্য কৰি হাস্যৰসৰো উদ্ৰেক কৰে। উদাহৰণ স্বৰূপে Film Fare (৬ ফ্ৰেবুৱাৰী ৭৬ ) ৰ সাংবাদিকে 'লাভ'ক এখন বোম্বাই মাৰ্কা হিন্দী চিনেমাই অনুকৰণ কৰিব পৰা সমলৰ ছবি বুলি মন্তব্য কৰে। আৰু আমাৰ অসমীয়া স্বনামধন্য সাংবাদিকে ইতিহাসৰ এক বিতৰ্কিত অধ্যায়ত ৰাজনৈতিক কাৰণত বন্দী হোৱা 'লাভ'ৰ বন্দীজনৰ বন্দীত্বৰ কাৰণ ধৰিব নোৱাৰি বন্দীজন বে-আইনী ব্যৱসায়ত লিপ্ত বুলি কলম চলাই দিয়ে।

শেষত এটা কথা কোৱা দৰকাৰ যে এনেবোৰ উৎসৱ অনুষ্ঠিত কৰাৰ আঁৰত বন্ধু দেশৰ লগত সংস্কৃতিক বিনিময়ৰ প্ৰয়োজনীয়তাৰ লগতে দৰ্শকক উন্নত দেশৰ সুস্থ ৰুচিৰ ছবি দেখুৱাৰ উদ্দেশ্যও থকা বুলি উদ্যোক্তাসকলে কয়। কিন্তু নিজৰ দেশৰ অসংখ্য পচামাৰ্কা ছবি আৰু হাড় পচি যোৱা আৰু অন্যান্য অপসাংস্কৃতিক উপাদানেৰে ভাৰতীয় ৰুচিৰ কৰুণ পৰিণতি এনেবোৰ উৎসৱতেই পৰিলক্ষিত হয়, যেতিয়া 'আনফিনিশ্বড ছেণ্টেনছ' দিনা চৰম পৰিতৃপ্তিৰে অধিকাংশ দৰ্শক প্ৰেক্ষাগৃহৰপৰা ওলাই আহে আৰু 'লাভ'ত আধাৰ পৰাই প্ৰেক্ষাগৃহ খালি হ'বলৈ আৰম্ভ কৰে। আচলতে ৰুচিজ্ঞানো ওপৰৰ পৰা জাপি দিয়া বস্তু নহয়, ৰাজনৈতিক আৰু সামাজিক কাথামোতেই ৰুচিৰ সত্যও নিহিত হৈ থাকে। + + +



OKDISCD

# চীন ভাৰত সম্পৰ্কৰ অগ্ৰগতি

## নিখিল চক্ৰৱৰ্তী

ভাৰত চীন এই দুখন প্ৰতিবেশী ৰাষ্ট্ৰৰ মাজত কুটনৈতিক সম্পৰ্ক পুনৰ প্ৰতিষ্ঠা হৈছে।

১৯৫৯ চনৰ আগত এই দুই ৰাষ্ট্ৰৰ সম্পৰ্ক আছিল ঐতিহাসিক সাচত, স্বতঃস্ফুৰ্তভাবে গঢ়ি উঠা নিবিড় মধুৰ সম্বন্ধ। সেয়া আছিল 'হিন্দী চীনী-ভাই ভাই'ৰ যুগ। কিন্তু ১৯৫৯ কিম্বা তাৰো কিছু আগৰ পৰা সেই সম্পৰ্কত ভাঙন ধৰে। দুখন ৰাষ্ট্ৰৰ সীমা সন্দৰ্ভত বিৰোধৰ ক'লা ডাৱৰে আবৃত কৰে।

যোৱা ১৪ বছৰ এই দুই ৰাষ্ট্ৰৰ মাজত কেৱলমাত্ৰ 'চাৰ্জ দ্য এফেয়াছ' নিয়োগৰ বাহিৰে আন কোনো কুটনৈতিক সম্পৰ্ক একেবাৰে নথকা বুলিবই পাৰি। গতিকে ৰাষ্ট্ৰদূত বিনিময়ৰ লগে লগেই চীন ভাৰতৰ সম্পৰ্ক পোনতে স্বাভাৱিক হৈ উঠিব, এনে আশা কৰা কঠিন। তথাপি দুয়ো ৰাষ্ট্ৰৰ মাজত গঢ়লৈ উঠিব ধৰা এই নতুন সম্পৰ্কৰ প্ৰাত আমি ওলগ জনাইছোঁ।

ভাৰত আৰু চীনৰ মাজত নিবিড় মৈত্ৰী সম্পৰ্ক প্ৰাচীন কালৰপৰা চলি আছিল। যীশুখৃষ্টৰ জন্মৰ আগৰ প্ৰায় দ্বিতীয়/তৃতীয় শতিকাতেই বৌদ্ধ পৰিব্ৰাজকসকলে বৌদ্ধ ধৰ্মৰ বাণী, তথা ভাৰতীয় সভ্যতা আৰু সংস্কৃতি চীন দেশত প্ৰচাৰ কৰে। সম্ভৱতঃ 'কাশ্যপ মাতঙ্গ' আছিল প্ৰথম বৌদ্ধ পৰিব্ৰাজক, যিজনাই তৎকালীন চীন সম্ৰাটৰ আমন্ত্ৰণক্ৰমে চীন দেশলৈ যায় আৰু বৌদ্ধ ধৰ্ম প্ৰচাৰত আগভাগ লয়। ইয়াৰ কেই শতিকামান পিছত দীপঙ্কৰ আৰু শ্ৰীজ্ঞান দুগৰাকী পৰিব্ৰাজকে চীন আৰু তিব্বতত বৌদ্ধধৰ্ম প্ৰচাৰ কৰে। তেনে ধৰণে বিখ্যাত চীনা পৰিব্ৰাজক হিউ-এন-চাং আৰু ফাহিয়ান প্ৰমুখ্যে বহুতো চীনা পৰিব্ৰাজকেও ভাৰতলৈ আহে আৰু ইয়াৰ নালন্দা আদি বিশ্ববিদ্যালয় সমুহত গৱেষণাপূৰ্ণ অধ্যয়ন চলাই ভাৰতীয় সংস্কৃতিৰ তথ্যপাতি আহৰণ কৰে। মুলতঃ এনে ধৰণৰ সাংস্কৃতিক বিনিময়ৰ মাধ্যমতেই চীন ভাৰতৰ সম্পৰ্কৰ বুনিয়াদ গঢ়ি উঠিছিল, আৰু তাৰ লগতে দুই দেশৰ মাজত বাণিজ্যিক লেনদেনও স্থাপিত হৈছিল। হিমালয়ৰ সুউচ্চ তুষাৰাবৃত শৃংগৰাজিৰ বাধা অতিক্ৰম কৰিও ভাৰত চীনৰ মাজত এই মৈত্ৰী সম্পৰ্ক অটুট আছিল বহু শতিকা ধৰি। ভাৰতত মুছলমান আৰু ইংৰাজ শাসনৰ সময়তো বাণিজ্যিক সম্পৰ্ক অব্যাহত আছিল, আৰু ঘোঁৰা গাধ, চামৰী গাইৰ সহায়ত দুৰ্গম গিৰিপথেৰেই প্ৰয়োজনীয় বয়বস্তুৰ লেনদেন চলি আছিল।





যোৱা শতিকাৰ শেষ ভাগত ৰুছ সম্ৰাটে মধ্য এচিয়া অভিযান কৰে। চিং কিয়াং আৰু তিব্বত এই আক্ৰমণৰ কবলত পৰে। সেই সময়ত লৰ্ড কাৰ্জনে কৰ্ণেল ইয়ংহাজবেণ্ডক তিব্বতলৈ পঠিয়াই তিব্বতত ৰুছ আক্ৰমণৰ অগ্ৰগতি প্ৰতিহত কৰে; আৰু ফল স্বৰূপে চীনে তিব্বতৰ প্ৰতি থকা অধিকাৰ পৰিত্যাগ কৰিব লগা হয়, বাস্তৱিক পক্ষে তিব্বত ইংৰাজৰ শাসনাধীনলৈ আহে। ১৮৯৩ চনৰ ভাৰতৰ উত্তৰ পশ্চিম সীমান্ত অঞ্চলত অনুস্থাপিত হোৱা ডুৰাণ্ড লাইনৰ দৰে কৰ্ণেল ইয়ংহাজবেণ্ডৰ অভিযানৰ পাছত ১৯০৩ চনত বৃটিছ ভাৰত আৰু চীনৰ মাজতো কাল্পনিক মেকমোহন লাইন নামৰ সীমাৰেখা নিৰুপণ কৰা হয়। অৱশ্যে চীনে এই কাল্পনিক সীমাৰেখা মানি লোৱাৰ সূত্ৰ কোনো ঠাইতে প্ৰতিপন্ন হোৱা নাই। আন হাতে ডঃ সাজ ইয়াং সেনেও এই মেকমোহন লাইনক চেলেঞ্জ কৰিব পৰা নাছিল বুলি কলেও অত্যুক্তি কৰা নহব। কিন্তু কমিউনিষ্ট চীনে চিং-কিয়াং প্ৰদেশত চীনা ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব পুনৰ প্ৰতিষ্ঠা কৰে, আৰু অনতিপলমেই ভাৰত চৰকাৰে তিব্বতৰ সম্পৰ্কত থকা অধিকাৰ নতুন চীনক প্ৰত্যাৰ্পন কৰে।

১৯৭০ চনত পিকিঙৰ মে দিৱসৰ অনুষ্ঠানত মাও চে তুঙে তৎকালীন ভাৰতীয় চাৰ্জ দ্য এফেয়াৰ্ছ শ্ৰীব্ৰজেশ মিশ্ৰৰ লগত কৰমৰ্দন কৰি কৈছিল, 'ভাৰত আৰু চীন এই দুখন মহান প্ৰতিবেশী ৰাষ্ট্ৰই সদায় কাজিয়া কৰি থাকিব নোৱাৰে। এই দুখন ৰাষ্ট্ৰৰ মাজত আকৌ মিত্ৰতা পুনৰ সংস্থাপিত হবই লাগিব।'

১৯৭১ আৰু ১৯৭৩ চনত ভাৰতীয় পিংপং (টেবুল টেনিছ খেলুৱৈ দলে পিকিঙলৈ খেলিবলৈ যায় আৰু যোৱা বেলিকা এটা চীনা খেলুৱৈ দলেও ভাৰতলৈ খেলিবলৈ আহে। ইয়াৰ পিছত তৃতীয় ৰাষ্ট্ৰৰ মধ্যস্থতাত চীন-ভাৰতৰ কুটনীতিবিদ সকলে লাহে লাহে আলাপ আলোচনাৰ মাধ্যমেৰে দুই ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক স্বাভাৱিক কৰাৰ চেষ্টা কৰে। অৱশ্যে এই সম্পৰ্ক সম্পূৰ্ণ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাত যথেষ্ট সময় লাগিব পাৰে।

যি নহওক, ভাৰত চীনৰ মাজত কুটনৈতিক সম্পৰ্ক স্বাভাৱিকতাৰ প্ৰশ্নত কেইটামান কথা ভাবিবলগীয়া। প্ৰায় ১৪০ কোটি মানুহৰ এই দুখন প্ৰতিবেশী ৰাষ্ট্ৰৰ মাজত বাণিজ্যিক লেনদেন একেবাৰেই নাই। দ্ৰুত বাণিজ্যিক লেনদেনত এই দুখন ৰাষ্ট্ৰৰ মাজত প্ৰভুত উন্নতি হ'ব বুলি আশা কৰিব পাৰি, আৰু এচিয়া তথা তৃতীয় বিশ্বৰ উন্নতকামী দেশসমূহৰ শান্তিকামী মানুহেও সেই সম্ভাৱনাৰ পিনে আগ্ৰহেৰে বাট চাই আছে। ++++

১৪ ৬-৭৬

## পুথি সমালোচনা

## 'ৰক্তিম জনপদ'

কুমুদ কুমাৰ দত্ত ॥ প্ৰকাশক, দত্ত বৰুৱা এণ্ড কোং ॥
গুৱাহাটী ॥ ১৯৭৫ ॥

যোৱা দুই তিনি দশক জুৰি অসমীয়া ভাষাত ৰচিত হোৱা সৰহখিনি উপন্যাসেই পচা আৱৰ্জনা। তথাকথিত প্ৰতিষ্ঠিত লেখকসকলৰ কলমৰপৰা উপন্যাস নামধাৰী যিবিলাক 'চিজ' ওলাইছে - জনগণৰ জীৱনৰ লগত এই সাহিত্যৰ সম্পৰ্কতো নায়েই— বহু ক্ষেত্ৰত জনগণক বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ আৰু প্ৰৰোচণা ইয়াৰ সৰহ ভাগতে বিদ্যমান।

অপেক্ষাকৃত নতুনচাম লেখকৰ বহুকেইজনে এই বিপদগামী পথৰপৰা আঁতৰি আহি পাৰ্যমানে জনগণৰ ওচৰ চপাৰ প্ৰয়াস কৰিছে। এই কথা অনস্বীকাৰ্য যে ভাষা বা ৰচনাশৈলীৰ দিশৰপৰা এওঁলোকৰ ৰচনা পুৰণা-চাম লেখকৰ ওচৰ চাপিবলৈ এতিয়াও বহু দূৰ বাকী— কিন্তু এওঁলোকৰ বিষয়বস্তুৱে জনগণক কেতিয়াও বিশ্বাসঘাটকতা কৰা নাই।

'ৰক্তিম জনপদ'ৰ লেখক কুমুদ কুমাৰ দত্ত অসমীয়া সাহিত্যত একেবাৰে নতুন নাম। কিন্তু ৯০ পৃষ্ঠাৰ এখন সৰু উপন্যাসে এই নতুন লেখকৰ বহু প্ৰতিশ্ৰুতি কঢ়িয়াই লৈ আহিছে। দত্তৰ কলমত স্পষ্টভাবে প্ৰকাশ পাইছে— আজিৰ সমাজৰ বাস্তৱ ৰূপ। উপন্যাসখনত প্ৰকাশ পোৱা মতে বৰ্তমান সমাজৰ কদৰ্য অৱস্থাৰ কাৰণ হৈছে, মাটিবাৰী আৰু সম্পত্তিবোৰ 'বৰুৱা মৌজাদাৰৰ' দৰে মানুহৰ হাতলৈ যোৱাৰ কাৰণে আৰু ব্যৱসায় বাণিজ্যৰ ব্যৱস্থা 'আগৰৱালাৰ' দৰে মানুহৰ একচেটিয়া হোৱাৰ কাৰণে। ৰাইজৰ শত্ৰুৰ কোনো জাত নাই, দত্তই এই সত্যটো বৰুৱা আৰু আগৰৱালাৰ বন্ধুত্বৰ মাজেদি সুন্দৰকৈ ফুটাই তুলিছে।

ৰাইজৰ এই শত্ৰুসকলৰ মাজত হোৱা বন্ধুত্বৰ ফলত তেওঁলোকৰ পুতেকহঁতৰ যৌন আক্ৰমণত সাধাৰণ গোলাপীহঁতে চিপজৰী লব লগা হৈছে, অন্য কিছুমান গাভৰুৱে জীয়াই থাকিবৰ কাৰণে নিজৰ দেহ বিক্ৰি কৰিব লগা হৈছে, অধিকাংশ ডেকাই খেতিবাতি কৰাতো বাদেই সাধাৰণ চাকৰি এটাৰ কাৰণে হাঁহাকাৰ কৰিব লগা হৈছে, বহু মাক বাপেকে নিজৰ কেচুৱাক বিক্ৰি কৰিয়ো জীয়াই থাকিবলৈ সংগ্ৰাম কৰিব লগা হৈছে। বহু মানুহে অভাৱত বনৰীয়া আলু-কচু খায়ো জীয়াই থাকিব লগা হৈছে। আনহাতে সমাজৰ অন্য শ্ৰেণী বৰুৱা আগৰৱালাহঁতৰ পুতেক জীয়েকে চহৰৰ স্কুল-কলেজত শিক্ষা লৈ স্বৰ্গ সুখ ভোগ কৰিছে। দত্তৰ কলমত এই বৈষম্য অধিক তীব্ৰ হৈ উঠিছে যেতিয়া মৌজাদাৰৰ পুতেক-জীয়েক ৰিক্সুহঁতে ভাতৰ পাতত বহি কুকুৰাৰ ঠেং মুখত লৈ ৰাইজৰ অৱস্থা বৰ্ণাইছে আৰু গাৱঁৰ সৌন্দৰ্য প্ৰকাশ কৰিবৰ কাৰণে সেই অৱস্থা চাবলৈ মটৰ গাড়ীৰে এবাৰ গাঁৱলৈ গৈ অহাৰ পৰিকল্পনা কৰিছে।

সামাজিক অৱস্থাৰ বৰ্ণনা অতিকৈ অন্তঃস্পৰ্শী হৈ উঠিছে যেতিয়া, 'বেৰ বুলিবলৈ একোৱেই; নোহোৱা স্কুলত 'পুষ্টিহীনতাৰ ৰোগত আক্ৰান্ত' ফটা কাপোৰৰ কানি পিন্ধি অহা ছাত্ৰ ছাত্ৰীয়ে 'একান্তমনে টেবুলত ভেজাদি শুই' পৰা শিক্ষকৰ আগত কবিতা আওঁৰাইছে—

'শুৱনি আমাৰ গাওঁখন অতি, শুৱনি গছৰে ভৰা......'

এই অৱস্থা বৰ্তি থাকিবৰ কাৰণে এটা শ্ৰেণীয়ে ঈশ্বৰ নামৰ এক অদৃশ্য কাল্পনিক শক্তিত আস্থা ৰোপণ কৰাইছে বুলি কবলৈ গৈছে যদিও দত্তৰ কলম এই ক্ষেত্ৰত বিশেষ শক্তিশালী ন'হল। বিষয়টোত অধিক বিশ্লেষণৰ সুবিধা আছিল। অৱশ্যে গোসাঁই ঘৰৰ পৰা ওলাই বাৰান্দাত ঠিয় হৈয়েই বৰুৱাই ভাবিছে: 'এইবাৰ ভঁড়াল আৰু এটা সাজিব লাগিব যেন পাইছো। ৰামেশ্বৰে বন্ধকত দিয়া মাটি পুৰাটো আছেই। ভলো'ৰ জীয়েকৰ বিয়াৰ সময়ত দিয়া ৰূপ পাঁচশৰ বিনিময়ত সি আলিগুৰিৰ মাটি পাঁচ হালিচাকে দিম বুলি কৈছে; দিম বুলি কোৱাই নহয় ল'ব লাগিব।' লেখকৰ ইচ্ছাকৃত পোনপতিয়া মন্তব্য নিদিয়াকৈ গোসাঁই ঘৰৰ পৰা উলিয়াইয়ে বৰুৱাৰ মুখও দিয়া এই সংলাপে ধৰ্মীয় অন্তঃসাৰ শূণ্যতাৰ অপূৰ্ব প্ৰকাশ ঘটাইছে।

সমাজৰ এই কদৰ্য অৱস্থাৰ পৰিবৰ্তনৰ কাৰণে কিন্তু শেষত ৰাইজ ওলাই আহিছে। 'এই যাত্ৰাত হয়তো জনগণে মুঠিয়ে মুঠিয়ে সিঁচি যাব তেজৰ কৰাল। এই ৰক্তবীজত জন্ম হ'ব আকৌ মানুহ।'

গাৱঁৰ প্ৰাকৃতিক সৌন্দৰ্য দত্তৰ কলমত ৰূঢ় বাস্তৱৰ ৰূপ লৈছে। 'আকাশত অথনিৰ তাম্ৰবৰণীয়া ডাৱৰবোৰ নিথৰ হৈ আছে। অৱশ্যে লাহে লাহে নিস্প্ৰভ হৈ পৰিছে। ওচৰৰ বাগানলৈ নিয়া বিজুলী বাতিৰ তাঁৰবোৰ ক'লা হৈ অনন্তৰ চকুত পৰিল। গাঁৱলীয়া গাভৰুৰ মুখত তাহানিৰ গল্পৰ দৰে অনন্তই হাঁহি শুশুনিলে।'

শেষত দেখাত সৰু হলেও কিছুমান মাৰাত্মক ভুল দত্তক আমি আঙুলিয়াই দেখুউৱা উচিত হ'ব।

অসমৰ গাৱঁৰ কোনো তিৰোতাই নিজকে 'মহিলা' বুলি নকয়। গাৱঁৰ কোনো লোকেই 'আপুনি' বুলি সম্বোধন কৰাৰ পাছত নামটো উচ্চাৰণ কৰি 'অনন্ত আপুনি' বুলি নকয়। কাতি আঘোন মাহত বাঁহৰ গাজ নহয়। গাৱঁৰ পটভূমিত উপন্যাস লেখিবলৈ যোৱা লেখকৰ এনে ভুল উলাই কৰিব নোৱাৰি।

উপন্যাসখনৰ আটাইতকৈ ডাঙৰ ত্ৰুটি হ'ল - সমগ্ৰ উপন্যাসখনতে ব্যক্তিৰ ওপৰত অধিক গুৰুত্ব দান। সামাজিক ৰূপান্তৰত ব্যক্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা নিশ্চয় থাকিব; কিন্তু 'ৰক্তিম জনপদ' কেৱল 'অনন্ত' কেন্দ্ৰীক হৈ পৰিল। ৰাইজৰ সামগ্ৰীক সচেতনতাৰ প্ৰকাশ কিন্তু দুৰ্বল হৈ ৰ'ল।

শেষত দত্তক এটা কথা সোঁৱৰাই দিব খোঁজো যে কোনো সামাজিক বিপ্লৱেই আমদানি কৰা নাযায়। গৰ্কীৰ 'মা' উপন্যাস আৰু অস্ত্ৰইভস্কিৰ 'ইস্পাত' উপন্যাসৰ পাভেলহঁতৰ দৰে নেতা সৃষ্টি হ'ব লাগিব পৰিবৰ্তনমুখী ঠাইতেই। দত্তৰ কলমৰ পৰা আৰু শক্তিশালী সৃষ্টিৰ অপেক্ষাত ৰলো। + + +

অজিত কুমাৰ গোস্বামী

# সৃজন আৰু মনন

ইমদাদ উল্লাহ  প্ৰকাশকঃ গুৱাহাটী বুকষ্টল, মাৰ্চ ১৯৭৬ মূল্য — ছটকা

'সৃজন আৰু মনন' কেইখনমান ৰচনাৰ সংকলন। ইয়াত লেখকৰ ভাষাতেই ক'বলৈ গ'লে 'এক বৃহত্তৰ পটভূমিৰ আভাস দি' আধুনিক অসমীয়া কবিতা আৰু কেইগৰাকীমান কবিৰ বিষয়ে আলোচনা কৰিছে। আলোচনাৰ সূত্ৰপাত প্ৰতীকবাদী আন্দোলনেৰে কৰাতো লেখকৰ বুদ্ধিমত্তাৰ লক্ষণ ; কিয়নো এই আন্দোলনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। বহু য়ুৰোপীয় আৰু ইংৰাজ বৰেণ্য কবিৰ কবিতাত ইয়াৰ প্ৰভাৱ পৰিছে। এলিয়ট, ইয়েটছ্ আদিৰ নাম এই প্ৰসংগত উল্লেখযোগ্য। যদিও ফৰাচী প্ৰতীকবাদৰ ভূ-ভা ইয়েটছে্ আৰ্থাৰ ছাইমনছ্‌ৰ যোগেদি second hand তহে পাইছিল। সি যি কি নহওক, প্ৰতীকবাদেই হওক বা চিত্ৰকল্পবাদেই হওক লেখকৰ উদ্ধৃতি কিন্তু এটাই— নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল'। লেখকে নৱ বৰুৱাৰ কবিতা পঢ়িছে— অন্ততঃ এই কবিতাটো ; কিন্তু তাকো বুজি পোৱা যেন নালাগিল। 'আদৰ্শবিহীন অৱক্ষয়ৰ ভয়াবহ ৰূপ' দাঙি ধৰা এই কবিতাটোৰ প্ৰতি শ্ৰীউল্লাহৰ আন্তৰিক দুৰ্বলতা থকা যেন লাগে। এলিয়টীয় ঢঙত লেখা এই কবিতাটো মূলতে চুৰিয়েলিষ্টিক। নৱ বৰুৱাৰ কবিতাত চুৰিয়েলিজিমৰ, বিশেষকৈ ডালিৰ কলাৰ প্ৰভাৱ মনকৰিবলগীয়া। ফ্ৰয়েডীয় চিন্তাৰ ব্যক্তিকেন্দ্ৰী ভাববাদী আদৰ্শৰে প্ৰভাৱান্বিত এই আন্দোলন ধনতান্ত্ৰিক সভ্যতাৰ সংকটৰ প্ৰকাশ। চুৰিয়েলিজিমৰ মতে মৃত্যুভয় আৰু জীৱনৰ প্ৰতিও এক অজান আশংকাই কলা-সাহিত্যৰ মূল উপাদান। বাস্তৱক ভয়কৰা এই আন্দোলনে সেয়েহে দুঃস্বপ্ন, নিৰাশাবাদ আদিৰ ওপৰত স্বভাৱতেই জোৰ দিয়ে। 'ইয়াত নদী আছিল' কবিতাটোত বিলাসী হা-হুতাশ আৰু Resignation ৰ প্ৰাদুৰ্ভাৱ, সচাঁ খং-ক্ষোভৰ কথা নাই। বহুতো বিদেশী কবিতা আৰু আৰ্তি প্ৰাত্যহিক বাস্তৱিকতাৰ ( Quotidian actuality ) অভিজ্ঞতাক চুৰিয়েলিষ্ট চাব মাৰি ইষ্ট্‌মেন কালাৰত পৰিবেশন কৰা দেখা যায়। নৱ বৰুৱাৰ বিষয়ে বহুতো পৰস্পৰ বিৰোধী মন্তব্য লেখকে কৰিছে, যেনে এহাতে নৱ বৰুৱা 'প্ৰাত্যহিকতাৰ উৰ্ধত থকা বৃহত্তৰ স্বপ্নত বিভোৰ বুলি কৈ লগতে তেওঁ 'মাটিৰ পৃথিৱীৰ আৰু মাটিৰ মানুহৰ কবি' বুলি প্ৰতিপন্ন কৰাবলৈ চেষ্টা কৰা হৈছে। ক্ষয়িষ্ণু সংস্কৃতিৰ প্ৰতি সংবেদনশীল নৱ বৰুৱাৰ অধ্যয়ন বিস্তৃত। তেওঁৰ ৰুচিবোধ নিঃসন্দেহে 'অভিজাত' আৰু 'সংস্কৃত মন'ৰ পৰিচায়ক, যেনেধৰণৰ এটা 'সংস্কৃত মন' দিলীপ বৰুৱাৰো আছে বুলি লেখকে ভাবে। কিন্তু লেখকে কোনো প্ৰসংগত উল্লেখ কৰা 'দাৰ্শনিক পূৰ্বসূত্ৰ' বা 'আদৰ্শ' কি ?— সেইবিষয়ে বোধকৰো চিন্তাৰ দৰকাৰ নাই। দিলীপ বৰুৱাৰো 'দাৰ্শনিক পূৰ্বসূত্ৰ'ৰ বুনিয়াদ জাগৰণ আৰু সমাজবাস্তৱিকতাৰ পৰা সন্দিগ্ধ দূৰত্ব। এওঁলোকে অতীতক লৈ আস্ফালন কৰিব পাৰে, ভৱিষ্যতক ভয় আৰু সমীহ কৰিব পাৰে, কিন্তু 'They cannot look around in awarenes.'

নীলমনি ফুকনৰ একাকিত্ব আৰু নিৰ্জনতা alienation ৰ ফল। লেখকে 'ক্ৰম-বিৱৰ্তন' মানে যদি পলায়নবাদী কবিৰ দাম্ভিক কিন্তু বিকৃত এক আত্মসংকোচনৰ কথা কৈছে তেন্তে আমাৰ কবলগীয়া একো নাই। হীৰেন ভট্টৰ কবি মানসক 'ৰাজনীতিয়ে' গ্ৰাস কৰিব নোৱাৰাত লেখক উৎফুল্লিত, কিন্তু হীৰেন ভট্টৰ কবিতাৰ সম্যক-ধাৰণা লেখকৰ নাই। ভট্ট ক্ষুদ্ৰ পৰিসৰৰ 'Perfectionest'। তেওঁৰ কবিতাত ভাবৰ গভীৰতাতকৈ অনুভূতিৰ উচ্ছাস বেছি— সেই অনুভূতি কিন্তু honest, লোকৰ পৰা ধাৰ কৰা নহয়। ভট্টৰ কবিতাত বৰ্তমান যি এক ধাতব্য কাঠিন্য আৰু দুখবিলাস আছে সি এক-প্ৰকাৰ অৱক্ষয়ৰেই চিন যেন লাগে।

'আধুনিক অসমীয়া সমালোচনাৰ ধাৰা' এই নিবন্ধটিত লেখকে কিছু সজ কথা কৈছে। 'সাহিত্য বিচাৰ যে কিছুমান আদৰ্শ আৰু মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত' এই কথা মানি লৈ তেখেতে প্ৰশ্ন কৰিছে— 'আমাৰ সাহিত্য সমালোচনাৰ আদৰ্শ কি হ'ব লাগে' ? কিন্তু পাইলেটৰ দৰেই উত্তৰলৈ ৰোৱাৰ অৱকাশ তেওঁৰ নাই। কিতাপৰ আৰম্ভণিতেই 'ঐতিহাসিক দৃষ্টিভংগীৰ' কথা কৈ ওলোটাবাগৰ মাৰি 'সাংস্কৃতিক পটভূমি' বা 'নিৰপেক্ষ কোনো শাশ্বত প্ৰমূল্য'ৰ কথা লৈ মূৰ ঘমাইছে। 'ভাবানুষংগ' 'ভাবৰ পৰিমণ্ডল' আদি লৈয়েই ব্যস্ত থকা শ্ৰীউল্লাহৰ লেখনিত মাটিৰ গোন্ধটো নায়েই ; সচাঁ, হয়তো ৰূঢ় সামাজিক বাস্তৱৰপৰা সজ্ঞানে নিৰাপদ দূৰত্বত থকাৰ মতলবেৰেই প্ৰকট— ক'ৰবাত চেকা লগাৰ আশংকা, নহ'লেনো ষাঠিৰ দশকৰ আৰু বৰ্তমানৰ কবিতাৰ কথা ক'বলৈ গৈ আনিছ উজ জামান, মোহনকৃষ্ণ মিশ্ৰ, সুশীল শৰ্মা আদিৰ কথা কৈ, প্ৰসংগত দোহাৰিও, এই সময়ৰ এটা ধাৰাৰ অন্যতম গুৰিধৰোঁতা বলিষ্ঠ তৰুণ কবি ৰবীন্দ্ৰ সৰকাৰৰ নাম উল্লেখ নকৰাকৈ থাকেনে ?

লেখকৰ লেখনিত বিভিন্ন কাব্যিক আন্দোলন আদিৰ বিষয়ে ধাৰণা স্পষ্ট নহয় আৰু বিভাজন বেখাবিলাকো অস্পষ্ট— সচৰাচৰ হোৱা কিছু Overlapping বাদ দিও।

> 'পশ্চিমীয়া সাহিত্য জগতত চিত্ৰকল্পবাদী আন্দোলন ( লগতে প্ৰতীকবাদী আন্দোলনো ) আৰম্ভ হৈছিল উনৈশ শতিকাৰ ৰোমাণ্টিক কাব্যৰ উচ্ছাস প্ৰৱণতা, শিথিল প্ৰকাশভংগী আৰু বিমূৰ্ত ভাষাৰ বিপৰীতে চিত্ৰধৰ্মী ভাষা আৰু সচেতন কলা সৃষ্টিৰ আদৰ্শ আগতলৈ।'



OKDISCD

ওপৰৰ এই উক্তিটো ঐতিহাসিক দৃষ্টিভংগীৰ ফালৰ পৰা খুত নথকা নহয়। পশ্চিমীয়া সাহিত্যৰ আন্দোলনবিলাকো পূৰ্ববৰ্তী আন্দোলনৰ প্ৰতিক্ৰিয়াৰে ফল। ফেছীবাদী পাউণ্ড আদি কবিৰ নেতৃত্বত গঢ় লোৱা চিত্ৰকল্পবাদী আন্দোলনে ঘাইকৈ Georgian কবিতাৰ বিৰুদ্ধেহে react কৰিছিল। আন্দোলনৰ আভাস দিবলৈ গৈ দুই এজন ব্যক্তি আৰু ব্যক্তিৰ বিষয়ে কিছু কথা আৰু কবিতাসমূহৰ কিছু গুণ (traits) তালিকাবদ্ধ (catalogue) কৰাই যথেষ্ট নহয়। চিত্ৰকল্পবাদীসকলে কবিতাৰ বিষয়বস্তু নিৰ্বাচন সম্বন্ধে অবাধ স্বাধীনতাৰ কথা কয় কিন্তু সকলোবোৰ কবিতা বিচাৰ কৰি চালেও আমি এনে এটা নিদৰ্শন নাপাও য'ত প্ৰাত্যহিক বাস্তৱতাৰ 'awareness' আছে।

আধুনিকতাৰ ক্ৰমবিবৰ্তনৰ কথা কবলৈ গৈয়ো শ্ৰীউল্লাহে দৰকাৰী ঐতিহাসিক তথ্য আওকাণ কৰিছে- যেনে, ডাৰউইনৰ 'Origin of Species' কিতাপৰ প্ৰকাশৰ ফলত হোৱা আলোড়ণ আৰু পৰৱৰ্তী spencerৰ কাৰচাজ্জি। সমালোচক হিচাপে এক নতুন ধাৰাৰ প্ৰৱৰ্তক ৰূপে দাৰ্শনিক কবি সাহিত্যিক ভৱানন্দ দত্তৰ বিষয়ে বেছ ভালকৈয়ে শ্ৰীউল্লাহে আলোচনা কৰিছে। পুৰণাচামৰ সমালোচকৰ ভিতৰত শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ 'ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত তাৰ প্ৰভাৱ' কিতাপত প্ৰভাৱৰ স্বৰূপ হ'ল ইংৰাজ লিখকৰ লেখাৰ আনুমানিক অনুবাদ। নতুন চামৰ ভিতৰত অসমীয়া সমালোচনাত ডঃ গোহাঁইক প্ৰাপ্য স্থানেই দিয়া হৈছে যদিও তেওঁৰ ৰচনাত 'নিৰপেক্ষ শাশ্বত প্ৰমূল্যৰ' অভাৱে লেখকক কষ্ট দিছে। ভবেন বৰুৱাৰ নান্দনিক আতিশয্যই তেওঁক মূলতে academic সমালোচক কৰি ৰাখিছে। সজাগ জীৱন জিজ্ঞাসা আৰু সজীৱ অনুভূতিৰ অভাৱত তেওঁৰ ৰচনা কিছু এনিমিক হলেও তেওঁ এজন লেখতলবলগীয়া সম্পাদক। হোমেন বৰগোহাঁঞিৰ প্ৰচুৰ সম্ভাৱনা আছে। তেওঁৰ লেখনি বিস্তৃত অধ্যয়নেৰে সমৃদ্ধ কিন্তু এই অধ্যয়ন জিন নিয়াব নোৱাৰাত বোধকৰোঁ names droppingৰ প্ৰতি তেওঁৰ সচৰাচৰ দুৰ্বলতা।

শেষত কিতাপখনৰ এটা ক্ৰটিৰ কথা আঙুলিয়াই নেদেখুৱাকৈ নোৱাৰিলো। 'দাৰ্শনিক পুৰ্বসূত্ৰৰ দুৰ্বলতাৰ কাৰণেইনেকি কিতাপখনৰ আৰম্ভণিৰ 'মোৰ কথা'ৰ পৰা শেষৰ ৰচনালৈকে আশংকা, ভয় আৰু অনাহুত 'apology'

'যিসকল কবিৰ বিষয়ে ইয়াত বহলকৈ আলোচনা কৰা হোৱা নাই, তেওঁলোকৰ কাব্যকৃতি নুই কৰাটো আমাৰ উদ্দেশ্য নহয়' 'মোৰ কথা'

'এইসকল কবিৰ উপৰিও আন কবিৰ কবিতাত প্ৰতীকবাদী আন্দোলনৰ প্ৰত্যক্ষ নাইবা পৰোক্ষ প্ৰভাৱ পৰিব পাৰে, তেওঁলোকৰ কবিতা আলোচনা নকৰাৰ অৰ্থ এই প্ৰভাৱ অস্বীকাৰ কৰা নহয়' — পৃঃ ৪৩

'আমি ইয়াত হিউমৰ লগত কীট্‌ছৰ তুলনা কৰি ৰোমাণ্টিক কবিজনাক হেয় কৰিব খোজা নাই,কেৱল দুজনৰ ৰচনাৰীতিৰ পাৰ্থক্য দেখুৱাব খুজিছোঁ'পৃ৫৪

'আমাৰ উদ্দেশ্য এইটো নহয় যে আমি প্ৰভাৱৰ কথা কৈ আমাৰ কবিসকলৰ মৌলিকতাৰ প্ৰতি কটাক্ষপাত কৰিছোঁ' পৃঃ ৭৪ শ্ৰীউল্লাহৰ এনেধৰণৰ 'Apolegetics' পঢ়ি আমি উল্লাসিত হ'ব নোৱাৰিলোঁ। + + +

প্ৰদীপ আচাৰ্য


With best compliments from :

CAPITAL PHARMA
DISPENSING CHEMISTS

CAPITAL PHARMA DISTRIBUTOR
WHOLESALE DEALER OF
DRUGS & SURGICAL GOODS, BABY FOOD ETC.

PANBAZAR, GAUHATI-781001
Phone : 2165

With Best compliments from—

Arya Roadways Company Pvt. Ltd.
Paltan Bazar
GAUHATI-781008
Phone : 7108/6634

With Best compliments from—

Air Transport Corporation
Panbazar, Gauhati-781001

With best compliments from—

ASSAM BENGAL CARRIERS
Fancy Bazar, Gauhati-781001

OKDISCD

সাম্প্রতিক সাময়িকীলৈ আন্তৰিক অভিনন্দন সহ

# বি. এন. দে এণ্ড কোং

পাণবজাৰ, গুৱাহাটী-৭৮১০০১ ॥ ফোন ঃ ৬৯৭৯

**গুৱাহাটী মহানগৰত ভাৰতৰ বিখ্যাত বাতৰিক কত আৰু আলোচনীসমূহৰ যোগান আমায়েই ধৰোঁ।**

● দি ষ্টেটছমেন্ ● জুনিয়ৰ ষ্টেটছমেন্ ● টাইমছ্ অব্ ইণ্ডিয়া ● নৱ-ভাৰত টাইমছ্ ● ইকনমিক্ টাইমছ্ ● ইলাষ্ট্ৰেটেড্ উইক্‌লী ● ফিল্ম ফেয়াৰ ● ধৰ্ময়ুগ ● ফেমিনা ● মাধুৰী ● ইভছ্ উইক্‌লী ● স্পৰ্টছ্ উইক্ ● ষ্টাৰ্ এণ্ড ষ্টাইল্ ● অন্ লুকাৰ

---

সাম্প্ৰতিক সাময়িকীলৈ আন্তৰিক অভিনন্দন সহ

# গুৱাহাটী ডায়েৰী

পাণবজাৰ ॥ গুৱাহাটী-৭৮১০০১

**নানা তৰহৰ বিলাস-সামগ্ৰী আৰু উৎকৃষ্ট চাহ-মিঠাইৰ লগতে আমি যোগান ধৰোঁ। ভাৰতৰ বিভিন্ন ভাষাৰ আলোচনী আৰু বাতৰিকাকত।**

● অমৃত বাজাৰ পত্ৰিকা ● যুগান্তৰ ● পেট্ৰিয়ট ● শংকৰছ্ উইক্‌লী ● ইলাষ্ট্ৰেটেড উইক্‌লী ● অমৃত ● চান্দ মামা

---

*With compliments from :*

# MADAN & CO.

**A. T. Road, Gauhati-781009**

---

*With best compliments from :*

# BAMBINO

*(Exclusive show-room of Bombay Dyeing Mills)*

OPP : RUPAYAN CINEMA
FANCY BAZAR, GAUHATI-781001

---

*With best compliments of :*

Gram : CANDIDDRUG — Phone : 7401

# CANDID DRUG DISTRIBUTORS

**PANBAZAR : GAUHATI-781001, (Assam)**

*DISTRIBUTORS FOR :*

CADILA DISTRIBUTORS, AHMEDABAD-5
G. W. CARRICK CO (P) LTD, BOMBAY
DIAMOND DRUGS AND CHEMICAL WORKS, CALCUTTA
ARISTO PHARMACEUTICALS PVT, LTD., BOMBAY
TREATMENT HOME PRODUCTS, CALCUTTA-14
SERUM INSTITUTE OF INDIA
QUALITY PHARMACEUTICALS PVT. LTD.

*STOCKISTS FOR :*

MULLER & PHIPPS INDIA (P) LTD.
SARABHAI CHEMICALS
SUHRID GEIGY LTD.
WARNER HINDUSTAN LTD.
RICHARDSON HINDUSTAN LTD.
ORGANON (INDIA) LTD.
MARTIN & HARRIS (P) LTD.

OKDISCD

SAMPRATIK SAMAYIKEE
Volume 1, Collection II

JULY '76 ISSUE
Price Rs. 2·00

PHONE-4593

# MODERN WATCH CO.

**ON TIME ALL THE TIME**

Watch Makers & Dealers

**SPECIALIST IN :**

REPARING WORKS

**KAMARPATTY ROAD**
**GAUHATI-781001**

OKDISCD

Printed & Published by M. Borah at Print Well, Gauhati-781001
Cover Printed at Bismoi Printers, Gauhati-781003
Editor : Nitya Borah